# গৱেষণাৰ পদ্ধতিবিজ্ঞান

...............

সাহিত্য-সমাজ-সংস্কৃতিৰ
গৱেষণা সম্পৰ্কত

পল্লৱী ডেকা বুজৰবৰুৱা

# প্ৰস্তাৱনা (২য় সংস্কৰণ)

গৱেষণাৰ পদ্ধতিবিজ্ঞান (সাহিত্য-সমাজ-সংস্কৃতিৰ গৱেষণা সম্পৰ্কত)— শীৰ্ষক গ্ৰন্থখনৰ প্ৰথম সংস্কৰণত অনেক ত্ৰুটী ৰৈ গৈছিল, যেনে— বৰ্ণাশুদ্ধি, সূচীপত্ৰ আৰু ভিতৰ পৃষ্ঠাৰ শীৰ্ষকৰ অমিল আৰু কেইটিমান পৃষ্ঠাত দিবলৈ ৰৈ যোৱা পাদটীকাৰ উল্লেখ, অৱশ্যেই কিছু ছপাৰ ত্ৰুটীও আছিল। এই সংস্কৰণত সেই সকলোখিনি শুদ্ধ কৰি প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হ'ল। লগতে এই সংস্কৰণত গ্ৰন্থখনৰ কেইটিমান অধ্যায়ত কিছু সংযোজন আৰু কিছু সাল-সলনিও ঘটোৱা হ'ল। অংগসজ্জাক পুনৰ পৰীক্ষণ কৰি মসৃণ কৰা আৰু ৰৈ যোৱা শব্দ, বাক্য, পেৰাগ্ৰাফ আদিৰ সংযোজনৰ লগতে অধ্যায়ৰ পূৰ্বৰ স্থান সলনি কৰি অন্য স্থানত সংস্থাপন কৰাকে ধৰি গ্ৰন্থখনক পূৰ্ণাংগ ৰূপ প্ৰদান কৰাৰ শ্ৰমসাধ্য কামখিনি সম্পাদন কৰা ৰিতু বৰগোহাঁইক ধন্যবাদ জনালোঁ। প্ৰুফ পৰীক্ষণত সহায় কৰা আমাৰ ছাত্ৰ সনাতন হাজৰিকাৰ শলাগ ললোঁ। গ্ৰন্থখনৰ পুনৰ মুদ্ৰণৰ সিদ্ধান্ত লোৱা বনলতা প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰদ্যুৎ হাজৰিকা (বুমনি) লৈ পুনৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। গৱেষণা পদ্ধতিৰ অন্তৰ্গত গৱেষণা আঁচনি আৰু সাৰাংশ-পত্ৰৰ বিষয়াভাসৰ উদাহৰণ হিচাপে এই গ্ৰন্থৰ আগৰ সংস্কৰণৰ পৰিশিষ্টত আৰ্হি হিচাপে থকা বিনীতা চেতিয়াৰ এম. ফিল. গৱেষণাৰ আঁচনিখনৰ পৰিৱৰ্তে ড° ব্ৰজেন শৰ্মাই সাহিত্যৰ এটি বিষয়ত গৱেষণা কৰি পিএইচ. ডি. লাভ কৰা বিষয়টিৰ বাবে প্ৰস্তুত কৰা গৱেষণা আঁচনিখন গ্ৰহণ কৰা হ'ল। সেইদৰে ড° লিপিমণি দত্তৰ সাহিত্যৰ এটি বিষয়ৰ বাবে প্ৰস্তুত কৰা সাৰাংশ-পত্ৰখনৰ পৰিৱৰ্তে ড° শিল্পীশিখা গগৈৰ সংস্কৃতি অধ্যয়ন ক্ষেত্ৰৰ এটি বিষয়ৰ পিএইচ. ডি. গৱেষণাৰ সাৰাংশ-পত্ৰখন সংযোজন ঘটোৱা হ'ল। সাহিত্য আৰু সংস্কৃতি দুয়ো ক্ষেত্ৰৰ দুটা বিষয়ৰ আৰ্হি গ্ৰহণৰ সুযোগ দিয়া আমাৰ ছাত্ৰ-ছাত্ৰী দুয়োগৰাকীলৈকে আন্তৰিক কৃতজ্ঞতা জনালোঁ। আনহাতে গৱেষণাগ্ৰন্থৰ শিৰোনামৰ উদাহৰণত গৱেষক ছাত্ৰী বিনীতা চেতিয়াৰ এম. ফিল. বিষয়টোৰ উদাহৰণ দিয়া হৈছে। গতিকে বিনীতালৈকো ধন্যবাদ।

অৱশেষত এটা কথা ক'বই লাগিব যে এই গ্ৰন্থখনত ৰৈ যোৱা ত্ৰুটী আঙুলিয়াই দি এই সংস্কৰণক ত্ৰুটীমুক্ত কৰিবলৈ সহায় কৰা সকলক অশেষ ধন্যবাদ জনাইছোঁ। যদিও

প্ৰথম অধ্যায়

# গৱেষণা ঃ সংজ্ঞা আৰু পৰিচয়

### গৱেষণা কাক বোলে?

'গৱেষণা' হ'ল নিৰ্দিষ্ট উদ্দেশ্য আগত লৈ প্ৰণালীবদ্ধ পদ্ধতিৰে কোনো প্ৰশ্ন অথবা সমস্যাৰ উত্তৰ অথবা সমাধানসন্ধানী অনুসন্ধান। ইংৰাজী Research শব্দটোৰ সমাৰ্থক শব্দ হিচাপে কেৱল অসমীয়াতেই নহয়, ভাৰতীয় আন সকলো ভাষাতে 'গৱেষণা' বুলি গ্ৰহণ কৰা হৈছে। ফৰাচী Recherche শব্দটোৰ অৰ্থ হৈছে অনুসন্ধান কৰা। এই শব্দৰপৰা উৎপত্তি হোৱা ইংৰাজী Research শব্দৰ প্ৰথম ব্যৱহাৰ হৈছিল ১৫৭৭ চনত। অসমীয়াত উপযুক্ত সমাৰ্থক শব্দৰ অভাৱ, এই 'ৰিচাৰ্ছ' শব্দটোৱে বহন কৰা ব্যাপক তাৎপৰ্যক কেৱল 'গৱেষণা' অসমীয়া প্ৰতিশব্দৰেই বুজাবপৰা নহয় যেন অনুভৱ হয়। তথাপি ৰিচাৰ্ছ শব্দৰ সমাৰ্থক ৰূপত ব্যৱহাৰ হোৱা 'গৱেষণা' শব্দৰ অৰ্থ এক প্ৰকাৰ সাৱধানী আৰু পৰিশ্ৰমী অনুসন্ধান বুলি বুজা যায়। এই গৱেষণাৰ উদ্দেশ্য সত্যক আৱিষ্কাৰ কৰা— সত্যৰ অনুসন্ধান কৰা। কোনো বিষয় সম্পৰ্কে নতুন সত্য আৱিষ্কাৰৰ লক্ষ্যৰে নিশ্চিত কোনো সিদ্ধান্তত উপনীত হ'বলৈ কৰা অধ্যয়নপুষ্ট অনুসন্ধান, পুনঃ পুনঃ পৰীক্ষণ অথবা সূক্ষ্ম অনুসন্ধান। একোটা বিষয়ৰ বিষয়ে তথ্য লাভ কৰিবলৈ নতুন চিন্তাত আলোকপাত কৰি বিভিন্ন প্ৰাসংগিক বিষয়ৰ পৰ্যালোচনা আৰু সেই বিষয়ৰ লগত তাৰ পাৰস্পৰিক আন্তঃসম্পৰ্ক আৱিষ্কাৰ কৰাৰ নামো গৱেষণা। মুঠতে জ্ঞানৰ ক্ৰমাগত সম্প্ৰসাৰণৰ সম্ভাৱনাত মানুহে নিজৰ মননবৃত্তিৰ অনুশীলনত ব্ৰতী হয় গৱেষণা কাৰ্যত। জ্ঞানৰ বিশাল আৰু জটিল ৰহস্যৰাজ্যত নিত্য-নতুন ৰহস্য উদ্‌ঘাটনৰ কাৰণে মানুহৰ নিত্য-নতুন অনুসন্ধানৰ অভিযান প্ৰতিফলিত হয় গৱেষণাত। এনেদৰে গৱেষণাই নতুন সত্যৰ পোহৰত পূৰ্ব গৃহীত তত্ত্ব অথবা সূত্ৰৰো পুনৰীক্ষণ কৰাৰ লগতে নতুন সত্য অথবা সূত্ৰৰ ব্যৱহাৰিক প্ৰয়োগ কৰি নতুন জ্ঞানৰ সাৱধানী অনুসন্ধান কৰে।

বিভিন্নজন গৱেষক পণ্ডিতে 'গৱেষণা'ৰ বিষয়ে বিভিন্ন ধৰণে সংজ্ঞা আগবঢ়াইছে। ডি শ্লাৰিংগাৰ আৰু এম্ ষ্টিফেন্‌চনে 'এনচাইক্লপেডিয়া অৱ্ চ'ছিয়েল্ ছাইঞ্চ' (Encyclopaedeia of Social Science)ত কৈছে যে "গৱেষণা হ'ল জ্ঞানৰ শুদ্ধতা অথবা জ্ঞানবৃদ্ধিৰ উদ্দেশ্যে হোৱা অনুসন্ধান বিষয়। গৱেষণা বস্তু অথবা প্ৰতীক আদিৰ

এনে প্ৰয়োগ, য'ত গৱেষণাই কোনো নতুন তত্ত্ব প্ৰণয়ন কৰে অথবা নতুন কলাৰ অনুশীলন কৰে।"[১]

জে-ফ্ৰেন্সিছ ৰুমেলৰ মতে, গৱেষণা হ'ল এনে এক প্ৰকাৰ প্ৰচেষ্টা, যাৰ জৰিয়তে জ্ঞানৰ আৱিষ্কাৰ, জ্ঞানৰ বিকাশ আৰু জ্ঞানৰ সত্য প্ৰতিপন্ন কৰা হয়। উদ্দেশ্য আৰু গঠনৰ দিশৰপৰা গৱেষণাৰ গোটেই প্ৰক্ৰিয়াটোৱেই হ'ল সত্যান্বেষণৰ প্ৰক্ৰিয়া, অধ্যয়নৰ ক্ষেত্ৰত প্ৰায় এশ বছৰ ধৰি বিকাশ লাভ এক অপৰিৱৰ্তনীয় বৌদ্ধিক প্ৰক্ৰিয়া।[২] অক্সফৰ্ডৰ "এড্‌ভান্স লাৰ্নাছ ডিক্সনেৰী অৱ কাৰেণ্ট ইংলিছ" (Advance Learners Dictionary of Current English) ৰ মতে "গৱেষণা হ'ল জ্ঞানৰ যিকোনো ক্ষেত্ৰত নতুন কোনো সত্যৰ সন্ধানত বিশেষভাৱে কৰা একপ্ৰকাৰ সতৰ্ক অনুসন্ধান।"[৩] ৱেব্‌ষ্টাৰৰ "টুৱেণ্টিয়েথ চেঞ্চুৰী ডিক্সনেৰী" (Twentieth Century Dictionary)ত কৈছে গৱেষণা হ'ল জ্ঞানৰ কোনো ক্ষেত্ৰৰ সত্য অথবা নীতি প্ৰতিষ্ঠাৰ বাবে ধৈৰ্য আৰু সতৰ্কতাৰে কৰা কঠোৰ শ্ৰমসাধ্য অনুসন্ধান অথবা পৰীক্ষণ।"[৪] আন বহু গৱেষক পণ্ডিতৰ মতেও, গৱেষণা হ'ল বিজ্ঞানসন্মত, নিয়মনিষ্ঠ, গভীৰ অধ্যয়নপুষ্ট পদ্ধতিগত বিশ্লেষণ। সকলোৱে একেমুখে ক'ব খোজে যে, গৱেষণা হ'ল নতুন জ্ঞান আহৰণৰ পদ্ধতিগত প্ৰয়াস।[৫] আকৌ ইংৰাজী ৰিচাৰ্ছ শব্দটোৰ বুৎপত্তিগত অৰ্থৰ আঁত ধৰিও ক'ব পাৰি যে ৰিচাৰ্ছ অথবা গৱেষণা মানে হ'ল পূৰ্বৰ কোনো সত্য অথবা সিদ্ধান্তৰ পুনৰ অনুসন্ধান কৰা। অৰ্থাৎ গৱেষণা কাৰ্য হ'ল এক প্ৰকাৰ নিয়মনিষ্ঠ প্ৰণালীবদ্ধ পৰ্যবেক্ষণ আৰু সত্যানুসন্ধান। সাৱধানী আৰু ধৈৰ্যশীল গাঁথনিবদ্ধ অনুসন্ধানৰ দ্বাৰাহে গৱেষণা সম্পূৰ্ণ হয়।

পৰিশেষত ক'ব পাৰি, গৱেষণাৰ অৰ্থ হ'ল জ্ঞানৰ অন্বেষণ। এক প্ৰকাৰ বিজ্ঞানসন্মত অনুসন্ধান কলা। জ্ঞানৰ অনুসন্ধানৰ প্ৰণালীবদ্ধ প্ৰয়াস। গৱেষণা হ'ল জ্ঞানৰ অধিক অগ্ৰগতি সাধনৰ কাৰণে উপলব্ধ জ্ঞানৰ সৈতে নতুন জ্ঞানৰ মৌলিক সংযোজন। গৱেষণা হ'ল কোনো প্ৰশ্নৰ উত্তৰ অথবা সমস্যাৰ সমাধানৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মতভাৱে কৰা অনুসন্ধান।

গৱেষণাৰ সামগ্ৰিক প্ৰক্ৰিয়াটোত থাকে এক প্ৰকাৰ সমালোচনামূলক পৰিক্ৰমা। সেই পৰিক্ৰমাৰ লক্ষ্য হ'ল বিজ্ঞানসন্মত আৰু যথাযথ পদ্ধতিতত্ত্বৰ প্ৰয়োগত জ্ঞানৰ বিকাশ সাধন কৰাৰ লগে লগে নতুন জ্ঞানৰ আৱিষ্কাৰ, সৃষ্টি অথবা অনুসন্ধান কৰা। অৰ্থাৎ গৱেষণা হ'ল কোনো সত্য, তত্ত্ব, আদৰ্শ অথবা কাৰ্যৰ বিজ্ঞানসন্মত প্ৰক্ৰিয়া। আনহাতে এই কথাও সৰ্বজন বিদিত যে মানুহৰ মৌলিক প্ৰবৃত্তিত বুদ্ধিজাত অনুসন্ধিৎসা সহজাতভাৱে সংপৃক্ত হৈ থাকে। সেয়ে যিকোনো অচিনাকী সমস্যাৰ সন্মুখীন হৈ



যদিও মানুহ প্ৰথমে আচৰিত হয়, ভিতৰৰ অনুসন্ধিৎসু প্ৰবৃত্তি কিন্তু লগে লগে জাগি উঠে, তৎপৰ হয়— তৎকালীনভাৱে সেই অচিনাকী সমস্যাৰ উৎস অনুসন্ধানত লাগি যায়। লগতে এই সমস্যাৰ সমাধান অথবা তাৎক্ষণিক প্ৰত্যাহ্বানৰপৰা পৰিত্ৰাণ সূত্ৰৰো সন্ধান কৰে। নিজৰ মাজত থকা তেনে সহজাত মানৱীয় অনুসন্ধিৎসাৰপৰা উদ্ভূত মৌলিক প্ৰবৃত্তিৰ তাড়নাতে গৱেষকে একোটা লক্ষ্য বিষয়ৰ প্ৰাসংগিক তথ্য আহৰণৰ প্ৰয়াস কৰে। তেনে আহৃত তথ্যৰ পৰীক্ষণ, মূল্যায়ন, পৰ্যবেক্ষণৰ জৰিয়তে নজনাক জনাৰ, নুবুজাক বুজাৰ জ্ঞানান্বেষণ কৰে। মুঠতে ক'ব পাৰি, গৱেষণা হ'ল— একোটা সমস্যাৰ নিৰপেক্ষ আৰু পদ্ধতিগত উপায়েৰে সমাধানসূত্ৰত উপনীত হ'বলৈ কৰা জ্ঞানৰ অন্বেষণ। আচলতে পদ্ধতিগত প্ৰয়াসেৰে নিৰ্মাণ কৰা কোনো নিৰপেক্ষ তত্ত্বও হ'ল এক প্ৰকাৰ গৱেষণা। গৱেষণাত সকলো প্ৰকাৰৰ অগ্ৰগতি বা বিকাশেই অনুসন্ধানৰ পৰিণতিতহে সম্ভৱ হয়। এইখিনি সত্যৰ ওপৰত ভিত্তি কৰি এটা কথা স্পষ্ট হয় যে সাধাৰণ অধ্যয়ন অথবা পঢ়া-শুনাৰপৰা গৱেষণা পৃথক। গৱেষণা সদায়েই একোটি নিৰ্দিষ্ট লক্ষ্যাভিমুখী অধ্যয়ন। গৱেষণাৰ বিশেষত্ব হ'ল —

- গৱেষণা এক প্ৰকাৰ যত্নশীল মৌলিক বিদ্যায়তনিক অন্বেষণ, যি অন্বেষণে জ্ঞানৰ জগতত নতুন কিছুৰ সংযোজন ঘটায়।
- গৱেষণা বিজ্ঞানসন্মত অনুসন্ধানৰ এক প্ৰকাৰ কলা। একোটি নিৰ্দিষ্ট বিষয়ক কেন্দ্ৰ কৰি গৱেষণাকাৰ্য পৰিচালিত হয়।
- নিৰ্দিষ্ট একোটি বিষয় সম্পৰ্কে তথ্যৰ সংগ্ৰহ, বিশ্লেষণ আৰু শ্ৰেণীকৰণ কৰি তাৰ মূল্যায়নৰ জৰিয়তে সিদ্ধান্তত উপনীত হোৱা সম্ভৱ হয়।
- গৱেষণাৰ জৰিয়তে কোনো অপ্ৰতিষ্ঠিত অথবা প্ৰতিষ্ঠিত সত্য, সিদ্ধান্ত, তত্ত্ব, ভাৱনা, ধাৰণা অথবা পূৰ্ব ধাৰণাৰো পুনৰ্বিচাৰ অথবা মূল্যায়ন সম্ভৱ হয়।
- গৱেষণাৰ মান নিৰ্ভৰ কৰে গৱেষকৰ কৌতূহলী জিজ্ঞাসা, অনুসন্ধিৎসু দৃষ্টিভংগী আৰু ধৈৰ্যশীল অধ্যয়নৰ ওপৰত।
- গৱেষণাই নতুন তত্ত্ব অথবা ধাৰণাৰ নিৰ্মাণ অথবা প্ৰস্তাৱ কৰিব পাৰে। কোনো বিষয়ে নতুন কোনো নীতি বা সিদ্ধান্তত উপনীত হোৱাৰ প্ৰয়াস আৰু তেনেদৰে প্ৰাপ্ত সিদ্ধান্তৰ সাধাৰণীকৰণ কৰিব পৰা প্ৰয়াসেই গৱেষণা।
- গৱেষণা মূল ভিত্তি যুক্তি, তথ্য আৰু প্ৰমাণ। সেয়ে গৱেষণা পৰিমাপ আৰু পৰিসংখ্যাগত উপস্থাপনৰ ওপৰতো নিৰ্ভৰশীল হয়।

- কোনো বিষয় অথবা সমস্যাৰ কাৰণ, কাৰক আৰু তাৰ পৰিণতিৰ পৰা উপলব্ধ ফলাফলৰ অনুসন্ধানত সম্পন্ন হয় গৱেষণা। সেয়ে গৱেষণাৰ অত্যাৱশ্যকীয় ভিত্তি হ'ল গৱেষণাত প্ৰয়োগ হোৱা পদ্ধতিবিজ্ঞান।
- গৱেষকে জ্ঞান, বুদ্ধি, প্ৰজ্ঞাৰ প্ৰয়োগেৰে কৰা অনুসন্ধান আৰু সিদ্ধান্তৰ সন্মিলিত গঠন প্ৰক্ৰিয়াত সম্পন্ন হয় একোটি গৱেষণা কৰ্ম।

প্ৰকৃত গৱেষণাই গৱেষকৰ মৌলিকতাৰ স্বাক্ষৰ বহন কৰে। সেয়ে গৱেষণাৰ লক্ষ্য বা উদ্দেশ্য কোনো তথ্যৰ সৰবৰাহ নহয়, নতুন কোনো তথ্যত আলোকপাত কৰাহে। গৱেষণাৰ ক্ষেত্ৰত অযৌক্তিকতা, ভিত্তিহীন বিশ্বাস আৰু যথাৰ্থ শৃংখলাৰ অভাৱে গৱেষকক নিৰ্দিষ্ট লক্ষ্যপথৰপৰা বিচ্যুত কৰিব পাৰে। গতিকে এজন গৱেষকে অতি সাৱধানতাৰে সচেতন আৰু শৃংখলাৱদ্ধ ৰূপত গৱেষণা কাৰ্য কৰিবলগীয়া হয়। গৱেষণাৰ কাৰণে গৱেষকৰ মাজত আত্মবিশ্বাসৰ আধিক্যতকৈ অনুসন্ধিৎসুতা বা উৎসুকতাৰ আধিক্যহে অধিক বাঞ্চনীয়। বহু পণ্ডিতে একেমুখে ক'ব খোজে যে, গৱেষণা হ'ল নতুন জ্ঞান আহৰণৰ পদ্ধতিগত প্ৰয়াস।[৩] অৰ্থাৎ গৱেষণা হ'ল কোনো সত্য, তত্ত্ব, আদৰ্শ অথবা কাৰ্যৰ বিজ্ঞানসন্মত প্ৰক্ৰিয়া। আনহাতে এই কথাও সৰ্বজন বিদিত যে মানুহৰ মনত মৌলিক প্ৰবৃত্তিগত বুদ্ধিজাত অনুসন্ধিৎসা সহজাতভাৱে সংপৃক্ত হৈ থাকে। মানুহে নিজৰ মাজত থকা তেনে সহজাত মানৱীয় অনুসন্ধিৎসাৰপৰা উদ্ভূত মৌলিক প্ৰবৃত্তিৰ তাড়নাতে গৱেষকে একোটা লক্ষ্য বিষয়ৰ প্ৰাসংগিক তথ্য আহৰণৰ প্ৰয়াস কৰে। তেনে আহৰণ কৰা তথ্যৰ পৰীক্ষণ, মূল্যায়ন, পৰ্যবেক্ষণৰ জৰিয়তে নজনাক জনাৰ, নুবুজাক বুজাৰ জ্ঞানান্বেষণ কৰে। মুঠতে ক'ব পাৰি, গৱেষণা হ'ল— একোটা সমস্যাৰ নিৰপেক্ষ আৰু বিজ্ঞানসন্মত উপায়েৰে সমাধানসূত্ৰত উপনীত হ'বলৈ পদ্ধতিৰ মাজেৰে কৰা জ্ঞানৰ অন্বেষণ। আচলতে পদ্ধতিগত প্ৰয়াসেৰে নিৰ্মাণ কৰা কোনো নিৰপেক্ষ তত্ত্বও হ'ল এক প্ৰকাৰ গৱেষণা। গৱেষণাত সকলো প্ৰকাৰ অগ্ৰগতি বা বিকাশেই বিজ্ঞানসন্মত অনুসন্ধানৰ পৰিণতিতহে সম্ভৱ হয়।

**গৱেষণাৰ উদ্দেশ্য ঃ**

যিকোনো গৱেষণাৰ উদ্দেশ্য হৈছে বৈজ্ঞানিক পদ্ধতিৰে নিৰ্বাচন কৰি লোৱা একোটা বিষয় সম্পৰ্কত উদ্ভৱ হোৱা প্ৰশ্নৰ উত্তৰ উদ্ধাৰ কৰা। কি কৰিব বিচৰা হৈছে, অৰ্থাৎ কিহৰ অনুসন্ধানত গৱেষণাৰ প্ৰয়োজন হৈছে— সেইটোৱেই হ'ল গৱেষণাৰ ক্ষেত্ৰত আটাইতকৈ প্ৰাথমিক বা গুৰুত্বপূৰ্ণ প্ৰশ্ন। সেই প্ৰশ্নৰ উত্তৰ অনুসন্ধানী প্ৰয়াসতে নিৰ্ণয় হয় গৱেষণাৰ উদ্দেশ্য। বাস্তৱিকতে সকলো গৱেষণাতে সৰ্বস্তৰৰ গ্ৰহণযোগ্য সামূহিক কল্যাণৰ কাৰণে নিহিত উদ্দেশ্যৰ লগতে গৱেষকৰ ব্যক্তিগত কিছুমান উদ্দেশ্য নিহিত



হৈ থাকে। সকলো গৱেষণাৰ অতি সূক্ষ্ম, গভীৰ তাৎপৰ্যপূৰ্ণ দূৰদৰ্শী কাৰ্যকাৰিতা থকা অন্তৰ্নিৰ্হিত উদ্দেশ্য হ'ল সত্যৰ উদ্ঘাটন আৰু নজনা জ্ঞানৰ অনুসন্ধান। তেনে কেইটিমান সূক্ষ্ম, গভীৰ তাৎপৰ্যপূৰ্ণ দূৰদৰ্শী কাৰ্যকাৰিতা থকা অন্তৰ্নিৰ্হিত উদ্দেশ্য হ'ল—

- সৰ্বজন গৃহীত দৃষ্টিভংগীৰে কোনো নতুন ক্ষেত্ৰ বা নতুন বিষয়ৰ সত্য উদ্ঘাটন কৰা।
- কোনো বিশেষ ব্যক্তিগত অথবা সামূহিক বিষয়ৰ যথাৰ্থ চিত্ৰ উদ্ধাৰ কৰা।
- কোনো বিশেষ পৰিস্থিতি অথবা বিষয়ৰ সত্যৰ বাস্তৱ ছবি নিৰ্ণয় কৰা।
- কোনো সংঘটিত পৰিঘটনা অথবা তাৰ লগত জড়িত অন্য প্ৰাসংগিক সত্য নিৰ্ণয় কৰা।
- পূৰ্বানুমিত প্ৰাক্‌কল্পনাৰ লগত প্ৰাপ্ত তথ্যৰ সম্পৰীক্ষণ কৰা।

একে সময়তে গৱেষকৰ নিজা স্তৰত ব্যৱহাৰিক বাস্তৱতাৰ দিশৰপৰাও আৰোপিত হয় কিছুমান আপাত স্থূল আৰু সাময়িক প্ৰয়োজন সাপেক্ষ, কিন্তু অতীৱ প্ৰয়োজনীয় উদ্দেশ্যও। গৱেষণাৰ লগত গৱেষকৰ ব্যক্তিগত আৰু সামাজিক স্তৰৰ প্ৰয়োজন পূৰণ কৰা দেখাত স্থূল, কিন্তু বস্তুতঃ অত্যাৱশ্যকীয় তেনে কেইটিমান সাধাৰণ উদ্দেশ্য হ'ল—

- গৱেষণাৰ জৰিয়তে এটি ডিগ্ৰীৰ লগতে গুৰুত্বপূৰ্ণ সা-সুবিধাৰ আকাংক্ষা।
- সমাধান নোহোৱা কিছুমান সমস্যাৰ সমাধানৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ উদ্যম।
- কিছুমান ব্যৱহাৰিক প্ৰয়োজনৰ অনুসন্ধানত গৱেষণা সূচনা কৰা।
- সৃষ্টিশীল চিন্তাৰে অধ্যয়ন কৰি বৌদ্ধিক আনন্দ লাভৰ আকাংক্ষা।
- সমাজৰ প্ৰয়োজন অথবা বৃহত্তৰ কল্যাণ কৰাৰ আকাংক্ষা।
- ব্যক্তিগত আৰু সামাজিক উভয় ক্ষেত্ৰত মান প্ৰাপ্তিৰ আকাংক্ষা।

যি কি নহওক, আচলতে গৱেষণাকৰ্মৰ বাবে অধ্যয়নৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ অন্তৰালত গভীৰ উদ্দেশ্য থাকে। এনে উদ্দেশ্যৰ ক্ষেত্ৰত কেৱল ওপৰত উল্লেখ কৰা তালিকাই পৰ্যাপ্ত নহয়। ইয়াৰ উপৰিও আন বহুত আনুসংগিক দিশ, যেনে— চৰকাৰ, নিয়োগ-নীতি, যিকোনো নতুনত্বৰ প্ৰতি মানুহৰ স্বাভাৱিক অন্তহীন তৃষ্ণা তথা অনুসন্ধিৎসা, কোনো বিষয় বা কৰ্মৰ লগত থকা বিভিন্ন অনিয়মিত সংযোগ আদিক বুজিবলৈ প্ৰবল আকাংক্ষা, সামাজিক চিন্তা, সমাজৰ প্ৰতি দায়বদ্ধতা আৰু সমাজ-সচেতনতা আদিৰ লগত সম্পৰ্কিত অনেক বিভিন্ন উদ্দেশ্যও নিহিত হৈ থাকে গৱেষণা-কৰ্মৰ পশ্চাদভূমিত।

**গৱেষণাৰ লক্ষ্য ঃ**

সকলো গৱেষণা কৰ্মৰ মূল লক্ষ্য হৈছে লুকাই থকা আৰু এতিয়ালৈকে উদ্ধাৰ নোহোৱা সত্যক পোহৰলৈ অনা। গৱেষণা কৰিবলগীয়া বিষয় এটাৰ গৱেষণা প্ৰশ্ন পক্ষপাত

মুক্ত উত্তৰ সন্ধানী দৃষ্টিভংগীৰে ফলাফলত উপনীত কৰোৱাৰ প্ৰয়াস। আনহাতে প্ৰত্যেক গৱেষণা কৰ্মৰ সাধাৰণ লক্ষ্যৰ লগতে স্বতন্ত্ৰ আৰু সুকীয়া লক্ষ্যও থাকে। সেইদৰে গৱেষণা কৰ্মৰ প্ৰকৃতি অনুযায়ী নিৰ্দিষ্ট হোৱা গৱেষণা আঁচনি সাপেক্ষেও গৱেষণাৰ কিছুমান লক্ষ্য নিৰ্দিষ্ট হয়। গৱেষণাৰ আঁচনি আৰু প্ৰকৃতি অনুসৰি গৱেষণাৰ মূল লক্ষ্য দুটা দিশত নিৱিষ্ট হয়—

- গুণগত (Qualitative)
- পৰিমাণগত (Quantitative)

গৱেষণাৰ নিৰ্দিষ্ট দিশৰ লক্ষ্য অনুসৰি আকৌ গুণগত আৰু পৰিমাণগত গৱেষণাৰ ভিতৰতো তলত দিয়া গৱেষণাৰ প্ৰকাৰসমূহ নিৰ্দ্ধাৰিত হয়—

| | |
|---|---|
| বৰ্ণনাত্মক (Descriptive)<br>বিশ্লেষণাত্মক (Analytical) | প্ৰায়োগিক (Applied)<br>মৌলিক (Fundamental) |
| গুণগত (Qualitative)<br>পৰিমাণগত (Quantitative) | ধাৰণামূলক (Conceptual)<br>পৰীক্ষামূলক (Empirical) |

সম্প্ৰতি যুগসাপেক্ষ চিন্তাৰ পৰিৱৰ্তিত পটভূমিত সামাজিক বিজ্ঞানৰ বিষয়সমূহেই নহয় সকলোধৰণৰ জ্ঞানৰ ক্ষেত্ৰৰ চিন্তালৈ পৰিৱৰ্তন আহিছে। বিকশিত চিন্তাই গৱেষণা ক্ষেত্ৰলৈকো নতুন নতুন দিশৰ সৰবৰাহ কৰিছে। তেনে পৰিপ্ৰেক্ষাত গৱেষণাৰ স্বৰূপ ক্ষেত্ৰৰো নতুন নতুন ধৰণে বিকাশ হৈছে। তাৰ ভিতৰত দুটা বিশেষভাবে উল্লেখযোগ্য দিশ হ'ল— একক ক্ষেত্ৰ গৱেষণা (Single Disciplinary Research) আৰু আন্তৰ্ক্ষেত্ৰ গৱেষণা (Inter-Disciplinary Research)। এই গৱেষণা গ্ৰন্থত কলা আৰু মানৱিক বিজ্ঞানৰ লগতে সমাজবিজ্ঞানৰ অন্তৰ্গত ৰূপত সাহিত্য বিষয়ক গৱেষণাৰ প্ৰয়োজন হোৱা দুয়োটা দৃষ্টিভংগীৰে গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

**একক ক্ষেত্ৰ গৱেষণা ঃ**

একক ক্ষেত্ৰ গৱেষণাত গৱেষণা নিশ্চিতভাৱে গৱেষণা কৰিবলগীয়া বিষয় অথবা ক্ষেত্ৰৰ সীমা প্ৰধানতঃ একক বিষয় ক্ষেত্ৰকেন্দ্ৰিক হয়। এনে গৱেষণাত একোটি নিৰ্দিষ্ট বিষয় ক্ষেত্ৰৰ গৱেষণাক সেই বিষয় ক্ষেত্ৰৰ মাজতে সীমাৱদ্ধ ৰাখি অধ্যয়নৰ পৰিসৰ নিশ্চিত কৰাৰ প্ৰয়াস দেখা যায়। যেনে— সাহিত্যৰ গৱেষণা, ইতিহাসৰ গৱেষণা, অৰ্থনীতিৰ গৱেষণা, নৃ-তত্ত্বৰ গৱেষণা ইত্যাদি। এনে একক বিষয় ক্ষেত্ৰকেন্দ্ৰিক গৱেষণাক একক ক্ষেত্ৰ গৱেষণা বুলি কোৱা হয়।



**আন্তৰ্ক্ষেত্ৰ গৱেষণা ঃ**

সময়ৰ লগে লগে অৱশ্যে গৱেষণাৰ ৰীতি-প্ৰকৃতিলৈ নানা ধৰণৰ পৰিৱৰ্তন আহিল। বিচিত্ৰ বিষয়ক্ষেত্ৰৰ মাজত থকা পাৰস্পৰিক আন্তঃ সংযোগ আৱিষ্কাৰ কৰাত গুৰুত্ব দিয়া হ'ল। এনে চিন্তাৰ বিকাশ হোৱাৰ পৰিপ্ৰেক্ষাত গৱেষণা স্বৰূপো বিকশিত হ'ল। একক ক্ষেত্ৰ গৱেষণাৰ আশে-পাশে আন্তৰ্ক্ষেত্ৰমূলক অথবা আন্তৰ্বিদ্যামূলক গৱেষণাৰ বাট মুকলি হ'ল। সম্প্ৰতি এনে গৱেষণাৰ প্ৰতি গৱেষকৰ আগ্ৰহ বৃদ্ধি পোৱা দেখা গৈছে। উদাহৰণস্বৰূপে সাহিত্যৰ লগত ৰাজনীতিৰ আন্তৰ্ক্ষেত্ৰমূলক গৱেষণাৰ কথা ক'ব পাৰি, যেনে— মহাভাৰতীয় সাহিত্যত বৈষম্যৰ ৰাজনীতি। অৱশ্যে এই কথাও মনত ৰাখিব লাগিব যে, কেতিয়াবা কেৱল শিৰোনামাৰ ওপৰত ভিত্তি কৰি অন্তৰ্বিদ্যামূলক অথবা আন্তৰ্ক্ষেত্ৰমূলক অধ্যয়ন বুলি ধৰিব নোৱাৰি। গৱেষণাৰ তথ্য, উপাদান, বিশ্লেষণৰ ভংগী, তাত্ত্বিক ভিত্তি আৰু তাক ব্যৱহাৰৰ দৃষ্টিভংগী, উপস্থাপনৰ শৃংখলা— এনে দিশসমূহৰ মাজত আন্তৰ্ক্ষেত্ৰৱৰ্তী গৱেষণাৰ মূল পৰিচয় নিহিত হৈ থাকে। সঠিক অৰ্থত এনে গৱেষণাত নিহিত থাকে আন্তৰ্ক্ষেত্ৰৱৰ্তী প্ৰয়াস।

এনেদৰে গৱেষণাৰ সংজ্ঞা, চৰিত্ৰ, লক্ষ্য, উদ্দেশ্য, পৰিকল্পনা আৰু স্বৰূপৰ বিকাশে গৱেষণাক আধুনিক বৌদ্ধিক ক্ষেত্ৰৰ এক অপৰিহাৰ্য মননকলালৈ উন্নীত কৰিলে। জ্ঞানৰ ক্ৰমবিকশিত উন্মোচনত স্বয়ং 'গৱেষণা'ৰ শীৰ্ষ পৰিচয়তে নিত্য নতুন সংযোজন ঘটি চিন্তাৰ বিকাশ হৈয়ে আছে। ইয়াৰ বিজ্ঞানসন্মত প্ৰয়োগৰ কাৰ্যকাৰিতাই মানৱীয় বুদ্ধিৰ উৎকৰ্ষৰ বাট নিৰ্মাণ কৰি গৈ আছে। এনেদৰেই মানৱ সভ্যতাৰ এষণাত গৱেষণা অতি উচ্চস্তৰীয় মান্যতাৰ সৰ্বজন স্বীকৃত জ্ঞানান্বেষণ কাৰ্যলৈ উন্নীত হৈছে।

**সামাজিক বিজ্ঞানৰ গৱেষণা ঃ**

সামাজিক বিজ্ঞাননো কি? সামাজিক বিজ্ঞান বুলিলে মানুহৰ জীৱন আৰু সমাজক আগুৰি ৰখা বিজ্ঞানকে বুজা যায়। বিজ্ঞান বিষয়ক সাধাৰণতে দুই বহল ভাগত ভাগ কৰা হয়— প্ৰাকৃতিক আৰু সামাজিক বিজ্ঞান। ইয়াৰ ভিতৰত সামাজিক বিজ্ঞানৰ ক্ষেত্ৰত আকৌ দেখা যায় যে মানৱ জীৱনৰ লগত সংপৃক্ত হৈ থকা মানুহৰ ব্যক্তিগত আৰু সামাজিক সকলো সংযোগ আৰু সংস্কৃতিকে সামৰি লোৱা হয়। এই পৰিসৰৰ ভিতৰত সাধাৰণতে তলত দিয়া বিষয়সমূহ অন্তৰ্ভুক্ত হয়—

- নৃবিজ্ঞান (Anthropology)
- আচৰণ বিজ্ঞান (Behavioral Science)
- বাণিজ্য (Commerce)
- জনবিজ্ঞান (Demography)

- অৰ্থনীতি (Economics)
- শিক্ষা (Education)
- ভূগোল (Geography)
- ইতিহাস (History)
- আইন (Law)
- অধিনিয়ম (Legislation)
- ভাষাবিজ্ঞান (Linguistics)
- ৰাজনীতি বিজ্ঞান (Political Science)
- মনস্তত্ত্ব (Psychology)
- লোক প্ৰশাসন (Publik Admistration)
- সমাজতত্ত্ব (Sociology)
- সামাজিক কৰ্ম (Social Work) ইত্যাদি।

সামাজিক বিজ্ঞানৰ গৱেষণা হ'ল মানৱ জীৱনৰ বিষয়ে জ্ঞানৰ ক্ষেত্ৰ প্ৰসাৰিত কৰা। মানৱ জীৱন আৰু সমাজৰ কোনো সংশোধক অথবা মানৱীয় আচৰণ অথবা সামাজিক জীৱনৰ বিভিন্ন দিশৰ বিষয় সম্পৰ্কে প্ৰণালীৱদ্ধ অন্বেষণ, বিশ্লেষণ আৰু ধাৰণা নিৰ্মাণৰ উদ্দেশ্যে কৰা অধ্যয়ন। সামাজিক বিজ্ঞানৰ গৱেষণাই সামাজিক ক্ষেত্ৰৰ কোনো ব্যাখ্যাতীত সমস্যাৰ ব্যাখ্যা-বিশ্লেষণ, সন্দেহজনক কোনো বিষয় অথবা সমস্যাৰ স্পষ্টতা, সমাজ জীৱনত গঢ় লোৱা কোনো ভুল পূৰ্বধাৰণাৰ সংশোধন ইত্যাদি বিষয়ৰ গৱেষণাক সামৰি লয়। অন্যান্য গৱেষণাৰ দৰে সামজিক বিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰতো তলত দিয়া উদ্দেশ্যসমূহ প্ৰযোজ্য হয়—

- নতুন সত্যৰ অনুসন্ধান
- পূৰ্বসত্যৰ নিৰীক্ষণ-পৰীক্ষণ
- মানৱীয় আচৰণ অনুধাৱন
- প্ৰকৃতিৰ নিয়ম আৰু মানৱীয় কাৰ্য-কলাপৰ জ্ঞানানুসন্ধান
- নতুন বিজ্ঞানসন্মত কৌশল আৰু তত্ত্বৰ বিকাশ
- জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা

কিন্তু অন্য গৱেষণাৰ পৰা সামাজিক বিজ্ঞানৰ গৱেষণাৰ কিছু ভিন্ন উদ্দেশ্যও আছে। এই ক্ষেত্ৰত বিশেষভাৱে তলত দিয়া উদ্দেশ্যকেইটি প্ৰযোজ্য হয়—

- সমাজৰ গাঁঠনিক বুজাৰ প্ৰৱণতা
- ব্যক্তিগত আচৰণ আৰু সামাজিক ক্ৰিয়া-কলাপ অধ্যয়ন কৰা
- সামাজিক সমস্যাৰ মূল্যায়ন, প্ৰভাৱ আৰু সমাধান সন্ধান



- সামাজিক বাস্তৱক আৱিষ্কাৰ কৰা
- সমাজ অথবা ব্যক্তি অধ্যয়নৰ তত্ত্বানুসন্ধান

মুঠতে সামাজিক বিজ্ঞানৰ গৱেষণাত মানৱীয় আচৰণ আৰু সামাজিক জীৱনৰ জ্ঞানৰ অনুসন্ধান, বিশ্লেষণ, পৰ্যবেক্ষণৰ লগতে জ্ঞানৰ ক্ষেত্ৰৰ প্ৰসাৰ, পৰীক্ষণ আৰু সংশোধনৰ কাৰ্যও সাধিত হয়। সামাজিক বিজ্ঞানৰ গৱেষণাই ব্যাখ্যাতীত সামাজিক প্ৰপঞ্চৰ বিশ্লেষণো কৰিব বিচাৰে। সন্দেহজনক তথ্যক স্পষ্ট কৰিব বিচাৰে আৰু সামাজিক জীৱনত থকা ভুল ধাৰণাৰ সংশোধন কৰিব বিচাৰে। নতুন সত্য আৰু নতুন সূত্ৰৰ সন্ধানত পুৰণি তথ্যৰ পুনৰীক্ষণ কৰা হয়। মানৱীয় ক্ৰিয়া-কলাপ আৰু প্ৰকৃতিৰ নিয়মৰ মাজৰ যোগসূত্ৰ নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰে। নতুন বিজ্ঞানসন্মত কৌশল, ধাৰণা আৰু সূত্ৰ অথবা তত্ত্বৰ সন্ধানেৰে জ্ঞানৰ ক্ষেত্ৰ প্ৰসাৰিত কৰিব বিচাৰে।

তদুপৰি কেৱল সামাজিক বিজ্ঞানৰ বিষয়সমূহৰ ক্ষেত্ৰতেই নহয়, সকলো ধৰণৰ গৱেষণাৰ ক্ষেত্ৰত বিষয় জ্ঞান আহৰণ কাৰ্যত চাৰিটা দিশলৈ বিশেষ চকু ৰখা হয়—

- পৰম্পৰা
- কৰ্তৃত্ব
- প্ৰায়োগিক জ্ঞান
- সমস্যা সমাধানৰ পথ অনুসন্ধান

ইংৰাজী Research শব্দটো Re আৰু Search শব্দৰে গঠিত। অসমীয়াত Re মানে পুনৰ আৰু Search মানে অনুসন্ধান। অৰ্থাৎ পুনৰ অনুসন্ধান কৰাৰ অৰ্থ এটাও গৱেষণা শব্দৰ লগত সংপৃক্ত হৈ আছে। অৰ্থাৎ কোনো প্ৰশ্নৰ উত্তৰ অথবা সমস্যাৰ সমাধান বিচাৰি অতি সাৱধানে পুনৰ পুনৰ সূক্ষ্মভাৱে কৰা পৰীক্ষণ বা পৰ্যবেক্ষণ হ'ল গৱেষণা। 'গৱেষণা' শীৰ্ষক এই বিশেষ্য শব্দটোত জ্ঞানৰ ক্ষেত্ৰত প্ৰণালীৱদ্ধ ৰূপত অতি সতৰ্কতাৰে কোনো সত্য অথবা নীতিক প্ৰতিষ্ঠা কৰিবলৈ কৰা কাৰ্যও জড়িত হৈ থাকে। অৰ্থাৎ বিজ্ঞানসন্মত পদ্ধতি বিজ্ঞান প্ৰয়োগ কৰি কোনো সমস্যাৰ সমাধান অথবা কোনো প্ৰশ্নৰ উত্তৰ সন্ধান অথবা কোনো নতুন জ্ঞানৰ অনুসন্ধানৰ এক প্ৰকাৰ সংগঠিত প্ৰয়াসক গৱেষণা বুলিব পাৰি।

**পাদটীকা ঃ**

১ The Encyclopedia of Social Science. Vol.IX, MacMillan, 1930

২ Research is an endeavor to discover, develop and verify knowledge. It is an intellectual process that has developed over hundred of years, ever

দ্বিতীয় অধ্যায়

# গৱেষণাৰ পদ্ধতি আৰু পদ্ধতিবিজ্ঞান

গৱেষণাৰ যোগেদি জ্ঞানৰ ক্রমাগত সম্প্রসাৰণৰ সম্ভাৱনাত মানুহে নিজৰ মননবৃত্তিৰ উৎকৰ্ষ সাধনত ব্ৰতী হয়। জ্ঞানৰ বিশাল আৰু জটিল ৰহস্যৰাজ্যত নিত্য-নতুন ৰহস্য উদ্‌ঘাটনৰ কাৰণে মানুহৰ নিত্য নতুন অনুসন্ধানৰ অভিযান প্রতিফলিত হয় গৱেষণাত। জ্ঞান আৰু পাণ্ডিত্যৰ শৃংখলাবোধ গৱেষণা কৰ্মৰ প্রথম আৰু মৌলিক চৰ্ত। সেয়ে গৱেষণা সকলো সময়তে পদ্ধতিবিজ্ঞান নিৰ্ভৰ হ'বলৈ বাধ্য। ব্যাপক অৰ্থত গৱেষণা কাৰ্যত তিনিটি স্তৰ স্পষ্ট ৰূপত পৰিলক্ষিত হয়—

১. অনুসন্ধান (Investigation)
২. বিন্যাস (Arrangement)
৩. অভিব্যক্তি (Expression)

গৱেষণা কাৰ্যত বিশেষকৈ একোটি বিশেষ গৱেষণা সমস্যা অথবা গৱেষণা প্ৰশ্নৰ উত্তৰ সুপৰিকল্পিত বিন্যাসত অনুসন্ধান কৰা হয়। তাৰ মাজেৰে কোনো সমস্যা সমাধানৰ অনুসন্ধান আৰু অনুসন্ধানলব্ধ সত্যক অভিব্যক্তি প্রদান কৰাৰ প্ৰয়াস কৰা হয়। সেয়ে গৱেষণা কাৰ্য নিৰ্দিষ্ট পদ্ধতিৰ মাজেৰে আগবাঢ়ে। সম্প্রতি গৱেষণাৰ বাবে সুষম আৰু সুচল পদ্ধতিৰ অনুসন্ধানৰ যাত্ৰাত গৱেষণাৰ পদ্ধতিয়েও ক্রমশঃ সূক্ষ্ম আৰু বিস্তৃত পৰিসৰলৈ ব্যাপ্তি লাভ কৰিছে। সাম্প্রতিক সময়ত গৱেষণা কিয় কৰা হয়, এই প্ৰশ্নটোও অতি আৱশ্যকীয় প্ৰশ্ন হৈ উঠিছে। আজিকালি এম. ফিল., পিএইছ. ডি., পষ্ট-ডক্টৰেল, ডি. লিট্ ডিগ্ৰী, ইউ. জি. ছি ৰ মাইনৰ আৰু মেজৰ প্রজেক্ট, অন্য কোনো সংস্থাৰ কাৰণে কৰা প্রজেক্ট অথবা কোনো সামাজিক, চৰকাৰী সমস্যাৰ ক্ষেত্ৰভিত্তিক প্ৰতিবেদন, বিদ্যায়তনিক তথা কোনো এন. জি. অ'. অথবা সামাজিক-অৰ্থনৈতিক অনুসন্ধানৰ প্ৰতিবেদন ইত্যাদিৰ কাৰণে বেলেগ বেলেগে হ'লেও কিন্তু নিৰ্ধাৰিত সময় আৰু বাজেটৰ সীমায়ো নিৰ্ধাৰণ কৰে গৱেষণাৰ স্বৰূপ। ইয়াৰ বাহিৰতো একান্তই ব্যক্তিগত উদ্যোগত ব্যয়সাপেক্ষ চখ্ অথবা খেয়াল-খুচিতো কোনো কোনোৱে গৱেষণা কৰে। তেনেদৰেও অনেক মূল্যৱান সমাজৰ কামত অহা গৱেষণা কাৰ্য সম্পাদন হয়।

### গৱেষণাকৰ্মত পদ্ধতি আৰু পদ্ধতিবিজ্ঞান

গৱেষণা কিয় কৰা হয়, এই প্ৰশ্নৰ ওপৰত নিৰ্ভৰ কৰে গৱেষণা কাৰ্যত কেনেধৰণৰ পদ্ধতিবিজ্ঞানৰ ব্যৱহাৰ হ'ব। সাম্প্রতিক সময়ত বিশ্ববিদ্যালয়সমূহত সম্পন্ন হোৱা প্রজেক্ট

অথবা এম. ফিল্. বা পিএইচ. ডি.-ৰ গৱেষণাত পৃথককৰূপত পদ্ধতিবিজ্ঞানৰ উল্লেখ কৰাটো অতি জৰুৰী আৰু গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়। গৱেষণাৰ পদ্ধতিবিজ্ঞানত গৱেষণা-পদ্ধতি আৰু গৱেষণা পদ্ধতিবিজ্ঞান এই দুইবিধ অভিধাৰ ব্যৱহাৰ কৰা হয়। এই দুয়োটা অভিধাৰ আছে বেলেগ বেলেগ পাৰিভাষিক অৰ্থ।

| গৱেষণা পদ্ধতি | পদ্ধতি বিজ্ঞান |
|---|---|
| • গৱেষণা কাৰ্য সম্পাদন কৰিবলৈ গ্ৰহণ কৰা প্ৰক্ৰিয়াই হ'ল পদ্ধতি। | • পদ্ধতিবিজ্ঞান হ'ল সেই উপায়, যাৰ দ্বাৰা গৱেষণা কৰ্ম এটিৰ পদ্ধতি অনুসাৰে পৰিচালন আৰু সম্পাদন কৰিব পাৰি। |
| • তথ্য-প্ৰমাণ, যুক্তি আদি সংগ্ৰহ আৰু সেই কাৰ্যপ্ৰণালী পৰিচালনাৰ কৌশল। | • ই নিজেই এক প্ৰকাৰ গৱেষণা কাৰ্য। কাৰ্য সুকলমে সম্পাদনাৰ যুক্তি আৰু যৌক্তিক ভিত্তি নিৰ্মাণৰ বিজ্ঞান। |

দেখা যায় কেতিয়াবা পদ্ধতি আৰু পদ্ধতিবিজ্ঞানৰ মাজত থকা পাৰ্থক্যৰ ব্যাখ্যা কৰা অথবা চিনাক্ত কৰা সহজ নহয়। গৱেষণাৰ পদ্ধতিবিজ্ঞান বুজিব পৰা হ'ব তেতিয়াহে যেতিয়া গৱেষণা কাৰ্যৰ চৰিত্ৰ স্পষ্ট হৈ উঠিব। গৱেষণাকৰ্ম এটাৰ পৰ্যবেক্ষণ, নিৰীক্ষণ আদিৰ লগে লগে গৱেষণাত ব্যৱহৃত হোৱা সামগ্ৰী, তথ্য অনুসন্ধান, সংগ্ৰহ, সংৰক্ষণ, সম্পাদনা আৰু প্ৰয়োগলৈকে প্ৰতিটো স্তৰত স্পষ্ট হৈ উঠাৰ কাৰ্যক্ৰমণিকাই হ'ল গৱেষণাৰ পদ্ধতি। অৰ্থাৎ গৱেষণা পদ্ধতিয়ে নিৰ্দিষ্ট গৱেষণা কাৰ্যত ব্যৱহাৰ হ'বলগীয়া সামগ্ৰী আৰু গৱেষণা চৰিত্ৰ নিৰ্মাণ কৰে। সেইদৰে গৱেষণাৰ পদ্ধতিবিজ্ঞান হ'ল গৱেষণাৰ গাঁথনিক প্ৰক্ৰিয়া। গৱেষণা কাৰ্য এটি সুকলমে সম্পাদন কৰিবলৈ নিৰ্ধাৰণ কৰা পদ্ধতি সম্পৰ্কীয় অধ্যয়ন, প্ৰক্ৰিয়া আৰু কৌশলৰ পৰা আৰম্ভ কৰি গৱেষণা কৰ্মৰ ভিত্তিস্বৰূপ তাত্ত্বিক আধাৰ নিৰ্বাচন আৰু তাৰ প্ৰয়োগলৈকে সম্পূৰ্ণ ব্যৱস্থাটোক গৱেষণাৰ পদ্ধতিবিজ্ঞান বুলিব পাৰি।


গতিকে গৱেষণা পদ্ধতিক তথ্যৰ সংগ্ৰহ, বিশ্লেষণ আৰু মূল্যায়নৰ এক নিৰ্দিষ্ট কৌশল বুলিবও পাৰি। কোনো বিষয়ৰ গৱেষণাৰ আঁচনি আৰু তথ্য সংগ্ৰহৰ ক্ষেত্ৰত গ্ৰহণ কৰা এক প্ৰকাৰ দাৰ্শনিক ভিত্তি স্বৰূপ। অৰ্থাৎ গৱেষণা কৌশলবোৰ হ'ল গৱেষণা পদ্ধতিৰ প্ৰায়োগিক প্ৰতিৰূপ। সেইদৰে কোনো বিষয়ৰ গৱেষণাৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা পদ্ধতিৰ অন্তৰালত থকা যুক্তি আৰু যৌক্তিকতাৰ ভিত্তিত গঠন কৰা হয় গৱেষণা কৰ্মৰ বিজ্ঞানসন্মত পদ্ধতিবিজ্ঞান। আনহাতে গৱেষণাৰ পদ্ধতি হ'ল কোনো তত্ত্ব বা দাৰ্শনিক ভিত্তি সাপেক্ষে



যি গৱেষণা কৰ্ম সম্পাদন হয়, সেই গৱেষণা কাৰ্যত প্ৰয়োগ হোৱা তথ্যৰ সংগ্ৰহ, বিশ্লেষণ, সম্পাদনা আৰু নিৰ্বাচনৰ কৌশল।

**গৱেষণাৰ পদ্ধতিবিজ্ঞান**

আচলতে কোনো গৱেষণা কৰ্ম সম্পাদন কৰিবলৈ নিৰ্মাণ কৰা ৰূপৰেখা সম্পৰ্কীয় সংবন্ধনৰ বাবে কৰা বৈজ্ঞানিক অধ্যয়নকেই গৱেষণাৰ পদ্ধতিবিজ্ঞান বুলিব পাৰি। গৱেষণাৰ পদ্ধতিবিজ্ঞানে পদ্ধতি সম্পৰ্কীয় অধ্যয়ন আৰু গৱেষণা কৰ্মৰ অন্তৰ্মগ্ন (underlying) তাত্ত্বিক আৰু দাৰ্শনিক বিশিষ্টতাকো নিৰ্দেশ কৰে। মুঠতে গৱেষণাৰ পদ্ধতিবিজ্ঞান হ'ল এক প্ৰকাৰ শৃংখলাৱদ্ধ প্ৰক্ৰিয়া; যাৰ দ্বাৰা কোনো গৱেষণা কাৰ্য শৃংখলাৰ মাজেৰে সম্পন্ন হয়। গৱেষণা কাৰ্য একোটা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ গৱেষকক পদ্ধতিবিজ্ঞানৰ অতি আৱশ্যক হয়। আচলতে গৱেষণা পদ্ধতিবিজ্ঞান বিষয়টো স্বয়ং এক প্ৰকাৰ শৃংখলা। গৱেষণাৰ পদ্ধতিবিজ্ঞানৰো বিভিন্ন দিশ পৰিলক্ষিত হয়। সম্প্ৰতি গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৰ আলোচনা হৈছে। পদ্ধতিবিজ্ঞান এনে এক স্থিতিস্থাপক (Flexible) শৃংখলা প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াক কোনো মৌলিক গৱেষণা কৰ্মক কৰ্মৰ স্বৰূপ সাপেক্ষে গৱেষকে নিজৰ মতে সজাই ল'ব পাৰে। সাহিত্যৰ গৱেষণা, ভাষাতত্ত্বৰ গৱেষণা, ইতিহাসৰ গৱেষণা, ৰাজনীতিৰ গৱেষণা— সকলোধৰণৰ গৱেষণাকে বিশেষধৰণৰ পদ্ধতিবিজ্ঞানৰ সাঁচত বহুৱাই ল'ব পাৰি। প্ৰত্যেক অধ্যয়ন ক্ষেত্ৰ বা বিষয়ৰ নিৰ্দ্দিষ্ট গৱেষণা প্ৰশ্ন অথবা সমস্যাৰ কিছু মৌলিকতা থাকিবই। গৱেষণাৰ পদ্ধতিবিজ্ঞানে যদি গৱেষণা কৰিবলগীয়া বিষয় বা অধ্যয়ন ক্ষেত্ৰৰ মৌলিকতাক ধৰি ৰাখিব নোৱাৰে, পদ্ধতিবিজ্ঞান নিজেই বিকল হ'ব। পদ্ধতিবিজ্ঞান সকলো সময়তে প্ৰয়োগ নিৰ্ভৰ। সেয়ে পদ্ধতিবিজ্ঞানক গৱেষকে নিজৰ প্ৰয়োজন সাপেক্ষে খাপ খোৱাকৈ প্ৰয়োগ কৰাৰ কৌশল আয়ত্ব কৰিব পাৰিব লাগিব। তেনেদৰে ইয়াৰ ব্যৱহাৰৰ কৌশলসমূহেই হ'ল গৱেষণাৰ সাধন(Tool)। সেই সাধনসমূহক দক্ষতাৰে প্ৰয়োগ কৰিব জনাৰ বিদ্যাই হ'ল পদ্ধতিবিজ্ঞান। গৱেষণাৰ পদ্ধতি আৰু পদ্ধতিবিজ্ঞানৰ সম্পৰ্ক আচলতে পাৰস্পৰিক আন্তঃসম্পৰ্কিত আৰু এই আন্তঃসম্পৰ্ক তলত দিয়া ৰেখাচিত্ৰৰ সহায়ত দেখুৱাব পাৰি—




...aram Dhekial Phookan
Acc No.

সাম্প্ৰতিক সময়ত গৱেষণা কৰ্মত বিজ্ঞানসন্মতভাৱে তাত্ত্বিক আধাৰ গ্ৰহণ কৰি যুক্তিনিষ্ঠ ব্যাখ্যা-বিশ্লেষণৰ যোগেদি সিদ্ধান্তত উপনীত হোৱাৰ ওপৰত গুৰুত্ব দিয়া হয়। যুগৰ প্ৰয়োজনত সামাজিক বিজ্ঞান অথবা মানৱিক বিজ্ঞানৰ অন্তৰ্গত বিষয়সমূহৰ মাজত আন্তঃক্ষেত্ৰৱৰ্তী অথবা আন্তঃবিদ্যাৱৰ্তী গৱেষণাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। ফলত গৱেষণা বিশেষে বিষয় সাপেক্ষ তত্ত্বৰ নৱনিৰ্মাণো কৰিবলগীয়া প্ৰয়োজন উপস্থিত হয়। প্ৰয়োজন সাপেক্ষে তাত্ত্বিক আধাৰ গ্ৰহণ কৰি বিজ্ঞানসন্মত গৱেষণা কেনেকৈ সম্পন্ন কৰা হয়, সেই বিষয়েও আলোচনা কৰা হৈছে।

পদ্ধতিবিজ্ঞানৰ শৃংখলা কেতিয়াও গৱেষণা কৰ্মৰ মৌলিকতাৰ অন্তৰায় নহয়, যিসকল গৱেষকে মৌলিক কাম কৰে, মৌলিক চিন্তা কৰে— তেওঁলোকে নিজৰ কাম কৰাৰ ধৰণ, কৰ্মপন্থা, বিশ্লেষণ আৰু উপস্থাপন সকলোতে মৌলিকতাৰ ছাপ ৰাখিব পাৰে। অৰ্থাৎ একোটি সফল গৱেষণা কাৰ্য সম্পাদন কৰিবলৈ হ'লে গৱেষকৰ নিজৰো থাকিব লাগিব মৌলিক দক্ষতা। আজিকালি বিভিন্ন বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰত নতুন নতুন তত্ত্ব, ভাবনা, দৃষ্টিভংগীৰ সংযোজন হৈছে। সমৰূপতাৰ ভিত্তিত একোটা অধ্যয়ন ক্ষেত্ৰ অন্য এটি অধ্যয়ন ক্ষেত্ৰৰ লগত সংযুক্ত হোৱাৰ পদক্ষেপো আৰম্ভ হৈছে। গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ নিজা ব্যাপ্তি, প্ৰসাৰণ আৰু গ্ৰহিষ্ণুতা আছে। সেই অনুযায়ী কোনো গৱেষকে মৌলিক আৰু ব্যতিক্ৰমী কোনো কাৰ্য সম্পাদন কৰিবলৈ হ'লে, গৱেষক কেৱল বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত ব্যতিক্ৰম হ'লেই নহ'ব, পদ্ধতিবিজ্ঞান অনুসন্ধানৰ ক্ষেত্ৰটো মৌলিক দৃষ্টিভংগী সৃষ্টি কৰিব পাৰিব লাগিব।

প্ৰকাৰৰ বিভিন্নতাৰ পৰিপ্ৰেক্ষাত ভিন্ন গৱেষণা ক্ষেত্ৰত উৎপন্ন হোৱা ভিন্ন জিজ্ঞাসাই ভিন্ন পদ্ধতিতত্ত্বৰ পোষকতা কৰে। বিভিন্ন বিষয়ক্ষেত্ৰ (Multidisciplinary)ৰ মাজত আন্তঃক্ষেত্ৰৱৰ্তী(Interdisciplinary) সম্পৰ্ক বিচাৰৰ দিশৰ পৰাও গৱেষণাৰ ক্ষেত্ৰত বহু বিচিত্ৰ পদ্ধতিতত্ত্বৰ প্ৰয়োজন হয়। বিশেষকৈ গুণগত গৱেষণাৰ ক্ষেত্ৰত উদাহৰণস্বৰূপে— ঐতিহাসিক, তুলনামূলক, বৰ্ণনাত্মক, পৰস্পৰ সম্পৰ্কিত, পৰীক্ষামূলক, মূল্যায়নাত্মক, ক্ৰিয়াত্মক, নৃ-বিদ্যাগত, নাৰীবাদী, পৰিচয়ৰ ৰাজনীতি ইত্যাদি সাংস্কৃতিক অধ্যয়নৰ পদ্ধতিতত্ত্বৰ প্ৰয়োগ পৰিলক্ষিত হয়। তলত দিয়া তালিকাত বিভিন্ন গৱেষণা পদ্ধতিৰ বৈশিষ্ট্য দেখুওৱাবলৈ প্ৰয়াস কৰা হ'ল—

| ক্ৰ - নং | পদ্ধতিৰ নাম | বৈশিষ্ট্য |
|---|---|---|
| ১ | ঐতিহাসিক পদ্ধতি | এই পদ্ধতিত অতীত পৰিঘটনা সম্পৰ্কে পূৰ্ব প্ৰতিষ্ঠিত সত্য ধাৰণা অথবা সিদ্ধান্তৰ আধাৰত প্ৰণালীবদ্ধ লক্ষ্যৰে নিৰ্দিষ্ট মূল্যায়ন আৰু সংশ্লেষণৰ জৰিয়তে সত্য প্ৰতিষ্ঠাৰ প্ৰয়াস পৰিলক্ষিত হয়। |



| ক্ৰ - নং | পদ্ধতিৰ নাম | বৈশিষ্ট্য |
|---|---|---|
| ২ | তুলনামূলক পদ্ধতি | এই পদ্ধতিক বিভিন্ন সমাজৰ, অতীতৰ বিভিন্ন সময়ৰ অথবা সাম্প্ৰতিক সময়ৰ সমান্তৰাল বিচিত্ৰ পৰিস্থিতি ইত্যাদিৰ পৰা লাভ কৰা মানৱ অভিজ্ঞতাক পৰস্পৰৰ লগত তুলনাৰ জৰিয়তে উদ্‌ঘাটন কৰাৰ প্ৰয়াস কৰা হয়। |
| ৩ | বৰ্ণনাত্মক পদ্ধতি | সংৰক্ষিত কোনো তথ্য অথবা হস্তনিৰ্মিত কৰ্মৰ পৰীক্ষণৰ পৰিৱৰ্তে বৰ্ণনাত্মক পদ্ধতিয়ে সংগৃহীত তথ্যৰ পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰ কৰি সত্য উদ্‌ঘাটনৰ চেষ্টা কৰে। |
| ৪ | আন্তঃ ৰাষ্ট্ৰীয় পদ্ধতি | এনে গৱেষণা সাধাৰণতে পৰিমাণাত্মক প্ৰকাৰৰ হয়। |
| ৫ | পৰীক্ষামূলক পদ্ধতি | এই পদ্ধতিত গৱেষকে স্বতন্ত্ৰ ধৰণে সকলো প্ৰাসংগিক ক্ষেত্ৰৰ সংযোগ নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়াস কৰে। সেয়ে যেতিয়া কোনো পৰিস্থিতি কৌশলেৰে নিয়ন্ত্ৰণ কৰা হয়, তেতিয়াও তাৰ প্ৰভাৱসমূহ এই পদ্ধতিত পৰ্যবেক্ষণ কৰা হয়। |
| ৬ | মূল্যায়নাত্মক পদ্ধতি | জটিল সামাজিক সমস্যাৰ গৱেষণা কৰিবলৈ এনে বৰ্ণনাধৰ্মী মূল্যায়নাত্মক পদ্ধতি ডিজাইন কৰা হয়। মূল্যায়নাত্মক পদ্ধতিক দুই ধৰণে ভাগ কৰিব পাৰি। এক— ব্যৱস্থা মূল্যায়নাত্মক আৰু দুই— সংবেদনশীলতা মূল্যায়নাত্মক। |
| ৭ | ক্ৰিয়াত্মক পদ্ধতি | ই এক প্ৰকাৰ তাৎক্ষণিক প্ৰয়োগৰ পদ্ধতি। এই পদ্ধতি ব্যৱহাৰ হয় কোনো স্বতন্ত্ৰ আৰু নিৰ্দিষ্ট পৰিপ্ৰেক্ষাত সমস্যাৰ পৃথক অধ্যয়ন কৰিবলৈ গৱেষণাৰ এক প্ৰকাৰ প্ৰায়োগিক পদ্ধতি হিচাপে ব্যৱহাৰ হয়। |
| ৮ | নৃ-বিদ্যাগত পদ্ধতি | বাহিৰৰপৰা আৰোপ কৰা তত্ত্বতকৈ নৃ-বিদ্যাৰ অন্তৰ্গত নিজৰ গৱেষণা কাৰ্যৰ লগত খাপ খোৱা তত্ত্ব প্ৰয়োগ কৰে। |
| ৯ | নাৰীবাদী | এই পদ্ধতিত সামাজিক প্ৰেক্ষাপটত লিংগভেদ আৰু সামাজিক লিংগ পৰিচয়ৰ ৰাজনীতিক অতি গুৰুত্বপূৰ্ণ ৰূপত ব্যৱহাৰ কৰা হয়। |

| ক্র - নং | পদ্ধতিৰ নাম | বৈশিষ্ট্য |
|---|---|---|
| ১০ | সাংস্কৃতিক | বহু তাত্ত্বিক যুক্তি (উদাহৰণস্বৰূপে— উত্তৰ আধুনিকতাবাদ, উত্তৰ গঠনবাদ) সাংস্কৃতিক পদ্ধতিত ভাষা আৰু সংস্কৃতিৰ ব্যাখ্যাৰ কাৰণে ব্যৱহাৰ হয়। |


একোটি গৱেষণাকৰ্মৰ প্ৰতিটো কাম এটাৰ পিছত এটাকৈ যৌক্তিক পৰ্যায়ক্ৰমে সম্পন্ন হয়। পদ্ধতিবিজ্ঞানৰ মাজেদিহে তেনে যৌক্তিক পৰ্যায়ৰ অনুধাৱন অথবা বোধোন্নয়ন সম্ভৱ হয়। একোটি গৱেষণা কৰ্ম আৰু তাৰ সামগ্ৰিক প্ৰক্ৰিয়াক বুজাৰ ক্ষেত্ৰত সহায়ক হয় পদ্ধতিবিজ্ঞান। যিবিলাক গৱেষণা কাৰ্যত পদ্ধতিৰ উল্লেখ কৰা নহয়, তেনেবিলাক ক্ষেত্ৰতো অঘোষিতভাৱে পদ্ধতি এটা থাকে। পদ্ধতিবিজ্ঞানে তেনে ধৰণৰ কৰ্মবোৰ পদ্ধতিগত প্ৰয়াসক বুজাত সহায় কৰে। পদ্ধতিবিজ্ঞানে কোনো গৱেষণাৰ প্ৰকৃত অৱদান কি আৰু সীমাবদ্ধতা কি নিৰ্ণয় কৰিব পাৰে। পদ্ধতিবিজ্ঞান হ'ল গৱেষণা কৰ্ম সম্পন্ন কৰাৰ এনে এক বৌদ্ধিক আধাৰ, যি বৈজ্ঞানিক দৃষ্টিভংগী আৰু চিন্তনৰ যুক্তিক শক্তিশালী কৰে, শাণিত কৰে।

গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ দুটা উল্লেখযোগ্য দিশ হ'ল —

১) কৰ্ম সম্পাদন কৰা আৰু উপস্থাপন কৰাৰ শৃংখলা

২) চিন্তন-বিশ্লেষণ কৰাৰ ক্ষমতা আৰু নতুন নিৰ্মাণৰ মৌলিকতা

এই দুয়োটা দিশৰ পাৰস্পৰিক সম্পৰ্কসূত্ৰক তলত দিয়া ধৰণে ৰেখাচিত্ৰৰ সহায়ত দেখুৱাব পাৰি—




কোনো গৱেষণা কৰ্মই গভীৰতা লাভ কৰে তেতিয়াহে, যেতিয়া কেৱল গৱেষণা



কাৰ্য সম্পাদন কৰিবলৈকে নহয়, গৱেষণা কৰ্মৰ দায়িত্বপূৰ্ণ মূল্যায়ন কৰিবলৈকো গৱেষকৰ পদ্ধতিবিজ্ঞান সম্পৰ্কে পৰ্যাপ্ত জ্ঞান থাকে। পদ্ধতিবিজ্ঞানৰ মাধ্যমেৰে এজন গৱেষকে কোনো গৱেষণাকৰ্ম সম্পন্ন কৰাৰ অথবা মূল্যায়ন কৰাৰ বৌদ্ধিক অৰ্ন্তদৃষ্টি লাভ কৰে। গৱেষণাৰ দৰ্শন, স্বৰূপ আৰু গৱেষণাত নিহিত দূৰদৃষ্টি সম্পৰ্কীয় বিষয়বোৰো গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ অন্তৰ্গত। বিজ্ঞান সন্মত পদ্ধতি প্ৰয়োগত গৱেষণাৰ মূল্যায়ন সহজ হয়।

**বিজ্ঞানসন্মত পদ্ধতি (Scientific Method) ঃ**

সাম্প্ৰতিক গৱেষণা ক্ষেত্ৰত বহুল উচ্চাৰিত সত্য হ'ল গৱেষণা পদ্ধতি বিজ্ঞানসন্মত হ'ব লাগিব। প্ৰশ্ন উঠে আচলতে বিজ্ঞানসন্মত পদ্ধতিনো কি? বিজ্ঞানসন্মত পদ্ধতি মানে বিজ্ঞানসন্মত জ্ঞানৰ সহায়ত বিষয়ৰ বৈধতা নিৰূপণ কৰা, যেনে— কেনেকৈ সিদ্ধান্তৰ ব্যাখ্যা কৰিব পৰা যায় আৰু কেনেকৈ সেই সিদ্ধান্তৰ সাধাৰণীকৰণ কৰিব পৰা যায় এই সকলো স্তৰৰ কামৰ বাবে গ্ৰহণ কৰা মানসম্পন্ন কৌশল প্ৰক্ৰিয়াই হ'ল বিজ্ঞানসন্মত পদ্ধতি। বিজ্ঞানসন্মত পদ্ধতিয়ে গৱেষকক স্বাধীন আৰু নিৰপেক্ষভাৱে পূৰ্বৰে পৰা প্ৰতিষ্ঠিত তত্ত্ব আৰু পূৰ্বৰ সিদ্ধান্তৰ পৰীক্ষণ, বিতৰ্ক, পৰিৱৰ্তন অথবা পৰিৱৰ্ধন কৰিবলৈকো পথ প্ৰশস্ত কৰি দিয়ে। সেয়ে বিজ্ঞানসন্মত পদ্ধতিয়ে চাৰিটা দিশ নিশ্চিতভাৱে ৰক্ষা কৰে—

- কোনো চিনাক্ত কৰিবলগীয়া প্ৰাক্‌কল্পনা সিদ্ধ সিদ্ধান্তৰ মূল্যায়ন।
- উপলব্ধ হোৱা নতুন সিদ্ধান্তৰ স্বাধীনতা।
- বিজ্ঞানসন্মত ৰূপত উপলব্ধ সিদ্ধান্তৰ অনুকৃতি সাধন কৰা।
- পুনৰাবৃত্তি অথবা সমৰূপ বিচাৰ কৰি সত্য উদ্‌ঘাটন কৰিবলৈ সক্ষমতা প্ৰদান।

একেদৰে বিজ্ঞানসন্মত গৱেষণাৰ ক্ষেত্ৰত বিষয়ৰ বৈধতা নিৰূপন, সিদ্ধান্তৰ ব্যাখ্যা কৰিবপৰা আৰু সাধৰণীকৰণ কৰিবপৰাকৈ তলত দিয়া দিশকেইটিৰ পৰীক্ষণ অতি প্ৰয়োজন হয়।

**মূল্যাৰোপ (Precision) ঃ**

মূল্যাৰোপ মানে হ'ল গৱেষণা সাপেক্ষে প্ৰয়োগ হোৱা নিৰ্দিষ্ট তাত্ত্বিক ধাৰণা বা আধাৰ। গৱেষণাৰ বিষয় সাপেক্ষে মূল্যাৰোপৰ প্ৰয়োগ ভিন্ন হয়। যিবিলাক ধাৰণাৰ পৰিমাপ কৰা বহুসময়ত কঠিন হয়, তেনেবোৰ বিষয়ৰ পৰিমাপ কৰিবলৈ মূল্যাৰোপৰ প্ৰয়োগ কৰা হয়। গৱেষণা কৰ্মত প্ৰয়োগ হোৱা এনে নিৰূপিত মানক মূল্যাৰোপ বুলি অভিহিত কৰা হয়।

**মিথ্যা নিৰূপণ যোগ্যতা (Falsifyability) ঃ**

গৱেষণাত ব্যৱহাৰ হোৱা তত্ত্ব একোটা এনে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে আৰম্ভ হয় যে ই অপ্ৰমাণিত (Disproven)ও হ'ব পাৰে। যিসমূহ তত্ত্বৰ পৰীক্ষা অথবা মিথ্যা নিৰূপণ

কৰিব নোৱাৰি, সেইবোৰ বিজ্ঞানসন্মত নহয় বুলি গণ্য কৰা হয়। নিখুঁট এটি পৰিভাষাৰে এনেকুৱা একোটা তত্ত্ব নিৰ্দিষ্ট কৰা নহ'লে অথবা যাৰ ধাৰণা পৰিপূৰ্ণভাৱে পৰিমেয় নহয়, তাক পৰীক্ষা কৰি প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়— সেয়ে ই বিজ্ঞানসন্মত নহয় বুলি ধৰা হয়। উদাহৰণস্বৰূপে চিগ্‌মুণ্ড ফ্ৰয়েডৰ মনস্তাত্ত্বিক বিশ্লেষণৰ ধাৰণা এনে শাখাত পৰে আৰু সেয়ে ইয়াক 'তত্ত্ব' বুলিব নোৱাৰি— আনকি নিৰ্দিষ্ট প্ৰকাৰৰ অসুস্থতাৰ চিকিৎসাৰ ক্ষেত্ৰত যিবোৰ মনস্তাত্ত্বিক বিশ্লেষণৰ ব্যৱহাৰিক উপযোগিতা আছে, অথচ বিজ্ঞানসন্মতভাৱে পৰীক্ষিত সত্য নহয়, সেইবোৰকো ঠিক তত্ত্ব বুলিব নোৱাৰি।

**মিতব্যয়িতা (Parsimony) ঃ**

মিতব্যয়িতা হ'ল গৱেষণা প্ৰক্ৰিয়াৰ সংশ্লেষণ আৰু সম্পাদনাৰ এক প্ৰকাৰ নিৰ্দিষ্ট প্ৰক্ৰিয়া। মিতব্যয়িতাই লক্ষ্য ৰাখে একোটা গৱেষণাৰ ক্ষেত্ৰ বা প্ৰপঞ্চৰ কিমান সংহত ৰূপত বহুবিচিত্ৰ দিশত কিমান দূৰলৈ ব্যাখ্যা-বিশ্লেষণ হ'ব পাৰে। ই নিৰ্দিষ্ট গৱেষণা কাৰ্যত প্ৰয়োজন হোৱা তত্ত্বৰ প্ৰয়োগৰ স্বাধীনতাৰ মাত্ৰা নিৰূপণ কৰে। ইয়াৰদ্বাৰা তত্ত্বক সাধাৰণীকৰণৰ মাজেৰে বিষয়ৰ লগত সংগতি ৰাখি ব্যৱহাৰ কৰা সহজ হয়।

**গৱেষণাত তত্ত্বৰ ব্যৱহাৰ**

তত্ত্ব হ'ল এক প্ৰকাৰ গভীৰ নিৰ্মিতি— যুক্তি, বিবৃতি, ব্যাখ্যা আৰু পৰিসীমাৰ নিৰ্মাণ। তথ্য, সত্য, সিদ্ধান্ত ইত্যাদিৰ সন্ধানে প্ৰায়োগিক ক্ষেত্ৰ আৰু পৰ্যবেক্ষণৰ স্তৰত গৱেষণাক পৰিচালনা কৰে। সেয়ে হ'লেও তত্ত্বই কিন্তু পৰ্যবেক্ষণত প্ৰাপ্ত তথ্যতকৈ যুক্তিৰ ওপৰত বেছি নিৰ্ভৰ কৰে আৰু যুক্তিৰ ওপৰত ভিত্তি কৰিয়েই সিদ্ধান্ত নিৰ্মাণত সহায়তা কৰে। তত্ত্ব কি বুজি পোৱাৰ লগে লগে এজন গৱেষকৰ বাবে কোনবোৰ তত্ত্ব প্ৰযোজ্য আৰু কোনবোৰ নহয়, সেইটো বুজি পোৱাটোও গুৰুত্বপূৰ্ণ কথা। তথ্য, সংকেত অথবা সামগ্ৰিক সিদ্ধান্ত কেতিয়াও তত্ত্ব হ'ব নোৱাৰে। যেনেকৈ ইটা, বালি আৰু চিমেণ্টৰ স্তূপীকৃত সংগ্ৰহেই এটা গৃহ হ'ব নোৱাৰে, সেইদৰে তথ্যৰ স্তূপীকৃত সংগ্ৰহো তত্ত্ব হ'ব নোৱাৰে।

**প্ৰথম কথা,** তত্ত্বই লক্ষ্য সমস্যাৰ প্ৰকৃতি অথবা সামাজিক পৰিপ্ৰেক্ষাৰ অন্তৰালত থকা মূল চালিকা শক্তি আৰু মৌলিক সিদ্ধান্তৰ আধাৰত মৌলিক যুক্তিৰ সন্ধান কৰে। সমস্যা বা প্ৰশ্ন একোটা কি, কিয় আৰু কেনেকৈ হয়— তাৰ মূলৰ অনুসন্ধানৰ ক্ষেত্ৰত সেই তাত্ত্বিক যুক্তি সদায় দায়বদ্ধ আৰু সেই দায়বদ্ধতাৰ ভেটি নিৰ্ণয় কৰে তত্ত্বই।

**দ্বিতীয় কথা,** তত্ত্বই গৱেষণা কাৰ্যক একোটা তাত্ত্বিক গঠনৰ পৰিসৰত স্থাপন কৰি বিষয়ক মৌলিক ৰূপত সংশ্লেষণ কৰাত সহায় কৰে। আনহাতে পৰস্পৰ বিৰোধী সিদ্ধান্তৰ মাজত পৰস্পৰ সম্পৰ্কযুক্ত নিৰ্ভৰশীলতাৰ দিশ উদ্‌ঘাটন কৰি সংগতি স্থাপন কৰে।



**তৃতীয় কথা,** তত্ত্বই সমস্যাৰ গঠন আৰু পাৰস্পৰিক সম্পৰ্ক চিনাক্তকৰণৰ জৰিয়তে সমস্যাৰ লগত সংগতি থকা একেধৰ্মী ভৱিষ্য গৱেষণাৰ বাবেও পথ নিৰ্দ্দেশ কৰে।

**চতুৰ্থ কথা,** তত্ত্বই প্ৰয়োজন সাপেক্ষে নতুন তত্ত্ব নিৰ্মাণ কৰে আৰু সেই তত্ত্বৰ আধাৰস্বৰূপ পূৰ্ব তত্ত্বক পুনৰ মূল্যায়ন কৰি পূৰ্বৰ লগত নতুনৰ সংযোগ সূত্ৰ নিৰ্মাণো কৰে।

**বিজ্ঞানসন্মত গৱেষণাত তত্ত্ব (Theories of Scientific Research) ঃ**

তত্ত্বৰ কাম হ'ল কোনো প্ৰাকৃতিক অথবা সামাজিক চৰিত্ৰ অথবা পৰিঘটনা অথবা প্ৰপঞ্চৰ ব্যাখ্যা নিৰ্বাচন। তত্ত্বৰ বিজ্ঞানসন্মত ব্যাখ্যা হ'ল কোনো ধাৰণা গঠন আৰু সেই গঠনৰ লগত সম্পৰ্কৰ উপস্থাপন ব্যৱস্থা। অৰ্থাৎ কোনো বিশেষ প্ৰপঞ্চৰ যুক্তিসন্মত, প্ৰণালীবদ্ধ আৰু সু-সংহত সন্মিলিত স্বতঃসিদ্ধ সীমাৰে বন্ধা ব্যাখ্যা প্ৰদান কৰিব পাৰে তত্ত্বই।[১] সাধাৰণতে ভৱিষ্যবাণী আধাৰিত কোনো বিশ্লেষণতকৈ, কিয় বা কেনেকৈ কোনো বস্তু অথবা পৰিঘটনা সম্পন্ন হয়, অৰ্থাৎ কাৰ্যকাৰণ-সম্পৰ্কৰ ব্যাখ্যা ইত্যাদি তত্ত্বৰ দ্বাৰা সম্পন্ন হয়। উল্লেখযোগ্য যে অৱধাৰিতভাৱে কোনো ব্যাখ্যা নকৰাকৈয়ে ভৱিষ্যতবক্তাই পৰিঘটনা অথবা প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি সম্ভৱপৰ কিছুমান বস্তু অথবা ঘটনাৰ বিষয়ে ভৱিষ্যতবাণী কৰে। ভৱিষ্য ধাৰণাই কেৱল পাৰস্পৰিক সম্পৰ্কৰ অনুসন্ধান কৰাৰ চেষ্টাহে কৰে। কিন্তু ব্যাখ্যাই কাৰ্যকাৰণ-সম্পৰ্ক অথবা কাৰক আৰু প্ৰভাৱৰ মাজৰ সম্পৰ্ক উদ্‌ঘাটন কৰিবলৈ বিচাৰে। গতিকে তত্ত্বত ভৱিষ্যধাৰণা আৰু তাৰ কাৰ্যকাৰণ-সম্পৰ্কৰ ব্যাখ্যা দুয়োটাই থকা উচিত। কাৰ্যকাৰণ-সম্পৰ্কই তিনিটা চৰ্তৰ মাজেদি প্ৰতিষ্ঠা লাভ কৰে —

- দুটা নিৰ্মাণ বা গঠনৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় (Correlations between two Constructs)
- সম-সাময়িক পূৰ্বগামী ধাৰণা (Temporal Precedence)
- পৰীক্ষণৰ মাজেৰে বিকল্প প্ৰাক্‌কল্পনাৰ প্ৰত্যাখান (Rejection of alternative Hypothesis)

সাধাৰণতে বিজ্ঞানসন্মত তত্ত্ব আধ্যাত্মিক, দাৰ্শনিক তত্ত্বৰপৰা পৃথক; অথবা সামগ্ৰিকভাৱে গৱেষণা পদ্ধতিত প্ৰয়োগ হোৱা তত্ত্ব সাধাৰণতে অন্য ব্যাখ্যা-বিশ্লেষণৰপৰাও বেলেগ। এই ব্যাখ্যা দুই ধৰণৰ হ'ব পাৰে—

- ইডিঅ'গ্ৰাফিক্ (Ideographic)
- নম'থেটিক (Nomothetic)

**ইডিঅ'গ্ৰাফিক্ ব্যাখ্যা**

ধাৰণাজ্ঞাপক এই ব্যাখ্যাত একোটা পৰিস্থিতি অথবা পৰিঘটনাক স্বতন্ত্ৰভাৱে বিস্তৃত ৰূপত ব্যাখ্যা কৰা হয়। ইডিঅ'গ্ৰাফিক্ ব্যাখ্যা পুংখানুপুংখ, সঠিক আৰু বৈধও হ'ব পাৰে, কিন্তু আন কোনো পৰিস্থিতিৰ সৈতে তাৰ সাধাৰণীকৰণ সম্ভৱ নহয়। উদাহৰণস্বৰূপে— কোনো ছাত্ৰ পৰীক্ষাত অনুতীৰ্ণ হ'ল, তাৰ কাৰণ ব্যাখ্যা বিভিন্ন ধৰণৰ হ'ব পাৰে, যেনে—

- পাহৰি গ'ল যে সেইদিনা পৰীক্ষা আছিল
- ট্ৰেফিক-জামৰ কাৰণে দেৰী হ'ল
- পৰীক্ষাৰ মাজতে ভয় খালে
- কুকুৰে টেক্সটবুক খাই পেলালে।

ওপৰৰ প্ৰতিটো কথা সত্য হ'ব পাৰে। কিন্তু ইয়াৰ সাধাৰণীকৰণ কৰিব নোৱাৰি। আনকি সেই একেজন ছাত্ৰৰ ক্ষেত্ৰতে হয়তো তাক আন সময়ত মিলাব পৰা নাযাব।

**নম'থেটিক ব্যাখ্যা**

নম'থেটিক ব্যাখ্যাত একোটা বিশেষ পৰিস্থিতি অথবা পৰিঘটনাতকৈ অন্য এক শ্ৰেণীৰ পৰিস্থিতি অথবা পৰিঘটনাৰ ব্যাখ্যা বিচৰা হয়। নম'থেটিক ব্যাখ্যা সদায় মানুহ, পৰিস্থিতি, পৰিঘটনা ইত্যাদিৰ মাজত সাধাৰণীকৰণ কৰিব পৰা ধৰণৰ হয়; সম্পূৰ্ণ নিৰ্ভুল অথবা পুংখানুপুংখ নহ'বও পাৰে, কিন্তু সি সাধাৰণীকৰণৰ ক্ষেত্ৰত অসম্পূৰ্ণ অথবা অসংগতিপূৰ্ণ নহয়। উদাহৰণস্বৰূপে— যদি ছাত্ৰ এজনে পৰীক্ষাত বেয়া ফল দেখুৱায়, তাৰ কাৰণ আৰু কাৰক সন্ধান তলত দিয়া ধৰণৰ হয়, তেন্তে সাধাৰণীকৰণ সম্ভৱ—

- প্ৰস্তুতিৰ পৰ্যাপ্ত সময় নাপালে
- নাৰ্ভাছ হোৱাৰ কাৰণে
- মনোযোগ দিব নোৱাৰিলে
- অসুস্থতাৰ কাৰণে

গতিকে তত্ত্বৰ যুক্তিসন্মত ব্যাখ্যাইহে সাধাৰণীকৰণ কৰি তাৰ ব্যৱহাৰ যোগ্যতা প্ৰদান কৰে। তত্ত্ব কি বুজি পোৱাৰ লগে লগে, তত্ত্ব প্ৰয়োগৰ ভৱিষ্যধাৰণা আৰু তাৰ লগত কাৰ্যকাৰণৰ সম্পৰ্কৰ ব্যাখ্যাও বুজিব লাগিব। একেদৰে কোনবোৰ তত্ত্ব নহয়, সেইটো বুজি পোৱাটোও গুৰুত্বপূৰ্ণ কথা।

**বিজ্ঞানসন্মত তত্ত্বৰ গৱেষণা-প্ৰকৃতি**

বিজ্ঞান সন্মত তত্ত্বত বিষয়ৰ স্বতন্ত্ৰ প্ৰকৃতি অনুসৰি সংগতি থাকিব লাগিব। এই ক্ষেত্ৰত প্ৰথম কথা হ'ল, তত্ত্বত অনুসন্ধান অথবা আৱিষ্কাৰৰ লগতে তাৰ উপযুক্ত ব্যাখ্যাও গুৰুত্বপূৰ্ণ হয়। দ্বিতীয় কথা হ'ল বিজ্ঞানসন্মত তত্ত্বৰ নিৰ্দিষ্ট বৈশিষ্ট্য আছে। সেইবোৰ



হ'ল—

- গৱেষণা কৰিবলগীয়া বিষয়ৰ লগত সংগতিপূৰ্ণ সম্পৰ্ক থকা দিশসমূহৰ যুক্তিপূৰ্ণ ব্যাখ্যা।
- গৱেষণা বিষয়ৰ লগত গৱেষণামূলক প্ৰসংগৰ সংগতি নিৰূপণ।
- গৱেষণা বিষয়, প্ৰশ্ন অথবা সমস্যাৰ সংবেদনশীলতাৰ দিশ পৰীক্ষণ।
- গৱেষণা বিষয়ৰ লগত সংগতি থকা ধনাত্মক-ঋণাত্মক দুয়ো দিশৰ সম্পৰীক্ষণ।
- বিষয়বস্তু সম্পৰ্কীয় প্ৰাক্কথনৰ স্বতন্ত্ৰ প্ৰকৃতি নিৰ্মাণ।

এনেদৰে তত্ত্বানুসন্ধানৰ মাজেৰে ক্ৰমবৰ্ধিষ্ণু জ্ঞানক্ষেত্ৰত নতুন নিৰ্মাণৰ নতুন দৃষ্টিভংগীয়ে নতুন অৱদান যোগায়। আনহাতে তত্ত্বৰো থাকে কিছুমান স্বতন্ত্ৰ সীমাৱদ্ধতা। বাস্তৱৰ সৰলীকৃত ব্যাখ্যা অনুযায়ী তত্ত্বই সদায় কিছুমান সীমাৱদ্ধ গঠন আৰু সম্পৰ্কৰ আধাৰত বিষয়ক্ষেত্ৰৰ যথাযথ ব্যাখ্যা আগবঢ়াব নোৱাৰিবও পাৰে। তত্ত্বই এনে সৰল আৰু সংক্ষিপ্ত ব্যাখ্যাৰ পৰিকল্পনা কৰে, যি বাস্তৱত হয়তো উল্লেখনীয়ভাৱে অতি জটিলো হ'ব পাৰে, যাক তত্ত্বই ঢুকি নাপাবও পাৰে। তত্ত্বৰ অন্ধ অনুসৰণে গৱেষকক কেতিয়াবা ভুল পথে পৰিচালিত কৰি দৃষ্টিৰ পৰিসৰ সীমাৱদ্ধ কৰিবও পাৰে। তেনে ক্ষেত্ৰত তত্ত্বই ঢুকি নোপোৱা কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ অনুসন্ধানৰ দিশক সঠিক পথৰ পৰা বিচ্যুতি ঘটাবও পাৰে।


**গৱেষণাত ব্যৱহাৰ হোৱা তত্ত্বৰ প্ৰকাৰ ঃ**

গৱেষণাত ব্যৱহাৰ হোৱা তত্ত্বৰ কাৰ্য-কাৰণ আৰু প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি গৱেষণাবিদ পণ্ডিতৰ মতানুসৰি বিজ্ঞানসন্মত গৱেষণাত প্ৰয়োগ হোৱা তত্ত্বৰ চাৰি প্ৰকাৰ ভাগ পৰিলক্ষিত হয়—

- নিৰ্মাণ (Construction)
- উপস্থাপন (Propositions)
- যুক্তি (Logic)
- দায়বদ্ধতা (Assumption)

নিৰ্মাণৰ স্তৰত তত্ত্বই গৱেষণা প্ৰশ্ন 'কি' অৰ্থাৎ কোনো গৱেষণা সমস্যা অথবা গৱেষণা প্ৰশ্নৰ ব্যাখ্যা কৰিবলৈ কোনটো ধাৰণা গুৰুত্বপূৰ্ণ আৰু যথোপযুক্ত হ'ব, তাক নিৰ্ধাৰণ কৰে। উপস্থাপনৰ স্তৰত 'কেনেকৈ' অৰ্থাৎ কেনেকৈ এই ধাৰণাসমূহৰ মাজত পৰস্পৰৰ সম্পৰ্ক উদ্‌ঘাটন কৰিব পাৰি, সেই বিষয়টো নিৰ্ণয় কৰা হয়। যুক্তিৰ স্তৰত দায়বদ্ধতাই 'কোন', 'কেতিয়া', 'ক'ত' অৰ্থাৎ কি পৰিস্থিতিত এই ধাৰণাসমূহে কোন ক্ষেত্ৰত ক'ত, কেতিয়া আৰু কি ধৰণৰ সম্পৰ্কৰে পৰস্পৰৰ বাবে কাম কৰে সেইটো নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰে আৰু তাৰ সহায়ত গৱেষণা কৰ্ম আগবাঢ়ে।

এনেদৰে গৱেষণা কৰ্ম একোটাই কেইবাটাও স্তৰ পৰিক্ৰমা কৰাৰ মাজেৰে প্ৰস্তাৱিত গৱেষণা বিষয় একোটাৰ গৱেষণা কাৰ্য সম্পন্ন হয়। একেদৰে কেৱল গৱেষণা কৰ্ম একোটাৰ সামগ্ৰিক কৰ্মক শৃংখলাপূৰ্ণ ৰূপত সম্পাদন কৰিবলৈকে নহয়, সেই কাৰ্যক বিশ্বাসযোগ্যতা, গ্ৰহণযোগ্যতা, গুৰুত্বপূৰ্ণ আৰু প্ৰত্যয়জনক প্ৰতিষ্ঠা প্ৰদান কৰিবলৈকো গৱেষকক তাত্ত্বিক আধাৰৰ প্ৰয়োজন হয়। তাৰ আধাৰত ওপৰত উল্লেখ কৰা চাৰি প্ৰকাৰ স্তৰ পৰিক্ৰমা কৰি গৱেষকে সম্পন্ন কৰিব পাৰে। একোটা গৱেষণা কৰ্মৰ নিৰ্ভৰযোগ্য সিদ্ধান্তত উপনীত হোৱাৰ পথ প্ৰশস্ত কৰিব পাৰে। বিজ্ঞানসন্মত গৱেষণা কৰ্মৰ তাত্ত্বিক পৰিকল্পনা আৰু গৱেষণামূলক পৰিকল্পনাৰ মাজত থকা সংযোগ তলত দিয়া ধৰণৰ—




একোটা পৰিঘটনা অথবা সমস্যা অথবা প্ৰশ্নৰ মীমাংসা সন্ধানী ব্যাখ্যাৰ স্তৰত তত্ত্বৰ নিৰ্মাণ কৰাটো এক প্ৰকাৰ বিমূৰ্ত ধাৰণা হৈ থাকে। তত্ত্ব নিৰ্মাণৰ এনে স্তৰত ই এক প্ৰকাৰ একমাত্ৰিক অথবা বহুমাত্ৰিক ধাৰণাৰ ৰূপত স্পষ্ট হয়। একমাত্ৰিক ধাৰণা, যেনে— বয়স, শিক্ষা ইত্যাদিৰ বাবে তত্ত্বৰ নিৰ্মাণ সহজ হ'লেও, বহুমাত্ৰিক ধাৰণা, যেনে— সৃষ্টিশীলতা, অভিমান, সাংগঠনিক তৎপৰতা ইত্যাদিৰ ক্ষেত্ৰত তত্ত্বৰ নিৰ্মাণ হয়তো কিছু জটিল। কিন্তু তথাপি এনে বিমূৰ্ত উপাদান সাপেক্ষ তত্ত্ব নিৰ্মাণৰ ক্ষেত্ৰত পৰিমেয় উপস্থাপন (Measurable Proposition) কৰিব পৰানিৰ্মাণক চলৰাশি আধাৰ হিচাপে গণ্য কৰা হয়।

পৰিমেয় উপস্থাপনাই নৱনিৰ্মাণ আৰু বিয়োজনৰ যুক্তি (Deductive Logic)-ৰ মাজত সন্তুলন দাবী কৰে। উপস্থাপন আচলতে ঘোষণামূলক ৰূপত বিবৃত হয় আৰু ই আদৰ্শগতভাৱে কোনো সমস্যা অথবা প্ৰশ্নৰ কাৰণ আৰু ফল নিৰ্ণয়ৰ মাজত সম্পৰ্ক



ৰক্ষা কৰা উচিত। উপস্থাপনাৰ গৱেষণামূলক প্ৰস্তুতিয়ে চলৰাশিৰ সৈতে থকা সম্পৰ্কৰ কথাও বিবৃত কৰে, যাক প্ৰাক্কল্পনা বুলি চিহ্নিত কৰা হয়। উপস্থাপন আৰু প্ৰাক্কল্পনাৰ মাজত থকা পাৰ্থক্যক ওপৰৰ চিত্ৰত দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।

তত্ত্বৰ প্ৰয়োগৰ ক্ষেত্ৰত যুক্তি থকাটো অতি অনিবাৰ্য আৰু অতি গুৰুত্বপূৰ্ণ। গৱেষণা কৰ্মত যুক্তিয়ে বিচাৰ-বিশ্লেষণৰ কাৰণে উপস্থাপনাক মৌলিক নীতিৰ আধাৰ যোগান ধৰে। যুক্তিয়ে তাত্ত্বিক গঠনৰ লগত সংযোগ স্থাপনত আঠা (Glue) ৰ দৰে কাম কৰে আৰু সেই সংযোগৰ অৰ্থ আৰু আৰু প্ৰাসংগিকতা ব্যাখ্যা কৰে। কাৰণ যুক্তিয়ে একোটা তত্ত্বৰ মূল ব্যাখ্যাকো প্ৰতিনিধিত্ব কৰে। যুক্তি অবিহনে উপস্থাপনা অস্থায়ী, নীতি বহিৰ্ভূত আৰু একেবাৰে অৰ্থহীন হ'ব। একেদৰে তত্ত্বৰ প্ৰয়োগৰ ক্ষেত্ৰত দায়বদ্ধতা থকাও অতি তাৎপৰ্যপূৰ্ণ দিশ। য'ত তত্ত্বৰ প্ৰয়োগ হয় বা হ'ব পাৰে, সেই গৱষণাৰ সমস্যা অথবা প্ৰশ্ন কেন্দ্ৰিক মূল্যবোধ, সময়, স্থান আৰু সীমাৱদ্ধতাৰ প্ৰতি গৱেষকৰ সচেতন দায়বদ্ধতা অবিহনে সকলো তত্ত্বই অৰ্থহীন আৰু অপ্ৰতিভ হয়।

**উত্তম তত্ত্বৰ বৈশিষ্ট্য (Attributes of a Good Theory)**

তত্ত্বসমূহ প্ৰায়েই জটিল হয়। কেতিয়াবা সমাজ-বাস্তৱ সম্পৰ্কে সৰল আৰু সম্পূৰ্ণ ব্যাখ্যা নহ'বও পাৰে। সেয়ে তত্ত্বৰ উত্তম আৰু ক্ৰটীপূৰ্ণ দুয়োধৰণৰ ব্যাখ্যা হোৱাৰেই অৱকাশ বা সম্ভাৱনা থাকে। গতিকে তেনে দুয়োধৰণৰ ব্যাখ্যা আধাৰিত তত্ত্বও উত্তম আৰু ক্ৰটীপূৰ্ণ দুয়ো প্ৰকাৰৰ হ'ব পাৰে। তেন্তে উত্তম তত্ত্বৰ গুণ বৈশিষ্ট্য কেনেকৈ কিহৰ আধাৰত মূল্যায়ন কৰিব পাৰি? উত্তম তত্ত্বৰ বৈশিষ্ট্য মূল্যায়নৰ ক্ষেত্ৰত গৱেষণাবিদ পণ্ডিতসকলে বিভিন্ন নিৰ্ণায়ক সূত্ৰ আগবঢ়াইছে। তাৰ ভিতৰত কেইটিমান গুৰুত্বপূৰ্ণ সূত্ৰ তলত দাঙি ধৰা হ'ল—

**• যুক্তিসন্মত সামঞ্জস্য (Logical Consistency)**

কোনো তত্ত্ব প্ৰয়োগৰ সময়ত পৰীক্ষা কৰি ল'ব লাগিব যে গৱেষণা বিষয়ৰ প্ৰয়োজনত সেই তাত্ত্বিক নিৰ্মাণৰ উপস্থাপন, সীমাৱদ্ধতা আৰু দায়বদ্ধতা যুক্তিসন্মতভাৱে সামঞ্জস্যপূৰ্ণ হয়নে নহয়। এই দিশসমূহৰ কোনোবাটোৱে যদি ইটোৱে সিটোৰ লগত সামঞ্জস্য ৰক্ষা কৰাত প্ৰতিবন্ধকতা সৃষ্টি কৰে অথবা ক'ৰবাত কোনো তত্ত্ব নিৰ্মাণৰ ক্ষেত্ৰত অযৌক্তিকতাকো মানি লোৱা হয়, তেন্তে তেনে তত্ত্ব গৱিষণা বিষয়টোৰ ক্ষেত্ৰত প্ৰয়োগ ক্ৰটীপূৰ্ণ হ'ব।

**• ব্যাখ্যাকৰী ক্ষমতা (Explanatory Power)**

গৱেষণাৰ বাবে গ্ৰহণ কৰা তত্ত্বই বাস্তৱৰ লগত সংগতি ৰক্ষা কৰি কিমান বিচিত্ৰ ব্যাখ্যা অথবা ভৱিষ্য দৃষ্টি প্ৰদান কৰিব পাৰে, সেই ব্যাখ্যা বিচৰা হয়। উত্তম তত্ত্বই

স্বাভাৱিকতে গৱেষণাৰ লক্ষ্যত উপনীত হ'বলৈ গৱেষণা সমস্যা অথবা প্ৰশ্নৰ সঠিক উপস্থাপন কৰিব পৰাকৈ উপযুক্ত ব্যাখ্যা কৰিব পাৰিব লাগিব।

**• মিথ্যা নিৰূপণযোগ্যতা (Falsifiability)**

মিথ্যা নিৰূপণযোগ্যতাই তত্ত্বৰ সম্ভাব্য প্ৰতিপাদ্যতা অথবা অপ্ৰতিপাদ্যতা নিশ্চিত কৰে। যদি গৱেষণামূলক তথ্য তাত্ত্বিক উপস্থাপনৰ লগত নিমিলে, তেনে তথ্যই গৱেষকক গৱেষণামূলক সম্পৰীক্ষণত সহায়তা নকৰে; অথবা অন্য অৰ্থত ক'ব পাৰি যে সেই তত্ত্ব তত্ত্বই হৈ নুঠিব, যদি সি গৱেষণাৰ বাবে নিৰ্দিষ্ট বিষয়ৰ ক্ষেত্ৰত পৰীক্ষণযোগ্যতা অৰ্জন কৰিব নোৱাৰে। দ্বিৰুক্তিমূলক ব্যাখ্যা, যেনে—'উচ্চ তাপমানৰ এটা দিনেই গৰম দিনৰ দৰে অনিৰ্দিষ্ট বাক্য গৱেষণামূলকভাৱে পৰীক্ষা কৰিবলগীয়া নহয়। কাৰণ গৰম দিনৰ ধাৰণা আগৰে পৰাই সিদ্ধ ধাৰণা। সেয়ে এনে বিবৃতিকো তাত্ত্বিক বুলি দাঙি দৰিব নোৱাৰি। মিথ্যায়ন নিৰূপণে বিপৰীত ব্যাখ্যাৰ উপস্থিতিও বিচাৰি উলিয়ায়, যাৰ দ্বাৰা তত্ত্বৰ নিৰ্মাণ যথাযোগ্যভাৱে পৰীক্ষণযোগ্য হয় নে নহয়— সেইটো নিশ্চিত কৰিব পাৰে। সি যি কি নহওক, কোনো তত্ত্বৰ মিথ্যায়ন নিৰূপণ হোৱা উচিত বুলি কোৱা মানেই এইটো নহয় যে সেই তত্ত্বত মিথ্যায়ন ঘটিছেই। আচলতে যদি কোনো তত্ত্বত মিথ্যায়ন ঘটিছে, তেন্তে সি দুৰ্বল তত্ত্ব বুলিহে প্ৰতীয়মান হয়, মিথ্যা বুলি নহয়।

**• মিতব্যয়িতা (Parsimony)**

বিচিত্ৰ পৰিৱৰ্তিত প্ৰপঞ্চত একোটা গৱেষণা বিষয় অথবা প্ৰশ্নৰ ব্যাখ্যা কি আৰু কেনেধৰণৰ হ'ব পাৰে মিতব্যয়িতাই সেই পৰীক্ষা-নিৰীক্ষা কৰে। মিতব্যয়িতাই একোটা গৱেষণা কৰ্মত গৱেষকৰ স্বাধীনতাৰ জোখ আৰু গৱেষণা কাৰ্যত ব্যৱহাৰ হোৱা একোটা তত্ত্বৰ তাত্ত্বিক ব্যাখ্যাৰ মাজত সমতা স্থাপন কৰে। এনে তত্ত্বৰ উচ্চস্তৰৰ স্বাধীনতা থাকে, যি আন প্ৰসংগ আৰু বিন্যাসৰ লগতো সহজ সাধাৰণীকৰণৰ বাবে উৎসাহিত কৰে।

**গৱেষণাৰ তাত্ত্বিক ভিত্তি নিৰ্মাণৰ প্ৰয়াস (Approches to Theorising of Research)**

এজন গৱেষকে কেনেকৈ নিৰ্দিষ্ট গৱেষণা বিষয়ৰ বাবে তাত্ত্বিক ভিত্তি নিৰ্মাণ কৰিব? কেতিয়াবা তাত্ত্বিক আধাৰত অনুসন্ধান কৰা ফলাফল ব্যক্তিনিষ্ঠ আৰু অপ্ৰতিপাদ্যও হ'ব পাৰে। তদুপৰি যেতিয়ালৈ গৱেষকে পৰ্যবেক্ষণৰ পদ্ধতি সম্পৰ্কে কোনো যুক্তিসংগত ব্যাখ্যা আগবঢ়াব নোৱাৰে, তেতিয়ালৈকে কেৱল কিছুমান নিৰ্দিষ্ট ক্ৰিয়া-কলাপ অথবা কেৱল কিছু নিৰ্দিষ্ট গতি-প্ৰকৃতি লক্ষ্য কৰিয়েই নিৰ্মাণ কৰা তত্ত্ব একোটা সদায়েই গ্ৰহণযোগ্য নহ'বও পাৰে। গৱেষণাৰ তাত্ত্বিক ভিত্তি নিৰ্মাণ কৰিবলৈ গৱেষকক চাৰি প্ৰকাৰ ভিত্তিৰ প্ৰয়োজন পৰিলক্ষিত হয়।

- পৃষ্ঠভূমি কেন্দ্ৰিক তত্ত্ব নিৰ্মাণ
- ধাৰণাভিত্তিক ভিত্তিক তত্ত্ব নিৰ্মাণ



- নতুন তত্ত্বৰ প্ৰসাৰণ আৰু অভিযোজনৰ তত্ত্ব নিৰ্মাণ
- প্ৰতিষ্ঠিত তত্ত্বৰ লগত গাঁথনিক সমতা থকা সম্পূৰ্ণ নতুন তত্ত্ব নিৰ্মাণ

**পৃষ্ঠভূমি কেন্দ্ৰিক তত্ত্ব নিৰ্মাণ**

বিষয়ৰ পৃষ্ঠভূমিক আধাৰ কৰি কৰা গৱেষণা প্ৰয়াসক পৃষ্ঠভূমি কেন্দ্ৰিক তত্ত্ব নিৰ্মাণ বুলি অভিহিত কৰা হয়। ইয়াত বিষয়ৰ চৰিত্ৰ আৰু বিষয় ক্ষেত্ৰকেন্দ্ৰিক ক্ৰিয়া-কলাপ অথবা বিষয়ক্ষেত্ৰৰ গতি-প্ৰকৃতি লক্ষ্য কৰি তত্ত্বৰ নিৰ্মাণ কৰা হয়। ই এক প্ৰকাৰ পৰীক্ষামূলকভাৱে পৰ্যবেক্ষণৰ ভিত্তিত তত্ত্ব নিৰ্মাণৰ প্ৰয়াস কৌশল। এই কৌশল গৱেষকৰ পৰ্যবেক্ষণ দক্ষতা আৰু ব্যাখ্যাযোগ্যতাৰ ওপৰত গভীৰভাৱে নিৰ্ভৰশীল।

**ধাৰণাভিত্তিক ভিত্তিক তত্ত্ব নিৰ্মাণ**

এই নিৰ্মাণৰ ক্ষেত্ৰত উলোটা দিশৰ পৰা চিন্তা কৰি গৱেষকৰ আগ্ৰহক্ষেত্ৰৰ প্ৰাসংগিক বিভিন্ন ভৱিষ্য-ধাৰণাক উদ্‌ঘাটন কৰিবলৈ এক প্ৰকাৰ ধাৰণা কৰি লৈ বিশ্লেষণৰ আধাৰত ধাৰণাভিত্তিক ভিত্তিক তত্ত্ব নিৰ্মাণ কৰা হয়। এনে তত্ত্ব, এনে এক সংযোগ প্ৰক্ৰিয়া, যি গৱেষকৰ বাবে ভিন্ ভিন্ ধৰণৰ সংযোজনৰ নতুন নতুন পৰিপ্ৰেক্ষা সৃষ্টি কৰিব পাৰে, যেনে— ব্যক্তিগত, সাংগঠনিক কাৰিকৰী দিশ ইত্যাদি অনেক দিশত ভিন্ন চিন্তাৰ পথৰ উন্মোচন ঘটে। আচলতে ই এক সংযোজন প্ৰক্ৰিয়াৰে গঠন কৰা তাত্ত্বিক দৃষ্টিভংগী।

**নতুন তত্ত্বৰ প্ৰসাৰণ আৰু অভিযোজনৰ তত্ত্ব নিৰ্মাণ**

এই নিৰ্মাণত আকৌ কোনো প্ৰসংগৰ ব্যাখ্যা কৰিবলৈ প্ৰতিষ্ঠিত তত্ত্বৰ সম্প্ৰসাৰণ কৰি নতুন অভিযোজন কৰা হয়। যেনে কোনো ব্যক্তিগত জ্ঞানৰ সামূহিক সাংগঠনিক ক্ষেত্ৰলৈ সম্প্ৰসাৰণৰ ব্যাখ্যা। যেতিয়া এনে অভিযোজন অথবা সম্প্ৰসাৰণ ঘটোৱা হয়, পূৰ্ব তত্ত্বৰ কিছুমান নিৰ্দিষ্ট ধাৰণা, উপস্থাপন কৌশল আৰু সীমাৱদ্ধতাৰ লগতে গৱেষণাৰ বিষয় ক্ষেত্ৰৰ লগত নতুন অভিযোজনৰ প্ৰাসংগিকতা খাপ খায় নে নাখায় সেইটোও মন কৰিবলগীয়া হয়। এই বিযোজিত প্ৰয়াসে সামাজিক বিজ্ঞানৰ অনুসন্ধানমূলক গৱেষণাৰ কাৰণে শক্তিশালী তাত্ত্বিক ভিত্তি নিৰ্মাণৰ উদ্দেশ্য সাধন কৰে।

**প্ৰতিষ্ঠিত তত্ত্বৰ লগত গাঁথনিক সমতা থকা সম্পূৰ্ণ নতুন তত্ত্ব নিৰ্মাণ**


এই প্ৰয়াস সদৃশতাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়েই সম্ভৱতঃ বিযোজনৰ প্ৰক্ৰিয়া ব্যৱহাৰ কৰি কৰা আটাইতকৈ সৃষ্টিশীল তাত্ত্বিক ভিত্তি নিৰ্মাণৰ প্ৰয়াস। উদাহৰণ স্বৰূপে মাৰ্কুজে নেটৱৰ্ক ভিত্তিক ব্যৱসায়সমূহৰ ক্ষেত্ৰত এটি সমালোচনামূলক সাধাৰণ তত্ত্বৰ প্ৰস্তাৱ আগবঢ়াবলৈ এই তাত্ত্বিক প্ৰয়াসৰ প্ৰয়োগ কৰিছিল।[২] এনেদৰে গৱেষণা কাৰ্যত গৱেষণাৰ লগত বিজ্ঞানসন্মত সংগতি থকাকৈ ব্যৱহাৰ কৰিবলৈ তত্ত্বৰ অনুসন্ধান কৰা হয়।

**গৱেষণা ঃ ৰীতি আৰু পদ্ধতি**

জ্ঞান আৰু পাণ্ডিত্যৰ শৃংখলা ৰক্ষা কৰাটো হ'ল গৱেষণাৰ প্ৰাথমিক চৰ্ত। যিকোনো গৱেষণাকৰ্মত যদি যৎকিঞ্চিতো পাণ্ডিত্যপূৰ্ণ শৃংখলাৰ অনুসৰণ কৰা নহয়, তেন্তে সি

পুংখানুপুংখভাৱে নিৰ্ভুল সত্যৰ ওপৰত আধাৰিতও নহ'ব। লগতে সৰ্বজন গৃহীত সুদৃঢ় আৰু স্পষ্ট বৈশিষ্ট্যসম্পন্ন মূল্যায়নাত্মক তথা পৈণত বিশ্লেষণ কৰাও সম্ভৱ নহয়।[৩] অৰ্থাৎ গৱেষণাৰ ক্ষেত্ৰত অনুপুংখ, ব্যাপক আৰু তথ্যভিত্তিক যথাৰ্থতা থকা পাণ্ডিত্যপূৰ্ণ শৃংখলা অবিহনে কোনো পৰিণত গৱেষণা সম্ভৱ নহয়। ইয়াৰ পৰিৱৰ্তে বিক্ষিপ্ত আৰু বিশৃংখল অন্বেষণে গৱেষকক লক্ষ্যচ্যুত কৰিব পাৰে। সেয়ে গৱেষণা ক্ষেত্ৰত যিকোনো গৱেষণা কৰিবলগীয়া বিষয়ৰ অনুসন্ধানৰ বাবে এটি সুনিয়ন্ত্ৰিত পদ্ধতি অথবা নিয়মৰ বন্ধন অপৰিহাৰ্য। আচলতে গৱেষণাৰ এটি নিৰ্ধাৰিত কৰ্মপদ্ধতি থাকে, সেই কৰ্মপদ্ধতিও আগবাঢ়ে চক্ৰানুক্ৰমিকৰূপত। তলত এই গৱেষণাকৰ্মৰ সেই কৰ্মচক্ৰৰ চিত্ৰ ডাঙি ধৰা হ'ল—

**গৱেষণাৰ কৰ্মচক্ৰ (The Wheel of Research)**




এই নিৰ্দিষ্ট কৰ্মচক্ৰৰ বাহিৰতো আৰু ইয়াৰ ভিতৰ চ'ৰাতো থাকে বহুকেইটি সূক্ষ্ম আৰু বিস্তাৰিত কৰ্মৰ স্তৰ পৰিক্ৰমা, যাক অতিক্ৰম কৰি কাৰ্যকৰী হৈ উঠে এটি গৱেষণা কৰ্ম।

**গৱেষণাৰ বিষয় নিৰ্বাচন**

গৱেষণাৰ বাবে উপযুক্ত এটি বিষয় নিৰ্বাচন কৰাটো এটা অতি কঠিন পৰ্যায়। ইয়াৰ বাবে কোনো নিৰ্দ্দিষ্ট বিষয়ক্ষেত্ৰ সম্পৰ্কে গৱেষকৰ গভীৰ আৰু বিস্তৃত পূৰ্ব জ্ঞান থকা প্ৰয়োজন। বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত বিষয় এটিৰ গুৰুত্ব আৰু তাৎপৰ্য সম্পৰ্কেও গৱেষকৰ ধাৰণা থকা প্ৰয়োজন। গৱেষণাৰ বাবে বিষয় নিৰ্বাচন কৰোঁতে কেৱল বিষয়ৰ গুৰুত্বৰ প্ৰতিয়েই নহয়, গৱেষকৰ ক্ষমতা আৰু মানসিক প্ৰৱণতাৰ প্ৰতিও লক্ষ্য ৰখা দৰকাৰ। বিষয় নিৰ্বাচন কৰোঁতে লক্ষ্য ৰখা উচিত যে বিষয় একোটা ব্যাপক (Extensive) প্ৰকৃতিৰ নে অনুপুংখ (Intensive) প্ৰকৃতিৰ। আনহাতে কেতিয়াবা কোনো বিষয়ৰ মাজত একেলগে



এই দুইপ্ৰকাৰ বৈশিষ্ট্যই থাকিব পাৰে। গৱেষকৰ গৱেষণাৰ বাবে বিষয়োপযোগী গ্ৰন্থ, আহিলা, গ্ৰন্থাগাৰ, পৰীক্ষাগাৰ, ক্ষেত্ৰ, সমল আদিৰ উৎসৰ সম্পৰ্কে এক প্ৰকাৰ স্পষ্ট ধাৰণা থকাটো বাঞ্চনীয়। সৰ্বোপৰি বিষয়টিয়ে গৱেষকৰ আগ্ৰহ আৰু উপলব্ধিৰ অনুমোদন লাভ কৰিব লাগিব।


গৱেষণাকৰ্ম যেতিয়া নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত শেষ কৰাৰ বাধ্যবাধকতা থাকে, তেনে ক্ষেত্ৰত গৱেষণাৰ বাবে বিস্তৃত বিষয় নিৰ্বাচন নকৰাই শ্ৰেয়। কাৰণ বিষয় একোটাৰ প্ৰতি সুবিচাৰ কৰিবলৈ হ'লে, নিৰ্ভুল স্বচ্ছ আৰু বিশদ বিশ্লেষণৰ প্ৰয়োজন হয়। গৱেষণা গ্ৰন্থ বা গৱেষণা পত্ৰৰ মান্য ৰূপৰ বাবে নিৰ্ধাৰিত শব্দসংখ্যা নিৰ্দ্দিষ্ট কৰা থাকিলেও কেৱল বিষয়ৰ অৱয়ৱ সংক্ষিপ্ত কৰিবলৈকে গুৰুত্বপূৰ্ণ তথ্য-প্ৰমাণ আদি বাদ দিয়া অথবা আংশিক উপস্থাপন কৰা কাৰ্য কেতিয়াও উচিত নহয়। সেইদৰে অপ্ৰয়োজনীয় মেদবাহুল্যও গ্ৰহণযোগ্য নহয়। একমাত্ৰ অনুসন্ধানৰ সুযোগক সীমাবদ্ধ কৰিব পাৰিলেহে বিষয় একোটাৰ দৈৰ্ঘ্যৰ পূৰ্বানুমান কৰিব পৰা যায়। গৱেষণা কৰ্ম মানেই সমস্যাবহুল যাত্ৰা। কেৱল বিষয় এটি নিৰ্বাচন কৰিলেই নহয়, নিৰ্বাচনৰ ক্ষেত্ৰতো অনেক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। উদাহৰণস্বৰূপে— সাহিত্যৰ গৱেষণাৰ বাবে বিষয় হিচাপে নিৰ্বাচন কৰি লোৱা কোনো এখন গ্ৰন্থৰ কথাই ধৰা হওক, গ্ৰন্থখনৰ যদি কেইবাটাও সংস্কৰণ আছে আৰু প্ৰত্যেক সংস্কৰণ বেলেগ বেলেগ সময়ত মুদ্ৰিত আৰু প্ৰত্যেকৰে অল্প-বিস্তৰ পাৰ্থক্যও আছে। তেতিয়া গৱেষকৰ সন্মুখত প্ৰধান সমস্যা হৈ থিয় হয়— কোন সংস্কৰণটোকনো তেওঁ গৱেষণাৰ বাবে গ্ৰহণ কৰিব। এনে ক্ষেত্ৰত গৱেষকে তাৎক্ষণিকভাৱে কিছু নীতি অনুসৰণ কৰিবলগীয়া হ'ব।

প্ৰথম কথা গৱেষকৰ গ্ৰন্থখন সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব লাগে। সেই কাৰণে গৱেষকৰ প্ৰথম কাম হ'ব গ্ৰন্থখনৰ কোন সংস্কৰণটোত গৱেষণাৰ বাবে উপযুক্ত সন্তোষজনক পাঠ (Text) টো আছে, য'ৰপৰা বিষয়বস্তু সম্পৰ্কে এটা সামগ্ৰিক স্বচ্ছ ধাৰণা পাব পাৰি।

দ্বিতীয় কথা গৱেষণাৰ বাবে নিৰ্বাচিত বিষয়টিৰ সমসাময়িক সময়ৰ অন্যান্য গ্ৰন্থৰ সংস্কৰণসমূহৰো অভিজ্ঞতা অৰ্জন কৰা। বহুক্ষেত্ৰত দেখা যায় বহু গৱেষণীয় গ্ৰন্থৰ একাধিক সংস্কৰণৰো আকৌ একাধিক অনুলিপিও থাকে। তেনে ক্ষেত্ৰত গৱেষক প্ৰত্যেক সংস্কৰণ আৰু অনুলিপি সম্পৰ্কেও জ্ঞাত হোৱা বাঞ্চনীয়।

বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত গৱেষকৰ নিজস্ব দক্ষতাৰ গুৰুত্ব আটাইতকৈ বেছি। নিৰ্বাচিত বিষয়টোৰ সাধাৰণ উপযোগিতা আছে নে নাই, বিষয়ৰ বক্তব্য কি হ'ব পাৰে ধাৰণা থাকিব লাগিব। বিষয়টোৰ গৱেষণাৰ সুযোগ, গভীৰতা, সীমাবদ্ধতাৰো জ্ঞান থাকিব লাগিব। বিষয়টো নিৰীক্ষণৰ পদ্ধতি কেনে হ'ব, তাক আয়ত্ব কৰা সম্ভৱ হ'বনে, বিষয়ৰ উপযোগী তথ্য সংগ্ৰহ সম্ভৱনে, নিৰ্দ্দিষ্ট সময়সীমা আৰু শব্দসীমাৰ মাজত বিষয়ক সামৰিব পৰা

যাবনে আৰু অৱশেষত প্ৰাপ্ত সিদ্ধান্তক যথাযথভাৱে উপস্থাপন কৰিব পৰা যাবনে— এই সকলো দিশত গৱেষকৰ সম্যক ধাৰণা থাকিবই লাগিব। সেই সামগ্ৰিক পটভূমিৰ পূৰ্বধাৰণাৰ বাবে গৱেষকৰ পঠনলব্ধ জ্ঞান থকাই নহয়, নতুন ধৰণে চিন্তা কৰাৰ প্ৰতিভাও থাকিব লাগিব।




পদ্ধতিবিজ্ঞানৰ এই শৃংখলা কেতিয়াও গৱেষণা কৰ্মৰ মৌলিকতাৰ অন্তৰায় নহয়। যিসকল গৱেষকে মৌলিক কাম কৰে, মৌলিক চিন্তা কৰে— তেওঁলোকে নিজৰ কাম কৰাৰ ধৰণ, কৰ্মপন্থা, বিশ্লেষণ-উপস্থাপন সকলোতে মৌলিকতাৰ ছাপ ৰাখিব পাৰে। অৰ্থাৎ একোটি সফল গৱেষণা কাৰ্য সম্পাদন কৰিবলৈ হ'লে গৱেষকৰ নিজৰ থাকিব লাগিব মৌলিক দক্ষতা।

বিভিন্ন অধ্যয়নৰ ক্ষেত্ৰত নতুন নতুন তত্ত্ব, ভাৱনা, দৃষ্টিভংগীৰ সংযোজন হৈছে। একোটা অধ্যয়ন ক্ষেত্ৰ অন্য এটি অধ্যয়ন ক্ষেত্ৰৰ লগত সংযুক্ত হোৱাৰ পদেক্ষেপো আৰম্ভ হৈছে। গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ ব্যাপ্তি, প্ৰসাৰণ আৰু গ্ৰহিষ্ণুতা আছে আৰু সেই অনুযায়ী কোনো গৱেষকে মৌলিক আৰু ব্যতিক্ৰমী কোনো কাৰ্য সম্পাদন কৰিবলৈ হ'লে, গৱেষক কেৱল বিষয় নিৰ্বাচনত ব্যতিক্ৰম হ'লেই নহ'ব, পদ্ধতিবিজ্ঞানৰ ক্ষেত্ৰতো মৌলিক দৃষ্টিভংগী সৃষ্টি কৰিব পাৰিব লাগিব।

**গৱেষণাত প্ৰয়োগ হোৱা বিজ্ঞানসন্মত পদ্ধতিৰ চাৰিটা বৈশিষ্ট্য**

গৱেষণাৰ বিষয় একোটিৰ ক্ষেত্ৰত বিজ্ঞানসন্মত পদ্ধতিৰ প্ৰয়োগ কৰোঁতে চাৰিটা বৈশিষ্ট্যৰ পৰীক্ষা কৰিবলগীয়া হয়। সেই বৈশিষ্ট্যকেইটা হ'ল—

- অনুকৃতি-যোগ্যতা (Replicability)
- স্পষ্টতা (Precision)
- মিথ্যায়ন পৰীক্ষণ (Falsifiability Test)
- মিতব্যয়িতাৰ প্ৰয়োগ (Application of Parsimony)

**অনুকৃতি-যোগ্যতা ঃ** গৱেষণা বিষয়ৰ মাজত সমৰূপতা থাকিলে আনেও স্বাধীনভাৱে



অনুকৰণ অথবা পুনৰাবৃত্তি কৰিব পৰা এক প্ৰকাৰ বিজ্ঞানসন্মত অধ্যয়ন। এই প্ৰক্ৰিয়াৰে আচলতে অনুকৰণযোগ্যতাৰ পৰীক্ষণ সম্ভৱ হৈ উঠে।

**স্পষ্টতা ঃ** গৱেষণাত স্পষ্টতা থকা অত্যন্ত প্ৰয়োজনীয়। যিবোৰ বিষয়ৰ সততে মাপ নিৰ্ধাৰণ কৰা কঠিনো হয়, তাৰো পৰিচয় নিৰ্ধাৰণ কৰিব পৰাকৈ তাত্ত্বিক ধাৰণা থাকিব লাগিব; যাক সংজ্ঞা হিচাপে আধাৰ কৰি আন কোনো তত্ত্ব অথবা ধাৰণাৰো মূল্যায়ন কৰিব পাৰে।

**মিথ্যায়ন পৰীক্ষণ ঃ** গৱেষণাত কোনো তত্ত্ব বা ধাৰণাক অখণ্ডনীয় সত্য ৰূপত দাঙি ধৰিবই লাগে। কোনো মিথ্যা ভিত্তি অথবা জ্ঞানৰ সম্পৰীক্ষা বিজ্ঞানসন্মত নহয়, গতিকে মিথ্যায়নৰ পৰীক্ষা অতি অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ।

**মিতব্যয়িতাৰ প্ৰয়োগ ঃ** যেতিয়া কোনো বিষয়ৰ অজস্ৰ ব্যাখ্যা থাকে, তেতিয়া শুদ্ধ আৰু সঠিক ব্যাখ্যা বিচাৰিবলগীয়া হয়। সময়, অৰ্থ আৰু বিষয়ৰ সীমাৱদ্ধতাৰ পৰিসৰত বিজ্ঞানসন্মত পদ্ধতিয়ে সদায়েই সৰল আৰু যুক্তিসন্মত আৰু কম ব্যাখ্যাসম্পন্ন দিশক গুৰুত্ব প্ৰদান কৰিব।

**বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগ হোৱা গৱেষণাৰ প্ৰকৃতি ঃ**

সাম্প্ৰতিক গৱেষণা ক্ষেত্ৰত বহুল উচ্চাৰিত এটা সত্য হ'ল গৱেষণা কৰ্ম বিজ্ঞানসন্মত পদ্ধতিৰে সম্পন্ন হ'বই লাগিব। গৱেষণা কৰ্মৰ ক্ষেত্ৰত বিজ্ঞানৰ জ্ঞান কেনেকৈ পদ্ধতিবিজ্ঞানৰ অধিগম্য হ'ব সেই বিষয়ে এই পৰ্যায়ত আলোচনাৰ প্ৰয়াস কৰা হ'ল। বিজ্ঞানসন্মত পদ্ধতিয়ে বিজ্ঞানসন্মত জ্ঞান আহৰণ কৰিবলৈ প্ৰস্তুত কৰা কৌশলৰ সংহতি (Set of Techniques) ক তলত দিয়া ধৰণে মান্যতা প্ৰদান কৰে—

- যুক্তিপূৰ্ণ পৰ্যবেক্ষণ সম্পাদন কেনেকৈ কৰিব পাৰি
- প্ৰাপ্ত সিদ্ধান্তবোৰ কি ধৰণে ব্যাখ্যা কৰিব পাৰি
- কেনেকৈ তাক সাধাৰণীকৰণ কৰিব পাৰি

এজন গৱেষকে গৱেষণা কাৰ্যত এই দিশবোৰ নিশ্চিত কৰিহে গৱেষণা কৰ্মত আগবাঢ়ে। বিজ্ঞানসন্মত পদ্ধতিয়ে এজন গৱেষকক পূৰ্বৰে পৰা থকা তত্ত্ব আৰু প্ৰাথমিক সিদ্ধান্ত আদিক স্বাধীন আৰু নিৰপেক্ষভাৱে পৰীক্ষা কৰা, সিবিলাকক মুকলি আলোচনাৰ বাবে দাঙি ধৰা, সালসলনি কৰা, পৰিমাৰ্জন কৰা অথবা পৰিৱৰ্ধন কৰা ইত্যাদি কৰ্ম সম্পাদনৰ অনুমতি দিয়ে।

গৱেষণা বিষয় এটিৰ অনুসন্ধান কৰোঁতে অনুসন্ধানৰ যিকোনো স্তৰত বিজ্ঞানসন্মত পদ্ধতিৰ কিছুমান মৌলিক বৈশিষ্ট্যলৈ চকু ৰাখিব লাগিব। উদাহৰণস্বৰূপে ধৰ্মতত্ত্ব কোনো বিজ্ঞান নহয়। কাৰণ ঈশ্বৰ সম্পৰ্কীয় সত্যবোৰ পৰীক্ষিত সত্য নহয়। গতিকে ই কোনো

ব্যক্তিগত পৰ্যবেক্ষকৰ দ্বাৰা পৰ্যবেক্ষিত ব্যাখ্যাৰ অনুকৃতিযোগ্যতা, স্পষ্টতা, মিথ্যায়ন পৰীক্ষণ অথবা মিতব্যয়িতাৰ প্ৰয়োগৰ বিচাৰত এনে বিষয়ৰ বিচাৰ কৰা কঠিন হয়। একেদৰে কলা, সংগীত, সাহিত্য আদিৰ দৰে মানৱিক বিজ্ঞান (Humanities)ৰ বিষয়বোৰো পোনপটীয়াকৈ বিজ্ঞান নিৰ্ভৰ নহয়। এনেবোৰ বিষয়ৰ গৱেষণাত বিষয়নিষ্ঠ প্ৰয়োজনত ওপৰত উল্লেখ কৰা বিজ্ঞানসন্মত বৈশিষ্ট্যবোৰৰ কঠোৰ পৰীক্ষণ সম্ভৱ নহয়, এই ক্ষেত্ৰত এনে বৈশিষ্ট্যবোৰৰ প্ৰয়োগ আপেক্ষিক শিথিল হোৱা পৰিলক্ষিত হয়।

সামাজিক বিজ্ঞান (Social Science)ৰ বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ হোৱা বিজ্ঞানসন্মত পদ্ধতিৰ ক্ষেত্ৰত বিচিত্ৰ সামগ্ৰী, কৌশলৰে সৈতে বিভিন্ন গৱেষণা প্ৰয়াস পৰিলক্ষিত হয়। যেনে— গুণগত আৰু পৰিমাণগত তথ্য, পৰিসাংখ্যিক বিশ্লেষণ, পৰীক্ষা-নিৰীক্ষা, ক্ষেত্ৰ নিৰীক্ষণ, পৰিঘটনা পৰ্যবেক্ষণ ইত্যাদি। অৰ্থাৎ দেখা গ'ল যে প্ৰাথমিকভাৱে একোটি গৱেষণা কাৰ্যৰ পৰ্যবেক্ষণ-নিৰীক্ষণৰ পৰা ব্যাখ্যা-বিশ্লেষণলৈকে আটাইতকৈ গভীৰ প্ৰত্যাহ্বান থকা গৱেষণা কাৰ্যৰ প্ৰায়োগিক স্তৰৰ কামখিনিত বিজ্ঞানসন্মত পদ্ধতিৰ প্ৰয়োগ ঘটে। কেতিয়াবা তাত্ত্বিক স্তৰত ইয়াৰে অতি কম সংখ্যক পদ্ধতিহে প্ৰাসংগিক হ'ব পাৰে, যি হয়তো প্ৰকৃততেই একোটা গৱেষণা কাৰ্যত প্ৰয়োগ হোৱা বিজ্ঞানসন্মত পদ্ধতিৰ ক্ষেত্ৰত আটাইতকৈ বেছি প্ৰত্যাহ্বানজনক দিশ হ'ব পাৰে।

**গৱেষণাত ব্যৱহৃত পদ্ধতি আৰু কৌশল**

গৱেষণা কাৰ্যত পদ্ধতিৰ প্ৰয়োগে উল্লেখযোগ্য ভূমিকা পালন কৰে। গৱেষণাৰ অনুসন্ধান কাৰ্যত নিৰ্দিষ্ট পদ্ধতিবিজ্ঞান অনুসৰণ কৰিবলগীয়া হয়। বিজ্ঞানসন্মতভাৱে সম্পন্ন কৰিবলগীয়া কাৰ্যত সুনিৰ্দিষ্ট পদ্ধতি মানি চলিবলগীয়া হয়। যিকোনো বিজ্ঞানসন্মত কাৰ্যক্ৰমৰ আৱশ্যকীয় উপাদান হ'ল —পৰ্যবেক্ষণ আৰু সংগৃহীত তথ্যসমূহৰ বৈজ্ঞানিক বিশ্লেষণ। গৱেষণাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত পদ্ধতি সম্পৰ্কে ওপৰত আলোচনা কৰা হৈছে। সি যি কি নহওক, পদ্ধতি সম্পৰ্কে এটা কথা নিশ্চিত যে পদ্ধতি হ'ল কোনো বিষয়ৰ বিচাৰ-বিশ্লেষণৰ মান নিৰ্ণায়ক সূত্ৰ। অৰ্থাৎ কোনো কাৰ্য সু-শৃংখলিতভাৱে সম্পাদনৰ উপায় হ'ল পদ্ধতি। পদ্ধতিয়ে সদায়েই পৰিপাটী আৰু সম্পূৰ্ণ ৰূপত কোনো কাৰ্য সম্পাদন কৰাৰ উপায় সন্ধান কৰে। অৰ্থাৎ পদ্ধতি হ'ল কোনো বিষয় আয়ত্ব কৰাৰ কাৰণে গৱেষকে বিচাৰি লোৱা প্ৰায়োগিক আৰু তাত্ত্বিক উপায়।

**কৌশল (Technique) ঃ**

পদ্ধতি আৰু কৌশল দুটি সমাৰ্থক শব্দ বুলি বহুতেই গ্ৰহণ কৰে। প্ৰকৃতাৰ্থত পদ্ধতি আৰু কৌশল দুটা ভিন্ন অৰ্থ বহনকাৰী দুটা শব্দ। কৌশলতকৈ পদ্ধতিৰ অৰ্থ ব্যাপক। নিজ নিজ ক্ষেত্ৰত পদ্ধতিৰ প্ৰয়োগ কৰিবলৈ গৈ গৱেষকে বিভিন্ন কৌশল অৱলম্বন



কৰে। পদ্ধতিৰ আশ্ৰয়তে কৌশল গৃহীত হয়। উদাহৰণস্বৰূপে পদ্ধতিৰ সহায়ত সমাজবিজ্ঞানীয়ে যেতিয়া মূল বিষয়ৰ প্ৰয়োজনত কোনো সমাজ বিষয়ক সমস্যাৰ সংখ্যাতাত্ত্বিক ব্যাখ্যা প্ৰদান কৰে, তেন্তে সেই ব্যাখ্যাক কৌশল বুলি কোৱা হ'ব। আকৌ যেতিয়া পদ্ধতিক ফলপ্ৰসু কৰিবলৈ কোনো সঁজুলি ব্যৱহাৰ কৰা হয় তাকো কৌশল বুলিব পাৰি। সহজ কথাত কাৰ্য সম্পাদন কৰিবলৈ ব্যৱহাৰ কৰা পন্থা বা কায়দাক কৌশল বুলি ক'ব পাৰি।

**পদ্ধতি আৰু কৌশলৰ মাজত পাৰ্থক্য ঃ**

পদ্ধতি হ'ল গৱেষণা কি ভাৱে সম্পন্ন কৰা হ'ব তাৰ বাবে লোৱা নিৰ্ধাৰিত পন্থা। আনহাতে কৌশল হ'ল সেই পদ্ধতি অনুসৰণ কৰি গৱেষণা কাৰ্য সম্পাদন কৰিবলৈ যি উপায় অৱলম্বন কৰা হয়। সেয়ে কৌশলৰ তুলনাত পদ্ধতিৰ পৰিসৰ ব্যাপক বুলি পৰিলক্ষিত হয়। কাৰণ কোনো এটা বিশেষ পদ্ধতি অনুসৰণ কৰিবলৈকে বিভিন্ন কৌশলৰ প্ৰয়োগ হ'ব পাৰে।

**সামাজিকবিজ্ঞানৰ অন্তৰ্গত গৱেষণাত ব্যৱহৃত পদ্ধতি আৰু কৌশল ঃ**

সমাজবিজ্ঞানৰ অন্তৰ্গত বিভিন্ন বিষয়ৰ গৱেষণাত বিভিন্ন পদ্ধতি আৰু কৌশলৰ ব্যৱহাৰ পৰিলক্ষিত হয়। তেনে কেইটিমান পদ্ধতি হ'ল —

- দাৰ্শনিক পদ্ধতি (Philosophical Method)
- ঐতিহাসিক পদ্ধতি (Historical Method)
- নৃতাত্ত্বিক পদ্ধতি (Anthropological Method)
- বিষয়বস্তু বিশ্লেষণ পদ্ধতি (Content Analysis Method)
- তুলনামূলক পদ্ধতি (Comparative Method)
- পৰিসাংখ্যিক পদ্ধতি (Statistical Method)

একেদৰেই এনে গৱেষণাত সততে প্ৰয়োগ হোৱা কৌশল কিছুমানো আছে। যেনে—

- জৰীপ প্ৰক্ৰিয়া (Survey)
- পৰীক্ষণ প্ৰক্ৰিয়া (Experimental)
- ঘটনা অনুধাৱন প্ৰক্ৰিয়া (Case Study)

**দাৰ্শনিক পদ্ধতি ঃ**

বৈজ্ঞানিক চিন্তাৰ মূল উৎসই হ'ল দৰ্শন। আচলতে এসময়ত সকলো সমাজতাত্ত্বিক অধ্যয়নৰ মূল বুলি পৰিগণিত হৈছিল দৰ্শনশাস্ত্ৰ। আজিকালি সমাজবিজ্ঞান এটি বেলেগ বিজ্ঞান হিচাপে পৰিচিত হ'লেও দৰ্শনৰ গুৰুত্ব আজিও আছে। দাৰ্শনিক পদ্ধতি সমাজ বিশ্লেষণৰ ক্ষেত্ৰত অৰ্থপূৰ্ণ ৰূপত ব্যৱহৃত হোৱা দেখা যায়। সাহিত্য, সমাজ-সংস্কৃতিৰ

তত্ব। সূত্ৰ অথবা বিশ্বাস, আচাৰ-আচৰণৰ আঁৰৰ যুক্তিক অনুধাৱন কৰিবলৈ দাৰ্শনিক পদ্ধতিৰ প্ৰয়োগ কৰা হয়।

**ঐতিহাসিক পদ্ধতি ঃ**

সমাজৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে জানিবলৈ হ'লে অতীতলৈ ঘূৰি চোৱা প্ৰয়োজন হয়। সেইদৰে এখন সমাজৰ বৰ্তমানক ভালকৈ জানিবলৈ হ'লে, সেই সমাজৰ ইতিহাস জানিবই লাগিব; নহ'লে বৰ্তমানক সঠিকভাৱে বুজিব নোৱাৰি। অতীতৰ অধ্যয়ন কৰিয়েই একোখন সমাজৰ মানৱীয় আচৰণ, গোষ্ঠীচেতনা, সামাজিক আন্তঃক্ৰিয়াৰ প্ৰবাহ আৰু বিকাশৰ অন্তৰ্নিহিত সূত্ৰক জানিবলৈ চেষ্টা কৰা হয়। ঐতিহাসিক পদ্ধতিৰ মূল কথা হৈছে অতীতৰ কোনো বিষয় অথবা বৰ্তমানৰ কোনো বিষয়ক ঐতিহাসিক দৃষ্টিৰে কি ভাৱে বিজ্ঞানসন্মতভাৱে বিচাৰ-বিশ্লেষণ কৰা হয়। এনেদৰে বিষয়ৰ পূৰ্বসূত্ৰ বিচাৰিবলৈ প্ৰয়োজন অনুসৰি ঐতিহাসিক পদ্ধতিৰ প্ৰয়োগ কৰা হয়।

**নৃ-তাত্ত্বিক পদ্ধতি ঃ**

নৃবিজ্ঞান হ'ল মানৱ বিষয়ক বিজ্ঞান। মানুহৰ দৈহিক আৰু সামাজিক জীৱনৰ অধ্যয়ন। সেয়ে এই পদ্ধতিৰ সহায়ত মানৱজাতিৰ পৰিৱৰ্তন আৰু সামাজিক বিৱৰ্তনৰ ফলত ঘটা মানুহৰ ৰীতি-নীতি, আচাৰ-আচৰণৰ পৰিৱৰ্তন, জাতি-গোষ্ঠীৰ বৈশিষ্ট্য ইত্যাদিৰ বিষয়ে অধ্যয়ন কৰা হয়। গৱেষণাৰ বিষয়ে অথবা বিষয়ৰ অংশ বিশেষে দাবী কৰিলে সেই ক্ষেত্ৰত নৃতাত্ত্বিক পদ্ধতি প্ৰয়োগ কৰিব লাগিব।

**বিষয়বস্তু বিশ্লেষণ পদ্ধতি ঃ**

গৱেষণাকৰ্মত লিখিত অথবা মৌখিক মাধ্যমত লাভ কৰা বিভিন্ন তথ্যৰ ৰীতিবদ্ধ, বস্তুনিৰপেক্ষ আৰু সংখ্যাতাত্ত্বিক বৰ্ণনাকেই বিষয়বস্তু বিশ্লেষণ পদ্ধতি বুলি কোৱা হয়। বিষয়বস্তু বিশ্লেষণ কৰোঁতে নিৰ্দিষ্ট সমস্যা বিচাৰি উলিয়াই সামাজিক বিজ্ঞানৰ দৃষ্টিৰে তাৰ ব্যাখ্যা কৰিবলগীয়া হয়। অন্যান্য গৱেষণাৰ দৰেই সামাজিক বিজ্ঞানৰ গৱেষণাতো সমস্যা নিৰ্বাচন আৰু তাৰ এটি পৰিকল্পিত আঁচনি কৰি আঁকৰ তথ্য (Raw Data) অথবা অপৰিশোধিত তথ্য (Crude Data)ক শ্ৰেণীবদ্ধ কৰিবলৈকো আঁচনি কৰা হয়। বিষয় বিশ্লেষণৰ পৰ্যায়ত প্ৰাপ্ত আঁকৰ তথ্যসমূহৰ মাজৰপৰা ৰীতিবদ্ধভাৱে প্ৰয়োজনীয় তথ্যসমূহ বাছি সজাই সংক্ষিপ্ত ৰূপ দিয়া হয়।

**তুলনামূলক পদ্ধতি ঃ**

অন্যান্য পদ্ধতিৰ দৰেই তুলনামূলক পদ্ধতিও সমাজবিজ্ঞানৰ গৱেষণাত বিশেষভাৱে গুৰুত্বপূৰ্ণ। সমাজ কোনো স্থিৰীকৃত ধাৰণা নহয়, গতিকে পৰিৱৰ্তনশীল সমাজৰ অধ্যয়নত তুলনামূলক পদ্ধতিৰ সঘন প্ৰয়োগ প্ৰয়োজন হয়। কেৱল একাধিক সমাজৰ মাজত সম্পৰ্ক অথবা সাদৃশ্য-বৈসাদৃশ্য উদ্‌ঘাটন কৰিবলৈকে নহয়, একেখন সমাজৰে উৎপত্তি আৰু



ক্ৰমবিকাশৰ ধাৰা, বৈচিত্ৰ্য আৰু বৈশিষ্ট্য উদ্‌ঘাটন আৰু কেতিয়াবা একেজন সাহিত্যিকৰে সাহিত্য কৰ্মৰ বৈচিত্ৰ্য বিচাৰ কৰিবলৈকো তুলনামূলক পদ্ধতিৰ আৱশ্যক হয়।

**পাৰিসাংখ্যিক পদ্ধতি ঃ**

সংখ্যাগত ধাৰণাৰ পৰীক্ষণৰ ক্ষেত্ৰত সমল সংগ্ৰহ, উপস্থাপন আৰু ব্যাখ্যাৰ সকলো পৰ্যায়তে পৰিসংখ্যাগত অধ্যয়ন আৱশ্যক হয়। সমাজবিজ্ঞানৰ বিষয়সমূহৰ ক্ষেত্ৰত সম্পূৰ্ণ বিষয়টো অথবা কেতিয়াবা বিষয়ৰ অন্তৰ্গত অংশবিশেষৰ দাবীত পৰিসাংখ্যিক পদ্ধতি ব্যৱহাৰ হয়। যেনে — সংখ্যাগত তথ্য বা সমলৰ সংগ্ৰহ, সংগৃহীত আঁকৰ তথ্যৰ সম্পাদনাত, সংক্ষিপ্তকৰণত, বিশ্লেষণ আৰু ব্যাখ্যাৰ জৰিয়তে সিদ্ধান্তত উপনীত হ'বলৈ কৰা অনুশীলনত পৰিসাংখ্যিক পদ্ধতি ব্যৱহাৰ কৰা হয়।

**জৰীপ কৌশল ঃ**

সামাজিক বিজ্ঞানৰ গৱেষণাত বহুল ব্যৱহৃত এটা পদ্ধতি। সাধাৰণতে জৰীপ বুলিলে কোনো বিষয় অথবা ঘটনা সম্পৰ্কে চৰজমিন তথ্য সংগ্ৰহ কৰাক বুজা যায়। কোনো নিৰ্দিষ্ট ভৌগোলিক অঞ্চলৰ জনবসতিৰ ধ্যান-ধাৰণা, মনোভাৱ আৰু জীৱনৰ লগত জড়িত বিভিন্ন সামাজিক বিষয় সম্পৰ্কে তথ্য সংগ্ৰহৰ ক্ষেত্ৰত জৰীপ পদ্ধতিৰ ব্যৱহাৰ হয়। এই ধৰণৰ গৱেষণা সাধাৰণতে বৰ্ণনামূলক হয়। ডাক, ইণ্টাৰনেট, হোৱাট্ছ এপ্ ইত্যাদি বিভিন্ন প্ৰকাৰে প্ৰেৰণ কৰা প্ৰশ্ন, সাক্ষাৎকাৰৰ যোগেদি নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰিকল্পিত অথবা অপৰিকল্পিত প্ৰশ্নৰ জৰিয়তে উত্তৰদাতাৰ পৰা তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়া হ'ল জৰীপ। জৰীপৰ সহায়ত একোটা অঞ্চলৰ চাহিদা, সম্পদ, মানুহৰ দৃষ্টিভংগী, মতামত, মূল্যবোধ, সমস্যা আৰু সমস্যাৰ কাৰণ ইত্যাদি সম্পৰ্কে তথ্য সংগ্ৰহ কৰা সম্ভৱ হয়।

**পৰীক্ষণ কৌশল ঃ**

সকলো গৱেষণাৰ ক্ষেত্ৰতে একোটা নিৰ্দিষ্ট মানদণ্ডৰ সহায়ত বিচাৰ-বিশ্লেষণ কৰা হয়। সামাজিক বিজ্ঞান আৰু প্ৰাকৃতিক বিজ্ঞানৰ ক্ষেত্ৰত গৱেষণাৰ অগ্ৰগতি নিৰ্ভৰ কৰে পৰীক্ষালব্ধ প্ৰমাণ আৰু অন্যান্য উপায়ে লাভ কৰা তথ্যৰ ওপৰত। পৰীক্ষণ হ'ল প্ৰমাণাদি সংগ্ৰহৰ এটি অন্যতম সু-শৃংখলিত উপায়, যাৰ সহায়ত কোনো প্ৰাক্‌কল্পনা পৰীক্ষা কৰি চাব পাৰি। আনহাতে পৰীক্ষণ কোনো বিষয়ৰ কাৰ্য-কাৰণ সম্পৰ্ক নিৰ্ণয়ৰো এটি উপযুক্ত মাধ্যম।


**ঘটনা অনুধাৱন কৌশল ঃ**

বিশেষকৈ কোনো পৰিৱেশ, মানৱীয় আচাৰ-আচৰণ, জনগোষ্ঠী, সম্প্ৰদায় ইত্যাদিৰ পৰিৱেশ-পৰিস্থিতি অধ্যয়ন কৰিবলৈ ঘটনা অনুধাৱন প্ৰক্ৰিয়াৰ সহায় লোৱা হয়। দেখা যায় এই প্ৰক্ৰিয়াত যি বিশেষ ঘটনাক অনুধাৱন কৰা হয়, সেই ঘটনা সামগ্ৰিক নহ'লেও

সমগোত্ৰীয় বহু ঘটনাৰ প্ৰতিনিধিত্বমূলক হয়। সেয়ে এই ক্ষেত্ৰত প্ৰাপ্ত ফলাফলৰ ভিত্তিত সাধাৰণীকৰণ সম্ভৱ হয়। এই প্ৰক্ৰিয়াত ব্যৱহাৰ হোৱা সাধন আৰু কৌশলসমূহ হ'ল — সাক্ষাৎকাৰ, প্ৰশ্নসূচী, ব্যক্তিগত চিঠি-পত্ৰ, পত্ৰিকা-প্ৰতিবেদনৰ ৰিপৰ্ট, আইন-আদালত অথবা বিভিন্ন চৰকাৰী-বেচৰকাৰী নথি-পত্ৰ, বিভিন্ন সমাজিক সংস্থাৰ ৰিপৰ্ট, জীৱন ইতিহাস, আত্মজীৱনী আৰু অন্যান্য প্ৰত্যয়জনক পৰ্যবেক্ষণ কৰিবপৰা সমল।

তলত দিয়া চিত্ৰই এক পৰিকল্পিত গৱেষণা আঁচনিৰ সজ্জা দাঙি ধৰে —

**আঁচনি ঃ**




এই চিত্ৰত গৱেষণা কৰ্মত ব্যৱহৃত এলানি কাৰ্যকৰী হোৱা কাৰ্যসূচীৰ বৰ্ণনা কৰা হৈছে, যাক তিনিটা বিশেষ ভাগত ভাগ কৰা হৈছে — অনুসন্ধান, গৱেষণা আঁচনি, গৱেষণা সঞ্চালন। মনত ৰখা উচিত যে এই আঁচনি কোনো গৱেষণা কৰ্মৰ পথিকৃত সাধাৰণ আঁচনিহে। অৱশ্যে কেতিয়াবা কোনো বিশেষ গৱেষণা আঁচনিৰ ব্যৱহাৰিক প্ৰয়োজনৰ ক্ষেত্ৰত এই কাৰ্যৰ ক্ৰমসূচীৰ পৰিৱৰ্তিত ৰূপৰো ব্যৱহাৰ হ'ব পাৰে। অনুসন্ধানৰ প্ৰথম পদক্ষেপত গৱেষণা সমস্যা অথবা প্ৰশ্নৰ অনুসন্ধান কৰা হয়। প্ৰস্তাৱিত বিষয়ৰ জ্ঞানৰ অনুসন্ধানত জ্ঞানৰ বৰ্তমান স্থিতি বুজিবলৈ বিস্তৃত আৰু বিকশিত অনুসন্ধান, পৰীক্ষণ আৰু বিষয় ক্ষেত্ৰৰ লগত সম্পৰ্ক থকা প্ৰত্যাশিত সাহিত্যৰ অনুসন্ধান কৰা হয় আৰু



গৱেষণা সমস্যাৰ সমাধানৰ কাৰণে প্ৰয়োজনীয় তত্ত্বক চিনাক্ত কৰা— এনে দিশবোৰ এই পৰ্যায়ত সম্পাদন কৰা হয়। এই কাৰ্যৰ প্ৰথম পদক্ষেপত সংশ্লিষ্ট গৱেষণা ক্ষেত্ৰৰ প্ৰকৃতি, পৰিঘটনা অথবা বিষয় সম্পৰ্কিত প্ৰপঞ্চ (Phenomena)ৰ উদ্‌ঘাটনৰ কাৰণে এটা বা তাতকৈ অধিক গৱেষণা প্ৰশ্নৰ অৱতাৰণা কৰা হয়।

দ্বিতীয় পদক্ষেপত প্ৰস্তাৱিত গৱেষণা বিষয়ৰ লগত সম্পৰ্কিত প্ৰাপ্ত পূৰ্বকৃত তথ্য সাহিত্যৰ পুনৰীক্ষণ সম্পন্ন কৰা হয়। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ তিনিটা স্তৰত সম্পন্ন হয় —

১) প্ৰস্তাৱিত বিষয় সম্পৰ্কীয় জ্ঞান ক্ষেত্ৰৰ বৰ্তমান অৱস্থা নিৰীক্ষণ কৰিবলৈ গৱেষকে বিষয় ক্ষেত্ৰত অনুসন্ধান কৰে।

২) বিষয়ক্ষেত্ৰত উদ্ধাৰ হোৱা মূল লেখক, নিবন্ধ, তত্ত্ব আৰু সিদ্ধান্তক চিনাক্ত কৰিবলৈ প্ৰয়াস কৰে।

৩) কম্পিউটাৰত ব্যৱহৃত মূল শব্দ ব্যৱহাৰ কৰিবলৈ অনলাইন তথ্য ভাণ্ডাৰ বিচৰাৰ প্ৰয়াস কৰা হয়।

প্ৰাপ্ত পূৰ্বকৃত তথ্য সাহিত্যৰ পুনৰীক্ষণ যুক্তিসন্মতভাৱে সম্পন্ন কৰিব লাগিব। কেৱল কেইটিমান বছৰ, কেইখনমান জাৰ্ণাল্ অথবা কোনো বিশেষ পদ্ধতিবিজ্ঞানৰ মাজতে সীমাৱদ্ধ হ'ব নালাগিব। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণে গৱেষণা ক্ষেত্ৰ সংক্ৰান্ত কিছু ধাৰণা অথবা সম্ভাৱনাময় উত্তৰৰ সন্ধানত তত্ত্বৰো সন্ধান দিব পাৰে। কেতিয়াবা প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ গৱেষণা ক্ষেত্ৰৰ প্ৰস্তাৱিত ধাৰণাৰ বিস্তাৰক ৰুধিব নোৱাৰা ধৰণে বিস্তাৰিত হয়, তেনে ক্ষেত্ৰত গৱেষণা ক্ষেত্ৰৰ লগত সম্পৰ্কিত তত্ত্বৰ অনুসন্ধান কৰি সেই তত্ত্বৰ আধাৰত প্ৰাসংগিক সাহিত্যৰ চিনাক্তকৰণ সম্ভৱ হয়। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণৰ জৰিয়তে গৱেষকে প্ৰাসংগিক তত্ত্ব আৰু প্ৰক্ৰিয়া সহায়ক সাহিত্যৰো পৰীক্ষা কৰে, যি তত্ত্ব বা প্ৰক্ৰিয়া প্ৰস্তাৱিত গৱেষণা বিষয়ৰ সম্পূৰ্ণ অধ্যায়সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে।

তৃতীয় পদক্ষেপ হ'ল গৱেষণা আঁচনি। এই পৰ্যায়ত গৱেষণাৰ বাবে ব্লু-প্ৰিন্ট তৈয়াৰ কৰা হয়, যাৰ সহায়ত অনুসন্ধানৰ পৰ্যায়তে গৱেষণা প্ৰশ্ন অথবা সমস্যা চিনাক্তকৰণ হয়। এই আঁচনি মতে গৱেষণাৰ বাবে পদ্ধতি তৈয়াৰ কৰা আৰু তথ্য সংগ্ৰহৰ কৌশল নিৰ্ধাৰণত সহায়ক হয়। একেবাৰে শেষ পদক্ষেপ হ'ল গৱেষণাৰ প্ৰতিবেদন প্ৰস্তুতকৰণ অথবা গৱেষণাৰ সম্পূৰ্ণ প্ৰক্ৰিয়াক সিদ্ধান্তৰে সৈতে নথিভুক্ত কৰা হয়। উল্লেখযোগ্য যে গৱেষণাৰ কোনো অৰ্থই নাথাকিব যদিহে গৱেষণা প্ৰক্ৰিয়া আৰু ইয়াৰ যোগেদি লাভ কৰা সিদ্ধান্ত অথবা ফলাফলসমূহ ভৱিষ্যত প্ৰজন্মৰ বাবে লিপিৱদ্ধ কৰি সংৰক্ষণ কৰা নহয়।

তৃতীয় অধ্যায়

# গৱেষণাৰ প্ৰকাৰ

সাম্প্ৰতিক সময়ত মানৱ, প্ৰকৃতি, সমাজ, জীৱন আৰু জগতৰ লগত সম্পৰ্কজড়িত সকলোধৰণৰ বিষয়েই গৱেষণাৰ ভিতৰুৱা হৈ পৰিছে। জীৱন-অভিজ্ঞতাৰ স্তৰ পৰিক্ৰমাত মানুহে এটা সত্যত নিশ্চিতভাৱে উপনীত হ'ল যে সকলো জ্ঞান অথবা প্ৰাত্যহিক প্ৰক্ৰিয়াৰ অন্তৰালতে থাকে একো একোটা নিৰ্দিষ্ট বিজ্ঞান অথবা তত্ত্ব। সেয়ে অনুসন্ধিৎসু মানুহে ক্ৰমশঃ প্ৰণালীৱদ্ধ পদ্ধতিতত্ত্বৰ সহায়ত নতুন সত্য উদ্‌ঘাটনৰ প্ৰতি আগ্ৰহী হ'বলৈ আৰম্ভ কৰাৰ লগে লগে সকলো সত্যৰ অন্তৰালত থকা বিজ্ঞানৰ প্ৰতিও আগ্ৰহী হৈ উঠিছে। এইটোও সত্য যে সকলো মানৱীয় জ্ঞানেই মানুহে স্বাভাৱিক পৰিৱেশৰ পৰাই আহৰণ কৰে। সেয়ে জ্ঞানান্বেষণৰ কাৰণে প্ৰণালীৱদ্ধ গৱেষণা কাৰ্যৰ প্ৰতি যেতিয়াৰ পৰা মানুহ সচেতন হ'বলৈ ধৰিলে, তেতিয়াৰ পৰা জ্ঞানক্ষেত্ৰৰ শ্ৰেণীকৰণো সেই প্ৰণালীৰ ভিতৰুৱা হ'ল। জ্ঞানান্বেষণৰ সুবিধাৰ কাৰণে মানুহৰ চৌপাশে প্ৰসাৰিত হৈ থকা সুবিশাল জ্ঞানক্ষেত্ৰক হাণ্ট ই এফ্ আৰু কলগুাৰ্ ডি চি -ৰ মতে জ্ঞানৰ উৎসক তিনিটা ভাগত ভাগ কৰিব পাৰি—

১) প্ৰাকৃতিক বিজ্ঞান (Natural Science)
২) সামাজিক বিজ্ঞান (Social Sciences)
৩) মানৱীয়তা সম্পৰ্কীয় বিজ্ঞান (Humanities)
(ইতিহাস-সাহিত্য-দৰ্শন আদি বিষয়ক)[১]

**প্ৰাকৃতিক বিজ্ঞান** বস্তুগত পৰিৱেশ সম্পৰ্কীয় জ্ঞান, য'ত প্ৰাকৃতিক বিজ্ঞানৰ গতি-প্ৰকৃতি, উত্থান-পতন, স্বৰূপ, গুৰুত্ব, প্ৰয়োজনীয়তা, প্ৰাসংগিকতা আদিৰ পৰীক্ষণ, বিশ্লেষণ, সমীক্ষণৰ গৱেষণা হয়। **সামাজিক বিজ্ঞান** হ'ল মানুহৰ সমাজ-কেন্দ্ৰিক সামগ্ৰিক চিন্তা-চৰ্চা। মানুহক সামাজিক বিজ্ঞানৰ প্ৰেক্ষাপটত ৰাখি মানুহৰ সামূহিক জীৱনৰ সকলো দিশৰ বিষয়ে অধ্যয়ন কৰা হয়। আনহাতে **মানৱীয়তা সম্পৰ্কীয় বিজ্ঞান** হ'ল মানুহৰ লগত জড়িত ইতিহাস, ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, দৰ্শন, সংগীত, কলা, সংস্কৃতি আৰু সাহিত্য আদিৰ জৰিয়তে নিৰ্দিষ্ট মানুহৰ অধ্যয়ন সম্পৰ্কীয় বিজ্ঞান। এই সমূহ দিশৰ গৱেষণাৰ কাৰণে গৱেষণা তত্ত্ববিদসকলে গৱেষণাক বিভিন্ন প্ৰকাৰত ভাগ কৰিছে। তাৰ ভিতৰত গৱেষণাৰ স্বৰূপ অনুযায়ীও গৱেষণা তাত্ত্বিক পণ্ডিতসকলে গৱেষণাৰ প্ৰকাৰ বিভাজন কৰা দেখা যায়।

গৱেষণাৰ স্বৰূপৰ ওপৰত ভিত্তি কৰি উদ্দেশ্য (Purpose), প্ৰণালী (Process) আৰু ফলাফল (Outcome)ৰ প্ৰতি লক্ষ্য ৰাখি গৱেষণাৰ প্ৰকাৰ নিৰ্ধাৰণ হয়। গৱেষণাৰ প্ৰকৃতি অনুযায়ী গৱেষণাৰ মূল প্ৰকাৰ দুটা। সেইকেইটা হ'ল—

১) গুণগত গৱেষণা (Qualitative Research)

২) পৰিমাণগত গৱেষণা (Quantitative Research)

**গুণগত গৱেষণা**

কোনো গৱেষণা বিষয় যদি গুণ বা বৈশিষ্ট্য নিৰ্ণায়ক দৃষ্টিভংগীৰে সম্পন্ন হয়, তেনে গৱেষণাক গুণগত গৱেষণা বুলি কোৱা হয়। গুণগত গৱেষণা প্ৰয়াসত গৱেষকৰ অধ্যয়নৰ দৃঢ় দৃষ্টিভংগী আৰু কাৰ্যকৰী ক্ষমতাৰ সহায়ত বস্তুনিষ্ঠ মূল্যায়নত গুৰুত্ব দিয়া হয়। এনে ক্ষেত্ৰত গৱেষকৰ অন্তৰ্দৃষ্টি আৰু ধাৰণাৰ স্পষ্টতাৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। অৱশ্যে কেতিয়াবা গৱেষণাৰ গুণগত প্ৰয়াসতো ফলাফল বস্তুনিষ্ঠ নহৈ কঠিন স্তৰৰ পৰিমাণ নিৰ্ণয় কৰা বিশ্লেষণাত্মক প্ৰকৃতি হ'ব পাৰে। সাধাৰণতে সামূহিক সাক্ষাৎকাৰ, প্ৰকল্প-পৰিকল্পনা, অন্তৰংগ সাক্ষাৎকাৰ আদি পদ্ধতিত অধিক মনোযোগ দিয়া কৌশলসমূহ এনে গৱেষণা প্ৰয়াসত গ্ৰহণ কৰা হয়। উদাহৰণস্বৰূপে যেতিয়া মানৱীয় চৰিত্ৰ সম্পৰ্কে গৱেষণা কৰা হয় (যেনে— কিয় মানুহে চিন্তা কৰে অথবা সৃষ্টি কৰে ইত্যাদি ধৰণৰ মনোবৃত্তি), তেতিয়া সাধাৰণতে গুণগত গৱেষণাৰ অন্তৰ্গত অতি গুৰুত্বপূৰ্ণ এটি দিশ উদ্দেশ্যধৰ্মী গৱেষণা কৰা হয়। এনে ধৰণৰ গৱেষণাত বিশেষ উদ্দেশ্য উদ্‌ঘাটনৰ প্ৰয়োজনত সাক্ষাৎকাৰ, প্ৰশ্নসূচী আদিৰ সহায় লোৱা হয়। এনে 'উদ্দেশ্যধৰ্মী গৱেষণা'ত প্ৰয়োগ হোৱা মানুহৰ চিন্তা বা মেজাজ অধ্যয়ন কৰাৰ অন্যান্য কৌশলবোৰ হ'ল— শব্দ-সংযোজন কৰিবলৈ দিয়া, বাক্য সম্পূৰ্ণ কৰিবলৈ দিয়া, অৰ্ধ গল্প একোটা সম্পূৰ্ণ কৰিবলৈ দিয়া ইত্যাদি ধৰণৰ সম্পৰীক্ষা কৰা হয়। এইবোৰ হ'ল মেজাজ, মনোবৃত্তি অথবা মতাদৰ্শ নিৰ্ণয়ৰ গৱেষণা। কেতিয়াবা আকৌ বিশেষ কোনো বিষয় অথবা সংগঠন সম্পৰ্কে মানুহে কি ভাবে আৰু কি অনুভৱ কৰে, সেই সত্য উদ্ধাৰ কৰিবলৈকো গৱেষণা কৌশল নিৰ্মাণ কৰা হয় গুণগত গৱেষণা ক্ষেত্ৰত। মানৱীয় আচৰণৰ কোনো বিশিষ্ট দিশ উদ্‌ঘাটনৰ লক্ষ্যৰে কৰা সামাজিক বিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত গুণগত গৱেষণাৰ প্ৰয়োগ বিশেষভাৱে গুৰুত্বপূৰ্ণ হয়। এই গৱেষণা প্ৰক্ৰিয়াৰে মানুহৰ কোনো ভাল লগা-বেয়া লগা দিশ সম্পৰ্কে অথবা বহু বিচিত্ৰ মানৱীয় আচৰণৰ কাৰণ আৰু কাৰক বিশ্লেষণ কৰি উলিয়াব পাৰে, যিবোৰে মানুহক কোনো বিশেষ আচৰণ কৰিবলৈ অনুপ্ৰাণিত কৰে। বাস্তৱতে এনে ধৰণৰ গুণগত মূল্যায়নৰ গৱেষণা তুলনামূলকভাৱে এটা অতি কঠিন কাৰ্য।



**গুণগত গৱেষণাৰ বৈশিষ্ট্য ঃ**

- গুণগত গৱেষণাই গুণ আৰু হিতৈষীতা উদঘাটন কৰে।
- মানুহৰ ব্যক্তিত্ব আৰু মানৱীয়তাৰ মান নিৰ্ণয় কৰে।
- মানৱীয় আচৰণৰ কাৰণ আৰু কাৰক অধ্যয়ন কৰে।
- মানৱীয় ধৈৰ্য, স্থিৰতা আৰু দৃঢ়তা আদিৰ অধ্যয়ন কৰে।

**গুণগত গৱেষণাৰ আৰ্হি ঃ**

- **গৱেষণাৰ ভূমিকা বা পৰিচয় ঃ**
  - গৱেষণা প্ৰশ্ন অথবা সমস্যাৰ বিৱৰণ
  - প্ৰধান প্ৰশ্ন আৰু উপপ্ৰশ্নসমূহ
  - গৱেষণাৰ উদ্দেশ্য আৰু গুৰুত্ব ব্যাখ্যা
  - পৰিভাষাসমূহৰ সংজ্ঞা
  - গৱেষণাৰ পৰিসৰ আৰু সীমাৱদ্ধতা
  - গৱেষণাৰ তাৎপৰ্য ব্যাখ্যা
- **গৱেষণা-প্ৰক্ৰিয়া ঃ**
  - গুণগত আৰ্হিৰ বৈশিষ্ট্য আৰু যুক্তিযুক্ততা
  - গৱেষণাত ব্যৱহৃত আৰ্হিৰ প্ৰকাৰ
  - মূল্যায়নত গৱেষকৰ ভূমিকা
  - গৱেষণাৰ তথ্য সংগ্ৰহ প্ৰক্ৰিয়া
  - তথ্যৰ সংশ্লেষণ-বিশ্লেষণৰ প্ৰক্ৰিয়া
  - তথ্য পৰীক্ষণৰ পদ্ধতি
  - অধ্যয়নৰ ফলাফল আৰু তত্ত্বৰ সৈতে ইয়াৰ সম্পৰ্ক নিৰ্ণয়
- **গৱেষণাৰ পদ্ধতি ঃ**
  - গৱেষণা-সমস্যা সম্পৰ্কে বিবৃতি
  - গৱেষণাৰ তাৎপৰ্য বিচাৰ
  - ক্ষেত্ৰ আৰু নমুনা নিৰ্বাচন
  - তথ্য সংগ্ৰহৰ কৌশল
  - তথ্য সংগ্ৰহ আৰু সংৰক্ষণৰ তথ্য
  - তথ্য বিশ্লেষণ আৰু গ্ৰহণৰ কৌশল

➢ উপসংহাৰ ঃ

- মূল্যায়ন
- সিদ্ধান্ত
- গৱেষণাৰ ভৱিষ্যত সম্ভাৱনা

➢ পৰিশিষ্ট ঃ

- সাক্ষাৎকাৰ সংক্ৰান্ত প্ৰশ্নসূচী
- তথ্যদাতাৰ তালিকা
- অন্যান্য প্ৰাসংগিক তথ্যসূচী
- চিত্ৰ/মানচিত্ৰ/তথ্য তালিকা ইত্যাদি।

**পৰিমাণগত গৱেষণা ঃ**

পৰিমাণগত গৱেষণা জোখ অথবা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ সংখ্যা বা জোখ নিৰ্ণয়ৰ প্ৰেক্ষাপটত প্ৰয়োগ হয় পৰিমাণগত গৱেষণা। পৰিমাণগত গৱেষণা প্ৰয়াসকো সহজ কৰিবলৈ আকৌ তিনিটা উপভাগত ভাগ কৰি লোৱা হ'ল— **'যুক্তিৰ সহায়ত কৰা অধ্যয়ন', 'পৰীক্ষামূলকভাৱে কৰা অধ্যয়ন'** আৰু **'অনুকৰণধৰ্মীভাৱে সিদ্ধান্তত উপনীত হ'ব পৰা অধ্যয়ন'**। ইয়াৰে ভিতৰত যুক্তিৰ সহায়ত সিদ্ধান্তত উপনীত হ'ব পৰা প্ৰয়াসৰ উদ্দেশ্য তথ্যভিত্তিক, যাৰ সহায়ত যিকোনো বিষয়ৰ বৈশিষ্ট্য নিৰ্ণয় অথবা জনসংখ্যা নিৰ্ণয়ৰ দৰে গৱেষণা কাৰ্য সম্পন্ন কৰিব পাৰি। এনে গৱেষণাক সচৰাচৰ জৰীপ বুলিও অভিহিত কৰা হয়, য'ত শুদ্ধ সিদ্ধান্তত উপনীত হ'বলৈ প্ৰশ্নপত্ৰৰ সহায়ত পৰীক্ষণ অথবা পৰ্যবেক্ষণৰ সহায়ত জনসংখ্যাৰ নমুনা অধ্যয়ন কৰা হয়। আনহাতে গৱেষণাৰ পৰিৱৰ্তিত পৰিৱেশ সাপেক্ষে বৈশিষ্ট্য নিৰ্ণয় কৰা ধৰণৰ ক্ষেত্ৰত আকৌ গৱেষণাৰ পৰীক্ষামূলক প্ৰয়াসৰহে অধিক নিয়ন্ত্ৰণ থাকে। এনে ক্ষেত্ৰত বিভিন্ন পৰিৱৰ্তন আৰু বিৱৰ্তনৰ চৰিত্ৰ পৰ্যবেক্ষণৰ বাবে পদ্ধতিৰ কিছু কৌশলগত পৰিৱৰ্তন সাধন কৰা হয়। একেদৰে অনুকৰণমূলক প্ৰয়াসত গৱেষণাৰ বাবে এনে কিছু কৃত্ৰিম পৰিৱেশ গঠন কৰা হয়, যি পৰিৱেশৰ সহায়ত প্ৰাসংগিক তথ্য যোগাৰ কৰিবলৈ সুবিধা হয়। সাংখ্যিক অথবা পৰিসংখ্যা নিৰ্ণায়ক আৰ্হিৰ কৰ্মপদ্ধতিত অধিক ক্ৰিয়াশীল ৰূপত গৱেষণাৰ বাবে প্ৰতিনিধিত্বমূলক কৌশল গঠন কৰা হয়। একোটা স্থায়ী আৰু সঠিক সমাধানসূত্ৰত উপনীত হ'বলৈ গৱেষণাৰ প্ৰাথমিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰখা হয় আৰু সেই অনুযায়ী বিশেষ আচৰণ পদ্ধতিৰো প্ৰতিনিধিত্ব কৰা হয়।



**পৰিমাণগত গৱেষণাৰ বৈশিষ্ট্য ঃ**

- পৰিমাণ আৰু সংখ্যাগত উদঘাটনৰ গৱেষণা সম্পন্ন হয়।
- কম্পন, পৰিমাপ, জোখ-মাপ ইত্যাদি নিৰূপণ কৰে।
- প্ৰশ্নপত্ৰ, সা-সৰঞ্জাম ইত্যাদি সঁজুলিৰ ব্যৱহাৰ হয়।
- সংখ্যা আৰু পৰিসংখ্যাগত তথ্যৰ ব্যৱহাৰ কৰে।

**পৰিমাণগত গৱেষণাৰ আৰ্হি ঃ**

➢ গৱেষণাৰ ভূমিকা/পৰিচয় ঃ

- প্ৰসংগ (গৱেষণা প্ৰশ্ন অথবা সমস্যাৰ বিবৃতি)
- গৱেষণাৰ অভিপ্ৰায়
- গৱেষণা প্ৰশ্ন অথবা প্ৰাক্কল্পনা অথবা উদ্দেশ্য
- তাত্ত্বিক পৰিপ্ৰেক্ষা
- পৰিভাষাৰ সংজ্ঞা
- গৱেষণাৰ পৰিসৰ আৰু সীমাৱদ্ধতা

➢ প্ৰাপ্ত তথ্য সাহিত্যৰ সমীক্ষা

- বিশ্লেষণ আৰু মূল্যায়ন

➢ পদ্ধতি

- গৱেষণা আঁচনি
- নমুনা, জনসংখ্যা অথবা বস্তুৰ তথ্য
- তথ্য অথবা উপাদান আৰু সঁজুলিৰ ব্যৱহাৰ
- গৱেষণাৰ পৰিৱৰ্তনশীলতা
- তথ্য বিশ্লেষণ

➢ উপসংহাৰ

- মূল্যায়ন
- সিদ্ধান্ত

➢ পৰিশিষ্ট

- সঁজুলি
- চিত্ৰ/মানচিত্ৰ ইত্যাদি।

এই দুই বিশিষ্ট গৱেষণা প্ৰকাৰত নিহিত হোৱা চিন্তা অথবা ধাৰণাগত বৈশিষ্ট্য আৰু চৰিত্ৰ অথবা প্ৰকৃতিৰ দিশৰ পৰা নিৰ্দিষ্ট স্কুল হিচাপেও **গুণগত** আৰু **পৰিমাণগত** স্কুল বুলি অভিহিত কৰিব পাৰি। এই দুয়ো স্কুলৰ স্বতন্ত্ৰ বৈশিষ্ট্যক তলত দিয়া ধৰণে ভাগ কৰি

দেখুৱাব পাৰি—

| পৰিমাণগত গৱেষণা | গুণগত গৱেষণা |
|---|---|
| সংখ্যাৰ দ্বাৰা প্ৰকাশ কৰিব পাৰি। | অৰ্থপূৰ্ণ ধাৰণা আৰু সংজ্ঞা সন্ধান কৰে। |
| গণনা আৰু জোখ-মাপ প্ৰস্তুত কৰে। | শব্দ, চিত্ৰ আৰু বৰ্ণনাৰ যোগেদি গুণ-বৈশিষ্ট্য মূল্যায়ন কৰে। |

**গৱেষণাত ব্যৱহাৰ হোৱা বিজ্ঞানসন্মত গৱেষণাৰ প্ৰকাৰ ঃ**

আজিকালি প্ৰায় সকলো ধৰণৰ গৱেষণা কাৰ্যই বিজ্ঞানসন্মত পদ্ধতিৰ দাবী কৰে। গৱেষণাৰ উপস্থাপন, মূল্যায়ন, পৰ্যবেক্ষণ, নিৰীক্ষণ ইত্যাদিৰ ভিন্ন প্ৰকৃতি আৰু ইবিলাকৰ কাৰ্যকৰী দিশ অনুযায়ী গৱেষণা কৰ্মৰ কিছুমান প্ৰকাৰ বিভাজন কৰিব পাৰি। যেনে— বৰ্ণনামূলক (Descriptive), ব্যাখ্যামূলক (Explanatory), অনুসন্ধানমূলক/সূত্ৰ উদ্ভাৱক (Explorative/Formulative), কাৰণ নিৰ্ণায়ক (Diagnostic), পৰীক্ষামূলক (Experimental) ইত্যাদি।

**গৱেষণাৰ কাৰ্যকৰী প্ৰকৃতি অনুসৰি গৱেষণা প্ৰকাৰ ঃ**

**➢ বৰ্ণনামূলক গৱেষণা ঃ**

বৰ্ণনামূলক গৱেষণাত কি আছে, কি ঘটিছে অথবা কি পোৱা গৈছে— তাৰ বৰ্ণনা দাঙি ধৰা হয়। ধৰা হওক কোনো এটি গৱেষণাৰ বিষয় যদি অসমীয়া পাঁচালী সাহিত্যৰ বিষয়ে হয়, তেন্তে যিমান বিলাক তথ্যৰ প্ৰয়োজন হ'ব, সেই সকলোখিনি বিবৃতি (Description) হ'ব। সেইদৰে 'অসমীয়া সাহিত্যত প্ৰগতিবাদী ৰচনা', 'অসমীয়া মৌখিক সাহিত্যত নীতিমূলক ৰচনা' ইত্যাদি ধৰণৰ বিষয়ৰ প্ৰকাৰ বৰ্ণনামূলক হ'ব। বৰ্ণনাত্মক গৱেষণাৰ উদ্দেশ্য হ'ল যিকোনো বিষয়ৰ বৰ্তমান স্থিতিৰ সঠিক অৱস্থাৰ বৰ্ণনা কৰা। এই প্ৰকাৰৰ প্ৰধান বৈশিষ্ট্য হ'ল বাস্তৱত **কি ঘটি আছে** অথবা **কি ঘটিবগৈ পাৰে** গৱেষকে কেৱল তাৰহে বিৱৰণ দিব পাৰে। এই ক্ষেত্ৰত পৰিৱৰ্তনশীল পৰিস্থিতিৰ ওপৰত গৱেষকৰ কোনো নিয়ন্ত্ৰণ নাথাকে। অতীতত কি ঘটিছিল, তেনেধৰণৰ সত্য উদ্‌ঘাটন কৰা বহুবোৰ প্ৰকল্পতে বৰ্ণনাত্মক তথা ব্যাখ্যা-বিশ্লেষণাত্মক দুয়োধৰণৰ পদ্ধতি ব্যৱহাৰ কৰা হয়। বৰ্ণনাত্মক গৱেষণাৰ বৰ্ণনা পদ্ধতিত পূৰ্বধাৰণাৰে একোটা সিদ্ধান্তক সীমাত বান্ধিব অথবা প্ৰাক্‌কল্পনা কৰিব নোৱাৰি। এই পদ্ধতিৰ বৈশিষ্ট্য হ'ল গৱেষক কোনোপধ্যে পূৰ্বধাৰণাৰ ওচৰত নমনীয় হ'ব নোৱাৰে আৰু গৱেষণাৰ অন্তত পাবলগীয়া সিদ্ধান্তৰ ওপৰতো গৱেষকৰ কোনো ধৰণৰ পূৰ্বনিয়ন্ত্ৰণ নাথাকে। গৱেষকে মাত্ৰ প্ৰকৃততে **কি ঘটিল, ঘটি আছে** অথবা **ঘটিব পাৰে**, সেই সত্যহে হুবহু দাঙি ধৰিব পাৰে। এনেধৰণৰ পূৰ্বধাৰণাৰ কোনো সীমা বান্ধি ল'ব নোৱাৰা অৰ্থাৎ কোনো প্ৰাক্‌কল্পনা কৰিব নোৱাৰা গৱেষণাত গৱেষকে প্ৰচলিত সংখ্যা, মাত্ৰা বা অংশ আদিৰ জোখ উলিয়াব পাৰে। উদাহৰণস্বৰূপে— বজাৰ দৰ, মানুহৰ সঁহাৰি অথবা অন্য একেধৰণৰ তথ্য উদ্‌ঘাটনৰ গৱেষণা ইত্যাদি। বৰ্ণনামূলক গৱেষণাত তলত দিয়া বৈশিষ্ট্যসমূহ পৰিলক্ষিত হয়—



- কি, কিয়, কেতিয়া, কোন, ক'ত, কেনেকৈ ইত্যাদিৰ সত্য অনুসন্ধানী জিজ্ঞাসা।
- মূল লক্ষ্য হ'ল কোনো বৈশিষ্ট্য বৰ্তমানৰ পৰিপ্ৰেক্ষাত বিশ্লেষণ।
- পৰিৱৰ্তনশীলতা নহয়, কিন্তু কি ঘটিছিল অথবা কি ঘটি আছে তাৰ বৰ্ণনা।
- বাৰাংবাৰতা, গড় আৰু আন আন পাৰিসাংখ্যিক গণনাৰ ব্যৱহাৰ।
- জৰীপ, সকলো ধৰণৰ তুলনামূলক আৰু সম্বন্ধযুক্ত পদ্ধতিৰ ব্যৱহাৰ।
- সময়, সংখ্যা অথবা অন্যান্য প্ৰাপ্ত পাৰিসাংখ্যিক তথ্যৰ তালিকাভুক্তিকৰণ।

**ব্যাখ্যা-বিশ্লেষণমূলক গৱেষণা**

বৰ্ণনামূলক গৱেষণাৰ মূল প্ৰশ্ন যেনেকৈ কি, সেইদৰে ব্যাখ্যামূলক গৱেষণাৰ মূল প্ৰশ্ন হয় কিয়? এই ধৰণে ব্যাখ্যা- বিশ্লেষণমূলক প্ৰকৃতিৰ গৱেষণাত কিয়ৰ উত্তৰ বিচাৰিবলৈ কৰা প্ৰয়াসত ব্যাখ্যা-বিশ্লেষণ, কাৰ্য-কাৰণ ইত্যাদি দিশবোৰৰ নিজে নিজে উন্মোচন হ'বলৈ ধৰে। যিকোনো ধৰণৰ প্ৰশ্ন বা জিজ্ঞাসাৰেই আচলতে ব্যাখ্যাধৰ্মিতাক আশ্ৰয় কৰিয়েই অন্বেষণ আৰম্ভ হয়। ব্যাখ্যা-বিশ্লেষণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটোৱেই হ'ল যুক্তি নিৰ্ভৰশীলতা। সেয়ে এনে গৱেষণাত গৱেষকে আগৰে পৰা থকা সত্য, তথ্য আৰু সূত্ৰৰ ব্যৱহাৰ কৰে আৰু সেই বিষয়ৰ অধ্যয়নেৰে নতুন দৃষ্টিভংগীৰে সিদ্ধান্তত উপনীত হ'বলৈ সিবিলাকৰ ব্যাখ্যা-বিশ্লেষণৰ জৰিয়তে বৌদ্ধিক মূল্যায়ন কৰা হয়।

**বৰ্ণনামূলক গৱেষণা আৰু ব্যাখ্যামূলক গৱেষণাঃ পাৰস্পৰিক সম্পৰ্ক**

বৰ্ণনামূলক আৰু ব্যাখ্যামূলক গৱেষণাৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। এই দুটি প্ৰকাৰ পৰস্পৰ বিচ্ছিন্ন অথবা আন্তঃসম্পৰ্কৰহিত নহয়। যেতিয়া আমাৰ মনত প্ৰশ্ন উদয় হয় **'কি আছে'** অথবা **'কি হৈ আছে?'** তেতিয়া সেই প্ৰশ্নৰ উত্তৰৰ ভংগী হয়

বৰ্ণনামূলক; আৰু যেতিয়া কি হৈ আছে, সেই সত্য বুজোঁতে বুজোঁতে আমাৰ মন প্ৰশ্ন উদয় হয় **'কিয় হৈছে?'** তেতিয়া সেই প্ৰশ্নৰ উত্তৰৰ ভংগী হ'ব ব্যাখ্যামূলক। বহু সময়ত বহু ক্ষেত্ৰত একেটি গৱেষণাৰ পৰিসৰতে **'কি'** আৰু **'কিয়'**— এই দুয়োটা প্ৰশ্নৰ উত্তৰৰ অনুসন্ধান নিহিত হৈ থাকিব পাৰে। তেনে ক্ষেত্ৰত গৱেষণাত বৰ্ণনা বা ব্যাখ্যা-বিশ্লেষণ কোনটো বৈশিষ্ট্যই প্ৰাধান্য পায়, তাৰ ওপৰত নিৰ্ভৰ কৰি সেই গৱেষণাক বৰ্ণনামূলক অথবা ব্যাখ্যামূলক বোলা হয়। যি গৱেষণাক বৰ্ণনামূলক বুলি চিহ্নিত কৰা হয়, তেনে গৱেষণাৰ মাজতো কোনো অংশত ব্যাখ্যা-বিশ্লেষণমূলক বৈশিষ্ট্য থাকিব পাৰে। আনহাতে কোনো বিষয়ক ব্যাখ্যা-বিশ্লেষণ কৰা কোনো উপাদানৰ বাবে বৰ্ণনাও জৰুৰী হয়। সেয়ে বৰ্ণনামূলক আৰু ব্যাখ্যা বা বিশ্লেষণমূলক গৱেষণাৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। বিশেষকৈ সাহিত্য আৰু সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত এটা বৃহৎ অংশ বৰ্ণনাই অধিকাৰ কৰে। এই কথাও অনস্বীকাৰ্য যে বৰ্ণনামূলক গৱেষণাই কোনো জ্ঞানভাণ্ডাৰৰ ভিত্তি নিৰ্মাণ কৰে। পৰৱৰ্তীকালত সেই বৰ্ণনাৰ ওপৰত ভিত্তি কৰি নানাবিধ ব্যাখ্যা-বিশ্লেষণ চলি থাকে। গতিকে বৰ্ণনাত্মক গৱেষণাৰ মাজত যেনেকৈ ব্যাখ্যা-বিশ্লেষণ থাকে, সেইদৰে ব্যাখ্যা-বিশ্লেষণৰ মাজতো বৰ্ণনাৰ গুৰুত্ব সমানে আছে।

**অনুসন্ধানমূলক/সূত্ৰ উদ্ভাৱক গৱেষণা ঃ**

যি গৱেষণাৰ উদ্দেশ্য হ'ল ভৱিষ্যতৰ বিশাল কোনো গৱেষণাৰ কাৰণে তথ্য সংগ্ৰহ কৰি কোনো সূত্ৰ বিচৰা, তেনে গৱেষণাক সূত্ৰ উদ্ভাৱক গৱেষণা বুলি কোৱা হয়। সূত্ৰ উদ্ভাৱক গৱেষণাৰ তথ্যৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতে ডাঙৰ কোনো গৱেষণা কৰা সম্ভৱ হয়। এনে গৱেষণাকৰ্মত ভৱিষ্যত গৱেষণাৰ কাৰণে ক্ষেত্ৰ অনুসন্ধান অথবা সূত্ৰ উদ্ভাৱন কৰা হয়। সেয়ে ইয়াক অনুসন্ধানমূলক অথবা সূত্ৰ উদ্ভাৱক ডিজাইনৰ গৱেষণা বুলি কোৱা হয়।

**কাৰণ নিৰ্ণায়ক গৱেষণা ঃ**

কোনো গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ কাৰণে সমাধান অন্বেষণ কৰা আৰু সেই সমাধানৰ কাৰণে সম্ভাব্য পথ অন্বেষণ কৰিবলৈ যি গৱেষণা কৰা হয়, তাক কাৰণ নিৰ্ণায়ক গৱেষণা বুলি কোৱা হয়। ই প্ৰায় চিকিৎসকৰ ৰোগীৰ ৰোগ নিৰ্ণয় কৰা আৰু ৰোগ উপশমৰ বাবে প্ৰেছক্ৰিপছন প্ৰদান কৰাৰ লগত মিলা কথা। যিবিলাক সমস্যাৰ তৎকালীন সমাধান জৰুৰী হৈ পৰে, তেনে ক্ষেত্ৰত এনে ধৰণৰ গৱেষণা প্ৰযোজ্য হয়।



**ধাৰণাগত/পৰীক্ষামূলক গৱেষণা ঃ**

এই ধৰণৰ গৱেষণা প্ৰধানতঃ বিশুদ্ধ বিজ্ঞানৰ বিষয়ৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। অৱশ্যে সমাজবিদ্যা অথবা নৃতত্ত্বৰ বিষয় আদিৰ ক্ষেত্ৰতো প্ৰয়োজন সাপেক্ষে ইয়াৰ ব্যৱহাৰ হ'ব পাৰে। এনে গৱেষণাৰ ধাৰণাগত তত্ত্ব বা সূত্ৰৰ লগত সম্পৰ্ক থাকে। কোনো নতুন ধাৰণা অথবা কোনো পূৰ্ব ধাৰণাৰ নতুন ব্যাখ্যা-বিশ্লেষণৰ সন্ধানত এই গৱেষণা সম্পন্ন হয়। কাৰণ আৰু ফলাফল অথবা সিদ্ধান্তৰ মাজত সম্পৰ্কৰ অনুসন্ধান কৰা হয়।

**অন্যান্য প্ৰকাৰৰ গৱেষণা ঃ**

আন বহুধৰণৰ গৱেষণা প্ৰয়াস আছে, য'ত ওপৰত উল্লেখ কৰি অহা ধৰণৰ গৱেষণা প্ৰকাৰসমূহৰে ব্যৱহাৰ হ'লেও, সিবিলাকৰ ব্যৱহাৰৰ ক্ষেত্ৰত তাৰতম্য পৰিলক্ষিত হয়। বহুক্ষেত্ৰত হয় গৱেষণাৰ উদ্দেশ্য, নহয় নিৰ্ধাৰিত নিৰ্দিষ্ট সময়ত সম্পূৰ্ণ কৰিবলগীয়া দায়বদ্ধতা থকা অথবা গৱেষণাৰ পাৰিপাৰ্শ্বিকতাৰ লগত সংগতি থকা আন বহুধৰণৰ দিশ আদিৰ ওপৰত নিৰ্ভৰ কৰিও গৱেষণাৰ ভিন্ন প্ৰকাৰৰ প্ৰয়োগ হয়।

- **সময়ৰ প্ৰতি থকা দায়বদ্ধতা ৰখা গৱেষণা ঃ**

এই দিশৰ পৰাও আকৌ **'এককালীন গৱেষণা'** অথবা **'দীৰ্ঘকালীন গৱেষণা'** বুলি দুটা প্ৰকাৰ চিহ্নিত কৰিব পাৰি। ইয়াৰে প্ৰথমটোৰ ক্ষেত্ৰত গৱেষণা একক সময়ত সম্পূৰ্ণ কৰিবলগীয়া হয় আৰু দ্বিতীয়টো 'দীৰ্ঘকালীন গৱেষণা'ৰ ক্ষেত্ৰত বেলেগে বেলেগে বিভিন্ন সময়ত গৱেষণাকৰ্ম সম্পূৰ্ণ কৰিব পাৰি।

- **ক্ষেত্ৰৰ প্ৰতি দায়বদ্ধতা ৰখা গৱেষণা ঃ**

অধ্যয়ন ক্ষেত্ৰ অনুযায়ীও গৱেষণাৰ কিছুমান প্ৰকাৰ নিৰ্ধাৰণ কৰিব পাৰি। যেনে— **ক্ষেত্ৰৰ পৃষ্ঠভূমি নিৰ্ভৰ, গৱেষণাগাৰ নিৰ্ভৰ, পুথিভঁৰাল নিৰ্ভৰ, অনুকৰণ নিৰ্ভৰ** ইত্যাদি। যি পাৰিপাৰ্শ্বিকতাত গৱেষণা কাৰ্য চলে, সেই বিশেষ পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰি এই সকলো প্ৰকাৰৰ গৱেষণা কাৰ্য আগবাঢ়ে।

- **সম্পৰ্ক নিৰ্ণয়ৰ প্ৰয়াস থকা গৱেষণা ঃ**

কিছু আন ধৰণৰ গৱেষণাক আকৌ **'নিদানিক'** অথবা **'সমস্যাৰ কাৰণ নিৰ্ণায়ক'** গৱেষণাৰ প্ৰকাৰৰত অন্তৰ্ভুক্ত কৰিব পাৰি। এনে গৱেষণাই কোনো বিশেষ পৰিস্থিতি অধ্যয়ন কৰি পুংখানুপুংখ ৰূপত প্ৰাথমিক নৈমিত্তিক সম্পৰ্ক নিৰ্ণয়ৰ প্ৰয়াস কৰে। সাধাৰণতে এনে গৱেষণাত অতি ক্ষুদ্ৰ নমুনা ব্যৱহাৰ কৰিও গভীৰ অনুসন্ধান কৌশলেৰে গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰা হয়।

• সূত্ৰ নিৰ্ণয়কাৰী গৱেষণা ঃ

গৱেষণা কোনো সূত্ৰ উদ্‌ঘাটনকাৰীও হ'ব পাৰে অথবা তেনে সূত্ৰৰ বিধিৱদ্ধতা প্ৰদানকাৰীও হ'ব পাৰে।

উদ্‌ঘাটকাৰী গৱেষণা ঃ

এনে গৱেষণাৰ লক্ষ্য হ'ল পৰীক্ষণ বা মূল্যায়নতকৈ এটি প্ৰাক্‌কল্পনাৰ বিকাশ সাধন কৰাহে।

• বিধিৱদ্ধতা প্ৰদানকাৰী গৱেষণা ঃ

এই ক্ষেত্ৰত বৃহৎ গঠন আৰু পৰিসৰ পৰিপ্ৰেক্ষাত কোনো নিৰ্দিষ্ট প্ৰাক্‌কল্পনাৰ পৰীক্ষণ সম্ভৱ নহয়।

• ঐতিহাসিক গৱেষণা ঃ

ইয়াত মানুহৰ ব্যক্তিগত দৰ্শন আৰু সামূহিক দৃষ্টিভংগীৰ সৈতে দূৰৱৰ্তী অতীতৰ সত্যৰ ঐতিহাসিক উৎস যেনে— চুক্তি, তথ্য আদি বিচাৰ কৰা হয়।

➢ সমাধান সন্ধানী অথবা সিদ্ধান্ত সন্ধানী গৱেষণা ঃ

এই গৱেষণাত গৱেষকৰ কোনো সমস্যা বা প্ৰশ্নৰ মূল বা উৎস উদ্‌ঘাটনৰ পূৰ্ণ স্বাধীনতা থাকে, তাৰবাবে গৱেষকে অনুসন্ধান পদ্ধতিৰ পুনৰ্নিৰ্মাণো কৰিব পাৰে এনে গৱেষণা গৱেষকে কোনো নতুন ধাৰণা নিৰ্মাণৰ ইচ্ছাৰেও আৰম্ভ কৰিব পাৰে। সিদ্ধান্ত সন্ধানী গৱেষণাত সদায়েই সিদ্ধান্তপ্ৰদানকাৰীৰ ৰূপত অৱতীৰ্ণ হয় গৱেষক। এনে ক্ষেত্ৰত সমস্যাও নথকা নহয়; কাৰণ গৱেষকে নিজকে বৰ্ণন দুৰ্বলতাৰ পৰা মুক্ত কৰিব নোৱাৰিবও পাৰে।

সাম্প্ৰতিক সময়ত বিষয় বৈচিত্ৰ্য আৰু জ্ঞানৰ ক্ষেত্ৰৰ বৃহৎ পৰিসৰৰ পৰিপ্ৰেক্ষাত গৱেষণাৰ এনে পদ্ধতিসমূহৰ ভিতৰতো অনেক সূক্ষ্ম বিকাশ ঘটাৰ পৰিপ্ৰেক্ষাত গৱেষণাৰ বিভিন্ন প্ৰকাৰ বিভাজন কৰিব পৰা হয়। এটা কথা সত্য যে প্ৰকৃতি অনুযায়ী কৰিব পৰা হ'লে এনে প্ৰকাৰ বিভাজনবোৰ আচলতে এটা আনটোৰ পৰিপূৰক ধৰণৰো হয়। সংযোজন হয়। আচলতে গৱেষণাৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱেই আপেক্ষিক আৰু নমনীয়। বিষয় বৈচিত্ৰ্যৰ পৰিপ্ৰেক্ষাত তাত্ত্বিক ভিত্তিৰ গুৰুত্ব সাপেক্ষেও ইয়াৰ প্ৰকাৰ বিভাজন ঘটিব ধৰিছে। তলত তেনে গৱেষণা প্ৰকাৰ অনুযায়ী ব্যৱহৃত পদ্ধতি আৰু তাৰ বৈশিষ্ট্যসমূহ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল—



| গৱেষণাৰ প্ৰকাৰ | পদ্ধতি | বৈশিষ্ট্য |
|---|---|---|
| গুণগত ঃ গুণগত প্ৰয়াসত অধ্যয়নৰ দৃঢ়তা, দৃষ্টিভংগী, কাৰ্যকাৰিতাৰ সহায়ত বস্তুনিষ্ঠ মূল্যায়নত গুৰুত্ব দিয়া হয়। এনে ক্ষেত্ৰত গৱেষকৰ অন্তৰ্দৃষ্টি আৰু ধাৰণাৰ স্পষ্টতা গুৰুত্বপূৰ্ণ হয়। | ঐতিহাসিক | • পদ্ধতিগত আৰু বস্তুনিষ্ঠ স্থিতিত থাকি সত্য প্ৰতিষ্ঠাৰ বাবে প্ৰমাণৰ মূল্যায়ন আৰু সংশ্লেষণ, অতীতৰ পৰিঘটনা সম্পৰ্কে সিদ্ধান্ত নিৰ্ণয় কৰা।<br>• ক'ত পৰিঘটনাটো সংঘটিত হ'ল, কোন ব্যক্তি সেই পৰিঘটনাৰ লগত জড়িত, কেতিয়া কোন সময়ত পৰিঘটনাটো ঘটিছিল, কেনেধৰণৰ মানৱীয় ক্ৰিয়া-কলাপ সেই পৰিঘটনাৰ লগত জড়িত আদি দিশসমূহ উন্মোচন কৰা হয়। |
| | তুলনামূলক | • প্ৰায়ে বিভিন্ন সমাজৰ মানুহৰ বিচিত্ৰ অভিজ্ঞতাৰ অধ্যয়ন কৰিবলৈ ঐতিহাসিক পদ্ধতিতো তুলনামূলক পদ্ধতিৰ ব্যৱহাৰ হয়। অতীতৰ কোনো সময়ৰ পৰিপ্ৰেক্ষাত, নহয় বৰ্তমানৰ কোনো সামান্তৰাল অৱস্থাৰ পৰিপ্ৰেক্ষাত হোৱা ঐতিহাসিক অধ্যয়নত তুলনামূলক পদ্ধতিৰ ব্যৱহাৰ হয়।<br>• বৃহৎ পৰিসৰ (সামূহিক বিপ্লৱ) অথবা সূক্ষ্ম পৰিসৰ (ব্যক্তিগত খণ্ড) ৰ অভিজ্ঞতাৰ পৰিচালনাত।<br>• প্ৰকৃতপক্ষে য'ত সামাজিক গৱেষণাত সম্ভৱ নহয়, আৰু গৱেষকে নৈমিত্তিক বিষয় কিছুমান নিয়ন্ত্ৰণ কৰিবলগীয়া হ'লে তেনে পৰীক্ষামূলক গৱেষণাৰ ক্ষেত্ৰতো তুলনামূলক পদ্ধতি ব্যৱহাৰ হয়। তেনে ক্ষেত্ৰত ইতিহাস আৰু তুলনাই গৱেষকক স্বাভাৱিক পৰীক্ষণ প্ৰক্ৰিয়াৰ যোগান ধৰিবপাৰে। এই প্ৰক্ৰিয়াৰে নিৰ্দিষ্ট গৱেষণা পৰিপ্ৰেক্ষাত হোৱা অপ্ৰয়োজনীয় বৈশিষ্ট্য কিছুমানক বাদ দিবও পাৰি। |
| | বৰ্ণনাত্মক | • তথ্য, স্মাৰক চিহ্ন আদিৰ পৰিৱৰ্তে বৰ্ণনাত্মক গৱেষণাই পৰ্যবেক্ষণক সংগৃহীত তথ্যৰ গুৰুত্বৰে বিশ্বাস কৰে।<br>• যি পৰিঘটনাৰ পুনৰাবৃত্তি আকৌ হোৱাটো আশা কৰা যায়, তেনে স্বাভাৱিক পৰিস্থিতিক প্ৰতিষ্ঠা কৰাৰ বাবে পৰিস্থিতি অধ্যয়নৰ পদক্ষেপ গ্ৰহণ কৰা হয়।<br>• লিখা অথবা সংগ্ৰহ কৰা আৰু সামগ্ৰীসমূহ পৰ্যায়ক্ৰমে বিশ্লেষণ কৰা হয়।<br>• মানৱীয় পৰ্যবেক্ষণ আৰু সঁহাৰিৰ ক্ষেত্ৰতে হওক, নিৰ্বাচিত অধ্যয়ন ক্ষেত্ৰতেই হওক, অথবা সাক্ষাৎকাৰৰ ক্ষেত্ৰত ব্যৱহৃত পক্ষপাতদুষ্ট প্ৰশ্নই হওক, এই পদ্ধতিত তথ্য-বিকৃতিৰ সম্ভাৱনা থাকিব পাৰে। |

| গৱেষণাৰ প্ৰকাৰ | পদ্ধতি | বৈশিষ্ট্য |
|---|---|---|
| সাংখ্যিক অথবা পৰিমাণগত ঃ পৰিমাণগত গৱেষণা জোখ অথবা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। অৰ্থাৎ সংখ্যা বা জোখ নিৰ্ণয়ৰ প্ৰেক্ষাপটত প্ৰয়োগ হয় পৰিমাণগত গৱেষণা। পৰিমাণগত প্ৰয়াসক সহজ কৰিবলৈ আকৌ তিনিটা উপ-ভাগত ভাগ কৰি লোৱা হ'ল- যুক্তিৰ সহায়ত পৰীক্ষামূলকভাৱে আৰু অনুকৰণধৰ্মীভাৱে সিদ্ধান্তত উপনীত হ'ব পৰা। | সম্বন্ধযুক্ত | • সম্বন্ধযুক্ত শব্দটোৱে পৰিসংখ্যাগত সংযোগৰ জোখ-মাপৰ কথাও ব্যক্ত কৰে আৰু দুটা প্ৰেক্ষাপটৰ সম্বন্ধ সম্পৰ্কেও গৱেষণাৰ কথা বুজায়।<br>• সম্বন্ধযুক্ত অধ্যয়ন দুইপ্ৰকাৰৰ— সম্বন্ধযুক্ত আৰু পূৰ্ব ধাৰণাৰ অধ্যয়ন। সম্বন্ধযুক্ত অধ্যয়ন হ'ল কোনো প্ৰেক্ষাপটত থকা কোনো বিষয় বিশেষৰ মাজত থকা সম্ভাব্য পাৰস্পৰিক সম্পৰ্কৰ উদ্‌ঘাটনমূলক অধ্যয়ন।<br>• পূৰ্ব ধাৰণা অধ্যয়নত কোনো গৱেষণা ক্ষেত্ৰত পূৰ্বৰেপৰা সম্পৰ্কিত কোনো দিশক সম্ভাব্য আচৰণ আৰু পৰিঘটনাৰ অধ্যয়নৰ মাজেৰে প্ৰতিষ্ঠা কৰাৰ আশা কৰা হয়। |
| গুণগত/পৰিমাণগত | পৰীক্ষামূলক | • গৱেষকে প্ৰত্যেক প্ৰাসংগিক পৰিস্থিতিকে পৃথক কৰি অনুসন্ধান অথবা পৰ্যবেক্ষণ কৰিবলৈ চেষ্টা কৰে আৰু যেতিয়া পৰিস্থিতি কৌশলেৰে নিৰ্মাণ কৰা হয়, তেতিয়া ফলাফল পৰ্যবেক্ষণ কৰিবলৈ পৰীক্ষামূলক পদ্ধতি ব্যৱহাৰ কৰা হয়।<br>• পৰীক্ষামূলক পদ্ধতিৰ বিভিন্ন প্ৰকাৰ আছে— পূৰ্ব পৰীক্ষামূলক, সঠিক পৰীক্ষামূলক, বাস্তৱপৰীক্ষামূলক, সম্বন্ধযুক্ত আৰু প্ৰাককল্পনাযুক্ত। |
| | মূল্যায়নাত্মক | এই পদ্ধতিত গৱেষণাই জটিল সামাজিক সমস্যাৰ সমাধানৰ প্ৰয়াস কৰে। (গৱেষণা ক্ষেত্ৰৰ শেহতীয়া স্থিতিত বিষয়ৰপৰা বিষয়ান্তৰলৈ আন্তঃবিদ্যাৰৱৰ্তী সম্পৰ্কৰ মাজত যুক্তি অনুসন্ধান কৰা হয়।)<br>১) কি বিষয়, কেনে বিষয় অথবা সেই বিষয়ে কেনেধৰণৰ কাম হৈছে, ইত্যাদিতকৈও গৱেষিত বিষয়ৰ গুৰুত্ব নিৰ্ভৰ কৰে বিষয়ৰ অৰ্থবহতা আৰু প্ৰাসংগিকতাৰ ওপৰততহে।<br>২) এনে বিষয়ৰ গৱেষণাৰ বাবে নিৰ্বাচনৰ ক্ষেত্ৰত নিৰ্বাচনকাৰীৰ মূল্যবোধৰ বিশেষ গুৰুত্ব থাকিব লাগে। |



| গৱেষণাৰ প্ৰকাৰ | পদ্ধতি | বৈশিষ্ট্য |
|---|---|---|
| | | ৩) অতি জটিল শাৰীৰিক, মনস্তাত্বিক, সামাজিক আৰু সাংস্কৃতিক প্ৰসংগৰ লগত থকা সম্পৰ্কও নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰা হয়।<br>৪) পাৰস্পৰিক সম্পৰ্কসমূহৰ সংযোজনাৰ মূল্যায়ন গৱেষকৰ দৃষ্টিভংগী আৰু আত্ম নিয়োজনৰ সম সহযোগী হোৱা বাঞ্চনীয়।<br>৫) একোটা বিষয়ৰ গৱেষক কেইবাজনো হ'লে অংশগ্ৰহণকাৰীসকল সম সহযোগী হোৱা বাঞ্চনীয়।<br>৬) গৱেষণীয় প্ৰতিটো দিশৰ আঁচনি প্ৰস্তুত কৰি ৰূপাংকন, ৰূপায়ন, পুনৰীক্ষণ আৰু ফলাফলত উপনীত হোৱা সকলো দিশতে সম সহযোগী হোৱা বাঞ্চনীয়। |
| | ক্ৰিয়াত্মক | • যদিও পৰীক্ষামূলক গৱেষণাৰ সৈতে একে, এই প্ৰক্ৰিয়াত পৰীক্ষামূলক আৱদ্ধ ব্যৱস্থাতকৈ বাস্তৱ পৃথিৱীৰ সমস্যাৰ লগত জড়িত হয়। বাস্তৱৰ কিছুমান ক্ষুদ্ৰ পৰিসৰৰ প্ৰক্ৰিয়াত এনে হস্তক্ষেপৰ পৰীক্ষণ অথবা ওচৰৰপৰা তেনে হস্তক্ষেপৰ ফলাফল নিৰ্ণয় কৰা হয়।<br>• কোনো নিৰ্দিষ্ট সমস্যা অথবা নিৰ্দিষ্ট পৰিস্থিতিৰ সাক্ষ্যৰ ভিত্তিত তাৎক্ষণিকভাৱে গ্ৰহণ কৰা গৱেষণা প্ৰক্ৰিয়া, য'ত পৃথক বৈশিষ্ট্য থাকিলেও কোনো নিৰ্দিষ্ট দিশক মূল পৰিস্থিতি অথবা প্ৰসংগৰপৰা পৃথকভাৱে অধ্যয়নৰ কোনো পদক্ষেপ লোৱা নহয়।<br>• নিৰৱচ্ছিন্ন নিৰীক্ষণ আৰু মূল্যায়নৰ যোগেদি সিদ্ধান্তত উপনীত হ'বলৈ প্ৰয়াস কৰা হয়। সিদ্ধান্তসমূহ তাৎক্ষণিকভাৱে প্ৰয়োগ কৰাৰ প্ৰয়াস আৰু ভৱিষ্যত সম্ভাৱনাৰ দিশ নিৰীক্ষণ কৰা হয়।<br>• এই প্ৰকাৰ গৱেষণাৰ প্ৰায়োগিক ৰূপ নিৰ্দিষ্ট সমস্যা বা পৰিস্থিতিৰ সমাধানকল্পে নিয়োজিত হয়। এক পৰীক্ষণ-নিৰীক্ষণ নিৰ্ভৰ গৱেষণা, য'ত সাধাৰণীকৰণ বিজ্ঞানসম্মত প্ৰয়োজন পূৰণ নহ'বও পাৰে। |

| গৱেষণাৰ প্ৰকাৰ | পদ্ধতি | বৈশিষ্ট্য |
|---|---|---|
| | নৃতাত্ত্বিক | • বাহিৰৰপৰা প্ৰক্ষেপ কৰা কোনো তত্ত্বকৈ গৱেষিত বিষয়ত কেনেকৈ নিজৰ চিন্তা প্ৰয়োগ কৰিব পাৰি তাৰ প্ৰতিহে থাকে গৱেষকৰ আগ্ৰহ বেছি।<br>• কাৰণ ইয়াৰ লক্ষ্য হ'ল এটা পূৰ্বগঠিত সূত্ৰক প্ৰতিনিধিত্ব কৰি প্ৰেক্ষাপট-নিৰ্ভৰ তথ্যৰ আধাৰত নতুন দৃষ্টিভংগীৰ প্ৰতিষ্ঠা কৰা। বিষয়ৰ প্ৰাকৃতিক বা স্বাভাৱিক সংগঠন বা সংযোজনৰ জৰিয়তে সম্পূৰ্ণ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক অৱস্থাৰ সম গুৰুত্বৰে অধ্যয়ন কৰা।<br>• সংস্কৃতি বহুসময়ত ভাষা, আচৰণ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজতো লুকাই থাকে। বিষয় একোটাৰ অধ্যয়নত সাংস্কৃতিক পশ্চাদভূমিৰ এনে অধ্যয়নে কেতিয়াবা ফলাফল নিৰ্ণয়ৰ ক্ষেত্ৰত সমস্যাৰো সৃষ্টি কৰে। স্বাভৱিকতে কোনো অতীত পৰিঘটনাৰ সুবহু পুনৰাবৃত্তি নঘটে। গতিকে অতীতৰ ক্ষেত্ৰত পূৰ্বগঠিত সূত্ৰক প্ৰতিনিধিত্ব কৰাৰ বাহিৰে নতুন সত্যৰ প্ৰাপ্তি সম্ভৱ নহয়। সেই সত্যৰ আধাৰতে বৰ্তমানৰ সত্যত উপনীত হ'বলগীয়া হয়। |
| | নাৰীবাদী/ পৰিচয়ৰ ৰাজনীতি | • প্ৰচলিত কোনো এটি গৱেষণা প্ৰকাৰেই লিংগ ৰাজনীতি ভেদা ভেদ আৰু লিংগ কেন্দ্ৰিক অস্তিত্ব ৰক্ষাৰ প্ৰশ্ন বা অৱস্থাৰ বিভিন্ন সামাজিক পৰিঘটনাৰ মূল্যায়নত গুৰুত্ব দিয়া নাছিল। গৱেষণাৰ বিপুল সম্ভাৱনা বহন কৰা এই প্ৰকাৰটোত সেই দিশত গুৰুত্ব দিয়া হ'ল।<br>• যদিও বহুতে নাৰীবাদৰ প্ৰতি থকা বিদ্বেষৰ দৃষ্টিকোণেৰে নাৰীবাদৰ প্ৰভাৱক অস্বীকাৰ কৰে, তৎস্বত্তেও কিন্তু সামাজিক ক্ষেত্ৰত ঘটি থকা পক্ষপাতিত্বৰ বিচিত্ৰ অভিজ্ঞতাই এই বিষয়ৰ গভীৰ অধ্যয়নৰ পোষকতা কৰে।<br>• অস্তিত্বৰ ক্ষেত্ৰত থকা ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক বাধ্য-বাধকতা, চাৰিত্ৰিক বৈচিত্ৰ্য, লিংগভেদ অনুযায়ী পাৰস্পৰিক সম্পৰ্ক আদি দিশৰ অধ্যয়ন কৰাত গুৰুত্ব দিয়া হ'ল। আটাইতকৈ বেছি গুৰুত্ব দিয়া হ'ল লিংগভেদৰ কাৰণে ঘটা মানৱীয় অধিকাৰ খৰ্ব হোৱাৰ বিভিন্ন সত্য উদ্‌ঘাটনৰ দিশক। |



| গৱেষণাৰ প্ৰকাৰ | পদ্ধতি | বৈশিষ্ট্য |
|---|---|---|
| | সাংস্কৃতিক | • সাধাৰণতে তত্ত্বগত বিতৰ্কসমূহ, যেনে— উত্তৰ আধুনিকতাবাদ উত্তৰ গঠনবাদ আদিয়ে ভাষা আৰু সাংস্কৃতিক দিশৰ ওপৰত গুৰুত্ব দিছে। তেওঁলোকৰ সামাজিক অধ্যয়নৰ ক্ষেত্ৰত এনে দিশবোৰৰ কেন্দ্ৰীয় গুৰুত্ব থাকে।<br>• বিভিন্ন ধৰণৰ সুপ্ত আৰু লুপ্ত তথ্য উদ্‌ঘাটনৰ উদ্দেশ্যেৰে বিভিন্ন বিষয় ক্ষেত্ৰৰ লগত বিনিময়ৰ জৰিয়তে সাংস্কৃতিক পাঠসমূহৰ বিকাশ সাধন কৰা হৈছে। যেনে— অপেৰা, টি.ভি, ক'ক্টেইল পাৰ্টি, ফেশ্বন ইত্যাদিৰ জৰিয়তে।<br>• সাংস্কৃতিক পাঠৰ অনুসৰণ, তুলনা প্ৰত্যাহ্বান আৰু সাধাৰণীকৰণ সূত্ৰৰ অধ্যয়নৰ বাবে নতুন পদ্ধতিৰ প্ৰয়োজনীয়তা উপস্থিত হৈছে। যেনে — ভাষা গঠনৰ উপাদান, পৰিৱেশ অনুযায়ী ভাষাৰ নৃবিজ্ঞান ইত্যাদি। |

ওপৰত উল্লেখ কৰা প্ৰায় প্ৰত্যেকটো বিষয় আৰু প্ৰকাৰৰ নিজা নিজা স্বতন্ত্ৰ বৈশিষ্ট্য আছে। আচলতে সকলো গৱেষণাকৰ্মৰ মূল লক্ষ্য হৈছে লুকাই থকা আৰু এতিয়ালৈকে উদ্ধাৰ নোহোৱা সত্যক পোহৰলৈ অনা। আনহাতে প্ৰত্যেক গৱেষণা-কৰ্মৰে আকৌ থাকে একোটা সুকীয়া লক্ষ্য আৰু নিৰ্দ্দিষ্ট উদ্দেশ্য। তাৰ ভিতৰত সাহিত্য বিষয়ৰ গৱেষণাৰো আছে কিছু সুকীয়া বৈশিষ্ট্য। সাহিত্যৰ গৱেষণাৰ সুকীয়া বৈশিষ্টতাৰ বিষয়ে তলত বহলাই আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। দেখা যায় বহু পৰম্পৰাগত গৱেষণাই প্ৰকৃতিত ন্যায়িক আৰু ক্ৰিয়ামূলক হ'বলৈ যত্ন কৰে।

**সাহিত্যৰ গৱেষণা ঃ**

ৰং, ৰূপ, ৰেখা আৰু সুৰৰ মাধ্যমেৰে ভাবক আকৰ্ষণীয় ৰসোদ্দীপক কৰি তুলিবলৈ কৰা মানুহৰ প্ৰয়াসেই শিল্পৰ সৃষ্টি কৰে। এই প্ৰয়াসত যেতিয়া ভাষাও চামিল হয়, তেতিয়াই সাহিত্যৰ সৃষ্টি হয়। সাহিত্য হ'ল সেই শিল্প য'ত সৃজনৰ তাড়নাত ভাবৰ প্ৰকাশৰ বাবে ভাবক উপস্থাপন কৰি সমাজ চেতনাক নিৰ্বাচিত শব্দৰ সংযোগত অনুভৱ অথবা উপলব্ধিৰ শিল্পবিন্যাস ঘটোৱা হয়। সাহিত্য কেৱল নান্দনিক তৃপ্তি আৰু ৰসাস্বাদনৰ আহিলাই নহয়, সাহিত্যই নানাধৰণৰ জিজ্ঞাসাৰেও মানৱ মনক বৌদ্ধিকভাৱে উদ্দীপ্ত কৰে। যি সাহিত্যৰ মাজত নিহিত হৈ থাকে জিজ্ঞাসা, ত'তেই থাকে গৱেষণাৰ উৎস; গৱেষকে যি সাহিত্যত

জ্ঞানান্বেষণৰ সূত্ৰ আৱিষ্কাৰ কৰে, সিয়েই সাহিত্যিক গৱেষণা। সাহিত্যৰ ক্ষেত্ৰত পাঠকৰ সঁহাৰিৰ ভেঁটিত পাঠকৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া বিচাৰ-বিশ্লেষণ, সাহিত্যৰ সৃষ্টি উৎস, ইতিহাস, পটভূমি, পূৰ্ব পৰম্পৰা, পৰিৱেশ-পৰিস্থিতিৰ পৰিপ্ৰেক্ষা, সংস্কৃতিৰ পৰিপ্ৰেক্ষা, তেনে পৰিপ্ৰেক্ষাৰ পটভূমিত সাহিত্যৰ তুলনা ইত্যাদি দিশত সাহিত্যৰ বিভিন্ন বিষয়ৰ গৱেষণা হ'ব পাৰে।

মুঠতে সাহিত্যিক গৱেষণাৰ বিষয় বিচিত্ৰ আৰু বহুমুখী ক্ষেত্ৰলৈকে বিস্তৃত হৈ আছে। আচলতে সাহিত্যিক গৱেষণাৰ বিষয় ক্ষেত্ৰৰ পৰিধিক নিৰ্দ্দিষ্ট সীমাৰেখাত বন্ধা সম্ভৱ নহয়। এক বা একাধিক সাহিত্যিকৰ কোনো বিশেষ সৃষ্টিধাৰা অথবা ৰচনাশৈলী অথবা সামগ্ৰিক সাহিত্য চেতনাৰ বিচাৰ, সমকাল বা ভিন্নকালৰ সাহিত্যিকৰ দৃষ্টিভংগীৰ তুলনামূলক আলোচনা, বিভিন্ন সাহিত্যিক আন্দোলনৰ মাজত পাৰস্পৰিক সম্বন্ধ নিৰ্ণয়ৰ প্ৰয়াসো সাহিত্যিক গৱেষণাৰ ক্ষেত্ৰভুক্ত হ'ব পাৰে। যুগ-পৰিস্থিতি, যুগ-লক্ষণৰ পৰিপ্ৰেক্ষাতো সাহিত্যৰ গৱেষণা হ'ব পাৰে। কোনো পূৰ্ব আলোচিত, পূৰ্বজাত বিষয়ত আলোকপাত কৰাও সাহিত্যিক গৱেষণাৰ বিষয় হ'ব পাৰে— যদি সাহিত্যৰ বিষয়ে কোনো গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে অথবা অসম্পূৰ্ণতা দাবী কৰে, যি চিন্তা পূৰ্বতেও আন কাৰোবাৰ চিন্তাত প্ৰকাশ পাইছিল; তেনে সাহিত্যৰ বিষয়েও গৱেষণা দাবী কৰে।

সাম্প্ৰতিক সময়ত সাহিত্যৰ গৱেষণাই সমাজ-বিজ্ঞান (Social Sciences) আৰু মানৱিক বিজ্ঞান (Humanities) ৰ লগত আন্তঃক্ষেত্ৰৱৰ্তী (Inter Disciplinary) গৱেষণাৰ দাবী কৰে। কাৰণ সাহিত্যত মনোবিজ্ঞান, দৰ্শন, ইতিহাস, ৰাজনীতি, অৰ্থনীতি, নৃতত্ত্ব, সমাজতত্ত্ব সকলোবোৰ দিশৰ সুষম প্ৰতিফলন ঘটে। সাহিত্যিক গৱেষণাৰ ক্ষেত্ৰত দেখা যায় বিচাৰ-বিশ্লেষণৰ নৈপুণ্য থাকিলেও সাহিত্যিক বোধ (Literary Intuition) নাথাকিলে সাহিত্যৰ মূল্যায়ন সম্ভৱ নহয়। সাহিত্যৰ গৱেষণাত পাঠ সমালোচনাৰ ক্ষেত্ৰত বস্তুনিষ্ঠ দৃষ্টিভংগীয়ে প্ৰাধান্য পায়, সেয়ে হ'লেও গৱেষকৰ আত্মনিষ্ঠ দৃষ্টিভংগীৰ গুৰুত্বও নোহোৱা নহয়। যি বিষয়েই গৱেষণা নহওক লাগে, সেই বিষয়ৰ সাহিত্যিক পৰিমণ্ডল আৰু ঐতিহাসিক প্ৰেক্ষাপট সম্পৰ্কে সম্যক ধাৰণা নহ'লে বিভিন্ন প্ৰসংগৰ মাজত পাৰস্পৰিক সম্বন্ধ নিৰ্ণয় কৰা সম্ভৱ নহ'ব।

আনহাতে সাহিত্যৰ গৱেষণাৰ ক্ষেত্ৰত অনেক বিশুদ্ধ তাত্ত্বিক গৱেষণা আৰু ব্যৱহাৰিক গৱেষণাৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। যদিও এই পাৰ্থক্য ৰীতিগত বা পদ্ধতিগত নহয়— উদ্দেশ্যগতহে, কাৰণ ব্যৱহাৰিক গৱেষণাৰ উদ্দেশ্য হ'ল প্ৰত্যক্ষভাৱে, ব্যৱহাৰিক ক্ষেত্ৰত কোনো বিশেষ উন্নতিৰ কাৰণে গৱেষণাৰ ফলাফল প্ৰয়োগ কৰা, অৱশ্যে বিশুদ্ধ গৱেষণাও ব্যৱহাৰিক অথবা বৈজ্ঞানিক গৱেষণাৰ কামত লগাব পাৰি।



কিন্তু সাহিত্যিক/তাত্ত্বিক/পাণ্ডিত্যপূৰ্ণ গৱেষণাসমূহ মূলতঃ লিখিত আৰু মুদ্ৰিত ৰচনাভিত্তিক হয়। পৰীক্ষাগাৰত কৰা বৈজ্ঞানিক গৱেষণা, পৰিসংখ্যাভিত্তিক গৱেষণা, বিভিন্ন গণসংযোগ মাধ্যমে কৰা সামাজিক গৱেষণা ইত্যাদিৰ লক্ষ্য আৰু উদ্দেশ্য যিহেতু সমস্যা সমাধানৰ উদ্দেশ্যে জ্ঞানান্বেষণত ন্যস্ত হয়, সেয়ে এনে গৱেষণাক 'প্ৰযুক্ত গৱেষণা' (Applied Research) বুলি গ্ৰহণ কৰা হয়। সেইদৰে সাহিত্যৰ মানৱিক বিজ্ঞানৰ বেছিভাগ গৱেষণাৰ লক্ষ্য যিহেতু জ্ঞানলাভৰ উদ্দেশ্যে জ্ঞানান্বেষণত ন্যস্ত হয়, তেনে গৱেষণাক 'বিশুদ্ধ গৱেষণা' (Pure Research) বুলি অভিহিত কৰা হয়। এই গৱেষণা প্ৰযুক্ত গৱেষণাৰ পৰা চৰিত্ৰত পৃথক হ'লেও কিন্তু মূলতঃ সাহিত্যৰ গৱেষণাও স্বৰূপত সত্য অনুসন্ধানতে নিয়োজিত হয়। গতিকে লক্ষ্য আৰু উদ্দেশ্য একে, কাৰণ সকলো গৱেষণাই সত্যৰ অনুসন্ধান কৰে।

**সাহিত্য-গৱেষণাৰ তথ্য উৎস আৰু উপকৰণ ঃ**

সাহিত্য-গৱেষণাৰ কাৰণে বিভিন্ন উৎসৰ পৰা তথ্য আহৰণ কৰিব পৰা যায়। সিবিলাক হ'ল— মৌখিক তথ্য উৎস, পাণ্ডুলিপি, পুথি, পত্ৰ-পত্ৰিকা, মুদ্ৰিত গ্ৰন্থ, প্ৰত্যক্ষ তথ্য, (যেনে— ডায়েৰী, পত্ৰাৱলী, বিচ্ছিন্ন পাণ্ডুলিপি, প্ৰশ্নাৱলীৰ দ্বাৰা গৃহীত তথ্য) বস্তুৰ মাধ্যমেৰে গৃহীত তথ্য (কম্পিউটাৰ, সমগোত্ৰীয় অন্যান্য তথ্য উৎস) ইত্যাদি। সাহিত্য গৱেষণাৰ তথ্য উৎসক গুৰুত্ব অনুসৰি সম্পৰ্কে বিস্তৃত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল। সেই ভাগ কেইটি হ'ল—

**মৌখিক তথ্য উৎস ঃ**

সাহিত্য গৱেষণাৰ ক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ তথ্য উৎস হ'ল মৌখিক তথ্য উৎস। মৌখিক তথ্য উৎসক আকৌ দুই ভাগত ভাগ কৰিব পাৰি—

ক) মৌখিক সাহিত্য।

খ) যিকোনো বিষয় সংপৃক্ত ভিন্ন মৌখিক তথ্য উৎস।

মনৰ ভাবক সাহিত্যৰ ভাষাৰ মাধ্যমেৰে ৰূপ দিয়া হয়। মৌখিক সাহিত্যত প্ৰকাশ পায় চহা মনৰ আৱেগ-অনুভূতিৰ মুক্ত প্ৰকাশ ঘটা মৌখিক সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ মাজত সিঁচৰতি হৈ আছে সাহিত্য গৱেষণাৰ অতি গুৰুত্বপূৰ্ণ তথ্য উৎস। সেইদৰে যিকোনো বিষয় সংপৃক্ত বিভিন্ন দৃশ্য-শ্ৰব্য মৌখিক তথ্য উৎসবোৰ, যেনে— বক্তৃতা, কথোপকথন, বিবৃতি, ভাষণ আদিৰ তথ্য বা সমল সামাজিক বিজ্ঞানৰ অন্তৰ্গত বিভিন্ন গৱেষণাত ব্যৱহাৰ হয়।

**পাণ্ডুলিপি ঃ**

লেখককৃত যিকোনো লিখিত সমলক পাণ্ডুলিপি বুলি গণ্য কৰা হয়। পাণ্ডুলিপি বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনে— ৰচনা, নিবন্ধ, ডায়েৰী, চিঠি-পত্ৰ, বিচ্ছিন্ন কাগজ

আদি বিভিন্ন মাধ্যমত প্ৰাপ্ত পাণ্ডুলিপিসমূহ সাহিত্য গৱেষণাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ তথ্য উৎস হ'ব পাৰে। সমসাময়িক সময়ৰ পৰিপ্ৰেক্ষাত প্ৰাপ্ত পাণ্ডুলিপিৰ তথ্যসমূহ সাহিত্যৰ গৱেষণাত নিৰ্দ্দিষ্ট সময় সাপেক্ষ অধ্যয়নৰ ক্ষেত্ৰত সহায়ক হয়।

**পুথি ঃ**

পুথি হ'ল সাহিত্য গৱেষণাৰ এটি অতি গুৰুত্বপূৰ্ণ তথ্য উৎস। পুথি বুলি কওঁতে সাঁচিপাত, তুলাপাত, তালপাত আদিত লিখিত সাহিত্য আদিকো বুজায়। ব্যক্তিগত সংগ্ৰহেই হওক, অথবা বিশেষ সংগ্ৰহালয়ত সংৰক্ষিতই হওক এইসমূহ লিখিত সাহিত্যই সাহিত্য গৱেষণাৰ অমূল্য তথ্য উৎস। সাহিত্যৰ যথাৰ্থ ৰূপ নিৰ্ণয় কৰা, স্থান-কাল-পাত্ৰ বিশেষ অধ্যয়নত, ভাষা-লিপি আদিৰ বিশেষত্ব নিৰ্ণায়ক গৱেষণা আদিত এনে পুথিলব্ধ সাহিত্যৰাজি তথ্য উৎস হিচাপে ব্যৱহাৰ হয়।

**পত্ৰ-পত্ৰিকা ঃ**

সাহিত্য গৱেষণাৰ সত্য উদ্‌ঘাটনৰ ক্ষেত্ৰত সাময়িক পত্ৰ-পত্ৰিকা একোটি অতি গুৰুত্বপূৰ্ণ তথ্য উৎস। সাময়িক পত্ৰ-পত্ৰিকাই সম-সাময়িক সময়ৰ ঐতিহাসিক-ভৌগোলিক-ৰাজনৈতিক-অৰ্থনৈতিক-সামাজিক-সাংস্কৃতিক সকলো ধৰণৰ সত্যৰ সাক্ষ্য-প্ৰমাণ বহন কৰিব পাৰে। ন-পুৰণি সকলো ধৰণৰ সাময়িক পত্ৰ-পত্ৰিকাৰ মাধ্যমত গৱেষকে সেই নিৰ্দ্দিষ্ট সময় সাপেক্ষ তত্ত্ব, চিন্তা, ৰুচি-অভিৰুচি, ভাৱ-অনুভূতি বিষয়ক তথ্য আৱিষ্কাৰ কৰিব পাৰে।

**সমগোত্ৰীয় অন্যান্য তথ্য উৎস ঃ**

বিভিন্ন সময়ত বিভিন্ন প্ৰকাশক, পৰিৱেশক, সংগঠন, সংস্থা আদিয়ে প্ৰতি সপ্তাহ, পক্ষ, মাহ অথবা বছৰে বছৰে স্মৃতিগ্ৰন্থ, প্ৰচাৰ-পত্ৰিকা, গোহাৰি আদি প্ৰকাশ কৰে। এনেবিলাকৰ মাজতো প্ৰাত্যহিক সময়ৰ বিচিত্ৰ ছবি প্ৰতিফলিত হয়। তেনে তথ্য উৎসৰ পৰাও সাহিত্য গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য পাব পাৰি। একেদৰে বিভিন্ন চৰকাৰী-বেচৰকাৰী তদন্ত প্ৰতিবেদন, বিশ্ববিদ্যালয় আদিত কৰা গৱেষণাৰ তালিকা, বৰ্ষপঞ্জী, পঞ্জিকা, কেলেণ্ডাৰ, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, লাইব্ৰেৰী কেটেলগ, কেছেট্ লাইব্ৰেৰী, মহাফেজখানা (Record Room), বিজ্ঞাপন, নিৰ্দ্দেশপঞ্জী (Directory), জ্ঞানকোষ (Encyclopaedia) ইত্যাদি তথ্য উৎসৰ পৰা সাহিত্যৰ গৱেষণাই অতি গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিব পাৰে।

**মুদ্ৰিত গ্ৰন্থ ঃ**

সাধাৰণতে মুদ্ৰিত গ্ৰন্থ বুলিলে ছপা আকাৰে প্ৰকাশিত গ্ৰন্থক বুজায়। ছপা আকাৰে প্ৰকাশিত সকলো গ্ৰন্থই গৱেষণাৰ তথ্য বা সমল নহ'বও পাৰে। কিন্তু গৱেষণাৰ তথ্য উৎস হ'ব পৰা মুদ্ৰিত গ্ৰন্থক তিনি শ্ৰেণীত ভাগ কৰিব পৰা যায়— প্ৰসংগ পুথি



(Reference Books), বিষয় সম্বলিত গ্ৰন্থ (Subject Books), সৃষ্টিশীল গ্ৰন্থ (Creative Books)।

**প্ৰসংগ পুথি ঃ** প্ৰসংগ পুথিৰ ভিতৰত বিভিন্ন বিশ্বকোষ (যেনে— সাহিত্যকোষ, সংকেতাক্ষৰ কোষ, তাৰিখ কোষ, জীৱনী-কোষ) সাহিত্য বিষয়ৰ লগত সম্পৰ্কিত ইতিহাস, বিজ্ঞান, নৃতত্ত্ব, পুৰাতত্ত্ব, ভূগোল, দৰ্শন ইত্যাদি গ্ৰন্থৰ উপৰিও অভিধান, তাত্ত্বিক গ্ৰন্থ, বিষয়ৰ বিচিত্ৰ আলোচনা সম্বলিত গ্ৰন্থাদিৰ মাজত থকা বিশাল তথ্য উৎস হ'ব পাৰে সাহিত্য গৱেষণাৰ সমল আৰু এনে উৎসবোৰ প্ৰসংগ পুথি।

**বিষয় সম্বলিত গ্ৰন্থ ঃ** বিষয়ৰ বিস্তৃত দিশক বিভিন্ন দৃষ্টিকোণৰ পৰা সবিস্তাৰে আলোচনা কৰা পাঠ্যগ্ৰন্থ, বিষয় সম্পৰ্কে ব্যাখ্যা-বিশ্লেষণ, আলোচনা-সমালোচনা, টোকা, টীকা-টিপ্পনী আদিৰ আলোচনা থকা গ্ৰন্থক বিষয় সম্বলিত গ্ৰন্থ বুলিব পাৰি। এনে গ্ৰন্থসমূহ সাহিত্য গৱেষণাৰ মূল তথ্য উৎস হ'ব পাৰে।

**সৃষ্টিশীল গ্ৰন্থ ঃ** উপন্যাস, গল্প, কবিতা, নাটক, ৰম্যৰচনা আদিকে সাধাৰণতে সৃষ্টিশীল ৰচনা বুলি কোৱা হয় যদিও, প্ৰৱন্ধ, বাতৰি কাকতৰ স্তম্ভলেখ, জীৱনী, আত্মজীৱনী আদিৰ মাজতো ৰচয়িতাৰ সৃষ্টিশীলতা প্ৰকাশ পোৱা দেখা যায়। এনে সামগ্ৰিক ৰচনাসম্ভাৰেই সাহিত্য গৱেষণাৰ বিষয়ৰ লগত সংগতি থাকিলে মুখ্য বা গৌণ দুয়োপ্ৰকাৰৰ তথ্য উৎস হ'ব পাৰে।

**প্ৰত্যক্ষ তথ্য ঃ**

গৱেষণাৰ বিষয়ৰ লগত সম্পৰ্কিত সাহিত্যিক, ব্যক্তিবিশেষৰ লগত সাক্ষাৎকাৰ আদিৰ পৰা প্ৰত্যক্ষভাৱে সংগ্ৰহ কৰা তথ্য, প্ৰশ্নাৱলীৰ দ্বাৰা সংগৃহীত তথ্য, বস্তুৰ মাধ্যমেৰে সংগ্ৰহ কৰা তথ্য, কম্পিউটাৰ-ইণ্টাৰনেটৰ তথ্য, গৱেষণাগাৰত ভাষা, উচ্চাৰণ ইত্যাদি সম্পৰ্কে কৰা গৱেষণা লব্ধ তথ্য ইত্যাদি ভাষা-সাহিত্য গৱেষণাৰ তথ্য উৎস হ'ব পাৰে।

সামাজিক বিজ্ঞানৰ অন্যান্য ক্ষেত্ৰৰ গৱেষণাৰ দৰেই সাহিত্যৰ গৱেষণাৰো সময়ৰ পৰিৱৰ্তিত পৰিপ্ৰেক্ষাত বিস্তৰ বিকাশ সাধন হৈছে। সম্প্ৰতি সাহিত্যৰ গৱেষণা পৰম্পৰাগত বৰ্ণনাধৰ্মীতাত আৱদ্ধ নহয়। ক্ৰমশঃ সীমিত পৰিসীমাৰ তথ্যভাণ্ডাৰৰ পৰা সাহিত্য সমলৰ তথ্যও উন্নীত হ'বলৈ আৰম্ভ কৰিছে। অন্যান্য গৱেষকৰ দৰেই সাহিত্যৰ গৱেষকৰ মাজতো তত্ত্বান্বেষী, তথ্যান্বেষী অথবা তত্ত্ব তথ্য উভয়ান্বেষী এই তিনিও প্ৰকাৰ বৈশিষ্ট্য থাকে। সাম্প্ৰতিক সময়ত আন্তঃবিষয়ৱৰ্তী অথবা আন্তঃক্ষেত্ৰৱৰ্তী (Interdisciplinary) অধ্যয়নৰ পৰিৱেশ আৰু প্ৰৱণতা দুয়োটাৰেই বিকাশ সাধন হৈছে। সাহিত্যৰ গৱেষণাত ইতিহাস, দৰ্শন, ভূগোল, সমাজ-বিজ্ঞান, ৰাজনীতি-বিজ্ঞান, মনোবিজ্ঞান, ৰসায়ন, পদাৰ্থ-বিজ্ঞান, নৃ-বিজ্ঞান ইত্যাদিৰ উপৰিও অনেক ক্ষেত্ৰৰ আন্তঃসংযোগী সূত্ৰক অধ্যয়নৰ বাট

মুকলি হৈছে। সাহিত্যৰ গৱেষণা ক্ষেত্ৰয়ো বৰ্তমান পদ্ধতি, প্ৰক্ৰিয়া আৰু পৰিসৰ ইত্যাদিৰ ক্ষেত্ৰত অন্যান্য সমাজ-বিজ্ঞানৰ আওতাত পৰা গতি-প্ৰকৃতিকে সামৰি লয়। গতিকে গৱেষণা পদ্ধতি বিজ্ঞানৰ বিকশিত তাত্ত্বিক আধাৰসমূহ বিষয়ৰ সংগতিৰ প্ৰয়োজনত সাহিত্য গৱেষণাৰো আধাৰ হ'বলৈ আৰম্ভ কৰিছে।

**গৱেষণাত আন্তঃবিষয়ৱৰ্তী অথবা আন্তঃক্ষেত্ৰৱৰ্তী প্ৰয়াস ঃ**

সাম্প্ৰতিক সময়ত আন্তঃবিষয়ৱৰ্তী অথবা আন্তঃক্ষেত্ৰৱৰ্তী (Interdisciplinary) অধ্যয়নৰ পৰিৱেশ আৰু প্ৰৱণতা দুয়োটাৰেই দ্ৰুত বিকাশ সাধন হৈছে। সাহিত্যৰ গৱেষণাৰ ক্ষেত্ৰত লগত বিশেষকৈ মানৱিক বিজ্ঞান (Humanities) অথবা সামাজিক বিজ্ঞান (Social Sciences)ৰ অন্তৰ্গত বিষয়সমূহ, যেনে— ইতিহাস, দৰ্শন, ভূগোল, সমাজ-বিজ্ঞান, ৰাজনীতি-বিজ্ঞান, মনোবিজ্ঞান, ৰসায়ন, পদাৰ্থ-বিজ্ঞান, নৃ-বিজ্ঞান ইত্যাদিৰ আন্তঃসংযোগী অধ্যয়নৰ বাট মুকলি হৈছে। সেই অনুযায়ী সাহিত্যৰ গৱেষণা ক্ষেত্ৰয়ো পদ্ধতি, প্ৰক্ৰিয়া আৰু পৰিসৰ ইত্যাদিৰ ক্ষেত্ৰত অন্যান্য সামাজিক বিজ্ঞান অথবা মানৱিক বিজ্ঞানৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা অথবা আওতাত পৰা গতি-প্ৰকৃতিকে সামৰি লয়। গতিকে সাহিত্য-সংস্কৃতিৰ গৱেষণাৰ বাবে নিৰ্মাণ কৰা পদ্ধতি বিজ্ঞানত বিভিন্ন বিষয়ক্ষেত্ৰত বিকশিত তত্ত্বসমূহ গৱেষণা বিষয়ৰ লগত থকা সংগতি আৰু প্ৰাসংগিকতাৰ প্ৰয়োজনত বিষয়-বিশ্লেষণৰো আধাৰ হ'বলৈ আৰম্ভ কৰিছে। কলা আৰু সামাজিক বিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহেও ক্ৰমশঃ কিছুমান সৰ্বসন্মত নীতি গৃহীত কৰা দেখা যায়। সেইকেইটা হ'ল—

- গৱেষণা সমস্যা উদ্ভাৱন (Formulating the Research Problem)
- আঁচনি চিনাক্তকৰণ আৰু সম্ভাব্য বিকল্প নিৰ্মাণ (Identifying desiging and Screening Possible Alternatives)
- ভৱিষ্যত প্ৰসংগৰ পূৰ্বাভাস (Forcasting Future Context)
- বিকল্প ব্যৱস্থাৰ তুলনা আৰু ক্ৰম নিৰ্ণয় (Comparing and Ranking Alternatives)
- গৱেষণাৰ বাবে সমস্যা নিৰ্বাচন (Selection of Problem for Research)।

**গৱেষণা সমস্যা উদ্ভাৱন ঃ**

গৱেষণাৰ এই পৰ্যায়ত গৱেষণা কৰিবলৈ যি কোনো সামাজিক, সাংস্কৃতিক, ভৌগোলিক, ঐতিহাসিক, পৰিৱেশ সংক্ৰান্তীয় অথবা বিদ্যায়তনিক সমস্যা বা প্ৰশ্নৰ অনুসন্ধান হয়। তেনে অনুসন্ধানৰ ক্ষেত্ৰত তলত দিয়া দিশসমূহ বিবেচনা কৰিব লাগে—

- প্ৰশ্ন/সমস্যা/বিষয়ৰ উদ্ঘাটন, ব্যাখ্যা-বিশ্লেষণৰ প্ৰয়োজন নিশ্চিত হ'ব লাগিব।



- সমস্যা/প্ৰশ্ন/বিষয়ৰ স্বৰূপ আৰু প্ৰেক্ষাপটৰ ধাৰণা আৰু ব্যাখ্যা থকা প্ৰয়োজন।
- সমস্যা/প্ৰশ্ন/বিষয়ৰ গৱেষণাৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য নিৰ্বাচন কৰিব লাগিব।
- সমস্যা/প্ৰশ্ন/বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্যক আধাৰ কৰি প্ৰাকক্‌ল্পনা থাকিব লাগিব।
- সমস্যা/প্ৰশ্ন/বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্যক আধাৰ কৰি প্ৰধান প্ৰশ্ন আৰু আনুষংগিক প্ৰশ্ন নিৰ্দিষ্ট হ'ব লাগিব।
- সমস্যা/প্ৰশ্ন/বিষয়কেন্দ্ৰিকভাৱে তথ্য বা সমল সংগ্ৰহৰ ক্ষেত্ৰত নিৰ্ধাৰিত লক্ষ্যক্ষেত্ৰৰ ধাৰণা স্পষ্ট হ'ব লাগিব।
- সমস্যা/প্ৰশ্ন/বিষয়কেন্দ্ৰিক উত্তৰ বা সিদ্ধান্তৰ সন্ধানত কাৰণ আৰু কাৰক উদঘাটনৰ ধাৰণা স্পষ্ট হ'ব লাগিব।

**আঁচনি চিনাক্তকৰণ আৰু সম্ভাব্য বিকল্প নিৰ্মাণ ঃ**

কোনো বিষয়ৰ গৱেষণা কৰিবলৈ আগবাঢ়োতে সেই গৱেষণা সমস্যাৰ সমাধানৰ প্ৰয়োজনতে তাৰ লগত জড়িত সমস্যাৰ বাস্তৱসন্মত সকলো ধৰণৰ দিশ সামৰি আঁচনি কৰিব লাগিব। সেইকাৰণে গৱেষকে ক্ৰম অনুযায়ী বিকল্প সমাধান সূত্ৰৰো আঁচনি সজাব লাগিব। প্ৰতিটো স্তৰৰ গুৰুত্ব অনুযায়ী পৰ্যায়ক্ৰমে কাৰ্য সম্পাদন কৰিবলৈ তেনে আঁচনিক তালিকাবদ্ধও কৰিব লাগিব। প্ৰয়োজন হ'ল সালসলনিৰে নতুন আঁচনিও কৰিব লাগিব।

**ভৱিষ্যত প্ৰসংগৰ পূৰ্বাভাস ঃ**

এই পৰ্যায়ত কোনো গৱেষণা সমস্যা সমাধানৰ কাৰণে গৃহীত তালিকাবদ্ধ বিকল্প প্ৰস্তাৱসমূহ বিশ্লেষণ কৰি চোৱা হয়। এই ক্ষেত্ৰত লক্ষ্য ৰখা উচিত যে ভৱিষ্যতে যাতে অপৰিকল্পিতভাৱে আগবঢ়াৰ ফলত সমস্যাৰ সৃষ্টি নহয়। কেতিয়াবা এনে বিকল্প প্ৰস্তাৱসমূহৰ বাস্তৱৰ অনুসন্ধানে আকৌ গৱেষণা প্ৰশ্নক জটিলৰ পৰা জটিলতাৰহে কৰি তুলিব পাৰে।

**বিকল্প ব্যৱস্থাৰ তুলনা আৰু ক্ৰম নিৰ্ণয় ঃ**

এই পৰ্যায়ত কোনো গৱেষণা সমস্যা বা প্ৰশ্নৰ উত্তৰ বা সিদ্ধান্ত উপস্থাপনৰ আগতে বিকল্প পন্থাসমূহ এটা এটাকৈ সজাই লৈ পৰ্যায়ক্ৰমে তুলনা কৰি চাব লাগে বা চোৱা হয়। এনেদৰে সথিক আৰু উপযুক্ত পন্থা বাছি লৈ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সহজ হয়।

**গৱেষণাৰ বাবে সমস্যা নিৰ্বাচন ঃ**

গৱেষণা প্ৰশ্ন বা সমস্যা নিৰ্বাচনত গৱেষক এজনে লক্ষ্য ৰাখিবলগীয়া হয় যে বাস্তৱত সেই প্ৰশ্ন বা সমস্যা সমাধানযোগ্য নে অথবা সেই প্ৰশ্ন বা সমস্যাৰ সমাধানৰ

বাবে তথ্য সংগ্ৰহ সম্ভৱ হ'বনে? নিৰ্দিষ্ট গৱেষণা কৰ্মটোৰ বাবে তথ্য সংগ্ৰহৰ ক্ষেত্ৰ, সময়, অৰ্থ, জনবলৰ উপৰিও নিজৰ সামৰ্থ বা যোগ্যতা সম্পৰ্কেও পৰ্যাপ্ত অনুসন্ধান কৰিবলগীয়া হয়। কেতিয়াবা এনে অনেক সমস্যা বা প্ৰশ্ন থাকে, যাৰ সমাধান এজন গৱেষকৰ বাবে সম্ভৱ নহয় অথবা কোনো কোনো গৱেষণাকৰ্মৰ বাবে তথ্য সংগ্ৰহৰ সময় পৰ্যাপ্ত নহ'ব পাৰে অথবা কোনো গৱেষণাৰ বাবে অৰ্থ বা নিৰ্বাচিত ক্ষেত্ৰও পৰ্যাপ্ত নহ'ব পাৰে। তেনে ক্ষেত্ৰত তেনেধৰণৰ গৱেষণা প্ৰশ্ন বা সমস্যাৰ নিৰ্বাচন কৰা ভুল প্ৰতীয়মান হ'ব। সেয়ে বিশ্ববিদ্যালয় পৰ্যায়ৰ বিদ্যায়তনিক গৱেষণাক্ষেত্ৰত গৱেষণা কৰ্মৰ গৱেষণা প্ৰশ্ন বা সমস্যাৰ নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ বিবেচিত হয়।

যিকোনো একোটি গৱেষণাকৰ্মত ওপৰৰ চাৰিওটা পৰ্যায় অতিক্ৰম কৰিহে একোটা গৱেষণা কাৰ্যৰ সুপৰিকল্পিত বিজ্ঞানসন্মত প্ৰক্ৰিয়া আগবাঢ়ে। গৱেষণা কৰ্মৰ বাবে গৱেষকৰ তথ্য সংগ্ৰহৰ ক্ষেত্ৰ, সময়, অৰ্থ, জনবল অথবা নিজৰ সামৰ্থও যদি যথোপযুক্ত নহয়, গৱেষণাকৰ্ম এটিৰ সফল সম্পাদন সম্ভৱ নহয়। সেয়ে গৱেষণা আঁচনি অথবা পৰিকল্পনা কৰোঁতে গৱেষক এজনে এই দিশসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি পৰ্যায়ক্ৰমে কাৰ্য সম্পাদন কৰিবলগীয়া হয়।

**কলা আৰু সামাজিক বিজ্ঞান বিষয়ৰ গৱেষণাৰ ক্ষেত্ৰত ব্যৱহৃত স্তৰসমূহ আৰু কৰণীয় ঃ**

গৱেষণাৰ সুবিধাৰ্থে গৱেষণা কাৰ্যত বিশ্ববিদ্যালয়সমূহত সৰ্বসন্মতভাৱে গৃহীত গৱেষণাৰ স্তৰকেইটি হ'ল—

**১) সমস্যা গঠন**

কলা আৰু সামাজিক বিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত নিশ্চিতভাৱে বিষয় কোনো সামাজিক, সাংস্কৃতিক, ভৌগোলিক, পৰিৱেশ সংক্ৰান্তীয় অথবা বিদ্যায়তনিক সমস্যা সম্পৰ্কীয় হয়। এনে বিষয় সম্পৰ্কীয় কোনো সমস্যা অথবা প্ৰশ্নক গৱেষণাৰ বাবে গ্ৰহণ কৰাৰ আগতে নিম্নলিখিত দিশসমূহ বিবেচনা কৰিব লাগিব।

- বিষয়টিৰ কিমানখিনি উদ্‌ঘাটন আৰু ব্যাখ্য বিশ্লেষণৰ প্ৰয়োজন নিশ্চিত হোৱা।
- সমস্যা/প্ৰশ্ন অথবা বিষয়টোৰ স্বৰূপ আৰু প্ৰেক্ষাপট সম্পৰ্কে ধাৰণা আৰু ব্যাখ্যা থকা প্ৰয়োজন।
- সমস্যা/প্ৰশ্ন অথবা বিষয় সম্পৰ্কে নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য নিৰ্বাচন কৰিব লাগিব।
- লক্ষ্য আৰু উদ্দেশ্যক আধাৰ কৰি গৱেষকৰ লক্ষ্যবস্তু সম্পৰ্কে সম্ভাব্য প্ৰাক্‌কল্পনা থাকিব লাগিব।



- লক্ষ্য আৰু উদ্দেশ্যক ভিত্তি কৰি কিছু প্ৰধান প্ৰশ্ন আৰু প্ৰধান প্ৰশ্নৰ আনুসংগিক বিশেষ প্ৰশ্নও তৈয়াৰ কৰিব লাগিব।
- গৱেষণাৰ তথ্য বা সমল সংগ্ৰহৰ বাবে নিৰ্ধাৰিত লক্ষ্যক্ষেত্ৰৰ ধাৰণা স্পষ্ট হ'ব লাগিব।
- বিষয়কেন্দ্ৰিক প্ৰশ্নসমূহৰ উত্তৰক্ষেত্ৰ অথবা সমস্যাৰ কাৰণ আৰু কাৰক উদ্‌ঘাটনৰ ধাৰণা স্পষ্ট হ'ব লাগিব।

অৰ্থাৎ সমস্যা সৃষ্টিৰ আঁৰত অথবা গৱেষণাৰ বাবে নিৰ্দিষ্ট বিষয়টোত কি কি উপাদান জড়িত থাকে চিনাক্ত কৰা, কি চাপ অথবা কাৰকৰ কাৰণে সমস্যা বা বিষয়টি চিন্তনীয় হৈ উঠিছে অথবা অধ্যয়নৰ আৱশ্যকতা উৎপন্ন হৈছে, বৰ্তমানৰ স্থিতিত সেই সমস্যা বা বিষয়টিৰ অৱস্থা কেনেকুৱা, লগতে সেই বিষয় বা সমস্যাৰ প্ৰভাৱ কেনে ধৰণৰ আৰু তাৰ ফল কেনেধৰণৰ, অৰ্থাৎ প্ৰতিফলন বা প্ৰতিক্ৰিয়া কি— এই সকলোবোৰ দিশ চালিজাৰি চাইহে গৱেষণাৰ বাবে বিষয় এটি নিৰ্বাচন কৰিব লাগে।

**২) আঁচনি প্ৰস্তুতকৰণ আৰু সম্ভাব্য বিকল্পৰ চিনাক্তকৰণ**

কোনো বিষয়ৰ গৱেষণা কৰিবলৈ আগবাঢ়োতে সেই গৱেষণাৰ সমাধানৰ প্ৰয়োজনতে তাৰ লগত জড়িত সমস্যা সমাধানৰ বাস্তৱসন্মত সকলোবোৰ দিশ সামৰি আঁচনি কৰিব লাগিব। আকৌ কেতিয়াবা গৱেষণা সম্পাদন কৰিবলৈ আঁচনিৰ বিকল্প উপায়ো উদ্ভাৱন কৰা হয়। সেইকাৰণে গৱেষকে সমস্যা সমাধানৰ কাৰণে ক্ৰম অনুযায়ী সজাব লাগিব বিকল্প সমাধান সূত্ৰৰ আঁচনি আৰু স্তৰৰ গুৰুত্ব অনুযায়ী পৰ্যায়ক্ৰমে কাৰ্য সম্পাদন কৰিবলৈ তেনে আঁচনিক তালিকাৱদ্ধ কৰিব লাগিব।

**৩) ভৱিষ্যত প্ৰেক্ষাপটৰ পূৰ্বাভাস**

কোনো সমস্যা সমাধানৰ কাৰণে গৃহীত তালিকাৱদ্ধ বিকল্প প্ৰস্তাৱসমূহ বিশ্লেষণ কৰি চোৱা উচিত। লগে লগে এইটোও লক্ষ্য ৰখা উচিত যে ভৱিষ্যতে যাতে অপৰিকল্পিত উন্নয়নৰ ফলত সমস্যা জটিল নহয়। কেতিয়াবা এনেকুৱাও হ'ব পাৰে যে বিকল্প প্ৰস্তাৱসমূহৰ বাস্তৱায়নৰ ফলত গৱেষণা বা প্ৰশ্ন আৰু জটিলহে হৈ পৰে।

**৪) বিকল্প ব্যৱস্থাসমূহৰ তুলনা আৰু ক্ৰমবিকাশ**

কোনো গৱেষণা সমস্যা বা প্ৰশ্নৰ উত্তৰ বা ফলাফলৰ উপস্থাপনৰ আগতে সমস্যা বা প্ৰশ্নৰ সমাধানৰ বিকল্প পন্থাসমূহক এটা এটাকৈ সজাই পৰ্যায়ক্ৰমে তুলনা কৰি চোৱা প্ৰয়োজন হয়। এনেদৰে কোনটো বিকল্প প্ৰস্তাৱ সমস্যা সমাধানৰ বাবে উপযুক্ত বাছি উলিওৱা হয়।

**৫) গৱেষণাৰ বাবে সমস্যা নিৰ্বাচন**

সমস্যা নিৰ্বাচনৰ সময়ত লক্ষ্য ৰাখিবলগা হয়— বাস্তৱত সেই সমস্যা সমাধানযোগ্য নে অথবা সেই সমস্যাৰ সমাধানৰ বাবে তথ্য সংগ্ৰহ সম্ভৱ হ'বনে? তাৰোপৰি তথ্য সংগ্ৰহৰ বাবে নিৰ্ধাৰিত ক্ষেত্ৰ, সময়, অৰ্থ, জনবল পৰ্যাপ্তনে? এনে অনেক সমস্যাও থাকে, যাক সমাধান কৰা এজন গৱেষকৰ দ্বাৰা সম্ভৱ নহয়। কোনো কোনো গৱেষণাৰ তথ্য সংগ্ৰহৰ কাৰণে অতি দীৰ্ঘ সময়ৰ প্ৰয়োজন হ'বও পাৰে অথবা সেই তথ্য ইমান বিস্তৃত ক্ষেত্ৰ জুৰি সিচঁৰতি হৈ থাকিব পাৰে যে গৱেষকৰ পক্ষে নিৰ্দিষ্ট সময়ত তাক সংগ্ৰহ কৰা সম্ভৱ নহ'বও পাৰে। তেনে ক্ষেত্ৰত তেনেধৰণৰ গৱেষণা গ্ৰহণ কৰা এক প্ৰকাৰ ভুল পদক্ষেপ হ'ব পাৰে।

**পাদটীকা ঃ**

১ Dr. C Rejendra Kumar, Research Methodology, APH Publishing Corporation, Darya Ganj, New Delhi-110002, 2008 ,p-2

চতুৰ্থ অধ্যায়

# পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ আৰু প্ৰাক্‌কল্পনা

**পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ (Review of Literature) ঃ**

পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ বা সমীক্ষা গৱেষণা প্ৰক্ৰিয়াৰ এটি গুৰুত্বপূৰ্ণ স্তৰ। কোনো বিষয়ক্ষেত্ৰ সম্পৰ্কে আগতে হোৱা বা জনা তথ্যৰ ই এক প্ৰকাৰ মূল্যবিচাৰ কৰা কাৰ্য। অৰ্থাৎ পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ বা সমীক্ষাই গৱেষণাৰ বাবে নিৰ্বাচিত নিৰ্দিষ্ট বিষয়ক্ষেত্ৰ সম্পৰ্কে আগতে প্ৰতিষ্ঠা হোৱা সত্য আৰু সেই বিষয়ে হোৱা চৰ্চা, জ্ঞান অথবা ধাৰণাৰ বিষয়ে গৱেষকক অৱগত হোৱাৰ সুবিধা দিয়ে। পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ বা সমীক্ষা অতি পৰিশ্ৰমসাধ্য কাম। কিন্তু গৱেষণা প্ৰক্ৰিয়াক সফল কৰিবলৈ পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ কৰা অতি আৱশ্যক।

প্ৰথমতে পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ সদায় তথ্যভাণ্ডাৰ (Database) হিচাপে ব্যৱহাৰ হয়, কোনো নতুন প্ৰাথমিক অথবা মৌলিক জ্ঞান হিচাপে নহয়। পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ প্ৰতিবেদনত প্ৰাপ্ত সাহিত্য মৌখিকো হ'ব পাৰে, কিন্তু প্ৰায় সৰহ ক্ষেত্ৰতে দেখা যায় ই সাধাৰণতে লিখিত তথ্য হয়। একেদৰে পূৰ্ব সাহিত্যৰ পৰা প্ৰাপ্ত জ্ঞানৰ প্ৰকাৰ গৱেষণামূলক, তাত্ত্বিক, সমালোচনামূলক, বিশ্লেষণাত্মক অথবা প্ৰকৃতিত প্ৰণালীবদ্ধ হ'ব পাৰে। দ্বিতীয়তে পূৰ্ব সাহিত্যৰ পুনৰীক্ষণে বিচাৰে বৰ্ণন, সংশ্লেষণ, মূল্যায়ন, পৰিশোধন আৰু প্ৰাথমিক প্ৰতিবেদনৰ মূল বিষয়ৰ লগত সংযোজন ঘটাব বিচাৰে।

**পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ গুৰুত্ব ঃ**

গৱেষণা প্ৰশ্ন বা সমস্যাৰ চিনাক্তকৰণ, বিকাশ আৰু পৰিমাৰ্জনত সহায়ক হয় পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ। প্ৰাপ্ত পূৰ্ব সাহিত্যৰ পুনৰীক্ষণে প্ৰস্তাৱিত গৱেষণা ক্ষেত্ৰৰ নিৰ্দ্দিষ্ট বিষয়ৰ লগত সম্পৰ্ক থকা পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ, প্ৰবন্ধ অথবা অন্য প্ৰসংগ উৎসৰ বৰ্ণনা, সাৰাংশ আৰু সমালোচনামূলক মূল্যায়ন ইত্যাদিৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰে। পূৰ্ব সাহিত্যৰ পুনৰীক্ষণে বিষয়ৰ উপযুক্ত গৱেষণা প্ৰশ্ন অথবা আঁচনিৰ নিৰ্মাণ সহজ কৰে আৰু নিৰ্দ্দিষ্ট বিষয়ক্ষেত্ৰ এটাৰ বিষয়ে জনা-নজনা তথ্যৰ অনুসন্ধান কৰি কোন দিশত গৱেষণা প্ৰয়োজন নিৰ্ণয় কৰাত সহায় কৰে। একেদৰে পূৰ্ব সাহিত্যৰ পুনৰীক্ষণে বিষয় এটাৰ ক্ষেত্ৰত ৰৈ যোৱা শূন্যতা আৰু অসংগতি নিৰূপণ কৰি বিষয় সম্পৰ্কে সমাধান হ'বলৈ বাকী থকা সমস্যা বা উত্তৰৰ সন্ধান কৰিবলগীয়া প্ৰশ্নৰ ধাৰণা নিৰ্মাণ কৰাত সহায়

কৰে। আনহাতে নিৰ্দ্দিষ্ট বিষয় সম্পৰ্কে আগতে হৈ যোৱা অধ্যয়নৰ বিভিন্ন অধ্যয়ন বিন্যাস অথবা নমুনা অধ্যয়নৰ গতি-প্ৰকৃতি অধ্যয়ন কৰি গৱেষণাত একে ধৰণৰ অধ্যয়ন প্ৰক্ৰিয়া আৰু বৰ্ণনশৈলীৰ যাতে পুনৰাবৃত্তি নঘটে, সেইটোও নিশ্চিত কৰে।

পূৰ্ব সাহিত্যৰ পুনৰীক্ষণত সাধাৰণভাৱে তথ্য উৎসৰ আৱিষ্কাৰ কৰি সেই উৎসৰ মূল্যায়নৰ জৰিয়তে গৱেষণা কৰিবলগীয়া নিৰ্দ্দিষ্ট বিষয় গৱেষণাৰ বাবে উপযুক্ত বুলি প্ৰতিপন্ন কৰাৰ পৰিকল্পনা সম্পন্ন কৰা হয়। সেয়ে প্ৰাপ্ত পূৰ্বসাহিত্যৰ পুনৰীক্ষণে অতি সৰলভাৱে মূল উৎস সাহিত্যৰ গঠন কৰে; ই সাধাৰণতে নিৰ্দ্দিষ্ট ধাৰণাগত বিষয়ক্ষেত্ৰৰ সীমাৰ ভিতৰতে সাৰাংশকৃত আৰু সংশ্লেষিত দুই ধৰণে সংগঠিত হয়। সাৰাংশ হ'ল উৎস সাহিত্যৰ সংক্ষিপ্ত পুনঃস্মৰণ বা সংক্ষিপ্ত-সাৰ। আনহাতে সংশ্লেষণ হ'ল তথ্যৰ পুনৰ্সংগঠন অথবা পুনৰ সাল-সলনিকৰণ। এই দুই প্ৰক্ৰিয়াৰ মাজেৰে গৱেষণা প্ৰশ্ন অথবা সমস্যাৰ বিষয়ে অনুসন্ধান কৰিবলৈ আঁচনি প্ৰস্তুত কৰা হয়। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণৰ এই বিশ্লেষণাত্মক চৰিত্ৰ তলত দিয়া ধৰণৰ হ'ব পাৰে—

- পুৰণি সমলৰ নতুন ব্যাখ্যা অথবা পুৰণি ব্যাখ্যাৰ লগত নতুন চিন্তাৰ সংযোজন।
- নিৰ্দ্দিষ্ট বিষয়ক্ষেত্ৰ সম্পৰ্কে প্ৰচলিত বিতৰ্কৰে সৈতে বৌদ্ধিক অগ্ৰগতিৰ বিষয়ে খচৰা প্ৰস্তুত কৰা।
- পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি অত্যন্ত প্ৰাসংগিক উৎস সাহিত্যৰ মূল্যায়ন।
- তথ্য সাহিত্যৰ পুনৰীক্ষণৰ উপসংহাৰত ক'ত শূন্যতা আছে আৰু গৱেষণা কৰিবলগীয়া আছে, সেইটো চিনাক্ত কৰে।

আচলতে প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ প্ৰস্তাৱিত গৱেষণা কৰ্ম আৰু ক্ষেত্ৰ সম্পৰ্কে প্ৰাপ্ত তথ্যৰ এক প্ৰকাৰ মূল্যায়নাত্মক প্ৰতিবেদন। পুনৰীক্ষণত প্ৰাপ্ত তথ্যৰ বৰ্ণন, সংক্ষিপ্তকৰণ, মূল্যায়ন আৰু স্পষ্টীকৰণ কৰা হয়। এই পুনৰীক্ষণে গৱেষণা কৰিবলগীয়া বিষয়ৰ লগত সংগত হোৱা তাত্ত্বিক ভিত্তি নিৰ্মাণ কৰা আৰু গৱেষণা বিষয়ৰ প্ৰকৃতি নিৰ্ধাৰণ কৰাত সহায়তা কৰে। বিষয়ৰ লগত নিকট সম্পৰ্ক নথকা বৃহৎ সংখ্যক তথ্যৰ পুনৰীক্ষণতকৈ বিষয়ক্ষেত্ৰ কেন্দ্ৰিক নিয়ন্ত্ৰিত তথ্য সাহিত্যক পুনৰীক্ষণৰ বাবে গ্ৰহণ কৰা উচিত। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণে গৱেষণাৰ অনুসন্ধানৰ অতীত স্তৰত গৱেষণীয় ক্ষেত্ৰ আৰু প্ৰাপ্ত তথ্য সাহিত্যৰ মাজৰ সম্পৰ্ক বিচাৰ কৰি তথ্য একীকৰণ আৰু গ্ৰন্থিতকৰণৰ কাম কৰে। বিভিন্নধৰণৰ অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্য সাহিত্যৰ বিন্যাস ভিন্ন হ'ব পাৰে, কিন্তু মৌলিকতাত ইয়াৰ স্বৰূপ একে। যেনে—

- গৱেষণাৰ লগত সংগতি থকা প্ৰসংগ বিচাৰি উলিয়ায়।
- গৱেষণা বিষয়ৰ ন্যায্যতা প্ৰতিপাদন কৰে।



- গৱেষণা বিষয়ৰ আগতে কোনো গৱেষণা হোৱা নাই বুলি নিশ্চিত কৰে।
- সংশ্লিষ্ট বিষয় সম্পৰ্কে পূৰ্ব প্ৰতিস্থিত জ্ঞানৰ বলয়ৰ কত গৱেষণাই সংগত ৰূপত খাপ খাব।
- বিষয় সম্পৰ্কে থকা পূৰ্ব তত্ত্বৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ গৱেষকক সক্ষম কৰে।
- গৱেষণা কৰিবলগীয়া বিষয় সম্পৰ্কে পূৰ্বতে কেনে ধৰণৰ অধ্যয়ন সম্পন্ন হৈছে, সেই বিষয়ে ব্যাখ্যা কৰে।
- পূৰ্বতে সম্পন্ন হোৱা অধ্যয়নসমূহত থকা ত্ৰুটি চিনাক্ত কৰা।
- পূৰ্বতে সম্পন্ন হোৱা অধ্যয়নত থকা শূন্যতাৰ ৰূপৰেখা তৈয়াৰ কৰা।
- গৱেষণা কৰ্মই সংশ্লিষ্ট বিষয় সম্পৰ্কীয় জ্ঞানক্ষেত্ৰত নতুন জ্ঞান আৰু নতুন অন্তৰ্দৃষ্টিৰ সংযোজন ঘটাব বুলি নিশ্চিত কৰা।
- পৰিমাৰ্জন কৰি নতুনভাৱে চিন্তা কৰা আৰু আনকি বিষয়ৰ সাল-সলনি কৰাতো সহায়তা কৰে।

**পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ উদ্দেশ্য ঃ**

পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ মূল উদ্দেশ্য হ'ল পাঠক বা গৱেষকক নিৰ্দ্দিষ্ট একোটা বিষয় সম্পৰ্কে থকা প্ৰতিষ্ঠিত পূৰ্বজ্ঞান আৰু পূৰ্বসত্য সম্পৰ্কে অৱগত কৰোৱা আৰু নিৰ্বাচিত বিষয়ৰ গৱেষণাৰ সম্ভাৱনা আৰু সীমাবদ্ধতাৰ বিষয়ে ধাৰণা স্পষ্ট কৰোৱা। এই ধাৰণাই গৱেষকক গৱেষণা কৌশল আৰু পদ্ধতিৰ অনুসন্ধান কৰিবলৈ সহায় কৰাই নহয়, একে বিষয়তে যদি কোনো পূৰ্বৰ গৱেষকে গৱেষণা প্ৰয়াস কৰিছিল, তেনেক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰ বিষয়েও সম্ভেদ দিয়ে আৰু গৱেষণাৰ নতুন দিশ নিৰ্ণয়ত সহায়তা কৰে। প্ৰাপ্ত পূৰ্ব সাহিত্যৰ পুনৰীক্ষণে বিষয়ৰ অধ্যয়নৰ বাবে প্ৰয়োজনীয় তত্ত্ব, মূল পৰিৱৰ্তনীয় দিশ, মূল গৱেষণা প্ৰশ্ন বা সমস্যা বা পৰিঘটনাৰ লগতে সিবিলাক অধ্যয়নৰ পদ্ধতি আৰু ইতিহাসৰে সৈতে এজন গৱেষকৰ নিৰ্দ্দিষ্ট বিষয়ক্ষেত্ৰৰ ওপৰত থকা দখল সুনিশ্চিত কৰে। ইয়াৰ উপৰিও প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণৰ বিজ্ঞানসন্মত বহুত কাৰণৰ ওপৰত ভিত্তি কৰি উদ্দেশ্যও বহুত দেখা যায়। যেনে—

- গৱেষণা প্ৰশ্ন/সমস্যা/বিষয়ৰ সীমা নিৰ্ধাৰণ কৰা।
- অনুসন্ধানৰ নতুন দিশ বিচৰা।
- অৰ্থহীন প্ৰয়াস পৰিহাৰ কৰা।
- পদ্ধতিবিজ্ঞানৰ দৃষ্টিভংগী আহৰণ কৰা।
- ভৱিষ্যত গৱেষণাৰ সম্ভাৱনা চিনাক্ত কৰি সম্পৰ্ক স্থাপন।

- তাত্ত্বিক আধাৰৰ অনুসন্ধান কৰা।
- কোনবোৰ দিশ প্ৰতিষ্ঠিত আৰু কোনবোৰ প্ৰতিষ্ঠা কৰিবলৈ বাকী, চিনাক্ত কৰা।
- বিষয়ৰ লগত প্ৰাসংগিক নতুন দিশ আৱিষ্কাৰ কৰা।
- নতুন দৃষ্টিভংগী আহৰণ আৰু সংশ্লেষণ কৰা।
- অনুশীলন আৰু ধাৰণাৰ মাজৰ সম্পৰ্ক চিনাক্ত কৰা।
- বিষয়ৰ লগত সম্পৰ্কিত ক্ষেত্ৰ অথবা প্ৰসংগক প্ৰতিষ্ঠা কৰা।
- সমস্যা অথবা প্ৰশ্নৰ তাৎপৰ্যক যুক্তিসন্মতভাৱে প্ৰতিষ্ঠা কৰা।
- ধাৰণা আৰু তত্ত্বক প্ৰয়োগ উপযোগী ৰূপত সংযোজন ঘটোৱা।
- বিষয়ৰ গঠন প্ৰকৃতিক বুজি পোৱাত সহায়ক হয়।

**পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ প্ৰয়োজনীয়তা ঃ**

যেতিয়া পাঠক কোনো গৱেষণা কৰ্ম, যেনে— থেছিছ্, ডিজাৰ্টেছন অথবা গৱেষণা পত্ৰৰ কাষ চাপে, তেতিয়া পাঠকে কেৱল গৱেষণাৰ বিষয় আৰু বিশ্লেষণ প্ৰক্ৰিয়াকে গ্ৰহণ নকৰে, বৰঞ্চ তাৰ লগত সম্পৰ্ক থকা প্ৰাসংগিক তথ্য সাহিত্যৰ বিষয়েও উৎসুক হয়। স্বাভাৱিকতে পাঠকৰ মনতো প্ৰশ্ন উদয় হয়—

- গৱেষণা কৰ্মটিৰ গৱেষণা প্ৰশ্ন বা সমস্যা বা মূল বিষয় কি?
- গৱেষকে কিয় এই প্ৰশ্নযসমস্যাষ বিষয় বাছি ললে?
- আন কোনোবাই তেনে কোনো বিষয়ত কাম কৰিছে নেকি?
- গৱেষণা বিষয়টো গৱেষকৰ নিজৰ বিষয়ৰ ক্ষেত্ৰযঅনুশীলনযতত্ত্বৰ লগত প্ৰাসংগিকনে?
- গৱেষণাকৃত বিষয়টোৱে প্ৰতিষ্ঠিত তত্ত্ব বা বিশ্বাসত নতুন জ্ঞানৰ সংযোজন অথবা প্ৰত্যাহ্বান কিমানদূৰ গ্ৰহণ কৰিব পাৰিছে?

পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ জৰিয়তে এই প্ৰশ্নসমূহৰ উত্তৰ সন্ধানেই নিশ্চিত কৰে গৱেষণাকৰ্মত প্ৰয়োজনীয়তা। এইদৰেই গৱেষণা প্ৰক্ৰিয়াৰ অপৰিহাৰ্য এটি স্তৰ পূৰ্ব সাহিত্যৰ পুনৰীক্ষণে গৱেষণা কাৰ্যৰ অগ্ৰৱৰ্তী স্তৰৰ বাবে বাট মুকলি কৰে।

**পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ বিশ্লেষণ ঃ**

প্ৰাপ্ত পূৰ্ব সাহিত্যৰ বিশ্লেষণ অতি গুৰুত্বপূৰ্ণ। কাৰণ প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ কেৱল মাত্ৰ প্ৰাসংগিক তথ্য সাহিত্যৰ তালিকাতকৈ গভীৰ আৰু ব্যাপক। প্ৰকাশিত প্ৰাসংগিক তথ্য সাহিত্যৰ ব্যাখ্যা আৰু সংশ্লেষণৰ কাম সম্পাদন কৰে প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ কাৰ্যই। এই ক্ষেত্ৰত লক্ষ্যণীয় কিছুমান মূল ধাৰণা (Key Concept) তলত



দেখুওৱা হ'ল।

| ধাৰণা | ব্যাখ্যা | সহযোগী সমালোচনা |
|---|---|---|
| প্ৰকাশিত সাহিত্য | সম্প্ৰতি ছপা মাধ্যমৰ পৰা ৱেব্ পৃষ্ঠাত প্ৰকাশিত গ্ৰন্থ, গৱেষণা পত্ৰ, অন্যান্য ৰচনা ইত্যাদিলৈকে বিকশিত ক্ষেত্ৰক এই পৰিভাষাটোৱে সামৰি লৈছে। | নিৰ্বাচিত বিষয়ক্ষেত্ৰত প্ৰৱেশ কৰাত সহজ হোৱাকৈ বৃহৎ পৰিসৰলৈকে প্ৰকাশিত তথ্য উৎসৰ সাৱধানী আৰু স্পষ্ট সমালোচনাৰ বিস্তাৰ সাধন। কিন্তু প্ৰকাশ হ'ল বুলিয়েই গুণগত মানৰ হ'ব, সেইটোও নহয়। তেনে ক্ষেত্ৰত গৱেষকে সমালোচনাত্মক বিশ্লেষণৰ মাজেৰে যুক্তিসন্মতভাৱে তথ্য উৎসক স্পষ্ট কৰা প্ৰয়োজন। |
| ব্যাখ্যা | গৱেষকে প্ৰাপ্ত তথ্য সাহিত্যৰ সক্ৰিয়ভাৱে ব্যাখ্যা কৰিব লাগিব। আনে লিখা সাহিত্যৰ মাত্ৰ তালিকা প্ৰস্তুত কৰাতকৈ, সেই তথ্য সাহিত্যৰ বিশ্লেষণত গুৰুত্ব প্ৰদান কৰা। | প্ৰত্যেকটো তথ্য সাহিত্যৰ ব্যাখ্যাত গৱেষকৰ হাতত সাক্ষ্য-প্ৰমাণ থাকিব লাগিব । এনে ব্যাখ্যা গৱেকৰ নিজৰ সাক্ষ্য হ'ব পাৰে, কিন্তু প্ৰত্যেকৰে নহবও পাৰে। গতিকে গৱেষকে নিজৰ তথ্য আৰু সেই সম্পৰ্কে ব্যাখ্যাকো সমালোচনা কৰিব লাগিব, লগতে কাৰণ আৰু যুক্তিও ব্যাখ্যা কৰিব লাগিব। |
| সংশ্লেষণ | সংশ্লেষণ পৰিভাষাটোৱে বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰি তাৰপৰা এটা সংমিশ্ৰিত আৰু সংহত সমুদায় ৰূপ প্ৰদান কৰাক বুজায়। এই সমুদায় হ'বগৈ গৱেষক সম্ভাব্য কাঠামোৱদ্ধ গৱেষণা আঁচনিৰ বাবে প্ৰাপ্ত প্ৰাসংগিক তথ্যৰ পুনৰীক্ষণ আৰু সুসংগত বিতৰ্ক। | ব্যাখ্যাৰ পিছত ব্যাখ্যাৰ ফলতে সংশ্লেষণৰ সৃষ্টি হয়। যথেষ্ট পৰিমাণৰ সাক্ষ্য প্ৰমাণৰ ভিত্তিত সংশ্লেষণ হৈছেনে নাই পৰীক্ষা কৰাটো অতি প্ৰয়োজনীয়। |

**পূৰ্বসাহিত্যৰ পুনৰীক্ষণৰ উৎস ঃ**


পূৰ্বসাহিত্যৰ পুনৰীক্ষণ কাৰ্য দুটা উৎসৰ পৰা পৰিচালিত হয় মুখ্য উৎস (Primary Source) আৰু গৌণ উৎস (Secondary Source)।

**মুখ্য উৎস ঃ**

পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ প্ৰক্ৰিয়াত মুখ্য উৎসই প্ৰধান বিশ্বাসযোগ্যতা অৰ্জন কৰে। সাধাৰণতে গৱেষণা প্ৰতিবেদনত গৱেষকে মুখ্য উৎসৰ সত্য বা তথ্যক অধিক গুৰুত্ব দিবলগীয়া হয়। মুখ্য উৎসত সাধাৰণতে মূল লেখকে প্ৰতিবেদন অথবা গ্ৰন্থত গৱেষণাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা নিজৰ কোনো তত্ত্ব, সিদ্ধান্ত অথবা সত্যক লিপিৰদ্ধ কৰে। বেছিভাগ মুখ্য উৎসই প্ৰকাশিত সাহিত্যত পোৱা যায়।

**গৌণ উৎস ঃ**

গৌণ উৎসৰ সাহিত্য হ'ল মূল গৱেষণা বা অন্য গ্ৰন্থৰ বিষয়ে আন কোনো লেখক বা গৱেষকে কৰা আলোচনামূলক লেখা বা গৱেষণামূলক লেখা। আনহাতে কোন মূলগ্ৰন্থত আলোচিত তত্ত্ব অথবা সিদ্ধান্তৰ বিকাশ ঘটোৱা আন গৱেষক বা লেখকৰ গৱেষণা কৰ্ম অথবা আলোচনাও গৌণ উৎস বুলি পৰিগণিত হয়। আনহাতে যেতিয়া মূল উৎসৰ সাহিত্য উপলব্ধ নহয়, তেনে ক্ষেত্ৰত গৌণ উৎসৰ সাহিত্যকেই গৱেষকে গ্ৰহণ কৰিবলগীয়া হয়।




প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণৰ জৰিয়তে গৱেষণা কাৰ্য একোটা কাৰ্যকৰী ৰূপত পৰিচালনা কৰি যথাযথ ৰূপত গৱেষণা কাৰ্য সম্পন্ন কৰিবলৈ কেনে ধৰণৰ আঁচনি খাপ খাব সেই সম্পৰ্কে ক'পাৰৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰাপ্ত তথ্য সাহিত্যৰ শ্ৰেণীবিন্যাস (Taxonomy of Review of Literature)-ৰ পৰা ধাৰণা কৰিব পাৰি।

**পূৰ্ব সাহিত্যৰ পুনৰীক্ষণৰ শ্ৰেণীবিন্যাস ঃ**

ক'পাৰে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি প্ৰাপ্ত তথ্য সাহিত্যৰ শ্ৰেণীবিন্যাস তলত দিয়া ধৰণে কৰিব পাৰি—

- কেন্দ্ৰবিন্দু (Focus)
- লক্ষ্য (Goal)



- পৰিপ্ৰেক্ষা (Perspective)
- ক'ভাৰেজ (Coverage)
- সংগঠন (Organization)
- নিৰীক্ষক (Audience)

| বৈশিষ্ট্য | শ্ৰেণী |
|---|---|
| কেন্দ্ৰবিন্দু | • গৱেষণাৰ ফলাফল<br>• গৱেষণা পদ্ধতি<br>• তত্ত্ব<br>• অনুশীলন অথবা প্ৰয়োগ |
| লক্ষ্য | • তথ্যৰ সন্মিলন<br>(ক) সাধাৰণীকৰণ<br>(খ) দ্বন্দ্ব বা বিৰোধ নিৰসন<br>(গ) ভাষিক সংযোগ নিৰ্মাণ<br>(মূল সমস্যা চিনাক্তকৰণৰ বাবে) |
| পৰিপ্ৰেক্ষা | • মৌলিক বিৱৰণ<br>• অৱস্থাৰ পক্ষাৱলম্বন |
| ক'ভাৰেজ | • সামগ্ৰিক<br>• নিৰ্বাচিত দৃষ্টান্তৰ সৈতে সামগ্ৰিক<br>• বৰ্ণনামূলক<br>• কেন্দ্ৰীয় |
| সংগঠন | • ঐতিহাসিক<br>• ধাৰণাত্মক<br>• পদ্ধতিগত |
| নিৰীক্ষণ | • বিশিষ্ট গৱেষক<br>• সাধাৰণ গৱেষক<br>• পৰিকল্পক আৰু নীতি নিৰ্দ্ধাৰক<br>• সাধাৰণ জনতা |

**Source :** "Organizing Knowledge Synthesis : A Taxonomy of Literature Reviews," by H.M Cooper, 1998, Knowledge in Society, 1,p.109

**কেন্দ্ৰবিন্দু ঃ**

প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণৰ কেন্দ্ৰবিন্দুমুখী বৈশিষ্ট্যৰ চাৰিটা কেন্দ্ৰ বা নাভিবিন্দু হ'ল **গৱেষণাৰ সিদ্ধান্ত** (Research Outcomes), **গৱেষণা পদ্ধতি** (Research Methodology), **তত্ত্ব** (Theories), **প্ৰয়োগ** অথবা **অনুশীলন** (Practices or Applications)। গৱেষণাৰ সিদ্ধান্তমুখী তথ্যৰ বিশ্লেষণ আৰু সংশ্লেষণ কেৱল উদ্ধৃতি, সংক্ষিপ্তসাৰ আৰু মৰ্মাৰ্থৰ সমাহাৰ মাত্ৰ নহয়। গৱেষণাৰ সিদ্ধান্ত 'অৰিয়েন্টেড' (Oriented) পুনৰীক্ষণে তথ্যৰ অভাৱক চিনাক্ত কৰাত আৰু সমৰ্থনযোগ্য সিদ্ধান্তৰ প্ৰয়োজন পূৰাৱণতো সহায়তা কৰিব পাৰে।

তাত্ত্বিক পুনৰীক্ষণে গৱেষণাৰ বাবে পদ্ধতি সন্ধানত মনোযোগ আৰোপ কৰে। ই মূল উপাদান, পদ্ধতিগত মাপকাঠি, সবলতা-দুৰ্বলতা নিৰ্ণয়ত সহায়তা কৰে। অৱশেষত তথ্য সাহিত্যৰ পুনৰীক্ষণে এনে কিছুমান দিশ উদ্‌ঘাটনত গুৰুত্ব দিব পাৰে, যিবোৰে গৱেষণা কাৰ্যক গতিশীলতা প্ৰদান কৰে। যেনে— কেনেকৈ গৱেষণাৰ প্ৰয়োজনত মূল প্ৰক্ৰিয়াৰ লগে লগে কিছুমান মধ্যৱৰ্তী প্ৰয়োগ অথবা অনুশীলনো ঘটে অথবা কেনেকৈ কিছুমান গোট অথবা দলীয় প্ৰচেষ্টাই নিৰ্দ্দিষ্ট অনুশীলনক সম্পন্ন কৰে সেই দিশবোৰো গুৰুত্ব সহকাৰে মূল্যায়ন কৰিব পাৰে।

**লক্ষ্য ঃ**

তথ্য পুনৰীক্ষণৰ লক্ষ্যই কোনো নিৰ্দ্দিষ্ট বিষয়ক্ষেত্ৰৰ কোনো বিতৰ্ক অথবা সমস্যা সমাধান কৰিবলৈ বিভিন্ন গোট, অন্যান্য ব্যৱস্থা, লাভ কৰা ফলাফল অথবা তথ্যৰ বিন্যাস আদি বিচিত্ৰ দিশৰ মাজেদি উপনীত হোৱা সিদ্ধান্তৰ সন্মিলন আৰু সাধাৰণীকৰণৰ কাৰ্য সম্ভৱ কৰি তোলে। বিষয়ৰ লগত বিষয় ক্ষেত্ৰৰ বাহিৰৰ তথ্য উৎসৰ সংযোগ সূত্ৰ অনুসন্ধান কৰে। তথ্য পুনৰীক্ষণৰ লক্ষ্যই নিৰ্দ্দিষ্ট বিষয় সম্পৰ্কে পূৰ্বতে সম্পাদন হোৱা গৱেষণাৰ বিষয়ে সমালোচনামূলক বিশ্লেষণ, গৱেষণাৰ বাবে নিৰ্দ্দিষ্ট বিষয়ৰ মূল সমস্যা বা প্ৰশ্নক চিনাক্ত কৰা, বিষয়ক্ষেত্ৰৰ অন্তৰ্গত বিষয় কেন্দ্ৰিক বিতৰ্কৰ নিৰ্দ্দিষ্ট দিশক বিশ্লেষণ ইত্যাদিৰ মূল্যায়ন কৰিব পাৰে তথ্য পুনৰীক্ষণৰ লক্ষ্যই।

গৱেষণা গ্ৰন্থ পুনৰীক্ষণত প্ৰায়ে বিভিন্ন লক্ষ্যৰ উদ্‌ঘাটন হয়। তেতিয়া তাৰ ভিতৰত কেন্দ্ৰীয় সমস্যা/প্ৰশ্ন/বিষয়টো চিনাক্ত কৰি আশে-পাশে সৃষ্টি হোৱা আন লক্ষ্যসমূহক তাৰ লগত সংগঠিত কৰিব লাগিব। যদি এজন গৱেষকে তথ্য সাহিত্যৰ পুনৰীক্ষণ কৰোঁতে পৰৱৰ্তী অনুসন্ধানৰ সহায়ক ভিন্ন সূত্ৰ লাভ কৰে, তেতিয়া পুনৰীক্ষণৰ লক্ষ্য প্ৰাপ্ত তথ্য সাহিত্যৰ সমালোচনামূলক বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি নিৰ্ধাৰিত হ'ব। গৱেষকে পাঠকৰ সন্মুখত পুনৰীক্ষণৰ জৰিয়তে সংহত ৰূপত এক পৰিষ্কাৰ ছবি ডাঙি ধৰিব পাৰিব



লাগিব। এনে সংহতি অবিহনে গৱেষণা বিষয়ৰ পৰিসৰ গৱেষণাৰ নিৰ্দ্দিষ্ট লেণ্ডস্কেপ্' (Landscape) নোহোৱাকৈ সামৰিব বাঢ়ি যাব।

**পৰিপ্ৰেক্ষা ঃ**

গুণগত গৱেষণা কৰ্মৰ পুনৰীক্ষণৰ ক্ষেত্ৰত প্ৰাথমিক স্তৰত গৱেষকে নিজৰ পূৰ্বৰে পৰা থকা ধাৰণাৰআধাৰত পক্ষপাতী সিদ্ধান্তৰে পৰিচালিত হব পাৰে আৰু কেনেকৈ তেনে পূৰ্ব ধাৰণাই পুনৰীক্ষণত প্ৰভাৱ পেলাব পাৰে আলোচনা কৰে। প্ৰায়ে সংখ্যাগত গৱেষণাৰ ক্ষেত্ৰত গৱেষকে অধ্যয়নৰ বাবে প্ৰাকৃতিক পৰিৱেশক গ্ৰহণ কৰে আৰু পুনৰীক্ষণৰ সিদ্ধান্তক সত্য হিচাপে আগবঢ়ায়। এনে ক্ষেত্ৰত পুনৰীক্ষণ গুণগতই হওক, সংখ্যাগতই হওক, গৱেষণাৰ বাবে পৰিপ্ৰেক্ষা বহলাই লোৱা হয়। গৱেষণাত মুখ্য আৰু গৌণ উৎসৰ পুনৰীক্ষণ পদ্ধতি সমান্তৰালভাৱে প্ৰয়োগ হোৱাৰে পৰা ই গৱেষকক এই সচেতনতাও প্ৰদান কৰিলে যে, গুণগত গৱেষণাৰ পৰম্পৰা আৰু তাৰ প্ৰকাশ পক্ষপাতদৃষ্টও হ'ব পাৰে আৰু তেনে ক্ষেত্ৰত সংখ্যাগত গৱেষণাৰ পুনৰীক্ষণ পৰম্পৰাই নিৰপেক্ষ অৱস্থিতি অথবা দৃষ্টিভংগী দাবী কৰিব পাৰে।

**কভাৰেজ্ ঃ**

একোটা সামগ্ৰিক তথ্য পুনৰীক্ষণত একোটা গৱেষণা কাৰ্যৰ বাবে উপলব্ধ হোৱা প্ৰকাশিত-অপ্ৰকাশিত প্ৰতিটো তথ্য বিবেচিত হোৱাৰ লগে লগে তাৰ অৱস্থানো নিৰূপণ কৰিবলৈ গৱেষক প্ৰতিশ্ৰুতিবদ্ধ। যি কি নহওক, গৱেষণাৰ প্ৰতিটো অংশ বিচাৰি উলিয়াওতে অধিক সময় লাগিব পাৰে। জনসংখ্যা নিৰূপণ কৰিবলৈ এনেদৰে কৰা সামগ্ৰিক পুনৰীক্ষণৰ মূল কাৰ্য সীমাৱদ্ধ আৰু পুনৰীক্ষণ কৰিবলৈ গ্ৰহণ কৰা প্ৰবন্ধ অথবা লেখাও পৰিচালনা কৰিব পৰা ধৰণৰ হয়। উদাহৰণস্বৰূপে— গৱেষকে পুনৰীক্ষণৰ বাবে জাৰ্নালত প্ৰকাশ পোৱা প্ৰবন্ধকহে গ্ৰহণ কৰিব পাৰে, কিন্তু চেমিনাৰ পেপাৰ নল'বও পাৰে। তেনে বৰ্জনৰ সপক্ষত সবল তাত্ত্বিক যুক্তি থকা উচিত। প্ৰতিনিধিত্বমূলক নমুনাকো তথ্যৰ পুনৰীক্ষণৰ ক্ষেত্ৰত বিবেচনা কৰা হয়। উদাহৰণস্বৰূপে— তেনে দৰে সংগ্ৰহ কৰা প্ৰতিনিধিত্বমূলক নমুনাৰ পৰাই সামগ্ৰিক জনসংখ্যাৰ বিষয়ে অনুমান কৰিব পাৰি। যি কি নহওক খেলিমেলিকৈ সংগ্ৰহ কৰা নমুনা নিৰ্দ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যেৰে কৰা সংগ্ৰহতকৈ বহুত পিছত ৰৈ যায়। সি যি কি নহওক, গৱেষণা ক্ষেত্ৰত সাক্ষ্য সংগ্ৰহ কৰিবলৈ কৰা নিৰ্দ্দিষ্ট প্ৰয়াসে এইটো প্ৰতিপন্ন কৰিব পাৰিব লাগিব যে প্ৰতিনিধিত্বমূলক নমুনা সঁচা অৰ্থত প্ৰতিনিধিত্বমূলক। মূল কথা হ'ল গৱেষকে নিৰ্বাচন কৰা সংশ্লিষ্ট বিষয়ৰ গৱেষণা ক্ষেত্ৰৰ কেন্দ্ৰীয় তথ্য সাহিত্য প্ৰত্যয়জনক হ'ব লাগিব।

**সংগঠন ঃ**

পূর্ব তথ্য সাহিত্য সংগঠনৰ কেইবাবিধো বিন্যাস পৰিলক্ষিত হয়। তাৰ ভিতৰত তিনিটাৰ সঘন ব্যৱহাৰ হোৱা বিন্যাস হ'ল—

- ঐতিহাসিক বিন্যাস (Historical Format)
- ধাৰণাত্মক বিন্যাস (Conceptual Format)
- পদ্ধতিগত বিন্যাস (Methodological Format)

ঐতিহাসিক বিন্যাস কালানুক্রমিকভাৱে কৰা হয়। স্পষ্টভাৱে যেতিয়া গৱেষণা পদ্ধতি অথবা তত্ত্বৰ অগ্ৰগতি গুৰুত্বপূর্ণ হৈ উঠে, তেতিয়া ঐতিহাসিক বিন্যাসক আগস্থান দিয়া হয়। সাংগঠনিক পৰিকল্পনাৰ অন্য এটি বিন্যাস, ধাৰণাত্মক বিন্যাস নির্মাণ হয় ধাৰণাৰ ওপৰত ভিত্তি কৰি। উদাহৰণস্বৰূপে গৱেষণাকর্মৰ পুনৰীক্ষণৰ সংগঠনৰ উপস্থাপন যুক্তিসংগতভাৱে অথবা তাত্ত্বিকভাৱে নিবদ্ধ হ'ব পাৰে। তেনে ক্ষেত্ৰত ইয়াৰ সংগঠন সাহিত্যত থকা বিভিন্ন তত্ত্বৰ আধাৰত হ'ব পাৰে। কিছু ক্ষেত্ৰত এই সংগঠন মিশ্ৰণ আৰু সদৃশতাৰ ভেঁটিত এনে বিন্যাস ঘটিব পাৰে। উদাহৰণস্বৰূপে গৱেষকে পদ্ধতিক ব্যাখ্যা কৰিবলৈ পৰিচয়ৰে আৰম্ভ কৰি সিদ্ধান্ত প্ৰকাশ কৰিবলৈ ঐতিহাসিক অথবা ধাৰণাগত বিন্যাস ব্যৱহাৰ কৰিব পাৰে; তাৰপিছত সিদ্ধান্তৰ আলোচনালৈ আগবাঢ়িব পাৰে। এনে সাংগঠানিক বিন্যাস প্ৰায়ে পৰিৱৰ্তিত বিশ্লেষণাত্মক প্ৰতিবেদনত পৰিলক্ষিত হয়।

**নিৰীক্ষণ ঃ**

এখন থেছিছৰ ক্ষেত্ৰত তত্ত্বাৱধায়ক আৰু সমালোচক হ'ল তাৰ মূল নিৰীক্ষণ। তাৰ পিছতহে গৱেষণাকর্ম গৱেষণাৰ বিষয়ক্ষেত্ৰৰ গৌণ নিৰীক্ষক অর্থাৎ পাঠকৰ ওচৰত উন্মুক্ত হয়। এই সকল নিৰীক্ষকৰ বিচাৰত গৱেষণা গ্ৰন্থ এখন সফল বুলি প্ৰতীয়মান হয়। এইদৰে পূর্ব সাহিত্যৰ সাহিত্যৰ পুনৰীক্ষণ ক্ৰম অনুযায়ী কৰা শ্ৰেণীবিন্যাসৰ স্তৰ অতিক্ৰম কৰিহে গৱেষণা কৰিবলগীয়া বিষয়ৰ দিক্নির্ণায়ক ভূমিকাত অৱতীর্ণ হয়।

সমালোচনামূলক দিশৰ প্ৰতিটো তথ্য আৰু সামগ্ৰিক তথ্য পুনৰীক্ষণ প্ৰক্ৰিয়াৰ মূল্যায়নত প্ৰাপ্ত তথ্যৰ আধাৰত গৱেষণাৰ পৰৱৰ্তী স্তৰলৈ যাত্ৰাত সূচল হয়। এই ক্ষেত্ৰত সাধাৰণতে গৱেষণাৰ পৰৱৰ্তী পর্যায়ৰ পদক্ষেপত প্ৰতি মুহূর্তত পাঁচটা মূল কার্যকৰী দিশ গুৰুত্ব সহকাৰে বিবেচিত হোৱা উচিত—

- উৎস (Provenance)
- পদ্ধতিবিজ্ঞান (Methodology)
- নৈর্ব্যক্তিকতা (Objectivity)
- প্ৰত্যয়জনক (Persuasiveness)
- মূল্য (Value)



**প্ৰাপ্ত পূর্ব সাহিত্যৰ পুনৰীক্ষণ ঘটিত গৱেষণাৰ স্তৰ**

| | গৱেষণাৰ স্তৰ | | | | |
|---|---|---|---|---|---|
| স্তৰ বৈশিষ্ট্য | প্ৰশ্ন বা সমস্যাৰসমাধান | তথ্য সংগ্ৰহ | তথ্য মূল্যায়ন | ব্যাখ্য আৰু বিশ্লেষণ | প্ৰকাশ্য উপস্থাপন |
| গৱেষণা প্ৰশ্ন অৱতাৰণা | কি সাক্ষ্য বা প্ৰমাণ পুনৰীক্ষণত থাকিব লাগিব নিশ্চিত কৰা | প্ৰাসংগিক সাক্ষ্য প্ৰমাণ গোটাবলৈ কি প্ৰক্ৰিয়া গ্ৰহণ কৰা উচিত নির্ধাৰণ কৰা | পুনৰুদ্ধাৰ কৰা কি প্ৰমাণ বা সাক্ষ্য পুনৰীক্ষণত সংযোগ হোৱা উচিত? | সম্পূর্ণ তথ্য সাহিত্যৰ বিষয়ে অনুমান কৰিবলৈ কি প্ৰক্ৰিয়া ব্যৱহাৰ হ'ব? | কি তথ্য পুনৰীক্ষণ প্ৰতিবেদনত কি তথ্য সন্নিৱিষ্ট হ'ব নিশ্চিত কৰা |
| পুনৰীক্ষণৰ প্ৰাথমিক গঠন | প্ৰাসংগিক আৰু অপ্ৰাসংগিক তথ্যৰ মাজত প্ৰভেদ নির্ধাৰণ | কোনবোৰ উৎস প্ৰাসংগিক হোৱাৰ সম্ভাৱনা আছে নিশ্চিত কৰা। | যুক্তিনিষ্ঠ আৰু যুক্তিহীন তথ্যৰ মাজৰ প্ৰভেদ নির্ণয়ৰ বাবে কৌশল নির্মাণ কৰা | পুনৰুদ্ধাৰকৃত তথ্যৰ সংশ্লেষণ সাধন কৰা। | গুৰুত্বপূর্ণ আৰু গুৰুত্বহীন তথ্যৰ সম্পাদনাৰ কৌশল নিৰূপন কৰা |
| পুনৰীক্ষণৰ সিদ্ধান্তত পৰিৱৰ্তন অনা প্ৰক্ৰিয়াগত ভিন্নতা | ১) অন্তর্ভুক্ত হেৰা কার্যক্ষম তথা ভিন্নতাৰ সংজ্ঞা ২) কার্যক্ষম নিৰূপন আৰু বিস্তাৰিত তথ্যৰ ভিন্নতা | গৱেষণাত সন্নিৱিষ্ট হোৱা তথ্য উৎসৰ ভিন্নতা | ১) গুণগত কৌশলৰ ভিন্নতা বিচাৰ কৰা ২) অ-গুণগত কৌশলৰ ভিন্নতা বিচাৰ কৰা | অনুমান প্ৰক্ৰিয়াৰ ভিন্নতা পৰীক্ষা কৰা। | সম্পাদকীয় বিচাৰ নীতিৰ ভিন্নতা পৰীক্ষা কৰা |
| পুনৰীক্ষণৰ সিদ্ধান্তত সম্ভাৱনীয় দুর্বলতাৰ উৎস | ১) ধাৰণাৰ সংকীর্ণতাই পুনৰীক্ষণৰ সিদ্ধান্ত অস্পষ্ট আৰু দুর্বল কৰিব পাৰে। ২) অগভীৰ প্ৰক্ৰিয়াৰ ব্যৱহাৰে পৰিৱর্তনশীল পাৰস্পৰিক ক্ৰিয়া পৰীক্ষা কৰা | ১) পুনৰীক্ষণ প্ৰাপ্ত সিদ্ধান্তৰ গুণগত তথ্যৰ লক্ষ্য সংখ্যাগত তথ্যৰ অধ্যয়নৰপৰা পৃথক হ'ব পাৰে পৰীক্ষা কৰা। ২) প্ৰাপ্ত নমুনা তথ্যৰ অধ্যয়নৰ লক্ষ্য তথ্যদাতাৰপৰা বেলেগ হ'ব পাৰে নিশ্চিত কৰা। | ১) পৰস্পৰ সমতাহীন বিষয়সমূহ অনুপযুক্ত অধ্যয়নৰ কাৰণ হ'ব পাৰে নিশ্চিত কৰা ২) প্ৰতিবেদনৰ ভ্ৰান্তিয়ে অপ্ৰত্যাশিত সিদ্ধান্ত দিব পাৰোপুনঃ পুনঃ মূল্যায়ন কৰা। | ১) স্থবি-জাবি অনেক তথ্যৰ মাজৰ পৰা প্ৰাপ্ত পার্থক্য নির্দেশ কৰা। তেনে নমুনাসমূহে উপযুক্ত নহ'ব পাৰে পৰীক্ষা কৰা। ২) পুনৰীক্ষণ নির্ভৰ সাক্ষ্য-প্ৰমাণ কার্য-কাৰণ সম্পর্ক অনুমানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি। | ১) পুনৰীক্ষণ প্ৰক্ৰিয়াৰ ভ্ৰান্তিয়ে সামৰণিত পুনৰ্গঠন সম্ভাৱনা নোহোৱা কৰে নিশ্চিত কৰা। ২) পুনৰীক্ষণ সিদ্ধান্ত আৰু অধ্যয়ন প্ৰক্ৰিয়াৰ ভ্ৰান্তিয়ে সিদ্ধান্ত বাতিল কৰিব পাৰে নিশ্চিত কৰা। |

**সাহিত্য-সংস্কৃতিৰ গৱেষণাত পূৰ্বসাহিত্যৰ পুনৰীক্ষণ ঃ**

সাহিত্য-সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত পূৰ্বসাহিত্যৰ পুনৰীক্ষণৰ কিছু সুকীয়া বৈশিষ্ট্য আছে। সেয়ে সাহিত্যৰ গৱেষণাৰ বিষয়ে তলত বহলাই আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। দেখা যায় বহু পৰম্পৰাগত গৱেষণাই প্ৰকৃতিত নিয়মনিষ্ঠ (Formal) আৰু ক্ৰিয়ামূলক (Functional) হ'বলৈ যত্ন কৰে। সাহিত্যৰ গৱেষণাত গৱেষণা যদি উদ্‌ঘাটনকাৰী অথবা সূত্ৰৱদ্ধ হয়, তেন্তে গৱেষণাৰ ক্ষেত্ৰত গৱেষকৰ লক্ষ্য কেৱল কোনো অপৰিচিত প্ৰেক্ষাপট অথবা ক্ষেত্ৰৰ প্ৰতি সজাগতা সৃষ্টি কৰাই নহয়, নতুন দৃষ্টিভংগীৰে তেনে বিষয় একোটাৰ বিশ্লেষণ আৰু মূল্যায়ন কৰাও আৱশ্যক হ'ব। আনহাতে বৰ্ণনাত্মক গৱেষণাত আকৌ নিৰ্দ্দিষ্ট একোটি বিষয় অথবা কোনো নিৰ্দিষ্ট পৰিঘটনাৰ অন্তৰ্নিহিত সত্যৰ স্পষ্টতা চিহ্নিত কৰা বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰি উলিওৱা হ'ব। তেনে ক্ষেত্ৰত বৈশিষ্ট্যসমূহৰ যথাৰ্থ ছবি এখন পৰিষ্কাৰ ৰূপত উদ্ধাৰ কৰাৰ লক্ষ্যৰে অধ্যয়ন সম্পন্ন কৰা হয়। সেইদৰে আন্তঃক্ষেত্ৰৱৰ্তী সম্পৰ্কৰ ৰূপত সাহিত্য-সংস্কৃতি বিষয়ত যদি নিদানাত্মক গৱেষণাৰ প্ৰসংগ আহে, তেন্তে সেই নিৰ্দিষ্ট সমস্যাৰ কাৰণ আৰু কাৰক নিৰ্ণায়ক উদ্দেশ্য অথবা কোনো বিশিষ্ট বিষয়ৰ লগত জড়িত আন কোনো দিশ বা বিষয়ৰ পৰিসংখ্যা নিৰ্দ্ধাৰণ কৰাৰ লক্ষ্যও নিহিত হ'ব। আচলতে প্ৰাক্‌কল্পনা-সম্পৰীক্ষণ সম্পৰ্কীয় গৱেষণাত আকৌ কোনো বিষয় অথবা কোনো বিশিষ্ট দিশৰ গৱেষণাৰ বাবে প্ৰাথমিক স্তৰত পূৰ্ব ধৰণাৰে প্ৰস্তুত কৰা প্ৰাক্‌কল্পনা আৰু তাৰ লগত গৱেষণাৰ অন্তত প্ৰাপ্ত সিদ্ধান্তৰ পুনৰীক্ষশ আৰু সম্পৰীক্ষশৰ লক্ষ্য নিহিত হয়। সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত প্ৰাক্‌কল্পনা প্ৰায় ক্ষেত্ৰতে পৰিৱৰ্তিত হোৱা দেখা যায়। আনহাতে সাহিত্যৰ ক্ষেত্ৰত প্ৰাক্‌কল্পনা প্ৰায়ে অনিশ্চিত হয়। সেয়ে সাহিত্যৰ গৱেষণা ক্ষেত্ৰত বহু সময়ত প্ৰাক্‌কল্পনা কৰাৰ অৱকাশ নাথাকে।

**প্ৰাক্‌কল্পনা (Hypothesis)ঃ**

প্ৰাক্‌কল্পনা (Hypothesis)ক এক প্ৰকাৰ বুদ্ধিদীপ্ত অনুমান অথবা ধাৰণা বুলি অভিহিত কৰিব পাৰি, যি গৱেষকক গৱেষণা প্ৰশ্নৰ উত্তৰ সন্ধানৰ পথ নিৰ্দ্দেশ কৰিব পাৰে। প্ৰাক্‌কল্পনা অথবা অনুমানৰ প্ৰকল্পনাক এক আনুষ্ঠানিক সম্ভাব্য বিবৃতি বুলিব পাৰি অথবা কোনো নিৰ্দ্দিষ্ট জনসংখ্যাৰ মাজৰ দুই বা ততোধিক পৰিৱৰ্তনশীল চলৰাশি (Variable)ৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত অনুমান কৰা কোনো ধাৰণা অথবা ব্যাখ্যাও বুলিব পাৰি। অৰ্থাৎ ই হ'ল অধ্যয়ন কৰিবলগীয়া দুই বা ততোধিক চলৰাশিৰ মাজৰ সম্পৰ্কৰ বিষয়ে অনুমান কৰা এক প্ৰকাৰ আনুষ্ঠানিক আৰু সম্ভাব্য বিবৃতি। প্ৰাক্‌কল্পনাই গৱেষণা প্ৰশ্ন আৰু গৱেষণাৰ উদ্দেশ্যৰ স্পষ্ট ব্যাখ্যা কৰিব পাৰে আৰু গৱেষণাৰ অন্তত



আশা কৰা ধৰণৰ সিদ্ধান্তৰ বিষয়ে সম্ভাব্য পূৰ্ব অনুমান কৰিব পাৰে । প্ৰাক্‌কল্পনা পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ (Review of Literature), গৱেষণা প্ৰশ্ন (Research Question) আৰু ধাৰণাগত কাঠামো (Conceptual Framework)ৰ পৰা উদ্ভুত হয় । কোনো গৱেষণা আঁচনিৰ প্ৰাক্‌কল্পনা প্ৰস্তুত কৰোঁতে গৱেষকে পূৰ্বসাহিত্যৰ পুনৰীক্ষণ আৰু ধাৰণাত্মক ফ্ৰেমৱৰ্ক যুক্তিসন্মতভাৱে অনুসৰণ কৰে। গৱেষণাকৰ্মত প্ৰাক্‌কল্পনাৰ অৱদান তলত দিয়া ধৰণৰ—

- গৱেষণা প্ৰশ্ন আৰু উদ্দেশ্যক স্পষ্টতা প্ৰদান কৰে।
- সম্ভাৱনাৰ বৰ্ণনা, ব্যাখ্যা আৰু বিশ্লেষণ কৰি সম্ভাৱ্য সিদ্ধান্তৰ ধাৰণা দিয়ে।
- গৱেষণা আঁচনিৰ প্ৰকাৰ কেনে হ'ব ইংগিত দিয়ে।
- গৱেষণা প্ৰক্ৰিয়াক পথ নিৰ্দ্দেশ কৰে।

গৱেষণাৰ ক্ষেত্ৰত প্ৰাক্‌কল্পনাৰ সাধাৰণ অৰ্থ হ'ল বিষয়ৰ সিদ্ধান্ত সম্পৰ্কে এক প্ৰকাৰ যুক্তিসংগত পূৰ্বধাৰণা, যাক গৱেষণাৰ জৰিয়তে পৰীক্ষা কৰি চোৱা হ'ব। পৰীক্ষা কৰাৰ অন্তত সেই পূৰ্বধাৰণাৰ সত্য অথবা ভুল প্ৰমাণিত হ'ব। একোটি গৱেষণা আৰম্ভ কৰাৰ পূৰ্বে অনেক গৱেষণা প্ৰবন্ধ, গ্ৰন্থ, প্ৰতিবেদন, নথি-পত্ৰ, পঢ়া-শুনা কৰি নিৰ্দিষ্ট গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্য স্থিৰ কৰা হয়, সেই অনুযায়ী তাত্ত্বিক আধাৰ অনুসন্ধান কৰা হয় আৰু পদ্ধতি নিৰ্মাণ কৰা হয়। এনে প্ৰাপ্ত তথ্য সাহিত্যৰ অধ্যয়ন প্ৰক্ৰিয়াক পূৰ্ব সাহিত্যৰ সমীক্ষা বুলি কোৱা হয়। প্ৰাপ্ত পূৰ্ব সাহিত্যৰ সমীক্ষাৰ জৰিয়তে গৱেষণাৰ বিষয় সম্পৰ্কে এটি ধাৰণা অথবা পটভূমি নিৰ্মাণ হয়। আৰু সেই গৱেষণাৰ প্ৰয়োজনত তথ্য-সমল, প্ৰয়োজনীয় সঁজুলি, কৌশল, পৰিসৰ ইত্যাদিও নিৰ্ধাৰণ কৰা হয়। এনেদৰে গৱেষণা কৰিবলগীয়া বিষয়ৰ এটি প্ৰাক্‌কল্পনা প্ৰস্তুত কৰা হয়। প্ৰাক্‌কল্পনা নিৰপেক্ষ হোৱা বাঞ্চনীয়। প্ৰাক্‌কল্পনাক এক প্ৰকাৰ বুদ্ধিদীপ্ত অনুমান অথবা ধাৰণা বুলি অভিহিত কৰিব পাৰি, যি গৱেষকক গৱেষণা প্ৰশ্নৰ উত্তৰ সন্ধানৰ পথ নিৰ্দ্দেশ কৰিব পাৰে। প্ৰাক্‌কল্পনা অথবা অনুমানৰ প্ৰকল্পনাক এক আনুষ্ঠানিক সম্ভাব্য বিবৃতি বুলিব পাৰি অথবা কোনো নিৰ্দিষ্ট জনসংখ্যাৰ মাজৰ দুই বা ততোধিক পৰিৱৰ্তনশীল চলৰাশি (Variable)ৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত অনুমান কৰা কোনো ধাৰণা অথবা ব্যাখ্যাও বুলিব পাৰি। অৰ্থাৎ ই হ'ল অধ্যয়ন কৰিবলগীয়া দুই বা ততোধিক চলৰাশিৰ মাজৰ সম্পৰ্কৰ বিষয়ে অনুমান কৰা এক প্ৰকাৰ আনুষ্ঠানিক আৰু সম্ভাব্য বিবৃতি। প্ৰাক্‌কল্পনাই গৱেষণা প্ৰশ্ন আৰু গৱেষণাৰ উদ্দেশ্যৰ স্পষ্ট ব্যাখ্যা কৰিব পাৰে আৰু গৱেষণাৰ অন্তত আশা কৰা ধৰণৰ সিদ্ধান্তৰ বিষয়ে সম্ভাব্য পূৰ্ব অনুমান কৰিব পাৰে। প্ৰাক্‌কল্পনা পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ, গৱেষণা প্ৰশ্ন আৰু ধাৰণাগত কাঠামোৰ পৰা উদ্ভুত হয়। একোটা প্ৰাক্‌কল্পনাৰ ক্ষেত্ৰত কিছুমান

মৌলিক দিশলৈ চকু ৰাখিবলগীয়া হয়। যেনে —

- প্ৰাক্‌কল্পনা উদ্দেশ্য সাধনৰ কাৰণে পৰ্যাপ্ত হ'ব লাগিব।
- প্ৰাক্‌কল্পনাৰ আৰশ্যাম্ভাৰী ৰূপত পৰীক্ষণযোগ্যতা থাকিব লাগিব।

যেনে ঃ যদি 'উজনি অসমৰ চাহ জনগোষ্ঠীৰ লোক-জীৱন' সম্পৰ্কে অধ্যয়ন কৰা হয়, তেন্তে সেই বিষয়ৰ পূৰ্বে হোৱা গৱেষণা প্ৰবন্ধ, প্ৰতিবেদন, গ্ৰন্থ, নথি-পত্ৰৰ পুনৰীক্ষণ হ'ব লাগিব, সমীক্ষা হ'ব লাগিব। সেই প্ৰাপ্ত তথ্য সাহিত্যৰ সমীক্ষাৰ জৰিয়তে গৱেষণা বিষয়ৰ পৰীক্ষণীয় দিশ সম্পৰ্কে এটা পূৰ্ব ধাৰণা নিৰ্মাণৰ পটভূমি তৈয়াৰ হয়, সেই পটভূমিত থিয় হৈ প্ৰস্তাৱিত বিষয় সম্পৰ্কে প্ৰস্তুত কৰিবপৰা হয় প্ৰাক্‌কল্পনা। ওপৰত উল্লেখ কৰা বিষয় সম্পৰ্কে প্ৰাপ্ত তথ্য সাহিত্যৰ সমীক্ষাত এখন পৰিষ্কাৰ চিত্ৰ সন্মুখলৈ আহিব আৰু কৰণীয় দিশ পৰিস্ফুট হৈ সন্মুখলৈ আহিব আৰু তেনেদৰে প্ৰস্তাৱিত বিষয়ৰ প্ৰাক্‌কল্পনা নিৰ্মাণ হ'ব। প্ৰাক্‌কল্পনাৰ স্বৰূপ তিনি প্ৰকাৰৰ—

- পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনা(Trial or Working Hypoyhesis)
- অকাৰ্যকৰী প্ৰাক্‌কল্পনা (Null Hypothesis)
- বিকল্প প্ৰাক্‌কল্পনা (Alternative Hypothesis)

ওপৰত উল্লেখ কৰা প্ৰকাৰ কেইটাৰ উপৰিও প্ৰাক্‌কল্পনাৰ আনকেইটিমান প্ৰকাৰ হ'ল—

- বৰ্ণনাত্মক প্ৰাক্ কল্পনা (Descriptive Hypothesis)
- যুক্তিসন্মত প্ৰাক্ কল্পনা (Rational Hypothesis)
- পাৰিসাংখ্যিক প্ৰাক্ কল্পনা (Satistical Hypothesis)

**পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনা ঃ**

যিকোনো গৱেষণা পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনাৰ জৰিয়তেই আৰম্ভ হয়। কেতিয়াবা পূৰ্বধাৰণাৰে প্ৰস্তুত কৰা পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনা যুক্তি, তথ্য আৰু প্ৰমাণেৰে সৈতে গৱেষণাৰ অন্তত লাভ কৰা গৱেষণাৰ সিদ্ধান্তৰ লগত নিমিলিব পাৰে। কেতিয়াবা গৱেষণা কৰ্ম শেষ হোৱালৈকে গৱেষণা ক্ষেত্ৰৰ পৰিৱৰ্তন ঘটিব পাৰে, আশা কৰাতকৈ নতুন যুক্তি-তথ্যৰ উদ্ভাৱন হ'ব পাৰে অথবা গৱেষণা কৰি থাকোঁতে নতুন নতুন দিশৰ উন্মোচন হৈ নিৰ্দিষ্ট প্ৰাক্‌কল্পনাতকৈ বেলেগ সিদ্ধান্তত উপনীত হ'বপৰা যায়। অৱশ্যে পূৰ্ব ধাৰণাকৃত প্ৰাক্‌কল্পনাও প্ৰমাণিত সিদ্ধান্তত পৰিণত হ'ব পাৰে। সেয়ে এনে সম্ভাৱনাৰ দিশলৈ লক্ষ্য ৰাখি এনে প্ৰাক্‌কল্পনাক পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনা বুলি অভিহিত কৰা হয়।



**অকাৰ্যকৰী প্ৰাক্‌কল্পনা ঃ**

অকাৰ্যকৰী প্ৰাক্‌কল্পনা পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনাতকৈ বেলেগ। অৰ্থাৎ কোনো পূৰ্ব ধাৰণাকৃত প্ৰাক্‌কল্পনাই যেতিয়া গৱেষণাৰ অন্তত লাভ কৰা সিদ্ধান্তৰ লগত নিমিলে। এনে পূৰ্বানুমিত প্ৰাক্‌কল্পনাৰ লগত সম্পূৰ্ণ নিমিলা প্ৰাক্‌কল্পনাক অকাৰ্যকৰী প্ৰাক্‌কল্পনা বুলিব পাৰি।

**বিকল্প প্ৰাক্‌কল্পনা ঃ**

বিকল্প প্ৰাক্‌কল্পনাই অকাৰ্যকৰী প্ৰাক্‌কল্পনাৰ বিপৰীতে পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনাক প্ৰমাণিত কৰিবলৈ বিকল্প প্ৰাক্‌কল্পনাৰো পূৰ্ব ধাৰণা কৰে। এনেদৰে যি প্ৰাক্‌কল্পনাৰ সহায়ত পৰীক্ষামূলক অথবা কাৰ্যকৰী প্ৰাক্‌কল্পনা সিদ্ধান্তত পৰিণত হোৱাত সহায়ক হয়, তেনে প্ৰাক্‌কল্পনাক বিকল্প প্ৰাক্‌কল্পনা বুলি অভিহিত কৰা হয়।

কোনো গৱেষণা আঁচনিৰ প্ৰাক্‌কল্পনা প্ৰস্তুত কৰোঁতে গৱেষকে পূৰ্বসাহিত্যৰ পুনৰীক্ষণ আৰু ধাৰণাত্মক ফ্ৰেমৱৰ্ক যুক্তিসন্মতভাৱে অনুসৰণ কৰে। গৱেষণাকৰ্মত প্ৰাক্‌কল্পনাৰ অৱদান তলত দিয়া ধৰণৰ—

- গৱেষণা প্ৰশ্ন আৰু উদ্দেশ্যক স্পষ্টতা প্ৰদান কৰে।
- সম্ভাৱনাৰ বৰ্ণনা, ব্যাখ্যা আৰু বিশ্লেষণ কৰি সম্ভাব্য সিদ্ধান্তৰ ধাৰণা দিয়ে।
- গৱেষণা আঁচনিৰ প্ৰকাৰ কেনে হ'ব ইংগিত দিয়ে।
- গৱেষণা প্ৰক্ৰিয়াক পথ নিৰ্দ্দেশ কৰে।


অৱশেষত ক'ব পাৰি যে প্ৰাক্‌কল্পনা এক প্ৰকাৰ সম্ভাব্য পূৰ্বপ্ৰস্তাৱ যি গৱেষণাকৰ্মৰ অন্তত সম্ভৱপৰ সিদ্ধান্তত উপনীত হোৱাত সহায়ক হয়। গৱেষণাৰ দিশ নিৰ্ণয় কৰি গৱেষণাৰ প্ৰকাৰ নিৰ্বাচনতো সহায় কৰে।

গৱেষণাকৰ্মত প্ৰাক্‌কল্পনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আচলতে বিজ্ঞান আৰু বিজ্ঞানধৰ্মিতা থকা গৱেষণা বিষয়ৰ গৱেষণাৰ ক্ষেত্ৰত প্ৰাক্‌কল্পনাই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৱশ্যে ভাষা-সংস্কৃতিৰ গৱেষণাতো প্ৰাক্‌কল্পনাৰ প্ৰয়োগ হয়। হ'লেও সাহিত্যৰ গৱেষণাত অৱশ্যে প্ৰাক্‌কল্পনাৰ প্ৰয়োগ কৰা সদায় সম্ভৱ নহয়। তথাপি গৱেষণাকৰ্মত প্ৰাক্‌কল্পনা এটি উল্লেখযোগ্য স্তৰ বুলি বিবেচিত হয়।

পঞ্চম অধ্যায়

# গৱেষণাৰ তথ্য ঃ সংগ্ৰহ, বিশ্লেষণ আৰু উপস্থাপন

গৱেষণা কৰ্মত সৰ্বাধিক গুৰুত্বপূৰ্ণ উপাদান হ'ল তথ্য (Data)। তথ্য নোহোৱাকৈ কোনো গৱেষণাকৰ্মত আগবঢ়া সম্ভৱ নহয়। ইংৰাজী ডাটা (Data) পৰিভাষাটোৱে গৱেষকে গৱেষণা কৰিবলৈ বাছি লোৱা বিষয় সম্পৰ্কে অধ্যয়নত অংশ গ্ৰহণ কৰি আহৰণ কৰা যিকোনো ধৰণৰ তথ্যকে সূচায়। গতিকে গৱেষণাকৰ্মত গৱেষণা প্ৰশ্ন অথবা গৱেষণা সমস্যাৰ উত্তৰ অথবা সমাধানৰ সন্ধান কৰাৰ উদ্দেশ্যেৰে তথ্য আহৰণ কৰাৰ প্ৰয়াস কৰা হয়। আভিধানিক অৰ্থত তথ্যই প্ৰকৃত সত্যৰ কথাও সূচায়, যি সত্যৰ ওপৰত নিৰ্ভৰ কৰি গৱেষণাকৰ্মৰ সিদ্ধান্ত নিৰ্মাণ কৰিব পাৰি। আনহাতে তথ্যই আকৌ সংগৃহীত ৰেকৰ্ডিঙ (Recording) অথবা পৰ্যবেক্ষিত পৰিসংখ্যাৰ কথাও সূচায়। সেই ক্ষেত্ৰত পৰিসংখ্যা তথ্যক প্ৰয়োগ উপযোগী কৰি তোলা এক প্ৰকাৰ সাধন। পৰিসংখ্যাই নিৰ্ধাৰণ কৰে কেনেকৈ তথ্যক গৱেষণা কাৰ্যৰ উপযোগী কৰি তোলা হয়।





ক'ৰ পৰা কেনেকৈ তথ্য সংগ্ৰহ কৰা হ'ব, কেনেকৈ সেই তথ্যৰ সঠিকতা নিশ্চিত কৰা হ'ব, সেই তথ্যৰ বিশ্বাসযোগ্যতা আছেনে আৰু সেই তথ্য যৰ পৰা সংগ্ৰহ কৰা হৈছে, সি সামূহিক জনসংখ্যাক প্ৰতিনিধিত্ব কৰিব পাৰাকৈ পৰ্যাপ্তনে পৰীক্ষা কৰা হয়।

তথ্য সদায় অপৰিশোধিত (Crude), কেঁচা অথবা আঁকৰ (Raw) সামগ্ৰীৰ ৰূপত পোৱা যায়। সেই অপৰিশোধিত তথ্য নিজে নিজে প্ৰয়োজনীয় তথ্যলৈ পৰিৱৰ্তিত নহয়, তাক প্ৰস্তুত কৰিবলগীয়া হয়। এনেদৰে তথ্যক গৱেষণা প্ৰতিবেদন তথা গ্ৰন্থত প্ৰয়োগ কৰিব পৰা প্ৰয়োজনীয় ৰূপলৈ উন্নীত কৰি প্ৰস্তুতকৰণৰ এক নিৰ্দিষ্ট ক্ৰম থাকে।

অপৰিশোধিত তথ্যক গৱেষণা গ্ৰন্থত সন্নিৱিষ্ট কৰাৰ উপযোগী জ্ঞানলৈ ৰূপান্তৰিত কৰাৰ অনুক্ৰমকেইটি হ'ল—

- অপৰিশোধিত অৱস্থাৰ পৰা পৰিশোধিত অৱস্থালৈ
- পৰিশোধিত অৱস্থাৰ পৰা প্ৰয়োগ উপযোগিতালৈ
- প্ৰয়োগ উপযোগিতাৰ পৰা প্ৰামাণ্য সত্যলৈ
- প্ৰামাণ্য সত্যৰ পৰা গৱেষণালব্ধ জ্ঞানলৈ

গৱেষণাকৰ্ম এটিৰ সিদ্ধান্ত গ্ৰহণৰ লগত প্ৰাসংগিক হ'লেহে অপৰিশোধিত অথবা কেঁচা তথ্যৰ পৰা প্ৰয়োজনীয় আৰু প্ৰামাণ্য সত্যলৈ আৰু সেই সত্যৰ পৰা প্ৰয়োজনীয় জ্ঞানলৈ ৰূপান্তৰিত কৰিব পৰা হয়। গৱেষণা কৰ্ম এটিৰ কাৰ্যকৰী পৰ্যায়ৰ প্ৰথম স্তৰত বিশাল অপৰিশোধিত (Crude) তথ্যৰ মাজৰ পৰা উপযোগী তথ্য নিৰ্বাচনত আৰম্ভ কৰি বিষয় অনুসন্ধান ক্ৰমে সংশ্লেষিত আৰু মূল্যায়নৰ যাত্ৰা উৰ্দ্ধগামী হ'বলৈ আৰম্ভ কৰে আৰু অৱশেষত সত্যত উপনীত হয়। তলত এই উৰ্ধমুখী গতিক চিহ্নিত কৰি দেখুওৱা হ'ল—




তথ্যৰ সঠিক ব্যাখ্যা (Interpretation) ৰ দ্বাৰাহে সিদ্ধান্তত উপনীত হ'ব পাৰি। সেয়ে ব্যাখ্যা গৱেষণা কৰ্মৰ এটি মৌলিক অংগ বুলি প্ৰতীয়মান হয়। তথ্য আহৰণ আৰু বিশ্লেষণ (Analysis) ৰ পিছত সিদ্ধান্ত নিৰ্মাণ কৰিবলগীয়া হয়। এই কাৰ্য অতি সাৱধানে সম্পাদন কৰিবলগীয়া হয়, নহ'লে অশুদ্ধ সিদ্ধান্ত ওলাব পাৰে আৰু গৱেষণাৰ প্ৰকৃত উদ্দেশ্যই বিকৃত হ'ব পাৰে। ব্যাখ্যাৰ যথাৰ্থতাইহে গৱেষক এজনক সঠিক সিদ্ধান্তত উপনীত কৰোৱাৰ প্ৰশস্ত পথ নিৰ্মাণ কৰে। গতিকে গৱেষণাকৰ্মত ব্যাখ্যাই এক প্ৰকাৰ 'ডিভাইচ'ৰ দৰে কাম কৰে। উপযুক্ত ব্যাখ্যাই গৱেষকৰ পৰ্যবেক্ষিত কাৰ্য, কাৰণ আৰু কাৰকৰ বিশ্লেষণৰ কাৰণে গ্ৰহণ কৰিবলগীয়া তথ্যভাণ্ডাৰক বাচি উলিয়াব পাৰে। ব্যাখ্যাই নিৰ্দিষ্ট কৰা তথ্যভাণ্ডাৰৰ সেই বিশ্লেষণক ভিত্তি কৰি পৰৱৰ্তী গৱেষণা কাৰ্য আগুৱাই নিবৰ কাৰণে তাত্ত্বিক আধাৰৰো সন্ধান কৰিব পাৰে।

**তথ্য ব্যাখ্যাৰ পদ্ধতি (Methods of Data Interpretation)ঃ**

- কেঁচা বা আঁকৰ তথ্যৰ পোনপতীয়া চাক্ষুষ পৰ্যবেক্ষণ।
- প্ৰয়োজনীয় তথ্যক তালিকাভুক্ত কৰি সংগঠিত কৰণ।
- প্ৰয়োজন সাপেক্ষে তথ্যৰ গ্ৰাফিক উপস্থাপন।
- প্ৰয়োজন সাপেক্ষে পৰিসাংখ্যিক তথ্যৰ সংযোজন।

**তথ্য সংগ্ৰহৰ গুৰুত্ব ঃ**

তথ্য সংগ্ৰহ যিকোনো গৱেষণাৰ অতি গুৰুতপূৰ্ণ স্তৰ। কাৰণ যিকোনো গৱেষণাৰ সিদ্ধান্তত উপনীত হ'বলৈ তথ্যই পথ প্ৰদৰ্শন কৰে। গৱেষণাত তথ্য সংগ্ৰহৰ বহু উপায় পৰিলক্ষিত হয়। সাধাৰণতে তথ্য সংগ্ৰহৰ কাৰ্য প্ৰণালী গৱেষণাৰ উদ্দেশ্য আৰু গৱেষণা পৰিকল্পনা অথবা আঁচনিৰ ওপৰত নিৰ্ভৰ কৰে। সময়, অৰ্থ, সীমাৱদ্ধতা আৰু সক্ষমতাৰ আধাৰত নিৰ্মাণ কৰা হয় গৱেষণা আঁচনি। গৱেষকৰ ব্যক্তিগত সক্ষমতা আৰু সীমাৱদ্ধতাৰ ওপৰতো নিৰ্ভৰশীল হয় গৱেষণা কাৰ্য।

**তথ্য আহৰণৰ উদ্দেশ্য ঃ**

গৱেষণা কাৰ্যক সঠিক পথেৰে আগুৱাই নিবলৈ সাক্ষাৎকাৰ, প্ৰশ্নপত্ৰৰ ব্যৱহাৰ, পৰীক্ষণ-পৰ্যবেক্ষণ ইত্যাদি বিভিন্ন উপায়ে বিভিন্ন উৎসৰ পৰা গুণগত আৰু পৰিমাণগত যিকোনো তথ্য আহৰণ কৰা হয়। একোজন গৱেষকে বিভিন্ন সূত্ৰৰ পৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰে।

**তথ্যৰ প্ৰকাৰ (Types of Data) ঃ**

প্ৰকাৰৰ দিশৰ পৰা তথ্যক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— মুখ্য তথ্য (Primary Data) আৰু গৌণ তথ্য (Secondary Data)।

**• মুখ্য তথ্য ঃ**

প্ৰথমবাৰৰ বাবে যিবিলাক নতুন তথ্য সংগ্ৰহ কৰা হয়, তেনে তথ্য স্বৰূপত মৌলিক হয় আৰু সেই তথ্যক মুখ্য তথ্য বুলি অভিহিত কৰা হয়। গৱেষকে, বিশেষকৈ জৰীপ (Survey) আৰু বৰ্ণনাত্মক (Descriptive) গৱেষণা কৰা গৱেষকে বিভিন্ন পদ্ধতিৰে মুখ্য তথ্য সংগ্ৰহ কৰে। বৰ্ণনাত্মক গৱেষণাত মুখ্য তথ্য হয় পৰ্যবেক্ষণ, নহয় উত্তৰ দাতাৰ লগত পোনপতীয়া সংযোগ আৰু সাক্ষাৎকাৰ প্ৰক্ৰিয়াৰে উপলব্ধ হয়।

**• গৌণ তথ্য ঃ**

যিবিলাক তথ্য আন কাৰোবাৰ দ্বাৰা সংগ্ৰহ কৰা আৰু আগতেই বিজ্ঞানসন্মত পৰীক্ষণেৰে পৰীক্ষিত তথ্য, তেনে তথ্যক গৌণ তথ্য বুলি গণ্য কৰা হয়। এনে তথ্য



আগতেই কাৰোবাৰ দ্বাৰা সংগৃহীত আৰু বিশ্লেষিত হৈ থাকে। ই প্ৰকাশিত বা অপ্ৰকাশিত দুই প্ৰকাৰেৰে হ'ব পাৰে। গৱেষকে গৌণ উৎস ব্যৱহাৰ কৰোঁতে অতি সাৱধান হ'বলগীয়া হয়। কাৰণ অপৰ্যাপ্ত তথ্যও কেতিয়াবা গৱেষণাত ব্যৱহাৰ উপযোগী নহব পাৰে ।

**• তথ্য উৎস (Data Source)**

সামগ্ৰিক অৰ্থত বহলভাৱে তথ্য বা সমলক দুটা শ্ৰেণীত ভাগ কৰিব পাৰিগুণগত (Qualititative) আৰু পৰিমাণগত (Quantitative)। সেইদৰে তথ্যৰ এই দুই প্ৰকৃতি অনুযায়ী তথ্য প্ৰাপ্তিৰ উৎসক গৱেষকে তিনি ভাগত ভাগ কৰি গৱেষণা কৰ্মত অগ্ৰসৰ হয়—

- মুখ্য উৎস (Primary Source)
- গৌণ উৎস (Secondary Source)
- তৃতীয় উৎস (Tertiary Source)

**• মুখ্য উৎস**

নিৰ্দিষ্ট বিষয় সম্পৰ্কে প্ৰকৃত আৰু অবিকৃত তথ্যই প্ৰাথমিক উৎস ৰূপে বিবেচিত হয়। সাহিত্যৰ গৱেষণাৰ ক্ষেত্ৰত নাটক, উপন্যাস, গল্প, কবিতা, ডায়েৰি, চিঠি-পত্ৰ, কথোপকথন, স্মৃতিচাৰণ, পৰিসংখ্যাগত তথ্য ইত্যাদি এই শ্ৰেণীৰ ভিতৰত পৰে। প্ৰাথমিক উৎসৰ ক্ষেত্ৰত সাধাৰণতে কোনো সম্পাদনা অথবা হস্তক্ষেপৰ অৱকাশ নাথাকে। গৱেষণাৰ ক্ষেত্ৰত প্ৰাথমিক উৎসজাত উপাদানকেই মুখ্য অথবা প্ৰাথমিক সমল বা তথ্য হিচাপে গ্ৰহণ কৰা হয়। গৱেষকৰ সংগৃহীত আঁকৰ উপাদান (Raw Material) অথবা কোনো মৌলিক তথ্যক প্ৰাথমিক তথ্যৰ উৎস বুলিব পাৰি। অৰ্থাৎ মৌলিক তথ্য অথবা প্ৰাথমিক তথ্য সূত্ৰ হ'ব পাৰে এনে ধৰণৰ—

- কোনো মৌলিক গৱেষণাত আগতে ক'তো উল্লেখ নোহোৱা তথ্য।
- এতিয়ালৈকে ব্যাখ্যা বা বিশ্লেষণ নোহোৱা কোনো সংগৃহীত তথ্য।
- কোনো গৱেষণা কৰ্মৰ প্ৰথম মূদ্ৰণ অথবা প্ৰথম ই-পাব্লিকেছন।
- অপৰিশোধিত অথবা আঁকৰ সমাগ্ৰী।
- কোনো বিষয় সম্পৰ্কে প্ৰাচীনতম লেখা।
- কোনো বিষয় সম্পৰ্কে মৌলিক চিন্তা সমন্বিত কোনো উপাদান।
- কোনো বিষয়ৰ প্ৰথম মৌলিক সংগ্ৰহ

সাহিত্য, সংস্কৃতি, সমাজবিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত বিভিন্ন পুথি, প্ৰথম অথবা প্ৰাচীনতম মূদ্ৰিত লেখা, হস্তলিখিত বিভিন্ন ৰচনা, চিঠি-পত্ৰ, ডায়েৰী, পাণ্ডুলিপি, আলোচনা-

চক্ৰ-সন্মিলন-কৰ্মশালা আদিৰ কাৰ্যবিৱৰণী, বিভিন্ন পৰিসংখ্যা, ব্যক্তিগত চিঠি, চৰকাৰী নথি-পত্ৰ, দলিল-দস্তাৱেজ, বিভিন্ন মৌখিক তথ্য (যেনে— সাক্ষাৎকাৰ, বক্তৃতা, মৌখিক ঘোষণা), সংবাদ পত্ৰৰ লিখা, বৈদ্যুতিন মাধ্যম অথবা ইন্টাৰনেটত প্ৰাপ্ত তথ্যাদি, প্ৰামাণ্য ছবি (Visual Data) এই সকলো প্ৰাথমিক অৰ্থাৎ মুখ্য তথ্য হিচাপে গণ্য হ'ব পাৰে।

**গৌণ উৎস/দ্বিতীয় উৎস ঃ**

প্ৰাথমিক তথ্য বা সমলৰ ব্যাখ্যা-বিশ্লেষণ কৰি যি সমল বা তথ্য গ্ৰহণযোগ্য হয় তাক গৌণ উৎস বোলা হয়। গৌণ উৎসৰ মাজত আঁকৰ (Raw) তথ্য অথবা অপৰিশোধিত (Crude) তথ্যৰ চৰিত্ৰতকৈ পৰিশোধিত ব্যাখ্যা-বিশ্লেষণ বেছি হয়। সেয়ে মৌলিক উপাদানৰ বিষয়ে কোনো লেখা/বক্তব্য/ধাৰণা আদিৰ প্ৰকাশ ঘটে গৌণ তথ্যৰ মাজত। গৌণ উৎস সম্পৰ্কে আটাইতকৈ গুৰুত্বপূৰ্ণ সত্য হ'ল—

- প্ৰাথমিক উৎসৰ ব্যাখ্যা-বিশ্লেষণ।
- মৌলিক চিন্তন অথবা নতুন উদ্ভাৱনৰ বিষয়ে প্ৰাপ্ত লিখিত বা মুদ্ৰিত সমল।
- সময়ৰ দিশৰ পৰা প্ৰাথমিক তথ্য প্ৰকাশৰ পিছত লিখিত বা বিশ্লেষিত তথ্য


কোনো জাৰ্নালত লিখা গৱেষণা পত্ৰ, গ্ৰন্থ, টীকা-ব্যাখ্যা, অভিধান, কোষ জাতীয় ৰচনা, সংবাদ-পত্ৰৰ লিখা, সমালোচনা— ইত্যাদি বিষয়সমূহ গৌণ তথ্যৰ উৎস বুলিব পাৰি। এইটোও সত্য যে কেৱল তাত্ত্বিক আলোচনাৰ প্ৰয়োজনত মুখ্য অথবা কেৱল প্ৰাথমিক তথ্য উৎস আৰু গৌণ তথ্য উৎসৰ বিভাজনৰ ভিত্তিতেই সকলো সময়ত তথ্যৰ শ্ৰেণীকৰণ কৰা সম্ভৱ নহয়। খবৰ কাগজৰ লেখা, জাৰ্নালৰ লেখা, বিভিন্ন আলোচকৰ লেখা ইত্যাদিও কেতিয়াবা মুখ্য তথ্য উৎসও হ'ব পাৰে, আকৌ কেতিয়াবা গৌণ তথ্য উৎসও হ'ব পাৰে। এই ক্ষেত্ৰত মনত ৰখা উচিত হ'ব যে আঁকৰ অথবা অপৰিশোধিত অৱস্থাত প্ৰাপ্ত মৌলিক উপাদানেই হ'ল প্ৰাথমিক উৎস। এনে মৌলিক উপাদান সম্পৰ্কিত কোনো লেখা, বিশ্লেষণ অথবা ব্যাখ্যাই হ'ল গৌণ তথ্য উৎস।

**তৃতীয় তথ্য উৎস ঃ**

গৌণ তথ্য উৎসকো ব্যাখ্যা-বিশ্লেষণ কৰি, তাক চালি-জাৰি চাই তাৰ পৰা আকৌ নতুনকৈ যি তথ্য উৎস প্ৰস্তুত কৰা হয়, তাকে তৃতীয় তথ্য উৎস বুলিব পাৰি। সাধাৰণতে মুখ্য তথ্য উৎস আৰু গৌণ তথ্য উৎসৰ উল্লেখ কৰি যি আলোচনা ক্ষেত্ৰ প্ৰস্তুত হয় আৰু তাত যি তথ্য উৎসসমূহ প্ৰয়োজনীয় বুলি গণ্য হয়, তাকেই তৃতীয় তথ্য উৎস বুলি কোৱা হয়।[১] যেনে— পাঠ্যপুথি, কোষগ্ৰন্থ, প্ৰবন্ধ, পথপঞ্জী, হেণ্ডবুক ইত্যাদি। অৰ্থাৎ কোনো সুচিন্তিত গৱেষণা ক্ষেত্ৰ সম্পৰ্কে তথ্যসম্বলিত নিৰ্দ্দিষ্ট উল্লেখপঞ্জীক তৃতীয় তথ্য উৎস বোলা হয়। মুখ্য, গৌণ আৰু তৃতীয় তথ্য উৎস সম্পৰ্কে এইধৰণে উপস্থাপন



কৰিব পাৰি—




**তথ্য সংগ্ৰহৰ পদ্ধতি (Methods of Data Collection) ঃ**

সাধাৰণতে গৱেষণা কাৰ্যত তথ্য সংগ্ৰহৰ কেইটিমান পদ্ধতি পৰিলক্ষিত হয়। গৱেষণাত সাধাৰণতে ব্যৱহাৰ হোৱা তেনে পদ্ধতিকেইটি হ'ল—

- পৰ্যবেক্ষণ (Observation)
- পৰীক্ষণ (Experiments)
- জৰীপ কৰণ (Surveys)

**পৰ্যবেক্ষণ ঃ**

এই পদ্ধতিত গৱেষণা ক্ষেত্ৰলৈ নিজে গৈয়েই হওক অথবা আনৰ দ্বাৰাই হওক পৰ্যবেক্ষণৰ জৰিয়তে ক্ষেত্ৰৰ পৰা তথ্য সংগ্ৰহ কৰা হয়। পৰ্যবেক্ষণক প্ৰণালীবদ্ধৰূপত কৰা কাৰ্যদৰ্শন বুলিবও পাৰি।

**তথ্য সংগ্ৰহ আৰু পৰীক্ষণ ঃ**

সমাজ বিজ্ঞানৰ গৱেষণাত সামাজিক বিজ্ঞানীসকলে তথ্য সংগ্ৰহৰ কাৰণে বিভিন্ন পদ্ধতিৰ প্ৰয়োগ কৰে। বিশেষকৈ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত প্ৰধানতঃ তিনিধৰণৰ উপায়েৰে তথ্য সংগ্ৰহ কৰা হয়। গৱেষণাকৰ্ম একোটিৰ তথ্য সংগ্ৰহৰ পৰ্যায়ত এই তিনি পদ্ধতি অতি গুৰুত্বপূৰ্ণ। সিবিলাক হ'ল—

- পৰ্যবেক্ষণ পদ্ধতি (Obeservtion Method)
- সাক্ষাৎকাৰ পদ্ধতি (Interview Method)
- পৰিঘটনা অধ্যয়ন পদ্ধতি (Case Study Method)

ইয়াৰ উপৰিও গৱেষণাৰ কোনো কোনো শাখাত প্ৰক্ষিপ্তভাৱেও কিছুমান কৌশলৰ প্ৰয়োগ ঘটে। গৱেষণাৰ তথ্য অনুসন্ধানী স্তৰত কৰণীয় কৰ্ম আৰু তথ্য আহৰণৰ উৎসক তলত দিয়া ধৰণে তলিকাভুক্ত কৰি দেখুৱাব পৰা যায়— মুখ্য তথ্যসূত্ৰৰ সংগ্ৰহ আৰু গৌণ তথ্যসূত্ৰৰ সংগ্ৰহ।

**মুখ্য তথ্যৰ সংগ্ৰহ ঃ**

| প্ৰাথমিক স্তৰত তথ্যৰ গৱেষণা | প্ৰাথমিক স্তৰত তথ্য উৎস |
|---|---|
| • পৰীক্ষাগাৰত কৰা পৰীক্ষণ<br>• গ্ৰন্থাগাৰৰ গ্ৰন্থাদিৰ মাজত অনুসন্ধান<br>• সাহিত্যিক অথবা ঐতিহাসিক পাঠ, চলচ্চিত্ৰ অথবা পৰিৱেশিত তথ্যৰ বিশ্লেষণ | • পৰিসাংখ্যিক তথ্য<br>• ঐতিহাসিক তথ্য<br>• বিভিন্ন লিখিত তথ্য<br>• শিল্প সামগ্ৰী |

**গৌণ তথ্যসূত্ৰৰ সংগ্ৰহ ঃ**

গৌণ তথ্য মুদ্ৰিত বা অমুদ্ৰিত দুয়ো প্ৰকাৰে উপলব্ধ হয়। যিবিলাক সূত্ৰৰ পৰা গৌণ তথ্য সংগ্ৰহ কৰিব পাৰি, সেই সূত্ৰসমূহ হ'ল—

- পত্ৰ-পত্ৰিকা, গ্ৰন্থ, স্মৰণিকা, লিফলেট্।
- ব্যক্তিগত সংগ্ৰহ।
- বিভিন্ন গৱেষকৰ লেখা, গৱেষণা পত্ৰিকা অথবা গ্ৰন্থ।
- বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ অথবা স্বেচ্ছাসেৱী সংস্থাৰ নথি-পত্ৰ।
- চৰকাৰী নথি-পত্ৰ আৰু তথ্য-পাতি।
- দলিল-দস্তাবেজ্।
- আন্তৰ্জাতিক স্তৰৰ প্ৰকাশন, মুদ্ৰণ ইত্যাদি

যি সূত্ৰৰ পৰাই তথ্য সংগ্ৰহ কৰা নহওক কিয়, সকলো তথ্য বা সমলৰ প্ৰামাণিকতা (Authenticity) বিচাৰ কৰিবই লাগিব। সংশ্লিষ্ট গৱেষণাৰ ক্ষেত্ৰ বা কৰ্মৰ লগত তাৰ প্ৰাসংগিকতা (Relevance) পৰীক্ষা কৰিবও লাগিব।

| গৌণ উৎসৰ গৱেষণা | গৌণ স্তৰত তথ্য উৎস |
|---|---|
| গৱেষণা কৰিবলগীয়া বিষয়ৰ লগত প্ৰাসংগিকতা থকা আৰু আন গৱেষকে আগতে কৰি যোৱা গৱেষণা আদিৰ বিষয়ে কৰা অধ্যয়ন। | গৱেষণা কৰিবলগীয়া বিষয়ৰ লগত সংগতি থকা ৰাজনৈতিক, অৰ্থনৈতিক, দাৰ্শনিক, সামাজিক, শৈক্ষিক সাহিত্যৰ লগতে বিজ্ঞানসন্মত বিতৰ্কৰ অধ্যয়ন। |



**গৱেষণাত তথ্য সংৰক্ষণৰ বিভিন্ন পদ্ধতি ঃ**

গৱেষণাৰ তথ্য সংৰক্ষণৰ একাধিক উপায় আছে। তলত তেনে কেইটিমান উপায় তলত দাঙি ধৰা হ'ল—

লিখিত নোট (গৱেষকে নিজৰ নোটবুকত লিখি লয়), জেৰক্স (বিভিন্ন তথ্যৰ জেৰক্স সংগ্ৰহ কৰে), মূল লেখা (মূল লেখাৰ লিখিত উপাদান, যেনে— পুথি, চিঠি-পত্ৰ, পত্ৰিকা ইত্যাদি), মুদ্ৰণ দ্ৰব্য( মুদ্ৰিত ৰূপৰ তথ্য), প্ৰতিলিপি (কোনো লিখিত উপাদানৰ প্ৰতিলিপি), স্কেছ (গৱেষণাত প্ৰয়োজনীয় কোনো ছবিৰ স্কেছ), ডিজিটেল সংৰক্ষণ (ছবি, শ্ৰব্য, শ্ৰব্য-দৃশ্য ইত্যাদি বিষয়বোৰ সংৰক্ষিত কৰা হয়)।

**তথ্য সংৰক্ষণ**

লিখিত নোট | জেৰক্স | মূল লেখা | মুদ্ৰণ দ্ৰব্য | প্ৰতিলিপি | স্কেছ্ | ডিজিটেল্ সংৰক্ষণ

**গৱেষণাত তথ্য প্ৰয়োগৰ কৌশল আৰু পদ্ধতি (Techniques and Methods in Research)ঃ**

গৱেষণাকৰ্ম এটিত তথ্য প্ৰয়োগৰ কৌশল আৰু পদ্ধতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গৱেষণা কৌশলে গৱেষণাৰ স্বৰূপ অনুযায়ী গৱেষণা কাৰ্যত তথ্য সংযোজনৰ কাৰ্য পৰ্যায়ক্ৰমে সম্পাদন কৰে। প্ৰতিটো পৰ্যায়ৰ ব্যৱহাৰ কৌশল আলোচনা কৰে। যেনে— তথ্য পৰ্যবেক্ষণ, তথ্য ৰেকৰ্ডিং তথ্যৰ প্ৰক্ৰিয়াকৰণৰ কাম সম্পাদন কৰে।

একেদৰে পদ্ধতিয়ে গৱেষণাৰ স্বৰূপ অনুযায়ী পৰ্যায়ক্ৰমে তথ্য প্ৰয়োগৰ পথ প্ৰশস্ত কৰি গৱেষণা প্ৰক্ৰিয়াক নিয়ন্ত্ৰণৰ মাজেৰে আগবঢ়াই নিয়ে। যেনেতথ্য চিনাক্তকৰণ, তথ্য সম্পাদনা আৰু তথ্যৰ প্ৰয়োগ কাৰ্য নিয়ন্ত্ৰণ কৰে।

তথ্য আহৰণ আৰু প্ৰয়োগৰ কৌশল আৰু পদ্ধতিৰ মাজত থকা সূক্ষ্ম পাৰ্থক্য আছে। সেইবোৰ তলত দিয়া ধৰণে চিহ্নিত কৰিব পাৰি—

| প্ৰকাৰ | পদ্ধতি | কৌশল |
|---|---|---|
| পুথিভঁৰালৰ পৰা আহৰণ কৰা তথ্য | ১) বিষয়ৰ লগত সম্পৰ্ক থকা ঐতিহাসিক নথি-পত্ৰ আহৰণ | টোকা লিপিবদ্ধকৰণ, মূল বিষয় বিশ্লেষণ, টেপ্ৰেকৰ্ড শ্ৰৱণ, কথাছৱি নিৰীক্ষণ কৰা। |
| | ২) বিষয় সম্পৰ্কীয় তথ্য আহৰণ | পৰিসাংখ্যিক সংকলন, থেছিছ্, ডিছাৰ্টেছন, প্ৰসংগ গ্ৰন্থৰ অধ্যয়ন কৰা। |

| প্ৰকাৰ | পদ্ধতি | কৌশল |
|---|---|---|
| ক্ষেত্ৰ অধ্যয়নৰ পৰা আহৰণ কৰা তথ্য | ১) অংশ গ্ৰহণ নকৰাকৈ পৰ্যবেক্ষণ | পৰ্যবেক্ষণীয় বৈশিষ্ট্যক মাপ আৰু তথ্য ৰেকৰ্ডৰ ব্যৱস্থা গ্ৰহণ। |
| | ২) অংশ গ্ৰহণৰ জৰিয়তে নিৰীক্ষণ | বাৰ্তালাপ ৰেকৰ্ডিং, টেপ্ ৰেকৰ্ডাৰ, ভি-ডি-অ ৰেকৰ্ডাৰ, ফটোৰ ব্যৱহাৰ কৰা। |
| | ৩) সমূহীয়া কাৰ্য-কলাপৰ পৰ্যবেক্ষণ | বাৰ্তালাপৰ ৰেকৰ্ডিং, টেপ্ ৰেকৰ্ডাৰ, ভি-ডি-অ' ৰেকৰ্ডাৰ, ফটোৰ ব্যৱহাৰ, সামূহিক ক্ষেত্ৰত ব্যক্তিগত সাক্ষাৎকাৰৰ পৰ্যবেক্ষণ কৰা। |
| | ৪) মেইল্ প্ৰশ্নপত্ৰ | মেইল্ যোগে প্ৰশ্নপত্ৰ আৰু উত্তৰানুসন্ধান কৰা |
| | ৫) অভিমত পত্ৰ | তথ্যদাতাৰ পৰা অভিমত পত্ৰ সংগ্ৰহ কৰা। |
| | ৬) ব্যক্তিগত সাক্ষাৎকাৰ | মুক্ত আৰু আৱদ্ধ দুই ধৰণৰ প্ৰশ্নৰ দ্বাৰা সাক্ষাৎকাৰ গ্ৰহণ কৰা। |
| | ৭) সামূহিক সাক্ষাৎকাৰ | সৰু সৰু গোটত সাক্ষাৎ গ্ৰহণ কৰা। |
| | ৮) টেলিফোন/মবাইল জৰীপ | মবাইল অথবা টেলিফোন প্ৰশ্ন যোগে সাক্ষাৎ গ্ৰহণ আৰ টেলিফনিক তথ্যৰ মূল্যায়ন। |
| | ৯) পৰিঘটনা অধ্যয়ন/ জীৱন ইতিহাস অধ্যয়ন | সংগৃহীত নমুনাৰ গভীৰ পৰ্যবেক্ষণ আৰু বিশ্লেষণ কৰা হয়। |
| পৰীক্ষাগাৰত কৰা অধ্যয়ন | সৰু গোটৰ অধ্যয়ন, যথেচ্ছ পৰ্যবেক্ষণ | সংগৃহীত নমুনাৰ পৰীক্ষণ, অডিঅ'-ভিছুয়েল্ ব্যৱস্থাৰ দ্বাৰা সংগৃহীত তথ্যৰ পৰ্যবেক্ষণ, নিৰীক্ষণ ব্যৱস্থা ইত্যাদি। |

এনেদৰে গৱেষণা কৰ্মত ব্যৱহাৰ হোৱা গৱেষণাৰ পদ্ধতি আৰু গৱেষণাৰ কৌশলৰ মাজত থকা সূক্ষ্ম পাৰ্থক্য চিহ্নিত কৰিব পাৰি। তথ্যৰ প্ৰকৃতি অনুযায়ী তথ্যৰ শ্ৰেণীকৰণ কৰিব পাৰি। তথ্য শ্ৰেণীকৰণৰ অন্যান্য উৎসসমূহ, যেনে— ডাটাবেচ্ (Database), কথিত তথ্য (Verbal Data), চাক্ষুষ তথ্য (Visual Data) ইত্যাদি। গৱেষণা কাৰ্যৰ অতি গুৰুত্বপূৰ্ণ দুটা দিশ পদ্ধতি আৰু কৌশলৰ স্তৰ পৰিক্ৰমাৰ মাজেৰে সম্পাদিত হয়। তাৰ পিছত আকৌ সম্পাদনা (Editing), সাৰসংগ্ৰহ (Coding), শ্ৰেণীকৰণ



(Classification), চূড়ান্ত তালিকাকৰণ (Tabulation) ইত্যাদি পদ্ধতিৰ মাজেৰে তথ্য প্ৰক্ৰিয়াকৰণ (Processing) সম্পাদন হয়। এনেদৰেই পৰ্যায় ক্ৰমে প্ৰয়োগ হোৱা কৌশল আৰু পদ্ধতিৰ সক্ৰিয় সহযোগত সম্পন্ন হয় একোটা গৱেষণা কৰ্ম।

**তথ্য বিশ্লেষণ ঃ**

প্ৰণালীবদ্ধভাৱে পাৰিসাংখ্যিক অথবা যৌক্তিক কৌশল প্ৰয়োগ কৰি তথ্যৰ বৰ্ণনা, ব্যাখ্যা, সংক্ষেপকৰণ, ৰূপৰেখা নিৰ্মাণ আৰু মূল্যায়ন তথ্য বিশ্লেষণৰ পৰ্যায়ত কৰা হয়। তথ্য আৰু পাৰ্থক্য নিৰ্ণায়ক নিদৰ্শন বিচাৰ কৰি বিভিন্ন কাৰ্যপ্ৰণালীয়ে সিদ্ধান্তত উপনীত হ'বলৈ প্ৰস্তাৱনামূলক ৰূপৰেখা নিৰ্মাণ কৰাত সহায় কৰে। গুণগত গৱেষণাত যেতিয়া একেৰাহে পাৰিসাংখ্যিক প্ৰণালীৰে তথ্য সংগ্ৰহ কৰা হয়, বহু সময়ত চলি থকা বিশ্লেষণ পুনৰাবৃত্তিত পৰিণত হ'ব পাৰে। তেতিয়া একেসময়তে সংগ্ৰহ আৰু বিশ্লেষণ সমাপন কৰিবলগীয়া হয়। গৱেষকে তথ্য সংগ্ৰহ আৰু বিশ্লেষণ একে সময়তে সম্পন্ন কৰিব পাৰে। সাধাৰণতে তথ্য আহৰণ আৰু সমগ্ৰ পৰ্যবেক্ষণৰ পৰ্যায়টোত গৱেষকে নমুনাৰ বিশ্লেষণ কৰে।

গুণগত গৱেষণাৰ তথ্য বিশ্লেষণত কিছুমান নিৰ্ধাৰিত আৰু নিৰ্দিষ্ট প্ৰয়াস সম্পন্ন হয়। যেনে— ক্ষেত্ৰ অধ্যয়ন, নৃতাত্ত্বিক পৰিমাণৰ বিশ্লেষণ, মৌখিক ইতিহাস, জীৱনী আদিৰ অধ্যয়ন ইত্যাদি। এনে ক্ষেত্ৰত তথ্য উৎসৰ গঠনো নিৰ্দিষ্ট হয়। যেনে— ক্ষেত্ৰ বিৱৰণ, কাগজ-পত্ৰ, অডিঅ' টেপ, ভি ডি অ' টেপ ইত্যাদি। তথ্য বিশ্লেষণত এটা অতি প্ৰয়োজনীয় কাৰ্য হ'ল তথ্যৰ বিশুদ্ধতা পৰীক্ষণ। তথ্যৰ বিশুদ্ধতা পৰীক্ষণে গৱেষণাৰ যথাযথ সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে। অশুদ্ধ পাৰিসাংখ্যিক বিশ্লেষণে বিজ্ঞানসন্মত সিদ্ধান্তক বিকৃত কৰিব, সাধাৰণ পাঠকক ভুল পথে পৰিচালিত কৰিব আৰু গৱেষণাৰ প্ৰতি সৰ্বসাধাৰণৰ উপলদ্ধিত নেতিবাচক প্ৰভাৱ পেলাব। তথ্য বিশ্লেষণত তলত দিয়া দিশকেইটাই গুৰুত্ব পায়—

- পুৰণি তথ্যৰ নতুন ব্যাখ্যা অথবা পুৰণি ব্যাখ্যাৰ লগত নতুন চিন্তাৰ সংযোজন।
- তথ্য নিৰ্দিষ্ট বিষয়ক্ষেত্ৰ সম্পৰ্কে প্ৰচলিত বিতৰ্কৰে সৈতে নতুন বৌদ্ধিক চিন্তাৰ সংযোজন।
- পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি তথ্যৰ লগত অত্যন্তপ্ৰাসংগিক উৎস সাহিত্যৰ মূল্যায়ন।
- তথ্য পুনৰীক্ষণত সিদ্ধান্তৰ শূন্যতা আৰু গৱেষণা কৰিবলগীয়া দিশ চিনাক্তকৰণ।

**তথ্য বিশ্লেষণৰ সমস্যা ঃ**

অসংখ্য সমস্যাৰ মাজৰ পৰা বিশ্লেষণৰ বাবে প্ৰকৃত তথ্যক বিচাৰি উলিওৱা আৰু বিশ্লেষণ কৰা বিভিন্ন কাৰণত কিছু সমস্যা হয়। তেনে সমস্যা সৃষ্টি কৰা কাৰণবোৰ হ'ল—

- বিশ্লেষণৰ প্ৰয়োজনীয় দক্ষতা শূন্যতা।
- একে সময়তে তথ্য সংগ্ৰহৰ পদ্ধতি আৰু বিশ্লেষণৰ উপযোগিতা নিৰ্বাচন।
- নিৰপেক্ষতাহীন সিদ্ধান্তৰ ৰূপৰেখা নিৰ্মাণ।
- অনুপযুক্ত উপশাখাৰ বিশ্লেষণ।
- গ্ৰহণযোগ্য মান (noms)ৰ শৃংখলা অনুসৰণ।
- পাৰিসাংখ্যিক তাৎপৰ্য নিৰ্ণয়।
- উদ্দেশ্য আৰু সিদ্ধান্ত নিৰ্ণয়ৰ জোখৰ স্পষ্টতা।
- সৎ আৰু সঠিকতা বিশ্লেষণ।
- তথ্য উপস্থাপনৰ পদ্ধতি নিৰ্ণয়।
- পাৰিপাৰ্শ্বিক/প্ৰাসংগিক সমস্যা।
- তথ্য লিপিৱদ্ধকৰণৰ পদ্ধতি।
- গুণগত তথ্যৰ বিশ্লেষণ কৰোঁতে কৰা পাঠৰ বিভাজন।
- বিশ্বাসযোগ্যতা আৰু বৈধতা।
- বিশ্লেষণৰ ব্যাপ্তি।

**তথ্যৰ প্ৰকাৰ ভেদ অনুসৰি সংৰক্ষণ ব্যৱস্থা ঃ**

সাম্প্ৰতিক সময়ত গৱেষণা ক্ষেত্ৰত তথ্য সংৰক্ষণৰ বিভিন্ন ব্যৱস্থাৰ বিকাশ হৈছে। বিকাশ লাভ কৰা তথ্যৰ ব্যাপ্তি অনুসৰি তথ্যৰ বিকশিত উৎস হ'ল— তথ্যভাণ্ডাৰ (Database)। আনহাতে পৰম্পৰাগতভাৱে গৱেষণাত ব্যৱহাৰ হৈ অহা লিখিত তথ্য ((Written Data) ৰ উপৰিও আৰু দুটি তথ্য উৎস আছে। সেই উৎস হ'ল—

- কথিত তথ্য (Verbal Data)
- চাক্ষুষ তথ্য (Visual Data)

**তথ্যভাণ্ডাৰ (Database) ঃ**

সাম্প্ৰতিক সময়ৰ গৱেষণা ক্ষেত্ৰত ডাটাবেচ্ অথবা তথ্য ভাণ্ডাৰৰ সঘন ব্যৱহাৰ পৰিলক্ষিত হয়। এই সম্পৰ্কে গৱেষক পণ্ডিতে মত পোষণ কৰে— তথ্যভাণ্ডাৰৰ প্ৰাসংগিকতা নিৰ্ভৰ কৰে তথ্যৰ সংঘৱদ্ধ সংগ্ৰহ (Structured Collection) ৰ ওপৰত আৰু কম্পিউটাৰত জমা হৈ থকা তথ্যৰ ওপৰত। কম্পিউটাৰত তথ্য সংৰক্ষণ কৰাৰ এনে ব্যৱস্থাক তথ্য ভাণ্ডাৰ (Database) বুলি কোৱা হয়। ই ডিজিটেল্ ফৰ্ম (Digital Form)-ত সংৰক্ষিত হৈ থাকে আৰু গৱেষকে যেতিয়াই প্ৰয়োজন হয়, তেতিয়াই তাৰ পৰা তথ্য ব্যৱহাৰ কৰে।



**➢ ডিজিটেল্ ব্যৱস্থা (Digital Form) ঃ**

ডিজিটেল ব্যৱস্থা অথবা অনুসন্ধানক্ষম সূত্ৰত প্ৰাপ্ত তথ্যৰ একত্ৰিকৰণ আৰু সাৰ্থকভাৱে পুনৰীক্ষণ কৰা তথ্যৰ প্ৰকাশ কৰা হয়। গতিকে ই বিশ্বাসযোগ্য। অন্ততঃ দহ-বিছ-ত্ৰিছ বছৰৰ প্ৰকাশনৰ যোগান ধৰা হয়। ইণ্টাৰনেট ব্ৰাউজাৰ (Browser) প্ৰয়োগ কৰি তথ্য সংৰক্ষণ কৰা হয়। ইউজাৰ নেম (User name) আৰু পাছৱৰ্ড (Pass word) ব্যৱহাৰ কৰি কিছুমান নিৰ্দিষ্ট কোষাগাৰ (Library) ত প্ৰাপ্ত সহজলভ্য তথ্য লাভ কৰিবও পাৰি আৰু নিৰ্দিষ্ট ফাইল (File) ত প্ৰাপ্ত তথ্য সংৰক্ষণ কৰিবও পাৰি।

**ডিজিটেল্ ফৰ্মত তথ্যৰ প্ৰকাৰ ঃ**

সাধাৰণতে ডিজিটেল ফৰ্মত যিবিলাক তথ্য উপলব্ধ হয়, সেই তথ্যৰ কিছুমান নিৰ্দিষ্ট প্ৰকাৰ দেখা যায়। সেইবোৰক বহলকৈ দুই ভাগত ভাগ কৰিব পৰা যায়— প্ৰসংগ তথ্যভাণ্ডাৰ (Reference Dtabase) আৰু উৎস তথ্যভাণ্ডাৰ (Source Database)। এই দুই প্ৰকাৰ তথ্যভাণ্ডাৰৰো আকৌ কেইবাটিও শাখা প্ৰকাৰ পৰিলক্ষিত হয়। যেনে—

**➢ প্ৰসংগ তথ্যভাণ্ডাৰ ঃ**

- সম্পৰ্কযুক্ত তথ্যভাণ্ডাৰ (Referral Database)
- নিৰ্দেশক তথ্যভাণ্ডাৰ (Directory Database)
- ছফ্‌টৱেৰ তথ্যভাণ্ডাৰ (Software Database)
- গ্ৰন্থপঞ্জীৰ তথ্যভাণ্ডাৰ (Bibliographic Database)

**➢ উৎস তথ্যভাণ্ডাৰ ঃ**

- সম্পূৰ্ণ পাঠৰ তথ্যভাণ্ডাৰ (Full text Database)
- সাংখ্যিক তথ্যভাণ্ডাৰ (Numeric Database)
- মূলগ্ৰন্থ সম্বন্ধীয় তথ্যভাণ্ডাৰ (Textual Database)

এইদৰে কম্পিউটাৰ সংগৃহীত সংৰক্ষিত আৰু উপলব্ধ ডিজিটেল তথ্যভাণ্ডাৰত আচলত গৱেষণাৰ বাবে প্ৰায় সকলো প্ৰকাৰ তথ্যই উপলব্ধ হয়। আধুনিক তথ্য-প্ৰযুক্তিৰ প্ৰয়োগকৃত দৃশ্য, শ্ৰব্য মাধ্যমৰ পৰা আৰম্ভ কৰি ছপা মাধ্যমত প্ৰকাশিত তথ্যলৈকে অজস্ৰ তথ্য, চিত্ৰ, মানচিত্ৰ, নথি-পত্ৰ, ফাইল, ফটো, ৰেকৰ্ডিংকে ধৰি বিভিন্ন তথ্যই

উপলব্ধ হয়। তথ্যভাণ্ডাৰত উপলব্ধ হোৱা এনে তথ্যবোৰ তলত দিয়া ধৰণৰ—

**ডিজিটেল্ তথ্য ভাণ্ডাৰত উপলব্ধ তথ্য (Data in Digital Database) ঃ**

- বাতৰিকাকতৰ নিৱন্ধ
- আলোচনীৰ নিৱন্ধ
- গ্ৰাফিকছ্ আৰু ফটো
- প্ৰসংগ পুথিৰ সমল
- মানচিত্ৰ আৰু পৰিসংখ্যা
- প্ৰাথমিক উৎসৰ তথ্য
- সন্মানজনক তথ্য উৎস
- পাণ্ডিত্যপূৰ্ণ জাৰ্ণাল
- স্থিৰ ছবি (Still Photo)
- চলমান ছবি (Video)
- শ্ৰব্য কথা (Audio)
- পি-ডি-এফ্ নথিপত্ৰ (PDF Document)

এইখিনিৰ আধাৰত ডিজিটেল্ ফৰ্ম (Digital Form) ত উপলব্ধ হোৱা তথ্যৰ প্ৰকৃতি তলত দিয়া ধৰণে দেখুৱাব পাৰি—

ডিজিটেল্ ফৰ্ম (Digital Form) ৰ তথ্যৰ প্ৰকৃতি

- দৃশ্য তথ্য (Visual Data)
  - (ছবি/পি-ডি-এফ্)
- শ্ৰব্য তথ্য (Audio Data)
  - (ধ্বনি/কণ্ঠস্বৰ)
- দৃশ্য-শ্ৰব্য তথ্য (Audio-Visual Data)
  - (ভি-ডি-অয মুভি)

**➢ তথ্যভাণ্ডাৰৰ সংৰক্ষণ আৰু পৰিচালনা (Preservation and Management of Database) ঃ**

আজিকালি ডিজিটেল্ তথ্যভাণ্ডাৰ ব্যৱস্থা এটি বিৰাট অধ্যয়নৰ ক্ষেত্ৰ। একোজন গৱেষকে কম্পিউটাৰৰ উপৰিও অন্যান্য বিভিন্ন ধৰণে তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰে।



সিবিলাক হ'ল—

তথ্য সংৰক্ষণ

- লিখিত টোকা
- জেৰক্স
- মূল লেখা
- মুদ্ৰণ দ্ৰব্য
- প্ৰতিলিপি
- স্কেচ্ছ
- ডিজিটেল্ সংৰক্ষণ

**কথিত তথ্য ঃ**

কথিত তথ্যক মৌখিক তথ্য (Oral Information) বুলিও ক'ব পাৰি। এনে তথ্যৰ উৎস হ'ল সাক্ষাৎকাৰ, ভাষণ, প্ৰবচন, মৌখিক ঘোষণা, মৌখিক সাহিত্যত থকা প্ৰমাণ, সাধাৰণ কথা-বতৰাত থকা কোনো তথ্য, মৌখিক ইতিহাস (Oral History) ইত্যাদি।

**দৃশ্য তথ্য ঃ**

দৃশ্য তথ্য বুলি কওঁতে দৃষ্টিগ্ৰাহ্য তথ্যৰ কথা কোৱা হৈছে, পশ্চিমৰ গৱেষক-পণ্ডিতে ফটো, ভি-ডি-অ', কথাছবি বিশ্লেষণ (Film Analysis) ইত্যাদিক বুজাব খোজে। ফটোগ্ৰাফ যেনেকৈ গৱেষণাৰ তথ্য সৰবৰাহৰ মাধ্যম হ'ব পাৰে, তেনেকৈ ছবি নিজেও গৱেষণাৰ বিষয় হ'ব পাৰে। সম্প্ৰতি লোকসংস্কৃতি বিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত ফটোগ্ৰাফ আৰু ভি-ডি-অ'ৰ উপৰিও অন্যান্য বহু দৃশ্য তথ্য বুলি গণ্য হ'ব পাৰে। যেনে— গুহাচিত্ৰ, পটচিত্ৰ, দেৱালচিত্ৰ, হাতে আঁকা চিত্ৰ, আল্পনা, শিল, ধাতু অথবা কাঠত খোদাই কৰা চিত্ৰ/ছবি/ঘটনা/লিপি ইত্যাদি।

আনহাতে তথ্যৰ সামগ্ৰিক স্বৰূপ অনুসৰি তথ্য উৎস যিয়েই নহওক লাগে, তথ্যক সামগ্ৰিকভাৱে দুই ভাগত ভাগ কৰিব পাৰি— গুণগত (Qualitative) আৰু পৰিমাণগত (Quantitative) তথ্য।

**গুণগত আৰু পৰিমাণগত তথ্য ঃ**


গুণগত তথ্য হ'ল বিবৃতিমূলক (Descriptive) আৰু প্ৰসংগবদ্ধ (Contextual)। আনহাতে পৰিমাণগত তথ্য সংখ্যা (Neumerical), পৰিসংখ্যা (Statistics), পৰিমাণ (Quantity) নিৰ্ণায়ক। সমাজবিজ্ঞান অথবা সাহিত্য-সংস্কৃতিৰ গৱেষণাত পৰিসংখ্যাগত তথ্য আৰু গুণগত তথ্য দুয়ো প্ৰকাৰৰ তথ্য ব্যৱহৃত হ'ব পাৰে।

তথ্য (Data)

- গুণগত তথ্য
  - বৰ্ণনাত্মক
- পৰিমাণগত তথ্য
  - সংখ্যাগত

**সামগ্ৰিক দৃষ্টিত তথ্যৰ শ্ৰেণীকৰণ ঃ**

গৱেষণাৰ তথ্য সংগ্ৰহৰ পৰা আৰম্ভ কৰি তথ্য শ্ৰেণীকৰণ, মূল্যায়ন, বিশ্লেষণ, সম্পাদনা, পুনৰীক্ষণ আৰু গৱেষণাৰ বাবে তথ্য গ্ৰহণ কৰি সকলো কাম সম্পূৰ্ণ কৰি গৱেষণা কৰ্মত অগ্ৰসৰ হোৱা এই প্ৰক্ৰিয়াটোৰ এটা উল্লেখযোগ্য স্তৰ হ'ল তথ্যৰ শ্ৰেণীকৰণ। ওপৰৰ সমগ্ৰ আলোচনাৰ পৰা দেখা গ'ল সামগ্ৰিকভাৱে তিনিটি ভাগত তথ্যৰ শ্ৰেণীকৰণ কৰা হয়। তলত দিয়া ধৰণে এই শ্ৰেণীকৰণৰ তিনিটা ভাগত দেখুৱাব পাৰি—




এই ভাগসমূহৰ উপৰিও তথ্যৰ স্বৰূপ তথা প্ৰকৃতিভেদৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন তাত্বিক আলোচনাৰ ভিত্তিত গৱেষণাৰ বিভিন্ন স্তৰৰ প্ৰয়োজনত আৰু বিভিন্ন আৰু বিচিত্ৰ ধৰণে তথ্যৰ শ্ৰেণীকৰণ হ'ব পাৰে। তথাপি ওপৰত উল্লেখ কৰা শ্ৰেণীকৰণৰ প্ৰাথমিক ভাগকেইটা সকলো সময়তে সকলো স্তৰত প্ৰযোজ্য হয়।

**তথ্যৰ প্ৰক্ৰিয়াকৰণ (Data Processing) ঃ**

যি তথ্য গৱেষকে সংগ্ৰহ কৰে, তাক আকৰ তথ্য (Raw Data) অথবা অপৰিশোধিত তথ্য (Crude Data) বুলি কোৱা হয়। সেই তথ্যক কেইবাটাও পৰ্যায়ৰ মাজেৰে প্ৰস্তুত কৰাৰ পৰ্যায় অৰ্থাৎ প্ৰক্ৰিয়াকৰণ কৰা হ'লে তেতিয়া সেই তথ্যক প্ৰক্ৰিয়াকৃত তথ্য (Processed Data) বুলি কোৱা হয়। সামাজিক বিজ্ঞান (Social Science) ৰ গৱেষণাত বিভিন্ন প্ৰকাৰ তথ্যৰ প্ৰক্ৰিয়াকৰণ এক প্ৰকাৰ গুৰুত্বপূৰ্ণ কাম।

**তথ্য প্ৰক্ৰিয়াকৰণ পদ্ধতি (Data Processing Method)**

যি তথ্য গৱেষকে প্ৰথম প্ৰথম অপৰিশোধিত ৰূপত সংগ্ৰহ কৰে, তাক আঁকৰ তথ্য বুলি কোৱা হয়। সেই তথ্যক গৱেষণাৰ বাবে উপযোগী কৰি প্ৰস্তুত কৰি উলিয়ালে প্ৰক্ৰিয়াকৃত তথ্য (Processed Data) বোলা হয়। সেয়ে গৱেষণাকৰ্মত তথ্যৰ



প্ৰক্ৰিয়াকৰণ এটা অতি গুৰুত্বপূৰ্ণ কাম। তথ্য প্ৰক্ৰিয়াকৰণৰ কামো প্ৰধানতঃ চাৰিটা পৰ্যায়ৰ মাজেৰে সম্পন্ন হয়—

- সম্পাদনা (Editing)
- সাৰসংগ্ৰহ (Coding)
- শ্ৰেণীকৰণ (Classification)
- চূড়ান্ত তালিকাকৰণ (Tabulation)

**সম্পাদনা ঃ**

তথ্যৰ সম্পাদনা হ ল অপৰিশোধিত তথ্য অথবা আঁকৰ তথ্যৰ পৰীক্ষণ আৰু তথ্যৰ মাজত থকা ভুল-ভ্ৰান্তিৰ অনুসন্ধান কৰি উপযুক্ত তথ্যক বাছি উলিয়াই গৱেষণাৰ বাবে নিৰ্বাচন কৰা। যদি সম্ভৱ সেই তথ্যত থকা ভুল দূৰ কৰি স্পষ্টতা নিৰূপণ কৰি তথ্যক সম্পূৰ্ণতা প্ৰদান কৰা আৰু গৱেষণা কৰ্মত ব্যৱহাৰৰ যথাৰ্থতা নিৰ্ণয় কৰা। সম্পাদনাৰ স্তৰত তথ্যৰ গুণগত মান নিৰূপণৰ উপৰিও সাৰ সংগ্ৰহ কৰি শ্ৰেণীকৰণৰ মাজেৰে চূড়ান্ত তালিকাভুক্ত কৰা হয়। সাক্ষাৎকাৰ, প্ৰশ্নপত্ৰ পূৰণ, কাঠামোৱদ্ধ তথ্য বিন্যাস (Structred Information Format) পূৰণ কৰা অথবা লিখিত তথ্য নিৰ্বাচন কৰা ইত্যাদি ক্ষেত্ৰত সম্পাদনাৰ প্ৰয়োজন হয়। প্ৰাথমিক তথ্য সঠিক আৰু সামঞ্জস্যপূৰ্ণ হৈছে নে নাই সেই বিষয়ে গৱেষক নিশ্চিত হোৱা উচিত আৰু প্ৰয়োজনত পুনৰ সম্পাদনাও কৰাৰো প্ৰয়োজন হয়।

**সাৰসংগ্ৰহ (Coding) ঃ**

সাৰ সংগ্ৰহ হ'ল সিদ্ধান্তত উপনীত হোৱাৰ সহায়ক হোৱাকৈ তথ্যত বৰ্ণনাণুক্ৰমিক অথবা সাংখ্যিক প্ৰতীক আৰোপ কৰি গৱেষণাত ব্যৱহাৰৰ উপযোগীকৈ সীমিত সংখ্যক শ্ৰেণী বা ভাগত অন্তৰ্ভুক্ত কৰা প্ৰক্ৰিয়া। এনে শ্ৰেণী বা ভাগসমূহ গৱেষণা সমস্যা বা প্ৰশ্নৰ উত্তৰ অথবা সমাধান সন্ধান কৰাৰ ক্ষেত্ৰত যথোপযুক্ত হ'ব লাগিব। এই ক্ষেত্ৰত চিহ্ন (Sign) ব্যৱহাৰ কৰি সংগৃহীত তথ্যৰ প্ৰতীকায়ন (Symbolised) কৰিবলগীয়া হয়। এনে প্ৰতীকায়ন কোনো বিষয়ক সংখ্যা অথবা অন্য কোনো সংকেত-বৰ্ণৰ দ্বাৰা চিহ্নিত কৰা হয়। ধৰা হ'ল, কোনো গৱেষকৰ দ্বাৰা কোনো লোক সাহিত্যৰ তথ্য সংগ্ৰহ কৰা হৈছে, তেতিয়া সেই সংগ্ৰহৰ বিষয়টোক এই ধৰণে কোডত প্ৰতীকায়িত কৰিব পাৰি—


- নিচুকনি গীত ঃ কোড-১
- সাঁথৰ ঃ কোড-২
- প্ৰবাদ ঃ কোড-৩

- কিংবদন্তী ঃ কোড-৪
- লোকগাথা ঃ কোড-৫ ইত্যাদি।

এইক্ষেত্ৰত যদি গৱেষণা গ্ৰন্থত কোড-১ বুলি আৰু কোড-৩ বুলি ব্যৱহাৰ পাওঁ, তেতিয়া কোড-১ বুলিলে নিচুকনি গীত আৰু কোড-৩ বুলিলে প্ৰবাদ বুলি বুজিব লাগিব। গৱেষকৰ হাতত অসংখ্য তথ্য সংগ্ৰহ হ'লে, সেই ক্ষেত্ৰত এনে কোডৰ সহায় গ্ৰহণ কৰা হয়। এনে কোডৰ ব্যৱহাৰে বহু তথ্যৰ মাজৰ পৰা গৱেষণা বিষয়ৰ উপযোগী ৰূপত তথ্যৰ চিহ্নিতকৰণ, বিশ্লেষণ, শ্ৰেণীকৰণ ইত্যাদি তথ্য ব্যৱস্থাপনা (Data Management) -ৰ কাম কৰা সহজ হয়।


**শ্ৰেণীকৰণ ঃ**

গৱেষণাকৰ্মত জৰীপ অথবা পৰ্যবেক্ষণৰ জৰিয়তে লাভ কৰা বৃহদায়তন আঁকৰ তথ্য অথবা অপৰিশোধিত তথ্যৰ ক্ষেত্ৰত অৰ্থবহ বিশ্লেষণৰ সুবিধা হোৱাকৈ সমগোত্ৰীয় তথ্যসমূহৰ শ্ৰেণীবিভক্ত কৰি সংকোচন কৰাটো অতি প্ৰয়োজন হয়। এই প্ৰক্ৰিয়াটোকে তথ্যৰ শ্ৰেণীকৰণ বুলি অভিহিত কৰা হয়। তথ্যৰ বাহুল্য ঘটিলে গৱেষণাকাৰ্যত তথ্যক শ্ৰেণীকৰণ কৰাৰ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তা সৃষ্টি কৰে। একেবাৰে সাধাৰণ পৰিভাষাত তথ্যক কোনো শাখা বা গোটত শ্ৰেণীভুক্ত কৰাকেই তথ্যক শ্ৰেণীকৰণ কৰা বুলি কোৱা হয়। সমধৰ্মী বিষয়ৰ তথ্যক একে শ্ৰেণীত ৰখাই শ্ৰেণীকৰণৰ মূল কাম। এইদৰে ক্ৰমশঃ বৃহত্তৰ ক্ষেত্ৰৰ পৰা নিৰ্দিষ্ট বিশেষ ক্ষেত্ৰৰ ফালে প্ৰণালীবদ্ধভাৱে আগবাঢ়িব পাৰি। ধৰা হওক, কোনো বিষয়ক কিংবদন্তীৰ বিষয়ে গৱেষণা কৰিবলগীয়া হ'ল। তেতিয়া ইয়াৰ শ্ৰেণীকৰণ তলত দিয়া ধৰণে কৰিব পাৰি—






তথ্যৰ শ্ৰেণীকৰণ পদ্ধতি ক্ৰমশঃ বহল পৰিসৰৰ পৰা নিৰ্দ্দিষ্ট বিষয়ৰ পৰিসৰলৈ অগ্ৰসৰ হয়। তথাপি তথ্য শ্ৰেণীকৰণ পদ্ধতিৰ প্ৰয়োগ গৱেষকৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰে। কি বিষয়ে কি দৃষ্টিভংগীৰে কি সাব্যস্ত কৰিবলৈ গৱেষকে গৱেষণা কৰে, তাৰ ওপৰত নিৰ্ভৰ কৰিব তথ্যৰ শ্ৰেণীকৰণ প্ৰক্ৰিয়া। উদাহৰণস্বৰূপে, যদি কোনো গৱেষকে হস্তনিৰ্মিত লৌহধাতুশিল্পৰ বিষয়ে গৱেষণা কৰিবলৈ বিচাৰে, তেতিয়া হ'লে তথ্যৰ শ্ৰেণীকৰণ পদ্ধতি হ'ব তলত দিয়া ধৰণৰ—





এই শ্ৰেণীকৰণ প্ৰক্ৰিয়াত যদি কোড নাম্বাৰ ব্যৱহাৰ কৰা হয়, তেন্তে শ্ৰেণীকৰণৰ প্ৰক্ৰিয়া আৰু বেছি সুবিধাজনক হৈ উঠিব।

**চূড়ান্ত তালিকাকৰণ (Final Tabulation) ঃ**

তথ্য প্ৰক্ৰিয়াকৰণৰ এটা গুৰুত্বপূৰ্ণ স্তৰ হ'ল চূড়ান্ত তালিকাকৰণ। পাৰিসাংখ্যিক তথ্য থাকিলে তথ্যক তালিকা অথবা গ্ৰাফত উপস্থাপন কৰা হয়। দৃশ্য ৰূপত গ্ৰাফ আৰু কোনো তথ্যৰ তালিকা উপস্থাপন কৰা হয়। তালিকা সাৰাংশকৃত আৰু সংক্ষেপীকৃত তথ্যক প্ৰকাশ কৰিবলৈ গৱেষণাত তথ্য তালিকা বা গ্ৰাফৰ ব্যৱহাৰ কৰা হয়। স্তম্ভ আৰু শাৰীত শৃংখলাবদ্ধ ৰূপত সজোৱা একপ্ৰকাৰ সংক্ষিপ্ত আৰু যুক্তিনিষ্ঠ তথ্যসম্ভাৰে গৱেষণা কাৰ্যক প্ৰণালীবদ্ধ ৰূপত তুলি ধৰিবলৈ সহায়তা কৰে। যিসমূহ গৱেষণাৰ বিষয় বৰ্ণনাত্মক আৰু সাংখ্যিক, তেনে ক্ষেত্ৰত তথ্যক শাৰী আৰু স্তম্ভত সজাব পাৰিলে বিষয়ৰ উপস্থাপন সহজ হয়। অৱশ্যে বিশুদ্ধ বিজ্ঞানৰ বিষয়, অৰ্থনীতি অথবা পৰিসংখ্যাৰ বিষয়ৰ ক্ষেত্ৰত যি ধৰণে এনে চূড়ান্ত তালিকাকৰণৰ কাৰ্য প্ৰযোজ্য হয়, সাহিত্য-সংস্কৃতিৰ বিষয়ত সিমান বিস্তৃত ধৰণে চূড়ান্ত তালিকাকৰণৰ কাৰ্য ব্যৱহাৰ কৰিব নোৱাৰি। আজিকালি কৰা সাহিত্য-সংস্কৃতিৰ অন্তৰ্গত বিষয়ৰ ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ বিৰল হ'লেও, আন্তঃক্ষেত্ৰ গৱেষণা (Inter Disciplinary Research)ৰ বিষয়সমূহৰ গৱেষণাত একেবাৰে নোহোৱা নহয়।

এনেদৰেই সম্পাদনা, সাৰসংগ্ৰহ, শ্ৰেণীকৰণ, চূড়ান্ত তালিকাকৰণৰ মাজেৰে তথ্য প্ৰক্ৰিয়াকৰণ কাৰ্য সম্পাদন হয়।

এই প্ৰক্ৰিয়াক তলত দিয়া ধৰণে চিহ্নিত কৰিব পাৰি[৩]—




ওপৰত উল্লিখিত চাৰিওটি উপায়েৰে আঁকৰ তথ্য অথবা অপৰিশোধিত তথ্যৰ প্ৰক্ৰিয়াকৰণ পৰ্যায়ক্ৰমে ঘটিলে, আঁকৰ তথ্যৰ পৰা প্ৰক্ৰিয়াকৃত তথ্য তৈয়াৰ কৰা সম্ভৱ হয়। এইদৰে গৱেষণাৰ পদ্ধতি বিজ্ঞানৰ দৃষ্টিত কোৱা হয় যিকোনো গৱেষণাকৰ্মত আঁকৰ তথ্যৰ পৰা প্ৰক্ৰিয়াকৃত তথ্যলৈ উন্নীত তথ্যৰ ব্যৱহাৰেই গৱেষণাগ্ৰন্থ অথবা প্ৰতিবেদনত ব্যৱহাৰ কৰা উচিত। তেনে কৰিলে গৱেষণা কাৰ্যত খুঁতশূন্যতা (Accuracy) আৰু সত্যতা (Authenticity) দুয়োটাই নিশ্চিত হয়।

**পাদটীকা ঃ**

[১] শেখ মকবুল ইসলাম, *গবেষণাৰ পদ্ধতিবিজ্ঞান,* সাহিত্য-সমাজ-সংস্কৃতি, বঙ্গীয় সাহিত্য সংসদ, ৬/২ ৰমানাথ মজুমদাৰ ষ্ট্ৰিট্ কলকাতা-৯, ২০১২, পৃ. ২৭

[২] উল্লিখিত, পৃ. ৩১

[৩] উল্লিখিত, পৃ. ৩০

**ষষ্ঠ অধ্যায়**

# গৱেষণা আঁচনি

গৱেষণা আঁচনি এক প্ৰকাৰ ধাৰণাত্মক গঠন, যাৰ সহায়ত সম্পূৰ্ণ গৱেষণা কাৰ্য পৰিচালিত হয়। অৰ্থাৎ গৱেষণা আঁচনি হ'ল বিশাল গৱেষণা কাৰ্য সম্পাদন কৰিবলৈ প্ৰস্তুত কৰা এক প্ৰকাৰ বিস্তৃত আঁচনি। অন্য অৰ্থত ই হ'ল কোনো নিৰ্দ্দিষ্ট গৱেষণা প্ৰশ্নৰ উত্তৰ সন্ধানৰ অথবা কোনো প্ৰাক্‌কল্পনাৰ সিদ্ধান্তত উপনীত হ'বলৈ প্ৰয়াস কৰা আঁচনিৰ একপ্ৰকাৰ ব্লু-প্ৰিন্ট (Blueprint)। সুপৰিকল্পিতভাৱে শৃংখলাবদ্ধভাৱে একোটি গৱেষণাকৰ্ম সম্পন্ন কৰি একোখন সফল গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিবলৈ বিষয় বিশেষৰ লগত সংশ্লিষ্ট বিশেষ গৱেষণা আঁচনিৰ প্ৰয়োজন হয়। গৱেষণা আঁচনি এখনৰ আধাৰত স্তৰ অনুক্ৰমে গৱেষণা কাৰ্যত অগ্ৰসৰ হয় গৱেষক। গৱেষণা আঁচনি কি, ইয়াৰ প্ৰকৃতি, স্বৰূপ আৰু বৈশিষ্ট্য সম্পৰ্কে বিচাৰ কৰাৰ আধাৰত এজন গৱেষকে একোটি বিশেষ গৱেষণা-কৰ্মৰ আঁচনি নিৰ্মাণ কৰে। গৱেষকে গৱেষণাৰ মাজেৰে কি কৰিব বিচাৰে অথবা কিভাৱে কৰিবলৈ বিচাৰে এই দুইটা দিশৰ ওপৰত নিৰ্ভৰ কৰে গৱেষণাৰ পৰিকল্পনা। গৱেষণাৰ পৰিকল্পনা মূলতঃ তথ্য সংগ্ৰহৰ পৰা বিশ্লেষণ, মূল্যায়ন আৰু সিদ্ধান্তলৈকে বিভিন্ন পৰ্যায়ত আৰম্ভণিৰ পৰা শেষলৈকে গৱেষণা-কৰ্মৰ এটি কৰ্ম-আঁচনি বা খঁচৰা। গৱেষণা আঁচনি অথবা পৰিকল্পনাৰ ক্ষেত্ৰত মুখ্য বিবেচ্য দিশবোৰ হ'ল—

- কোনো প্ৰশ্ন বা জিজ্ঞাসাৰ উত্তৰ সন্ধান।
- গৱেষণা প্ৰশ্ন (কি, কিয়, কেনেকৈ, ক'ত)ত গুৰুত্ব প্ৰদান।
- গৱেষণা বিষয়ৰ প্ৰাসংগিক তথ্যৰ উৎস নিৰ্ণয়।
- গৱেষণা নিৰ্দ্দিষ্ট তথ্য সংগ্ৰহৰ কৌশল নিৰ্মাণ।
- সংগৃহীত তথ্যৰ ব্যাখ্যা-বিশ্লেষণৰ তাত্ত্বিক ভিত্তি নিৰ্মাণ।

**গৱেষণা আঁচনিৰ গুৰুত্ব ঃ**

গৱেষণা আঁচনিয়ে কোনো গৱেষণাকৰ্মৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি গৱেষণা কাৰ্য সুচাৰুৰূপে চলাই নিয়াত সহায় কৰে। গৱেষণাকৰ্মক কম সময়, কম খৰচ আৰু কম প্ৰয়াসেৰেই অধিক তথ্য সন্ধানৰ সৃষ্টিক্ষমতা প্ৰদান কৰে। গৱেষণাৰ বিশ্বাসযোগ্য আৰু যথোপযুক্ত সিদ্ধান্তত উপনীত হোৱাৰ ক্ষেত্ৰত গৱেষণা আঁচনিয়ে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**গৱেষণা আঁচনিৰ উদ্দেশ্য ঃ**

গৱেষণা কৰিবলগীয়া বিষয় এটাৰ গৱেষণা প্ৰশ্নৰ পক্ষপাত মুক্ত উত্তৰ সন্ধানী দৃষ্টিভংগীৰে ফলাফলত উপনীত হোৱাৰ পৰিকল্পনা। গৱেষণা আঁচনিয়ে একে সময়তে সুযোগৰ সুৰক্ষা দি সম্ভাব্য অসুবিধাৰ প্ৰতি সতৰ্ক আৰু সাৱধান হৈ নিৰ্দিষ্ট প্ৰণালীৰে সংগঠিত কৰে। গৱেষণা আঁচনিয়ে নিৰ্ভুল আৰু সঠিক সিদ্ধান্তত উপনীত হ'বলৈ সহায় কৰে। গৱেষকক সৰ্বোত্তম কাৰ্যকাৰিতা আৰু বিশ্বাসযোগ্যতা প্ৰদান কৰে। গৱেষণাৰ উপযুক্ত আঁচনিয়ে অৰ্থ আৰু সময়ৰ অপচয় কমোৱাই নহয়, গৱেষণা কাৰ্যত আস্থা দৃঢ় কৰিবলৈ অনুপ্ৰাণিত কৰে; যি কাৰ্যৰ সফল সম্পাদনৰ লগতে সন্তুষ্টি প্ৰদান কৰে। সেয়ে গৱেষণা আঁচনিৰ প্ৰধান উদ্দেশ্য হয়গৈ—

- নতুন দৃষ্টিভংগীৰে নতুন জ্ঞানৰ ক্ষেত্ৰত উপনীত হোৱা।
- কোনো ব্যক্তিগত, সামূহিক সমস্যাৰ বৈশিষ্ট্য নিৰূপণ কৰা।
- নিৰ্দিষ্ট বিষয় সম্পৰ্কে প্ৰাপ্ত তথ্যৰ বাৰম্বাৰ বিশ্লেষণ কৰা।
- বিষয় সম্পৰ্কীয় প্ৰাককল্পনা আৰু প্ৰাপ্ত সত্যক তুলনাৰ দ্বাৰা পৰীক্ষা কৰা।

**গৱেষণা প্ৰশ্ন বা সমস্যা অনুযায়ী আঁচনি নিৰ্মাণ ঃ**

এই স্তৰত গৱেষণা আঁচনিয়ে গৱেষকৰ বাবে গৱেষণা প্ৰশ্ন বা সমস্যাৰ অৱতাৰণা কৰে। যি প্ৰশ্নৰ উত্তৰ অথবা সমস্যাৰ সমাধান সন্ধান কৰা আৰু প্ৰাক্‌কল্পনা পৰীক্ষণৰ পথ প্ৰশস্ত কৰে। গৱেষণা প্ৰশ্ন বা সমস্যা হ'ল কোনো প্ৰশ্নৰ উত্তৰ অথবা সমস্যাৰ সমাধান সন্ধানী প্ৰয়াস। গৱেষক এই সন্ধান হয় তাত্ত্বিকভাৱে কৰে, নহয় ব্যৱহাৰিকভাৱে গৱেষণা প্ৰশ্ন বা সমস্যাৰ সন্মুখীন হয়। গৱেষণা কৰ্ম এটিৰ প্ৰস্তুতি পৰ্বত গৱেষণা কৰ্মৰ সিদ্ধান্তত উপনীত হ'বলৈ কেইটিমান প্ৰশ্নৰ উত্তৰ সন্ধান অতি প্ৰয়োজন হয়। সেই গৱেষণা প্ৰশ্নকেইটি হ'ল—

- নিৰ্বাচিত বিষয় সম্পৰ্কীয় পূৰ্বকৃত কৰ্ম কি আছিল?
- কি দিশ অথবা পৰিপ্ৰেক্ষাত পূৰ্ব অধ্যয়ন হৈছিল?
- পূৰ্বকৃত অধ্যয়নৰ তাৎপৰ্য কি আছিল?
- প্ৰাথমিক অনুসন্ধানে কি নিৰ্দেশ কৰে?
- কেনেকৈ পূৰ্ব অধ্যয়ন পৰিচালিত হৈছিল?
- পূৰ্ব অধ্যয়নত কি বিচৰা হৈছিল?
- গতিকে বৰ্তমান কি কৰা হ'ব?

**গৱেষণা আঁচনিৰ স্তৰ ঃ**

গৱেষণা কৰিবলগীয়া বিষয় এটিৰ লগত খাপ খোৱা পৰিকল্পনা, অনুসন্ধানৰ গঠন সম্পৰ্কীয় সিদ্ধান্ত, গৱেষণাৰ বিভিন্ন পৰ্যায়, পদ্ধতি আৰু গৱেষণা কৰ্ম পৰিচালনাৰ কৌশল নিৰ্ধাৰণ কৰি লোৱা হয় গৱেষণাৰ পৰিকল্পনাত। গৱেষণা-তত্ত্ববিদসকলে গৱেণাৰ পৰিকল্পনা




অথবা আঁচনিত পাঁচটা স্তৰ চিহ্নিত কৰে—

- উদ্দেশ্য
- পদ্ধতি
- তথ্য সংগ্ৰহ
- তথ্য বিশ্লেষণ
- সিদ্ধান্তৰ সংযোগ

গৱেষণা আঁচনি হ'ল গৱেষণা পৰিচালনাৰ বাবে গৱেষণা কৰিবলগীয়া বিষয়ৰ অন্তৰ্গত এক প্ৰকাৰ ধাৰণাগত সংযুক্তি, যি তথ্যৰ সংগ্ৰহ, বিশ্লেষণ আৰু পৰিমাপৰ বাবে সুৰুঙাবিহীন ব্যৱস্থা গঠন কৰে। গৱেষণা আঁচনিয়ে সম্পূৰ্ণ অধ্যয়নৰ মেৰুদণ্ড গঠন কৰে। গৱেষণা প্ৰশ্নৰ সমাধান আৰু প্ৰক্‌কল্পনাৰ পৰীক্ষণৰ বাবে সামগ্ৰিক পৰিকল্পনা কৰে। কি অধ্যয়নীয়, আৰু অধ্যয়নৰ পৰা কি বিচৰা হৈছে তাৰ কাৰণে তথ্য সংগ্ৰহ, পৰিমাপন-বিশ্লেষণৰ সম্পূৰ্ণ পৰিকল্পনাই গৱেষণা আঁচনি।

গৱেষণাৰ আঁচনি অথবা পৰিকল্পনা প্ৰকৃততে গৱেষণা কৰ্মৰ প্ৰাক্‌কল্পনা, যি প্ৰাক্‌কল্পনাৰ মাজেৰে গৱেষকে গৱেষণাৰ আৰম্ভণিৰ পৰা শেষলৈকে কেনেকৈ কাম কৰিব তাৰ এটি কৰ্মসূচী অথবা ৰূপৰেখা প্ৰস্তুত কৰিব পাৰে। গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্যৰে সৈতে প্ৰাক্‌কল্পনা, ইয়াৰ গঠন আৰু সম্পন্ন কৰাৰ কৌশল— এই সকলোবোৰৰ একত্ৰ পৰিকল্পনাক একেলগে গৱেষণাৰ আঁচনি (Research Design) বুলি ক'ব পাৰি। গৱেষণা প্ৰকল্প সকলো সময়তে বিজ্ঞানসন্মত হোৱা উচিত। গৱেষণা প্ৰকল্প বিজ্ঞানসন্মত হ'বলৈ হ'লে স্বাভাৱিকতে নিৰ্দ্দিষ্ট পৰিকল্পনা থাকিব লাগিব। তলত দিয়া চিত্ৰই এক পৰিকল্পিত গৱেষণা আঁচনিৰ সজ্জা দাঙি ধৰে—



এই চিত্ৰত গৱেষণা কৰ্মত ব্যৱহৃত এলানি কাৰ্যকৰী হোৱা কাৰ্যসূচীৰ বৰ্ণনা কৰা হৈছে, যাক তিনিটা বিশেষ ভাগত ভাগ কৰা হৈছে—

- অনুসন্ধান
- গৱেষণা আঁচনি
- গৱেষণা সঞ্চালন

মনত ৰখা উচিত যে এই সাধাৰণ আঁচনিয়েই কোনো গৱেষণা কৰ্মৰ পথিকৃত আঁচনি হ'ব। অৱশ্যে কেতিয়াবা কোনো বিশেষ গৱেষণা আঁচনিৰ ব্যৱহাৰিক প্ৰয়োজনৰ ক্ষেত্ৰত এই কাৰ্যৰ ক্ৰমসূচীৰ পৰিৱৰ্তিত ৰূপৰ ব্যৱহাৰো হ'ব পাৰে। ওপৰৰ চিত্ৰত গৱেষণা আঁচনি নিৰ্মাণৰ কেইবাটিও পদক্ষেপ পৰিলক্ষিত হ'ল। সেই পদক্ষেপকেইটিৰ কাৰ্য-ক্ৰমণিকা তলত দিয়া ধৰণৰ—

**প্ৰথম পদক্ষেপ ঃ** এই পদক্ষেপত গৱেষণা সমস্যা অথবা গৱেষণা প্ৰশ্নৰ অনুসন্ধান কৰা হয়। এই প্ৰথম পদক্ষেপত সংশ্লিষ্ট গৱেষণা ক্ষেত্ৰৰ প্ৰকৃতি, পৰিঘটনা অথবা বিষয় সম্পৰ্কিত প্ৰপঞ্চৰ উদঘাটনৰ কাৰণে এটা বা তাতকৈ অধিক গৱেষণা প্ৰশ্নৰ অৱতাৰণা কৰা হয়।

**দ্বিতীয় পদক্ষেপ ঃ** প্ৰস্তাৱিত বিষয়ৰ জ্ঞানৰ অনুসন্ধানত জ্ঞানৰ বৰ্তমান স্থিতি বুজিবলৈ বিস্তৃত আৰু বিকশিত অনুসন্ধান, পৰীক্ষণ আৰু বিষয় ক্ষেত্ৰৰ লগত সম্পৰ্ক থকা প্ৰকাশিত পূৰ্ব সাহিত্যৰ অনুসন্ধান কৰা আৰু গৱেষণা সমস্যাৰ সমাধানৰ কাৰণে প্ৰয়োজনীয় তত্ত্বক চিনাক্ত কৰা হয়। প্ৰস্তাৱিত গৱেষণা বিষয়ৰ লগত সম্পৰ্কিত প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ সম্পন্ন কৰা হয়। প্ৰাপ্ত পূৰ্ব তথ্য সাহিত্যৰ পুনৰীক্ষণ তিনিটা স্তৰত সম্পন্ন হয়—

- প্ৰস্তাৱিত বিষয় সম্পৰ্কীয় জ্ঞানৰ বৰ্তমান অৱস্থা নিৰীক্ষণ।
- বিষয়ক্ষেত্ৰত প্ৰাপ্ত মূল লেখক, নিৱন্ধ, তত্ত্ব আৰু সিদ্ধান্ত চিনাক্তকৰণ।
- কম্পিউটাৰত ব্যৱহৃত অন লাইন তথ্য ভাণ্ডাৰৰ সন্ধান।

প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণ যুক্তিসন্মতভাৱে সম্পন্ন কৰিব লাগিব। কেৱল কেইটিমান বছৰ, কেইখনমান জাৰ্ণাল্ অথবা কোনো বিশেষ পদ্ধতিবিজ্ঞানৰ মাজতে ইয়াৰ অনুসন্ধান সীমাৱদ্ধ মাত্ৰ নহয়। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণে গৱেষণা ক্ষেত্ৰ সংক্ৰান্ত কিছু ধাৰণা অথবা সম্ভাৱনাময় উত্তৰৰ সন্ধানত তত্ত্বৰ সন্ধান দিব পাৰে। কেতিয়াবা প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণত ক্ষেত্ৰৰ প্ৰস্তাৱিত ধাৰণাৰ বিস্তাৰক ৰুধিব নোৱাৰা হয়। তেনে ক্ষেত্ৰত গৱেষণা ক্ষেত্ৰৰ লগত সম্পৰ্কিত তত্ত্বৰ অনুসন্ধান কৰি সেই তত্ত্বৰ আধাৰত প্ৰাসংগিক সাহিত্যৰ চিনাক্তকৰণ কৰা সম্ভৱ হয়। প্ৰাপ্ত তথ্য সাহিত্যৰ পুনৰীক্ষণৰ জৰিয়তে গৱেষকে প্ৰাসংগিক তত্ত্ব আৰু প্ৰক্ৰিয়াৰ সহায়ক হ'ব পৰা সাহিত্যৰো পৰীক্ষা কৰে, যি



তত্ত্ব বা প্ৰক্ৰিয়া প্ৰস্তাৱিত গৱেষণা বিষয়ৰ সম্পূৰ্ণ অধ্যায়সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে।

**তৃতীয় পদক্ষেপ ঃ** এই পদক্ষেপ গৱেষণা আঁচনি প্ৰস্তুতকৰণৰ। এই পদক্ষেপতে গৱেষণাকৰ্মৰ 'ব্লু-প্ৰিন্ট' তৈয়াৰ কৰা হয়, যাৰ সহায়ত অনুসন্ধানৰ পৰ্যায়তে গৱেষণা প্ৰশ্ন অথবা সমস্যা চিনাক্তকৰণ সম্ভৱ হয়। এই পৰ্যায়ত গৱেষণা আঁচনিয় গৱেষাণাৰ বাবে পদ্ধতি তৈয়াৰ কৰা আৰু তথ্য সংগ্ৰহৰ কৌশল নিৰ্ধাৰণত সহায়ক কৌশলৰো সন্ধান কৰে। সম্পূৰ্ণ কাৰ্যক্ষম পদ্ধতি আৰু পদ্ধতি বিজ্ঞানৰ প্ৰয়োগ নিশ্চিত কৰে।

**চতুৰ্থ পদক্ষেপ ঃ** এই পদক্ষেপ গৱেষণা সমাপনৰ পদক্ষেপ। এই পৰ্যায়ত গৱেষণাৰ প্ৰতিবেদন প্ৰস্তুতকৰণ অথবা সম্পূৰ্ণ গৱেষণা প্ৰক্ৰিয়াৰ সিদ্ধান্তৰে সৈতে নথিভুক্ত কৰা হয়। উল্লেখযোগ্য যে গৱেষণাকৰ্মৰে কোনো অৰ্থ নাথাকিব যদিহে গৱেষণা প্ৰক্ৰিয়াৰ যোগেদি লাভ কৰা সিদ্ধান্ত অথবা ফলাফলসমূহ লিপিবদ্ধ কৰা নহয়। গৱেষণা কৰ্ম এটাৰ বিদ্যায়তনিক মূল্য অথবা সামাজিক গুৰুত্বও নাথাকিব যদি গৱেষণাৰ সিদ্ধান্ত ভৱিষ্যত প্ৰজন্মৰ বাবে লিপিৱদ্ধ কৰি সংৰক্ষণ কৰা নহয়। গতিকে গৱেষণালব্ধ সিদ্ধান্তসহ সম্পূৰ্ণ প্ৰতিবেদনক লিখিত ৰূপ দিয়াই হ'ল একেবাৰে অৱশেষ চতুৰ্থ পদক্ষেপৰ অন্তিম কাৰ্য।

**গৱেষণা আঁচনিৰ উপাদান**

- গৱেষণা বিষয়ৰ শিৰোনাম
- গৱেষণা বিষয়ৰ বিৱৰণ
- পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা
- বিষয়ৰ পৰিসৰ আৰু সীমাৱদ্ধতা
- অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজন
- প্ৰাক্‌কল্পনাৰ প্ৰস্তুতি
- সংজ্ঞাৰ ধাৰণা
- পদ্ধতিতত্ত্ব
- নমুনা সংগ্ৰহৰ পৰিকল্পনা
- কৰ্ম পৰিকল্পনা আৰু প্ৰশ্নসূচীৰ গঠন
- তথ্য বা সমল সংগ্ৰহ
- তথ্য বিশ্লেষণ
- ফলাফলৰ ব্যাখ্যা

- সিদ্ধান্তৰ টোকা লিখন
- সময় আৰু আৰ্থিক পৰিকল্পনা নিৰ্মাণ

এনেদৰে ওপৰত গৱেষণাকাৰ্য এটি বিজ্ঞানসন্মত ৰূপত সম্পাদন কৰিবলৈ দুটা দিশ নিশ্চিত হ'ব লাগিব—

- গৱেষণা সমস্যা (Research Problem)
- সুনিৰ্দ্দিষ্ট লক্ষ্য (Define Goal)

গৱেষণা কৰ্মৰ ধৰণ, তথ্য সংগ্ৰহৰ কৌশল, কি কি দিশৰ শীৰ্ষক অথবা অধ্যায় বিভাজন (Segement) কেনে হ'ব— আগতীয়াকৈ সজ্জিত কৰি ল'ব লাগিব। বিষয় অনুযায়ী তথ্য সংগ্ৰহৰ কৌশল কেনে হ'ব স্থিৰ কৰি ল'ব লাগিব। ক্ষেত্ৰ নিৰ্বাচন কৰি প্ৰয়োজনত ক্ষেত্ৰকৰ্ম (Field Work) ৰ স্থান স্থিৰ কৰি লোৱা হ'ব। গৱেষণা ক্ষেত্ৰৰ পৰা সংগৃহীত তথ্য গৱেষণা সমস্যাৰ সমাধানমুখী সম্ভাৱনা বহনকাৰী হোৱা উচিত।গৱেষণা কাৰ্যত এক প্ৰকাৰ ব্যৱস্থাপনা থাকিব লাগিব। গৱেষণাৰ ব্যৱস্থাপনাৰ স্তৰত কোনো শৈক্ষিক বিষয়ৰ অসংগত অথবা কেতিয়াবা অ-শৈক্ষিক বিষয়ৰো সংযোজন ঘটাবলগীয়া হয়। তেনে ক্ষেত্ৰত গৱেষক এজন গৱেষণাকৰ্মৰ প্ৰকাৰ কি হ'ব সেই সম্পৰ্কে সদায় নিশ্চিত হ'ব লাগিব।

**গৱেষণা আঁচনিৰ প্ৰয়োজনীয়তা**


গৱেষণাৰ পদ্ধতিবিজ্ঞান অনুসৰি গৱেষণাৰ পৰিকল্পনা অতি গুৰুত্বপূৰ্ণ। গৱেষণাৰ পৰিকল্পনাই একোটি গৱেষণা কৰ্মক প্ৰণালীৱদ্ধ কৰে। গৱেষণা আঁচনিয়ে কোনো গৱেষণাৰ গ্ৰহণযোগ্যতা আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰে। একেদৰে নিৰ্দিষ্ট একোটি গৱেষণাৰ বাবে গৱেষণা আঁচনিয়ে সম্ভাব্য সময়, সম্ভাব্য খৰচ, গৱেষণাৰ সম্ভাব্য সমস্যা সম্পৰ্কে আগতীয়া সিদ্ধান্ত ল'বলৈ সহায়ক হোৱাই নহয়, গৱেষণা পৰিকল্পনাই সেই প্ৰয়োজনীয়তাও নিশ্চিত কৰে। গৱেষণা আঁচনি অথবা পৰিকল্পনাৰ জৰিয়তে তথ্য সংগ্ৰহ আৰু তথ্য বিশ্লেষণৰ কৌশল নিৰ্ধাৰণ কৰিব পাৰি। তথ্য সংগ্ৰহ আৰু তথ্য বিশ্লেষণৰ কৌশলৰ ক্ষেত্ৰত অন্ততঃ তিনি প্ৰকাৰ বিশিষ্ট দিশৰ আঁচনিৰ উল্লেখ পোৱা যায় গৱেষণা কৰ্মত—

- তথ্য সংগ্ৰহ প্ৰক্ৰিয়া
- সামগ্ৰীৰ বিকাশ সাধনৰ প্ৰক্ৰিয়া
- নমুনা সংগ্ৰহ প্ৰক্ৰিয়া

গৱেষণাৰ পদ্ধতিবিজ্ঞান অনুসৰি গৱেষণা কাৰ্য এটিৰ প্ৰণালীৱদ্ধ পৰিকল্পনাই গৱেষণাৰ গ্ৰহণযোগ্যতা আৰু নিৰ্ভৰযোগ্যতা যথোপযুক্ত ৰূপত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায় কৰে। গৱেষণা আঁচনি কেনেকৈ গৱেষণা কাৰ্যৰ সহায়ক হ'ব তলৰ চিত্ৰতালিকাত



দেখুৱাবলৈ প্ৰয়াস কৰা হ'ল—




বহল অৰ্থত ক'ব পাৰি, তথ্য সংগ্ৰহ পদ্ধতিক দুই প্ৰকাৰত ভাগ কৰি আঁচনি নিৰ্মাণ কৰিব পাৰি। ভাগকেইটি হ'ল— প্ৰত্যক্ষবাদী কাৰ্যপদ্ধতি (Postivist Mode) আৰু ব্যাখ্যা-বিশ্লেষণমূলক কাৰ্যপদ্ধতি (Interpretive Mode)।

**প্ৰত্যক্ষবাদী পদ্ধতি ঃ**

এই পদ্ধতিত পৰীক্ষাগাৰৰ পৰীক্ষণ আৰু অনুসন্ধানমূলক গৱেষণা নিৰ্ধাৰণ কৰা প্ৰাক্‌কল্পনাৰ পৰীক্ষণ হয় অথবা ব্যাখ্যামূলক পদ্ধতিৰ ক্ৰিয়া-কলাপৰ অধ্যয়ন, নৃ-গোষ্ঠীয় অধ্যয়ন আদিৰ লক্ষ্য তত্ত্ব-নিৰ্মাণ ইত্যাদি কাৰ্য সম্পন্ন হয়। প্ৰত্যক্ষবাদী পদ্ধতিত গৱেষণাত গৱেষণা তত্ত্ব একোটাৰে সৈতে আৰম্ভ হয় কোনো গৱেষণা আৰু কোনো মৌলিক তথ্যৰ সংযোগত তাত্ত্বিক আধাৰৰ সংযোজন-বিয়োজন ঘটোৱা হয়। ইয়াৰ বিপৰীতে ব্যাখ্যামূলক গৱেষণা তথ্যৰে সৈতে আৰম্ভ হয় আৰু গৱেষণীয় বিষয় ক্ষেত্ৰক নতুন ধৰণে বিচাৰ কৰিবলৈ নতুন তত্ত্ব নিৰ্মাণ কৰি পৰ্যবেক্ষণৰ নতুন তাত্ত্বিক আধাৰো সংযোজন ঘটায়। মাজে মাজে এনে পদ্ধতিক ভুলকৈ গুণগত আৰু সংখ্যাগত পদ্ধতিৰ লগত একাকাৰ কৰা হয়। গুণগত আৰু সংখ্যাগত পদ্ধতিয়ে সংগৃহীত তথ্যৰ প্ৰকাৰ (সংখ্যাগত তথ্য সাংখ্যিক হিচাপ, ছন্দবিজ্ঞান ইত্যাদিৰ লগত আৰু গুণগত তথ্য সাক্ষাৎকাৰ, পৰ্যবেক্ষণ ইত্যাদিৰ লগত জড়িত)-ক বুজায়। প্ৰত্যক্ষবাদী গৱেষণাই প্ৰধানতঃ সংখ্যাগত তথ্য ব্যৱহাৰ কৰে, কিন্তু কেতিয়াবা গুণগত তথ্যও ব্যৱহাৰ কৰিব পাৰে।

**ব্যাখ্যা-বিশ্লেষণমূলক কাৰ্যপদ্ধতি ঃ**

ব্যাখ্যামূলক কাৰ্যপদ্ধতিত গৱেষণাই মুখ্যতঃ গুণগত তথ্যৰ ওপৰত বিশ্বাস কৰে। কিন্তু কেতিয়াবা কোনো জটিল সামাজিক প্ৰেক্ষাপটক অধ্যয়ন কৰিবলৈ দূৰদৃষ্টিৰ অনুসন্ধানত সংখ্যাগত তথ্যৰ ওপৰতো নিৰ্ভৰ কৰে। গতিকে গৱেষণা কাৰ্যত গুণগত আৰু সংখ্যাগত তথ্যৰ সংমিশ্ৰণত সংমিশ্ৰিত কাৰ্যপদ্ধতিৰ আঁচনি (Mixed Mode Design)ও অতি আৱশ্যকীয়। গৱেষণা আঁচনিৰ প্ৰকৃতি অনুযায়ী ইয়াৰ বৈশিষ্ট্যক সংজ্ঞায়িত কৰিবলৈ চাৰিটা মূল দিশত ভাগ কৰি বৈধতাৰ বিচাৰ কৰিব পাৰি। সেইকেইটা হ'ল—

- আভ্যন্তৰীণ বৈধতা (Internal Validity)
- বাহ্যিক বৈধতা (ExternalValidity)
- নিৰ্মাণক্ষম বৈধতা (Constructive Validity)
- পৰিসাংখ্যিক বৈধতা (Statistical Validity)

এইদৰে গৱেষণা আঁচনি নিৰ্মাণৰ ক্ষেত্ৰত ব্যাখ্যা-বিশ্লেষণমূলক কাৰ্যপদ্ধতিৰ প্ৰয়োগ কৰিব পাৰি।

**গৱেষণা আঁচনি বা পৰিকল্পনাৰ গুৰুত্ব**

গৱেষণা পৰিকল্পনাই গৱেষণাৰ বিভিন্ন স্তৰ অতিক্ৰম কৰা সহজ কৰে। নিৰ্দিষ্ট সময়, কম সাধন আৰু সহজ প্ৰয়াসেৰে পৰ্যাপ্ত ফল লাভৰ দিশে গৱেষকৰ গৱেষণা দক্ষতা বৃদ্ধি কৰে। গৱেষণাত প্ৰাপ্ত সিদ্ধান্তৰ প্ৰতি বিশ্বাসযোগ্যতা অৰ্জনৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**গৱেষণা আঁচনি বা পৰিকল্পনাৰ প্ৰকাৰ**

- অনুসন্ধানমূলক গৱেষণা পৰিকল্পনা (Exploratory Research Design)
- বৰ্ণনামূলক গৱেষণা পৰিকল্পনা (Descriptive Research Design)
- নিদানাত্মক গৱেষণা পৰিকল্পনা (Diagnostic Research Design)
- প্ৰাক্‌কল্পনা পৰীক্ষামূলক গৱেষণা পৰিকল্পনা (Hypothesis-testing Research Design)

**অনুসন্ধানমূলক গৱেষণা পৰিকল্পনা**

অনুসন্ধানমূলক গৱেষণা পৰিকল্পনাক সূত্ৰসন্ধানী গৱেষণা পৰিকল্পনা (Formulative Research Design) বুলিও অভিহিত কৰা হয়। অনুসন্ধানমূলক অধ্যয়ন পদ্ধতিগত আৰু বিজ্ঞানসন্মত প্ৰয়াস যি এজন গৱেষকক কোনো ধাৰণা বাস্তৱসন্মত হয়নে নহয় নিৰ্ণয় কৰাত সহায় কৰে। কাৰণ অনুসন্ধানমূলক গৱেষণাই গৱেষকক গৱেষণা প্ৰশ্ন অথবা সমস্যাৰ বিষয়ে ধাৰণা, প্ৰাক্‌কল্পনা আৰু পৰামৰ্শ প্ৰদান কৰে। অনুসন্ধানমূলক গৱেষণা নমনীয় পৰিকল্পনা, এই পৰিকল্পনাত প্ৰাপ্ত সিদ্ধান্তই ভৱিষ্যত অধ্যয়নৰ পথ নিৰ্দেশ কৰে। গতিকে অনুসন্ধানমূলক গৱেষণা পৰিকল্পনা কৰোঁতে এই নিৰ্দিষ্ট দিশকেইটালৈ লক্ষ্য ৰাখিবলগীয়া হয়।



**বৰ্ণনামূলক গৱেষণা পৰিকল্পনা**

বৰ্ণনামূলক গৱেষণা পৰিকল্পনা এক প্ৰকাৰ সম্ভাব্য তথ্য সংগ্ৰহৰ কঠিন পৰিকল্পনা। বৰ্ণনামূলক গৱেষণা পৰিকল্পনাত কোনো ফলাফল বা সিদ্ধান্ত নিৰ্ণয়ৰ কাৰণে পুনৰাবৃত্তিৰ হাৰ পৰ্যবেক্ষণত অধিক গুৰুত্ব দিয়া হয়। ইয়াক গৱেষণাকৰ্ম এটিৰ বাবে কাৰ্যশীল প্ৰক্ৰিয়া নিৰ্মাণৰ অগ্ৰৱৰ্তী সিদ্ধান্তও বুলিব পাৰি। বৰ্ণনামূলক গৱেষণা পৰিকল্পনা হ'ল প্ৰায়োগিক প্ৰক্ৰিয়াৰে গৱেষণা কৰ্ম আগবঢ়োৱা বিশ্লেষণৰ এক প্ৰকাৰ পূৰ্ব পৰিকল্পিত আঁচনি। ই এনে এক প্ৰকাৰ পৰিকল্পনা, য'ত কোনো ক্ষেত্ৰ অথবা পৰিঘটনাৰ পুনৰাবৃত্তি পৰ্যবেক্ষণ আৰু পৰীক্ষণেৰে সত্যত উপনীত হোৱাত বিশেষ গুৰুত্ব দিয়া হয়। এই গৱেষণাত অনুসন্ধানৰ জৰিয়তে গৱেষকে বিষয়ৰ এক প্ৰকাৰ চিত্ৰণ কৰিবলৈ সক্ষম হয়। বৰ্ণনামূলক গৱেষণা পৰিকল্পনাত পদ্ধতিগতভাৱে তথ্য-প্ৰমাণেৰে সৈতে গুণগত প্ৰকৃতিৰ বৰ্ণনাত্মক অধ্যয়ন সম্পন্ন হয়। এনে গৱেষণা পৰিকল্পনাত আচৰণগত তিনি প্ৰকাৰ নমুনা সংগ্ৰহ আৰু বিশ্লেষণৰ প্ৰয়াস কৰা হয়—

- অংশ গ্ৰহণকাৰী পৰ্যবেক্ষণ
- ব্যক্তিগত নথি-পত্ৰ অধ্যয়ন
- অসংৰচিত সাক্ষাৎকাৰ গ্ৰহণ
- সৰ্বাধিক তথ্য যোগানক্ষম

এইদৰে নমুনা সংগ্ৰহ, নমুনাৰ বিশ্লেষণ, নমুনাৰ পৰীক্ষণ আৰু নমুনাৰ নিৰ্বাচনৰ সকলো দিশকেন্দ্ৰিকভাৱে প্ৰাপ্ত তথ্য বা সমলৰ ওপৰত ভিত্তি কৰি বৰ্ণনামূলক গৱেষণা পৰিকল্পনা কৰা হয়।

**নিদানাত্মক গৱেষণা পৰিকল্পনা**

কোনো গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ কাৰণে অন্বেষণ আৰু তাৰ সমাধানৰ কাৰণে সম্ভাব্য পথ অন্বেষণ কৰিবলৈ যি গৱেষণা আঁচনি নিৰ্মাণ কৰা হয়, তাক নিদানাত্মক গৱেষণা পৰিকল্পনা বুলিব পাৰি। কেতিয়াবা কিছুমান গৱেষণা প্ৰশ্ন বা সমস্যাৰ তৎকালীন সমাধান জৰুৰী হৈ পৰে, তেনে ক্ষেত্ৰত এনে ধৰণৰ গৱেষণা প্ৰযোজ্য হয়। আকৌ যেতিয়া গৱেষণাৰ উদ্দেশ্য প্ৰাক্কল্পনাৰ পৰীক্ষণ হয়, তেনে ক্ষেত্ৰতো নিদানাত্ম গৱেষণা

আঁচনিৰ প্ৰয়োগ হ'ব পাৰে। অৱশ্যে তেনে ক্ষেত্ৰত নিদানাত্মক গৱেষণা কেতিয়াবা পৰীক্ষণযোগ্য হ'বও পাৰে আৰু কেতিয়াবা পৰীক্ষণযোগ্যতা নাথাকিবও পাৰে। সেয়ে এই সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি নিদানাত্মক গৱেষণা পৰিকল্পনা কৰা হয়।

**প্ৰাক্‌কল্পনা পৰীক্ষামূলক গৱেষণা পৰিকল্পন**

প্ৰাক্‌কল্পনা পৰীক্ষণ (Hypothesis-testing)ৰ গৱেষণা পৰিকল্পনাক পৰীক্ষামূলক গৱেষণা বুলিও অভিহিত কৰা হয়। গৱেষকে প্ৰাক্‌কল্পনাৰ পৰীক্ষা কৰোঁতে কোনো পূৰ্বধাৰণাৰ লগত প্ৰাপ্ত তথ্য বা সমলৰ পৰিৱৰ্তনশীল বৈশিষ্ট্যৰ পৰীক্ষা কৰে। গতিকে এই বিশিষ্ট দিশকেইটিৰ ওপৰত ভিত্তি কৰি প্ৰাক্কল্পনা পৰীক্ষামূলক গৱেষণা পৰিকল্পনা কৰা হয়।

**গৱেষণা আঁচনিৰ নিৰ্বাচন**

অজস্ৰ গৱেষণা আঁচনিৰ ভিতৰত গৱেষকে কেনেধৰণৰ আঁচনিক নিজৰ গৱেষণা কাৰ্যৰ বাবে নিৰ্বাচন কৰিব ? সাধাৰণতে গৱেষক একোজনে যেনে ধৰণৰ গৱেষণা আঁচনিৰ ক্ষেত্ৰত সুবিধা অনুভৱ কৰে আৰু নিয়ন্ত্ৰণ কৰিবলৈ সহজ পায়, তেনে আঁচনিৰ প্ৰতিয়েই আগ্ৰহী হয় বুলি ধৰি লোৱা হয়। কিন্তু আদৰ্শগতভাৱে এই নিৰ্বাচনত প্ৰস্তাৱিত গৱেষণা ক্ষেত্ৰৰ প্ৰকৃতিৰ ওপৰতহে নিৰ্ভৰ কৰা উচিত। প্ৰাথমিক স্তৰত, যেতিয়া এজন গৱেষকৰ বাবে গৱেষণা প্ৰশ্ন অথবা সমস্যা স্পষ্ট হৈ নুঠে, তেতিয়া বিষয়ৰ প্ৰকৃতি অনুযায়ী গৱেষণা বিষয় আৰু বিষয়ক্ষেত্ৰৰ কিছু বাহিৰলৈকে প্ৰসাৰিত কৰি লৈ নিৰ্দ্দিষ্ট কিছুমান গৱেষণা গোট অথবা নিৰ্দ্দিষ্ট পৰিঘটনাক নিৰ্বাচন কৰি লোৱাটোৱেই আদৰ্শ অনুসন্ধানমূলক গৱেষণা আঁচনি হ'ব। এনেকৈয়ে গভীৰ অনুসন্ধানৰ মাজেৰে নিৰ্দ্দিষ্ট লক্ষ্যবিন্দুলৈ অগ্ৰসৰ হ'ব পাৰি। কিন্তু কেতিয়াবা গৈ গৈ অৱশেষত দেখা যায় গৱেষকৰ আগ্ৰহৰ নিৰ্দ্দিষ্ট বিষয়ক্ষেত্ৰৰ ব্যাখ্যা কৰিবলৈ কোনো তাত্ত্বিক আধাৰ নাই। তেনে ক্ষেত্ৰত ব্যাখ্যাপূৰ্ণ পৰিকল্পনাৰ আধাৰত হয়তো সেই ঢুকি নোপোৱা শূন্যস্থানৰ বাবে তাত্ত্বিক আধাৰ নিৰ্মাণ কৰি ল'বলগীয়া হ'ব পাৰে। যেনে— পৰিঘটনা অনুসন্ধান অথবা নৃ-গাঁথনি অনুসন্ধান ইত্যাদিৰ জৰিয়তে তাত্ত্বিক আধাৰ নিৰ্মাণ কৰিব লাগিব। আকৌ কেতিয়াবা যদি প্ৰতিষ্ঠিত কোনো তত্ত্ব থাকোতেই গৱেষকে অন্য কোনো তত্ত্বৰ প্ৰয়োগ পৰীক্ষা কৰি চাবলৈ ইচ্ছা কৰে অথবা অন্য তত্ত্বৰ সৈতে তাক একীভূত কৰি এটা বৃহত্তৰ তত্ত্বৰ সন্ধান কৰিব খোজে, তেনে ধৰণৰ প্ৰত্যক্ষবাদী পৰীক্ষামূলক আঁচনিও অনুসন্ধানমূলক গৱেষণা অথবা গৌণ উৎসৰ পৰা সংগৃহীত তথ্যৰ বিশ্লেষণৰ ক্ষেত্ৰত অধিক বেছি ফলপ্ৰসূ হয়। সকলো দিশৰ বিস্তৃত অনুসন্ধান কৰাৰ পিছতহে যিকোনো এটি বিষয়ৰ গৱেষণা কৰিবলৈ আগবাঢ়িব পাৰি আৰু সেই



অনুযায়ী আঁচনি প্ৰস্তুত কৰা হয়। নিৰ্দ্দিষ্ট এটি বিষয়ৰ বাবে প্ৰস্তুত কৰা গৱেষণা আঁচনিৰ অৰ্থ হ'ব—

- গৱেষণা আঁচনি গৱেষণা কৰ্ম সম্পাদনৰ এক প্ৰকাৰ ফ্ৰেমৱৰ্ক।
- প্ৰয়োজনীয় অনুসন্ধান, সংগ্ৰহ আৰু বিশ্লেষণৰ পদ্ধতি আৰু প্ৰক্ৰিয়াক নিৰ্দ্দিষ্ট কৰা এক মহা পৰিকল্পনা।
- তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু সম্পাদনাৰ দ্বাৰা মূল্যায়ন কৰাৰ এক প্ৰকাৰ কৌশল।

নিৰ্দ্দিষ্ট একোটা গৱেষণা আঁচনিৰ নিৰ্বাচন কৰি লৈ সেই আঁচনিৰ বাবে বিষয় নিৰ্বিশেষে গৱেষকে প্ৰশ্নপত্ৰ, সাক্ষাৎকাৰ, পৰ্যবেক্ষণ আদি বিভিন্ন ধৰণৰ কৌশল ব্যৱহাৰ কৰি গুণগত আৰু সংখ্যাগত দুই ধৰণৰ তথ্য সংগ্ৰহ কৰিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে আনকি অভিপ্ৰেত সংখ্যাগত তথ্য সংগ্ৰহ কৰিবলৈ কৰা অনুসন্ধানমূলক গৱেষণাৰ বাবে অতি সুপৰিকল্পিতভাৱে তৈয়াৰ কৰা প্ৰশ্নপত্ৰৰ ক্ষেত্ৰতো গৱেষকে গুণগত তথ্য সংগ্ৰহৰ বাবে কিছু মুক্ত প্ৰশ্নৰো স্থান ৰাখিব পাৰে, যি তথ্যই হয়তো পৰিকল্পিত সংখ্যাগত তথ্যই পূৰাব নোৱাৰা কোনো অভাৱ পূৰণ কৰিবলৈ অপ্ৰত্যাশিত সূক্ষ্মদৃষ্টি প্ৰদান কৰিব পাৰে। যেনে— যেতিয়া বিশেষকৈ কোনো গুণগত তথ্য সংগ্ৰহৰ কাৰণে গৱেষকে মুখামুখি সাক্ষাৎকাৰৰ ব্যৱস্থা কৰে, তেনে ক্ষেত্ৰত সম্ভাৱনীয় কোনো মূল্যৱান সংখ্যাগত তথ্যও উপেক্ষিত হোৱাও অনুচিত। উদাহৰণ স্বৰূপে যেতিয়া কোনো সংগঠনৰ সাংগঠনিক সিদ্ধান্ত নিৰ্মাণ পদ্ধতিৰ বিষয়ে অধ্যয়ন কৰিবৰ কাৰণে পৰিঘটনাকেন্দ্ৰিক অধ্যয়ন কৰা হয়, তেতিয়া কিছুমান সংখ্যাগত তথ্য, যেনে— কোনো সিদ্ধান্ত ল'বলৈ কিমান দিন বা মাহৰ সময় লাগে সংগঠনৰ, কিমান সংখ্যক সদস্য জড়িত থাকে তেনে সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াত এইখিনি নিৰ্দ্দিষ্ট অনুসন্ধানৰ লগতে এই গৱেষণা আঁচনিৰ লগত নিৰ্বিশেষ তথ্যও সংগ্ৰহ কৰিব লাগে, যি গৱেষণাৰ লক্ষ্যত উপনীত হ'বলৈ গৱেষকক দূৰদৃষ্টি প্ৰদান কৰিব।

**জনপ্ৰিয় গৱেষণা আঁচনি (Popular Research Design)**

আগতে উল্লেখ কৰি অহাৰ দৰে বিজ্ঞানসন্মত গৱেষণাৰে কেনেকৈ লক্ষ্যত উপনীত হ'ব পাৰি তাৰ ওপৰত ভিত্তি কৰি গৱেষণা আঁচনিক দুটা ভাগত ভাগ কৰিব পাৰি— প্ৰত্যক্ষবাদী (Activism) আৰু ব্যাখ্যামূলক (Interpretive)।

প্ৰত্যক্ষবাদী আঁচনি তাত্ত্বিক পৰীক্ষণ প্ৰধান আৰু ব্যাখ্যামূলক আঁচনি তত্ত্ব নিৰ্মাণ কেন্দ্ৰিক। প্ৰত্যক্ষবাদী আঁচনিত গুৰুত্ব দিয়া হয় বস্তুগত সত্য আৰু বাস্তৱৰ সাধাৰণ নমুনাৰ ওপৰত। ব্যাখ্যামূলক আঁচনিত গৱেষণাৰ বিষয়নিষ্ঠ দৃষ্টিৰ পৰা সামাজিক প্ৰেক্ষাপটৰ বিষয়গত ব্যাখ্যা বিচৰা হয়। প্ৰত্যক্ষবাদী আঁচনিৰ কিছু জনপ্ৰিয় উদাহৰণ হ'লপৰীক্ষাগাৰৰ

পৰীক্ষণ, ক্ষেত্ৰ পৰীক্ষণ, ক্ষেত্ৰ অনুসন্ধান, গৌণ উৎসৰ তথ্য বিশ্লেষণ আৰু পৰিঘটনা অধ্যয়ন ইত্যাদি। আকৌ ব্যাখ্যামূলক আঁচনিৰ কিছু জনপ্ৰিয় উদাহৰণ হ'ল— পৰিঘটনা অধ্যয়ন, প্ৰপঞ্চবিজ্ঞান, নৃবিজ্ঞান অধ্যয়ন ইত্যাদি। যদিও একেসময়তে দুয়োটা কাম নহয়, এইটো লক্ষ্যণীয় যে পৰিঘটনা অধ্যয়নেও তত্ত্ব নিৰ্মাণ অথবা তত্ত্ব পৰীক্ষণ কৰিব পাৰে। সেইদৰে আকৌ সকলো কৌশলেই সকলো ধৰণৰ বিজ্ঞানসন্মত গৱেষণাৰ কাৰণে প্ৰযোজ্য নহয়। কিছুমান কৌশল, যেনে— অনুসন্ধানমূলক গৱেষণাত সামূহিক গোটৰ অনুসন্ধান বেছি প্ৰশস্ত হয় আৰু নৃতাত্ত্বিক গৱেষণাত বৰ্ণনাত্মক প্ৰক্ৰিয়া বেছি প্ৰশস্ত হয়। যিকোনো ভাল গৱেষণা আঁচনিৰ বৈশিষ্ট্য—

- নমনীয়, উপযোগী আৰু মিতব্যয়ী হোৱা।
- ন্যুনতম পক্ষপাতী আৰু সৰ্বাধিক বিশ্বাসযোগ্যতাসম্পন্ন হোৱা।
- পৰীক্ষামূলক ভুলৰ পৰা মুক্ত হোৱা।

**গৱেষণা আঁচনিৰ গঠন ঃ**

সম্ভৱতঃ এইখিনি আলোচনাৰ পৰা এইটো পৰিষ্কাৰ হ'ল যে গৱেষণা পৰিকল্পনা বা আঁচনি বিষয়টোৱেই স্থিতিস্থাপক (Flexible) আৰু বহুক্ষেত্ৰত আপেক্ষিক (Relative) ও। সমাজবিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰ আৰু বিষয় সাপেক্ষে গৱেষণাৰ পৰিকল্পনাই গৱেষণাৰ অগ্ৰগতিৰ লগে লগেও কম-বেছি পৰিমাণে পৰিৱৰ্তিত সজ্জা দাবী কৰিব পাৰে। ধৰাহওক, আঞ্চলিকতাৰ পৰিপ্ৰেক্ষাত অসমীয়া লোকসংগীতৰ বিৱৰ্তন বিষয়টো পাঠান্তৰৰ দিশৰ পৰা যদি তাৰ পাঠ (Text)ৰ অধ্যয়ন হয়, তাৰ গৱেষণা আঁচনি (Research Design) যেনে হ'ব, সেই একেটা বিষয়ৰ গৱেষণা যদি সুৰান্তৰৰ দিশৰ পৰা সুৰ (Tune)ৰ আধাৰত হয়, তেন্তে তাৰো গৱেষণা আঁচনি (Research Design) বেলেগ হ'ব। অৰ্থাৎ গৱেষণাৰ আঁচনি বিষয়ভেদেও বেলেগ হ'ব। তথাপি গৱেষণা আঁচনিৰ মাজত কিছুমান সাধাৰণ দিশ একে। জ্ঞান আৰু পাণ্ডিত্যৰ শৃংখলাবোধ একোটা গৱেষণা কৰ্মৰ প্ৰাথমিক চৰ্ত। সকলো ধৰণৰ গৱেষণাৰ মূল কথা হ'ল, নিৰ্দ্দিষ্ট বৌদ্ধিক ক্ষেত্ৰত এক প্ৰকাৰ সূক্ষ্ম আৰু বিস্তীৰ্ণ বাস্তৱিক ভ্ৰান্তিশূন্য তাত্ত্বিক মূল্যায়ন সম্পন্ন হ'ব লাগিব। শৃংখলাবোধ অবিহনে গৱেষণা কাৰ্য সম্ভৱ নহয়।

- বিষয় নিৰ্বাচন(Choice of Subject)
- তথ্য নিৰ্বাচন (Data Collection)
- তথ্যৰ সুবিন্যাস (Arrangement of Data)
- তথ্য বিশ্লেষণ (Data Analysis)
- তথ্যৰ চূড়ান্ত নিৰ্বাচন (Final Selection of Data)
- তথ্যৰ পুনৰ্মূল্যায়ন (Reassessment of Data)
- গৱেষণা-গ্ৰন্থৰ লেখন পৰ্ব (Stage of Writing Thesis)



**• বিষয় নিৰ্বাচন ঃ**

উপযুক্ত বিষয় এটি গৱেষণাৰ বাবে নিৰ্বাচন কৰাটো এক প্ৰকাৰ কঠিন পৰ্যায়। তাৰ কাৰণে কোনো নিৰ্দ্দিষ্ট বিষয় ক্ষেত্ৰ সম্পৰ্কে গৱেষকৰ গভীৰ পূৰ্ব জ্ঞান আৰু আগ্ৰহ থকা আৱশ্যক। বিষয় নিৰ্বাচন পৰ্বত বিষয়টিৰ প্ৰয়োজন, গুৰুত্ব আৰু তাৎপৰ্য সম্পৰ্কে গৱেষকৰ বিস্তৃত জ্ঞান থকা প্ৰয়োজন। গৱেষকৰ ক্ষমতা আৰু মানসিক প্ৰৱণতাৰ দিশলৈ লক্ষ্য ৰখা উচিত। গৱেষকে লক্ষ্য ৰখা উচিত গৱেষণাৰ বিষয়োপযোগী সামগ্ৰী, গ্ৰন্থ, গ্ৰন্থাগাৰ, ক্ষেত্ৰ অধ্যয়নৰ সুবিধা ইত্যাদি মনত ৰখা ভাল। নিৰ্বাচিত বিষয়ৰ সাধাৰণ উপযোগিতা আছনে নাই, বিষয়ৰ বক্তব্য, সুযোগ, গভীৰতা আৰু সীমাৱদ্ধতা সম্পৰ্কেও গৱেষকৰ মোটামুটি ধাৰণা থাকিব লাগিব। বিষয় নিৰীক্ষণ বা মূল্যায়নৰ তাত্ত্বিক আধাৰ কি হ'ব, সেই বিষয়ে গৱেষকৰ স্পষ্ট ধাৰণা থাকিব লাগিব। বিষয়ৰ উপযোগী তথ্য সংগ্ৰহ কৰিব পৰা সম্ভৱ হ'বনে, নিৰ্দ্দিষ্ট সময় আৰু শব্দসীমাৰ মাজত গৱেষণাৰ কাম সম্পূৰ্ণ হ বনে নহয়, এই সকলো দিশলৈ গৱেষকে বিষয় নিৰ্বাচনৰ স্তৰতে চকু ৰাখিব লাগিব।

**• তথ্য নিৰ্বাচন ঃ**

গৱেষণা ক্ষেত্ৰত নিজৰ নিৰ্বাচিত বিষয়টোৰ বিষয়ে ইতিপূৰ্বে ৰচিত গ্ৰন্থ অথবা অন্যান্য তথ্যৰ উৎস সম্পৰ্কে গৱেষকৰ ধাৰণা থাকিব লাগিব। এই সময়ত গৱেষকে তথ্য সংগ্ৰহৰ দুই ধৰণৰ উৎস ব্যৱহাৰ কৰিব পাৰে মুখ্য উৎস আৰু গৌণ উৎস। (এই বিষয়ে বিস্তাৰিত আলোচনা পৰৱৰ্তী 'প্ৰতিবেদন লিখন' অধ্যায়ত কৰা হৈছে।)

**• তথ্যৰ বিন্যাস ঃ**

এই পৰ্যায়ত বিভিন্ন উৎসৰ পৰা সংগৃহীত তথ্যৰ শ্ৰেণীকৰণ প্ৰয়োজন হয়। তথ্য সংগ্ৰহৰ পিছত, সেই তথ্যৰ প্ৰাথমিক প্ৰয়োজনীয়তা বুজি এই সকলো তথ্যৰ যথাযথ ব্যৱহাৰ কৰিব লাগে। এনেবিলাক তথ্য বিষয়ৰ ক্ষেত্ৰত গৱেষকে সকলো সময়তে মনত ৰাখিবলগীয়া হয় যে তথ্য নিৰ্ভুল আৰু গ্ৰহণযোগ্যতা থকা হ ব লাগিব। সেয়ে সচেতন পৰীক্ষাৰ মাজেৰে সত্যতা বিচাৰ কৰিহে তথ্যৰ বিন্যাস কৰা উচিত।

**• তথ্য বিশ্লেষণ ঃ**

সূক্ষ্ম বিশ্লেষণী নৈপুণ্যৰে তথ্যৰ অপ্ৰয়োজনীয় অংশ পৰিহাৰ কৰি যথাসম্ভৱ প্ৰাসংগিক তথ্যসমূহ চয়ন কৰি লব লাগে। এই পৰ্বৰ মূল কাম হ'ল অপ্ৰয়োজনীয় আৰু অসাৰ তথ্যসমূহ বৰ্জন কৰি তথ্যৰ সংশ্লেষণ কৰা। ইয়াৰ দ্বাৰা নিৰ্দিষ্ট গৱেষণা কাৰ্যৰ প্ৰয়োজনীয় তথ্য অনুসন্ধান প্ৰক্ৰিয়া সম্পন্ন হয়।

• **তথ্যৰ চূড়ান্ত নিৰ্বাচন ঃ**

পূৰ্বৱৰ্তী স্তৰৰ তথ্য বিশ্লেষণৰ কাম আৰু সূক্ষ্মতৰ আৰু গভীৰতৰ ৰূপত এই পৰ্যায়ত পুনৰ বিচাৰ কৰি গৱেষণা কাৰ্যৰ বাবে অতি প্ৰয়োজনীয় তথ্যখিনিক চূড়ান্ত ৰূপত নিৰ্বাচন কৰা হয়।

• **তথ্যৰ পুনৰ্মূল্যায়ণ ঃ**

পূৰ্বৱৰ্তী পৰ্যায়সমূহ যথাযথভাৱে অতিক্ৰম কৰাৰ মাজেৰে যি অভিজ্ঞতা সঞ্চয় কৰা হয়, তাৰ ভিত্তিতে মনৰ চিন্তাধাৰ ক্ৰমশঃ পৰিণত হয় আৰু পৰৱৰ্তী পৰ্যায়ৰ গৱেষণা কৰ্ম নিঁখুটভাৱে বিচাৰ কৰিবলৈকে গৱেষকে লেখাৰ স্তৰ পোৱালৈকে এই স্তৰত পুনৰ বিচাৰ কৰি চূড়ান্ত কাৰ্যত উপনীত হ'বলৈ সহায়ক হয়।

• **গৱেষণা-গ্ৰন্থৰ লেখন পৰ্ব ঃ**

এই স্তৰত যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি গৱেষকে সংগৃহীত তথ্যৰ ভিত্তিত গৱেষকে নিজৰ বক্তব্য আৰু চিন্তা-ভাৱনাৰ প্ৰকাশ কৰে প্ৰতিবেদন লেখনৰ জৰিয়তে। গৱেষণা গ্ৰন্থৰ লেখন হ'ল গৱেষণাৰ অন্তিম পৰ্যায়। সুদীৰ্ঘ পৰ্যায়ৰ চিন্তা, অনুশীলন, অনুষ্কানৰ স্তৰ পৰিক্ৰমা কৰি গৱেষক উপনীত হয় লেখনৰ পৰ্যায়ত। গৱেষণা গ্ৰন্থ লেখনৰো আছে নিজস্ব পদ্ধতি কলা। (গৱেষণা গ্ৰন্থ লেখনৰ পদ্ধতি সম্পৰ্কে পৰৱৰ্তী অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।)

আচলতে গৱেষণাৰ এই সমূহ দিশ বিশ্লেষণ কৰি সকলো পৰ্যায় সামৰি লৈয়ে একোজন গৱেষকে গৱেষণা আঁচনি (Research Design) প্ৰস্তুত কৰে। সাম্প্ৰতিক সময়ত গৱেষণা কাৰ্যৰ এই বিশিষ্ট স্তৰকেইটিৰ ক্ষেত্ৰতো গৱেষণা তত্ত্ববিদসকলে আৰু বিস্তৃত ধৰণে চিন্তা কৰিবলৈ আৰম্ভ কৰা দেখা যায়। তেনে চিন্তাৰ প্ৰকাশ আৰু বিকাশৰ স্তৰত প্ৰস্তুত হোৱা গৱেষণা আঁচনি (Research Design) এটিৰ উদাহৰণ তলত দিয়া ধৰণৰ হ'ব পাৰে—

| গৱেষণা আঁচনি (Research Design) | |
|---|---|
| ১ | গৱেষণাৰ বিষয় চিহ্নিতকৰণ (Identification of Problem) |
| ২ | গৱেষণাৰ বিষয় বিধিবদ্ধকৰণ (Formulation of Problem) |
| ৩ | তথ্য সংগ্ৰহৰ পদ্ধতি নিৰ্দ্ধাৰণ (Determining Method of Data Collection) |
| ৪ | তথ্য বিশ্লেষণৰ পদ্ধতি নিৰ্দ্ধাৰণ (Determining Method of Data Analysis) |
| ৫ | বিশ্লেষণ/মূল্যায়ন/প্ৰস্তাৱ (Analysis/Evaluation/Recommendation) |
| ৬ | গৱেষণা প্ৰতিবেদন প্ৰস্তুতকৰণ (Research Report-Writing) |



এনেদৰে গৱেষণা কাৰ্যৰ ভিতৰ চৰাত বিভিন্ন স্তৰ পৰিক্ৰমা কৰি সম্পূৰ্ণ হয় একোখন গৱেষণা গ্ৰন্থ, য'ত গৱেষকে একোটা গৱেষণা সমস্যা বা বিষয় সম্পৰ্কে নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হোৱাৰ উপৰিও সেই সমস্যাৰ সমাধান যাত্ৰাত উৎপন্ন হোৱা নতুন প্ৰশ্ন অথবা সমস্যাতো আলোকপাত কৰে। অৰ্থাৎ গৱেষণাৰ নতুন নতুন দিশ উন্মোচন কৰে। সেয়ে জ্ঞানৰ নতুন দিগন্ত উন্মোচন কৰাৰ আগ্ৰহ আৰু অনুসন্ধিৎসাৰে গৱেষকে গৱেষণা ক্ষেত্ৰৰ প্ৰতিটো খুঁটি-নাটি দিশলৈ লক্ষ্য ৰাখি গৱেষণা আঁচনিৰ পৰিকল্পিত আৰু প্ৰণালীবদ্ধভাৱে প্ৰস্তুত কৰা আঁচনি বা পৰিকল্পনাইহে প্ৰকৃততে একোটা গৱেষণা কৰ্মক সফলতা প্ৰদান কৰিব পাৰে।

Anandaram Dhekial Phookan College Library
Acc No........
Date..........
Nagaon : Assam

## সপ্তম অধ্যায়

# ক্ষেত্ৰ অধ্যয়ন

ক্ষেত্ৰ শব্দটোৱে গৱেষণাকৰ্মত গৱেষণাৰ কাৰ্যক্ষেত্ৰক বুজোৱা হয়। ই হ'ল গৱেষণা প্ৰশ্ন বা সমস্যাৰ লগত সংশ্লিষ্ট হৈ থকা অথবা জড়িত হৈ থকা ক্ষেত্ৰৰ লগত সম্পৰ্কিত বিষয়ৰ অধ্যয়নৰ দিশ। ভাষা-সাহিত্যৰ বিষয়ৰ ক্ষেত্ৰত, বিশেষকৈ ভাষিক বিভিন্ন দিশৰ অধ্যয়নৰ লগত বহুসময়ত ক্ষেত্ৰ অধ্যয়ন জড়িত হৈ থাকে। একেদৰে সংস্কৃতি বিষয়ক গৱেষণা ক্ষেত্ৰও বিভিন্ন ধৰণে ক্ষেত্ৰৰ লগত জড়িত হৈ থাকে। সাহিত্যৰ ক্ষেত্ৰতো সাহিত্যৰ জনপ্ৰিয়তা, পাঠকৰ সহাঁৰিৰ ভিত্তিত বিচাৰিবলৈ ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন হয়। বিষয় আৰু বিষয়ৰ প্ৰয়োজন অনুসৰি আৰু অধ্যয়নৰ প্ৰকৃতি অনুযায়ী গৱেষণাৰ ক্ষেত্ৰত নিৰ্দিষ্ট হয়। সেই অনুযায়ী গৱেষণাৰ প্ৰকাৰো— গুণগত (Qualitative) বা পৰিমাণগত (Quantitative) হয়।

**ক্ষেত্ৰ অধ্যয়নৰ গুণগত পদ্ধতিবিজ্ঞান (Qualitative Methodology of Field Research)ঃ**

ক্ষেত্ৰ অধ্যয়নে ক্ষেত্ৰৰ পৰা প্ৰকৃত আৰু বিশুদ্ধ সত্য তথ্যৰ সৃষ্টি আৰু সংগ্ৰহৰ ইংগিত কৰে। ক্ষেত্ৰ অধ্যয়নত গৱেষণা বিষয়ৰ সম্পৰ্কিত যথাযথ আৰু প্ৰয়োজনীয় তথ্য ক'ৰ পৰা সংগ্ৰহ হ'ব আৰু কোনখিনি প্ৰয়োজনীয়, কোনখিনি অপ্ৰয়োজনীয় হ'ব নিৰ্ণয়ৰ প্ৰক্ৰিয়া সম্পন্ন হয়। ক্ষেত্ৰ অধ্যয়নত বিশেষকৈ গুণগত গৱেষণা পদ্ধতিৰ ক্ষেত্ৰত তলত দিয়া ধৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়—

- প্ৰসংগ সমালোচনামূলক।
- গভীৰ আৰু পুংখানুপুংখ।
- তথ্যৰ লগত নিজক নিযুক্ত কৰিব পাৰি।
- বিষয়ৰ লগত অখণ্ডভাৱে সংপৃক্ত হ'ব পাৰি।
- পটভূমিক ভিত্তি কৰি তত্ত্বৰ ব্যৱহাৰ নিশ্চিত কৰিব পাৰি।
- প্ৰক্ৰিয়া আৰু কাৰ্যক্ৰম কেনে হ'ব— চিনাক্ত কৰিব পাৰে।
- বিশ্লেষণতকৈ তথ্যৰ ব্যাখ্যাহে বেছি হয়।



অৱশ্যে কেতিয়াবা ক্ষেত্ৰ অধ্যয়নত গৱেষণাৰ মূল অংশ বিচাৰি উলিওৱা কঠিন হয়। বিশেষকৈ পৰিমাণগত পদ্ধতিৰ ক্ষেত্ৰ অধ্যয়নৰ ক্ষেত্ৰত মূল অংশ বিচৰা টান হয়। গুণগত অথবা পৰিমাণগত দুয়ো ক্ষেত্ৰতে সামাজিক বিজ্ঞানৰ অন্তৰ্গত বিষয়ৰ ক্ষেত্ৰ গৱেষণাৰ মূল প্ৰকাৰসমূহ তলত দিয়া ধৰণৰ তত্ত্ব অনুসৰি আগবাঢ়ে—

- নৃগোষ্ঠীবিদ্যা (Ethnography)
- নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান (Ethenomethodology)
- প্ৰপঞ্চবিদ্যাগত অধ্যয়ন (Phenomenological Study)

**নৃগোষ্ঠীবিদ্যা ঃ**

কোনো সমাজ, সংস্কৃতি অথবা আচৰণক অধ্যয়ন কৰিবলৈ পথ নিৰ্মাণ কৰে। একে সংস্কৃতি বহন কৰা সামূহিক গোটৰ বিন্যাস অথবা কোনো ক্ষেত্ৰত একেলগে থকা ক্ষেত্ৰৰ জনসমূহৰ সামূহিকতা অধ্যয়ন কৰা হয়। ক্ষেত্ৰ অধ্যয়নৰ এনে কাৰ্য সাধনত তথ্য উদ্‌ঘাটনৰ বাবে গৱেষকক কেইবাটিও উপায় গ্ৰহণ কৰা দেখা যায়—

- অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ
- তথ্যদাতাৰ লগত সাক্ষাৎকাৰ
- কাগজ-পত্ৰ আৰু সাংস্কৃতিক উপাদানৰ পৰীক্ষণ

**নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান ঃ**

নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান হ'ল এক প্ৰকাৰ সাধাৰণীকৰণৰ জ্ঞান। কেনেকৈ কোনো ব্যক্তিগত স্তৰতো ব্যক্তিৰ সামাজিক পৰিস্থিতিৰ প্ৰতি সজাগতা থাকে আৰু সেই জ্ঞানৰ আধাৰত কাৰ্য কৰে, সেই অধ্যয়ন কৰা হয়। কোনো নিৰ্দিষ্ট সংস্কৃতিৰ অন্তৰ্গত কোনো ব্যক্তিয়ে কোনবোৰ নীতি ক'ব নোৱাৰাকৈয়ে পালন কৰে। যোগাযোগ, সংযোগ আদিৰ পুংখানুপুংখ অধ্যয়ন কৰাৰ পদ্ধতি।

**প্ৰপঞ্চবিদ্যাগত অধ্যয়ন ঃ**

কোনো বিষয়ক্ষেত্ৰত অংশগ্ৰহণকাৰী অভিজ্ঞতালব্ধ গৱেষকৰ দৃষ্টিভংগীৰে কৰা অধ্যয়ন। এই অধ্যয়নত বহু সংখ্যক লোকৰ লগত গৱেষকে অংশ গ্ৰহণ কৰি তেওঁলোকৰ উপলব্ধি আৰু অভিজ্ঞতা অধ্যয়ন কৰে। ক্ষেত্ৰত উপলব্ধ হোৱা ক্ষেত্ৰ সম্পৰ্কীয় প্ৰাপ্ত তথ্য অথবা কাহিনীয়ে ব্যাখ্যা কৰা তথ্যৰ আধাৰত বিভিন্ন তত্ত্বৰ সমন্বয় সাধন কৰি নিজৰ অনুভৱ অভিজ্ঞতাক ব্যক্ত কৰাৰ প্ৰয়াস কৰে।

**ক্ষেত্ৰ অধ্যয়নৰ উদ্দেশ্য (Purpose of Field Research) ঃ**

- তথ্য সংগ্ৰহ
- তত্ত্ব নিৰ্মাণ

গৱেষণা গুণগত হ'ব নে সাংখ্যিক বা পৰিমাণগত হব, সেইটো নিৰ্ণয় কৰে গৱেষকে আৰু তাৰ ওপৰত নিৰ্ভৰ কৰিব ক্ষেত্ৰ অধ্যয়নৰ প্ৰকৃতি আৰু কৌশল। গুণগত অথবা সাংখ্যিক বা পৰিমাণগত কোনোটো গৱেষণাই নিজে নিজে উত্তম নহয়, গৱেষকৰ প্ৰচেষ্টাইহে তাক প্ৰতিপন্ন কৰে। ক্ষেত্ৰ অধ্যয়নত সাংখ্যিক বা পৰিমাণগত গৱেষণাত তথ্য সংগ্ৰহৰ প্ৰকৃতি আৰু পৰ্যবেক্ষণৰ লক্ষ্য সংখ্যা বা পৰিমাণৰ উদ্‌ঘাটন। গুণগত গৱেষণাৰ ক্ষেত্ৰত কিন্তু তথ্য সংগ্ৰহৰ প্ৰকৃতি আৰু পৰ্যবেক্ষণৰ লক্ষ্য সাংখ্যিক বা পৰিমাণ উদ্‌ঘাটন নহয়। ক্ষেত্ৰ অধ্যয়নৰ উপযোগিতা থকা বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত মন কৰিব লাগিব—

- বুদ্ধিগম্য আৰু উচ্চতৰ অধ্যয়নৰ ব্যাপক পৰিপ্ৰেক্ষা থকা বিষয় হ'ব লাগিব।
- পোনপতীয়াকৈ বিষয়ক্ষেত্ৰলৈ যাব পৰা আৰু যিমান পাৰি সিমান সম্পূৰ্ণ অধ্যয়নৰ সুবিধা থাকিব লাগিব।
- ক্ষেত্ৰৰ স্বাভাৱিক বিন্যাসৰ পৰা নিৰ্বাচিত বিষয়ৰ উপযোগী ৰূপত তথ্য ভালকৈ উপলব্ধ হ'ব লাগিব।

**ক্ষেত্ৰ অধ্যয়নৰ প্ৰকৃতি ঃ**

নৃগোষ্ঠীবিদ্যা (Ethnography) প্ৰকাৰৰ ক্ষেত্ৰ অধ্যয়নৰ ক্ষেত্ৰত বিশ্লেষণতকৈ বিশদ অনুপুংখ বৰ্ণনাত বেছি গুৰুত্ব আৰোপ কৰা হয়। সম্পূৰ্ণ অংশগ্ৰহণকাৰী ক্ষেত্ৰ অধ্যয়নৰ ক্ষেত্ৰত গৱেষকে পোনপতীয়াকৈ ক্ষেত্ৰত ক্ষেত্ৰৰ এজন হিচাপেই অংশ গ্ৰহণ কৰে আৰু বিষয়ৰ অন্তৰ্গত অপৰিচিত সত্যক চিনাক্ত কৰাৰ উদ্দেশ্যৰে ক্ষেত্ৰ অধ্যয়ন কৰে। কেৱল পৰ্যবেক্ষক হিচাপে অংশ গ্ৰহণ কৰা ক্ষেত্ৰ অধ্যয়নত গৱেষকে নিজৰ অৱস্থিতিত থাকিয়েই ক্ষেত্ৰ পৰ্যবেক্ষণ কৰে। এই সকলো দিশ লক্ষ্য কৰি ক্ষেত্ৰ অধ্যয়নত পৰ্যবেক্ষণৰো তিনিটা প্ৰকাৰ পৰিলক্ষিত হয়। যেনে—

- **পৰ্যবেক্ষক হিচাপে অংশ গ্ৰহণ ঃ** নিজকে গৱেষক হিচাপে পৰিচয় দি পৰ্যবেক্ষণ কৰে।
- **অংশ গ্ৰহণকাৰী হিচাপে পৰ্যবেক্ষণ ঃ** গৱেষকৰ পৰিচয় আনক নজনোৱাকৈ পৰ্যবেক্ষণ কৰে।
- **সম্পূৰ্ণ পৰ্যবেক্ষক ঃ** অংশ গ্ৰহণ নকৰাকৈ পৰ্যবেক্ষণ কৰে।



ক্ষেত্ৰ অধ্যয়নৰ থাকে নিৰ্ধাৰিত প্ৰস্তুতি প্ৰক্ৰিয়া। ক্ষেত্ৰ অধ্যয়নৰ প্ৰস্তুতি প্ৰক্ৰিয়াক তলত দিয়া ধৰণে সজাব পাৰি —




**গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নৰ ৰূপৰেখা ঃ**


গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন থাকিলে গৱেষকে বিষয়ৰ প্ৰয়োজন অনুসৰি প্ৰণালীবদ্ধ ৰূপত ক্ষেত্ৰ অধ্যয়নৰ বাবে ৰূপৰেখা নিৰ্মাণ কৰি উলিয়ায়। সকলো ক্ষেত্ৰ অধ্যয়নত সাধাৰণভাৱে পৰিকল্পনা কৰি লোৱা একোটা ৰূপৰেখাৰ মাজেৰে ক্ষেত্ৰ অধ্যয়ন কাৰ্য আগবাঢ়ে। গৱেষণা কাৰ্যত প্ৰয়োজন হোৱা সকলো ধৰণৰ ক্ষেত্ৰ অধ্যয়নতে সাধাৰণতে এজন গৱেষকে তলত দিয়া ধৰণে ৰূপৰেখা নিৰ্মাণ কৰি ল'বলগীয়া হয়—

- ক্ষেত্ৰ অধ্যয়নৰ পৰিচয়।
- গৱেষণা বিষয়ত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীতা চিনাক্তকৰণ।
- ক্ষেত্ৰ পৰ্যবেক্ষণৰ বিভিন্ন নীতিৰ সন্ধান।
- সাক্ষাৎকাৰৰ প্ৰশ্নপত্ৰ নিৰ্বাচন।
- বিষয়ৰ বাবে প্ৰয়োজনীয়-অপ্ৰয়োজানীয় তথ্যৰ আহৰণ।
- পৰ্যবেক্ষণক লিপিবদ্ধকৰণ।
- ক্ষেত্ৰ পৰ্যবেক্ষণ আৰু আন তথ্যৰ সংযোজন।
- ক্ষেত্ৰলব্ধ তথ্যৰ ব্যাখ্যা-বিশ্লেষণ
- ক্ষেত্ৰ অধ্যয়নৰ উপযোগিতা আৰু সীমাবদ্ধতা

গৱেষণাকৰ্ম একোটিৰ ক্ষেত্ৰ অধ্যয়নত সদায় দুই ভিন্ন পদ্ধতিৰ ক্ষেত্ৰকৰ্মৰ প্ৰয়োগ হোৱা দেখা যায়— প্ৰত্যক্ষ পৰ্যবেক্ষণ আৰু প্ৰশ্ন অনুসন্ধান। ক্ষেত্ৰ অধ্যয়নে ব্যাপক পৰিপ্ৰেক্ষাত গৱেষণাৰ পৰিসৰ বৃদ্ধি কৰে। পোনে পোনে ক্ষেত্ৰলৈ গৈ যিমানখিনি সম্ভৱ সিমানলৈকে পৰ্যবেক্ষণ কৰা হয়।

**ক্ষেত্ৰ অধ্যয়নত নমুনায়ন প্ৰক্ৰিয়া ঃ**

গৱেষণাকৰ্মত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনত যেতিয়া বহু সংখ্যক জনসংখ্যা অথবা জনসমষ্টিৰ মাজৰ পৰা সেই বৃহৎ সংখ্যক জনসমষ্টিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে প্ৰয়োজনীয় কিছু সংখ্যক ব্যক্তিক গৱেষণাৰ তথ্য সংগ্ৰহ বাবে বাছি উলিওৱা হয়, সেই প্ৰক্ৰিয়াই হ'ল ক্ষেত্ৰ অধ্যয়নৰ নমুনায়ন প্ৰক্ৰিয়া। অৰ্থাৎ নমুনায়ন হ'ল জনসংখ্যাৰ পৰ্যাপ্ত বৰ্ণনাৰ লগতে সেই সম্পৰ্কে এক অনুমিত সিদ্ধান্তত উপনীত হ'ব পৰাকৈ পৰ্যবেক্ষণ কৰিবলগীয়া নমুনাৰ নিৰ্বাচন কৰা। ইয়াত জনসংখ্যা বুলি সংজ্ঞায়িত কৰা হৈছে সমুদায় জনসাধাৰণৰ মূল গোটক, য'ৰ পৰা নমুনা গঠন কৰা হয়। গতিকে কোনো এটি অনুমিত সিদ্ধান্তত উপনীত হ'বলৈ সমুদায় জনসংখ্যাক প্ৰতিনিধিত্ব কৰাকৈ জনসংখ্যাৰ মাজৰ পৰাই নিৰ্বাচন কৰা হয়। গৱেষণা ক্ষেত্ৰৰ সমুদায় জনসাধাৰণ, বস্তু অথবা অন্য উপাদানৰ মূল গোট হ'ল লক্ষ্য নমুনা (Target Sample), তাৰ পৰা বাছি উলিয়াই গঠন কৰা গোট হ'ল অধ্যয়নীয় নমুনা (Study Sample) আৰু অৱশেষত সেই গোটৰ পৰাও গৱেষণাৰ বাবে নিৰ্বাচন কৰি উলিওৱা সংশ্লেষিত গোটেই হ'ল নমুনা (Sample)। এই নমুনায়ন প্ৰক্ৰিয়াক চিত্ৰলেখত এনেদৰে দেখুৱাব পাৰি—




**নমুনায়নৰ বৈশিষ্ট্য ঃ**

- নমুনায়ন প্ৰক্ৰিয়াই জনসংখ্যাক নিৰ্ভুলভাৱে প্ৰতিনিধিত্ব কৰিব লাগিব।
- নমুনায়ন পক্ষপাতমুক্ত হব লাগিব।
- নমুনায়নত ভুল ন্যূনতম বা একেবাৰে কম হোৱা বাঞ্ছনীয়।
- নমুনায়নৰ পৰিসৰ সন্তোষজনক হ'ব লাগিব।



গৱেষণা কাৰ্যত নমুনায়ন প্ৰক্ৰিয়া প্ৰয়োগ কৰাৰ সুবিধাসমূহ হ'ল ই গৱেষকৰ সময় আৰু অৰ্থৰ ব্যয় সংকোচন কৰে। নমুনায়নে বুদ্ধিগম্য পৰিচালনাৰে ক্ষেত্ৰ অধ্যয়নৰ লক্ষ্যত উপনীত হ'বলৈ সহায় কৰে। তথ্যৰ বিশ্বাসযোগ্যতা আৰু নমুনাৰ অসহযোগিতাৰ ভুল কম থাকে। কিন্তু নমুনাৰ সংখ্যা কম হ'লে নিৰ্বাচিত নমুনা গোটে লক্ষ্য জনসংখ্যা বা গোটক প্ৰতিনিধিত্ব নকৰিবও পাৰে। নমুনায়ন প্ৰক্ৰিয়াত কিছু নীতি অনুসৰণ কৰা অতি বাঞ্ছনীয়। সেইসমূহ হ'ল—

- নমুনা নিৰ্বাচন পদ্ধতিগত আৰু ব্যক্তিনিষ্ঠ হোৱা প্ৰয়োজন।
- নমুনা গোট স্পষ্ট আৰু সহজেই চিনাক্ত কৰিব পৰা হ'ব লাগিব।
- নমুনা সদায় ইটোৰ পৰা সিটো সম্পূৰ্ণ স্বাধীন হোৱা প্ৰয়োজন।
- পক্ষপাত আৰু ভুলৰ পৰা মুক্ত হোৱা প্ৰয়োজন।

এইক্ষেত্ৰত আৰু এটা কথা স্পষ্ট যে যদি নমুনাবোৰ সমধৰ্মী হয়, নমুনায়নৰ গোট গঠন প্ৰক্ৰিয়াও স্পষ্ট আৰু একক হ'ব। সেইদৰে যদি নমুনা অসমধৰ্মী হয়, তেতিয়া নমুনায়ন গোট গঠনো মিশ্ৰধৰ্মী হয়। আচলতে অধ্যয়নীয় নমুনা গঠন কৰা হয় লক্ষ্য ক্ষেত্ৰৰ নিৰ্দিষ্ট কৰি লোৱা লক্ষ্য নমুনাৰ পৰা।

সাধাৰণতে নমুনায়নত নিৰ্বাচিত অথবা নিৰ্বাচিত নোহোৱা দুই প্ৰকাৰ গোটৰ পৰা নমুনা লৈ পৰিৱৰ্তিত হোৱা ব্যৱস্থাক ভিত্তি কৰি প্ৰধানতঃ দুই প্ৰকাৰ নমুনায়ন পৰিলক্ষিত হয়— সম্ভাব্য নমুনায়ন (Probability Sampling) আৰু সম্ভাৱনাশূন্য নমুনায়ন (Non Probability of Sampling)।

**সম্ভাব্য নমুনায়ন ঃ**

সম্ভাব্য নমুনায়ন প্ৰক্ৰিয়াত নিৰ্বাচিত ক্ষেত্ৰৰ জনসংখ্যাৰ মাজৰ পৰা সাধাৰণভাৱে যাদৃচ্ছিক ৰূপত অৰ্থাৎ কোনো নিৰ্দিষ্ট শৃংখলা নোহোৱাকৈ নমুনা নিৰ্বাচন কৰা হয়। পৰিসংখ্যা আৰু প্ৰাকল্পনাৰ পৰীক্ষণ মানি চলা হয়। জনসংখ্যাৰ স্থিতিমাপৰ হিচাপ কৰিব পৰা হয়। যাদৃচ্ছিকভাৱে নিৰ্বাচন কৰা কাৰণে এই পদ্ধতিত নমুনা গোটসমূহৰ নিৰ্বাচনৰ ক্ষেত্ৰত পক্ষপাত নোহোৱা কৰিব পাৰি। ইয়াত সম্পূৰ্ণ গোটসমূহৰ তালিকা পৰ্যাপ্তভাৱে পাব পৰা হয়। নমুনাৰ কাৰণে জনসংখ্যাৰ প্ৰায় প্ৰতিটো গোটেই সমান আৰু একে প্ৰক্ৰিয়া প্ৰয়োগ কৰি নিৰ্বাচন কৰা হয়। সম্ভাৱনীয় নমুনায়নৰ এই কৌশল সাধাৰণতে সমজাতীয় (Homogenous) জনসংখ্যাৰ মাজৰ পৰা নমুনা সংগ্ৰহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। এই নমুনা নিৰ্বাচন কৌশল কেইবাপ্ৰকাৰে কৰা সম্ভৱ হয়—

- লটাৰিৰ দ্বাৰা।
- যাদৃচ্ছিকভাৱে অথবা খেলিমেলিকৈ কৰা সংখ্যা তালিকাৰ দ্বাৰা।

- কম্পিউটাৰৰ সহায়ত।
- মিশ্ৰ পদ্ধতিৰে।

সম্ভাব্য নমুনায়ন প্ৰক্ৰিয়া ওপৰত দিয়া কৌশলসমূহ প্ৰয়োগ কৰি সম্পন্ন কৰিব পৰা যায়।

**সম্ভাৱনাশূন্য নমুনায়ন ঃ**

সম্ভাৱনাশূন্য নমুনায়ন সাধাৰণতে অনুসন্ধানমূলক হয় আৰু ই প্ৰাক্‌কল্পনা সৃষ্টি কৰে। এই প্ৰক্ৰিয়াত নমুনাৰ উৰ্দ্ধত কোনো সাধাৰণীকৰণ কৰিব নোৱাৰি। ইয়াত জনসংখ্যাৰ স্থিতিমাপৰ প্ৰয়োজন নহয়। নমুনাৰ অনুৰূপতা বা সমতা উলিয়াব নোৱাৰি। সম্ভাৱনাশূন্য নমুনায়ন সুলভ, সহজ আৰু দ্ৰুত ৰূপত সম্পাদন কৰিব পাৰি।

নমুনায়ন প্ৰক্ৰিয়াৰ সম্ভাৱনীয় নমুনায়ন আৰু সম্ভাৱনাশূন্য নমুনায়ন দুই প্ৰকাৰৰ ক্ষেত্ৰত দুই ধৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। সেই বৈশিষ্টসমূহ তলত দাঙি ধৰা হ'ল—

| সম্ভাব্য নমুনায়ন (Probability Sampling) | সম্ভাৱনাশূন্য নমুনায়ন (Non Probability of Sampling) |
|---|---|
| • জনসংখ্যাৰ প্ৰতিটো গোটৰ নমুনা হ'ব পৰাৰ সমান সম্ভাৱনা আৰু সুবিধা থাকে। | • 'নমুনা' হ'ব পৰাৰ সমান সম্ভাৱনা আৰু সুবিধা জনসংখ্যাৰ প্ৰতিটো গোটৰ নাথাকে। |
| • জনসংখ্যাৰ প্ৰতিটো গোটৰ তালিকাৰ পৰ্যাপ্ততা আৰু উচ্চমানৰ প্ৰতিনিধিত্ব থাকে। | • নিৰ্বাচিত জনগোট কম হোৱাৰ কাৰণে এনে নমুনায়নে সম্পূৰ্ণ প্ৰতিনিধিত্ব দাবী কৰিব নোৱাৰে। |
| • এই পদ্ধতি ব্যয়বহুল আৰু সময় বহুল। পৰিসৰও বহল আৰু জটিল হয়। | • জনসংখ্যাৰ সম্পূৰ্ণ তালিকা নোহোৱাৰ বাবে যাদৃচ্ছিকভাৱে নমুনায়ন কৰিবলগীয়া হয়। |
| • এই পদ্ধতিত সিদ্ধান্তৰ সাধাৰণীকৰণ কৰা সম্ভৱ। | • কোনটো জনগোটৰ পৰা নমুনায়ন কৰা হ'ব, সেইটো গৱেষকে নিজে বাছি উলিয়াবলগীয়া হয়। |

নমুনায়ন প্ৰক্ৰিয়াত সম্ভাব্য নমুনায়ন (Probability Sampling) আৰু সম্ভাৱনাশূন্য নমুনায়ন (Non Probability of Sampling)ৰ উপৰিও মিশ্ৰ নমুনায়ন (Mixed Sampling) প্ৰক্ৰিয়া এটিও আছে। এই তিনিওটি প্ৰক্ৰিয়াৰে আছে নিজা কৌশল আছে।



কৌশলৰ সেই বিশিষ্টতাক তলত দিয়া ধৰণে দেখুৱাব পাৰি—

| সম্ভাব্য (Probability) | সম্ভাৱনাশূন্য (Non Probability) | মিশ্ৰ (Mixed) |
|---|---|---|
| • সাধাৰণ যাদৃচ্ছিক (Simple Random) | • সিদ্ধান্ত/ উদ্দেশ্যময়/ নিৰ্ধাৰণ (Judgement/ Purposive/ Determinate) | • বহুধাবিভক্ত (Multiphase) |
| • প্ৰণালীবদ্ধ (Systematic) | • আংশিক (Quota) | • মানৰ নিশ্চয়তা (Quality Assurance) |
| • গোট/গুচ্ছ (Cluster) | • সুবিধাজনক (Convenient) | |
| • বহু পৰ্যায়যুক্ত (Multistage) | • বৰ্ধিত (Snowball) | |

লক্ষ্য নমুনা অৰ্থাৎ নিৰ্দিষ্ট কোনো ক্ষেত্ৰৰ যি নিৰ্দিষ্ট জনসংখ্যাক আধাৰ কৰি গৱেষণা কাৰ্য আগবঢ়োৱা হয়। নমুনায়ন প্ৰক্ৰিয়াৰ আঁচনি অতি সুস্পষ্টভাৱে কৰি লোৱা হয়। এই ক্ষেত্ৰত প্ৰথমতে গৱেষণা ক্ষেত্ৰৰ নিৰ্দিষ্ট জনসংখ্যা নিৰ্বাচন কৰি লোৱা হয়। নমুনায়নৰ নিৰ্দিষ্ট গঠন পৰিসৰ নিৰ্ধাৰণ কৰি লোৱা হয়। নমুনায়নৰ কাৰ্যপ্ৰণালী নিৰ্ধাৰণ কৰা হয়। তাৰ পিছৰ পৰ্যায়ত সম্ভাব্য আৰু সম্ভাৱনাশূন্য নমুনায়নৰ বিভাজন কৰা হয়। ইয়াৰ পৰা নমুনাৰ পৰিসৰ নিৰ্ধাৰণ কৰা হয় আৰু কাৰ্যকৰী নমুনায়নৰ আঁচনি কৰা হয়। তালিকাত এই আঁচনিক এনে ধৰণে দেখুৱাব পাৰি—

নমুনায়নৰ বাবে নিৰ্দিষ্ট জনসংখ্যা

↓

নমুনায়নৰ নিৰ্দিষ্ট গঠন পৰিসৰ নিৰ্ধাৰণ

↓

নমুনায়নৰ কাৰ্যপ্ৰণালী নিৰ্ধাৰণ

↓

| সম্ভাব্য নমুনায়ন (Probability Sampling) | সম্ভাৱনাশূন্য নমুনায়ন (Non-Probability Sampling) |
|---|---|
| • সৰল যাদৃচ্ছিক নমুনায়ন (Simple Rendom Sampling)<br>• স্তৰীভূত নমুনায়ন (Startified Sampling)<br>• স্তূপীকৃত গুচ্ছৰ নমুনায়ন (Cluster Sampling)<br>• প্ৰণালীবদ্ধ নমুনায়ন (Systematic Sampling)<br>• বহু পৰ্যায়যুক্ত নমুনায়ন(Multistage Sampling) | • উদ্দেশ্যমূলক/সিদ্ধান্তমূলক নমুনায়ন (Purposive/Judgemental Sampling)<br>• সুবিধাজনক নমুনায় (Convenience Sampling)<br>• আংশিক নমুনায়ন (Quota Sampling)<br>• স্তূপীকৃত গুচ্ছ নমুনায়ন (Cluster Sampling) |

এই আঁচনিত অন্তৰ্ভুক্ত নমুনায়নৰ সম্ভাব্য নমুনায়ন আৰু সম্ভাৱনাশূন্য নমুনায়ন প্ৰক্ৰিয়া দুটাৰ কাৰ্যপ্ৰণালী সম্পন্ন কৰিবলৈ ব্যৱহাৰ কৰা তালিকাত অন্তৰ্ভুক্ত পদ্ধতিসমূহৰ পৰিচয় দাঙি ধৰা হ'ল—

**সৰল যাদৃচ্ছিক নমুনায়ন (Simple Rendom Sampling)**

সাধাৰণতে সঠিকভাৱে নমুনায়নৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা পদ্ধতি। যাদৃচ্ছিকভাৱে কৰা নমুনায়ন তালিকাত সংখ্যা স্তম্ভ আৰু শাৰীৰ জৰিয়তে উপস্থাপন কৰা হয়। প্ৰাথমিকভাৱে গৱেষকে বৃহৎ জনসংখ্যাৰ মাজৰ পৰা খেলিমেলি ৰূপত এক সাংখ্যিক তালিকা প্ৰস্তুত কৰে। তাৰপিছতো যেতিয়ালৈকে বিচৰা সংখ্যা তালিকাখন প্ৰস্তুত নহয়, তেতিয়ালৈকে এই প্ৰস্তুতি প্ৰক্ৰিয়া চলি থাকে। যদি বাৰে বাৰে একেবোৰ সংখ্যাৰ পুনৰাবৃত্তি হৈ থাকে তাক উপেক্ষা কৰা হয় আৰু বিষয়ৰ লগত সংগতি থকা আকাংক্ষিত সংখ্যাত উপনীত নোহোৱালৈকে এই প্ৰক্ৰিয়া চলি থাকে।

**স্তৰীভূত নমুনায়ন (Startified Sampling)**

অসমধৰ্মী নমুনাৰ পৰা নমুনায়ন কৰা এই পদ্ধতিক স্তৰীভূত নমুনায়ন পদ্ধতি বুলি কোৱা হয়। এনে ক্ষেত্ৰত অসম নমুনাৰ পৰা সমধৰ্মী নমুনাসমূহ একত্ৰিত কৰি স্তৰ নিৰ্মাণ কৰা হয়। এই যাদিচ্ছুক নমুনা প্ৰতিটো স্তৰৰ পৰা সংগ্ৰহ কৰা হয়। এনেদৰে শাখাগোটসমূহৰ নিৰ্মাণ প্ৰতিটো স্তৰৰ পৰা যাদিচ্ছুকভাৱে নিৰ্বাচন কৰা নমুনাৰ নমুনায়ন কৰা হয়। এই ক্ষেত্ৰত এইটো লক্ষ্য ৰাখিবলগীয়া হয় যে স্তৰসমূহ সমধৰ্মী ৰূপত নিজে নিজে স্পষ্ট নোহোৱালৈকে গৱেষক সন্তুষ্ট নোহোৱালৈকে এনে নমুনায়ন লক্ষ্য জনসংখ্যাৰ প্ৰতিনিধিত্ব কৰিব পৰা নহয়।

**স্তুপীকৃত গুচ্ছৰ নমুনায়ন (Cluster Sampling)**

এই পদ্ধতিৰ ক্ষেত্ৰত লক্ষ্য জনসংখ্যাক দুটা উপ শাখাত ভাগ কৰি লোৱা হয় আৰু প্ৰতিটো উপশাখাৰ পৰা যাদিচ্ছুকভাৱে নমুনা সংগ্ৰহ কৰা হয়। এনেদৰে প্ৰতিটো উপশাখাৰ নমুনাৰ বৈশিষ্ট্য বেলেগ বেলেগকৈ হিচাপ কৰিবও পাৰি আৰু মূল্য বিচাৰ কৰিবও পাৰি। ইয়াত গৱেষকে যাদিচ্ছুকভাৱে নমুনায়নৰ উপ শাখা গোটসমূহ প্ৰস্তুত কৰা হয় আৰু প্ৰতিটো উপশাখাৰ গোট হিচাপে পৰ্যবেক্ষণ কৰা হয়।

**প্ৰণালীবদ্ধ নমুনায়ন (Systematic Sampling)**

এনে পদ্ধতিত প্ৰতিটো নমুনা পূৰ্বৰ নমুনাৰ পৰা একোটা সম বিৰতিৰ পিছত এটা এটাকৈ আহে। সকলোবোৰ গোটৰ পৰা নমুনায়নৰ নিৰ্দিষ্ট সাঁচত সজোৱা হয়। এই নমুনায়ন পদ্ধতিত পৰিমিত অৰ্থৰ পৰিমিত প্ৰয়োগত সম্পূৰ্ণ ব্যৱস্থা সৰল কৰি পেলোৱা হয়।



**বহু পৰ্যায়যুক্ত নমুনায়ন (Multistage Sampling)**

এই নমুনায়ন পদ্ধতি বেছি সঠিক আৰু বেছি সক্ৰিয় বুলি প্ৰতীয়মান হয়। কেইবাটাও স্তৰৰ মাজেৰে সম্পন্ন কৰা এই নমুনায়ন প্ৰক্ৰিয়াৰ প্ৰতিটো স্তৰতে নমুনাসমূহ বাৰে বাৰে নিৰ্বাচন কৰি বাৰে বাৰে চিহ্নিত কৰা হয়। নমুনায়নৰ প্ৰতিটো স্তৰত যিমান পাৰি সিমান সূক্ষ্ম স্তৰ বিভাজনৰ প্ৰয়াস কৰা হয়।

**উদ্দেশ্যমূলক/সিদ্ধান্তমূলক নমুনায়ন (Purposive/Judgemental Sampling)**

এই নমুনায়ন পদ্ধতিত গৱেষকে ব্যক্তিবিশেষেৰে একোটা 'টিপিকেল' (Typical) গোট একোটা নিৰ্মাণ কৰি লয়, যি কোনো বৃহৎ জনসংখ্যাক প্ৰতিনিধিত্ব কৰিব পাৰে আৰু ক্ৰমান্বয়ে সেই গোটৰ পৰা তথ্য সংগ্ৰহ কৰিব পৰা হয়। নিৰ্বাচন কৰি লোৱা এনে টিপিকেল গোটক বিচাৰমূলক গোট বুলিও অভিহিত কৰা হয়।

**সুবিধাজনক নমুনায়ন (Convenience Sampling)**

এই নমুনায়ন পদ্ধতিয়ে অতি সুবিধাজনকভাৱে উপগমন ঘটা আনুষংগিক গোট অথবা সদস্যক নিৰ্দেশ কৰে। সম্ভাব্য আনুষংগিক নমুনা নিৰ্বাচনৰ ক্ষেত্ৰত গৱেষকে নমুনাৰ আকাৰ নিৰ্ণয় কৰি ল'ব লাগে আৰু সাধাৰণভাৱে পৰ্যাপ্ত গোটসমূহৰ পৰা নমুনা সংগ্ৰহ কৰা হয়।

**আংশিক নমুনায়ন (Quota Sampling)**

আংশিক নমুনায়ন পদ্ধতিত গৱেষকে গৱেষণা বিষয়ৰ প্ৰয়োজন সাপেক্ষ নমুনাৰ প্ৰকৃতি অনুযায়ী নিৰ্দিষ্ট অংশ বা উপ শাখা নমুনা গোটসমূহ নিৰ্বাচন কৰি লয় আৰু সেই গোটসমূহৰ পৰা যাদিচ্ছুকভাৱে তথ্য সংগ্ৰহ কৰে।

এইদৰে সম্ভাব্য নমুনায়ন আৰু সম্ভাৱনাশূন্য নমুনায়ন, দুয়োটা প্ৰক্ৰিয়াৰ অন্তৰ্গতভাৱে গৱেষণা বিষয়ৰ প্ৰয়োজন সাপেক্ষে উল্লেখ কৰা পদ্ধতিসমূহ ব্যৱহাৰ কৰা হয়।

আচলাতে যিকোনো ক্ষেত্ৰ অধ্যয়নত তথ্য সংগ্ৰহৰ জৰিয়তে বৃহৎ জনসংখ্যাৰ বিষয়ে সাধাৰণ এটি অনুমাপক (Inference) উদ্‌ঘাটন কৰা মূল্যায়ণ প্ৰক্ৰিয়াক নমুনায়ন বুলিব পাৰি, যি প্ৰক্ৰিয়াৰ জৰিয়তে গৱেষণাৰ একোটি সিদ্ধান্তত উপনীত হোৱাৰ প্ৰয়াস কৰা হয়। গৱেষণাৰ বাবে নিৰ্বাচিত কোনো বিষয়ৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা ক্ষেত্ৰ অধ্যয়নৰ বাবে বৃহৎ ক্ষেত্ৰৰ বৃহৎ জনসংখ্যাৰ মাজৰ পৰা নমুনা নিৰ্বাচনৰ এনে প্ৰক্ৰিয়াত কেইটিমান

স্তৰ পৰিলক্ষিত হয়। সেই স্তৰকেইটি হ'ল—

লক্ষ্য জনসংখ্যাক নিৰ্ধাৰণ কৰা
(Define the Target Population)

↓

নমুনা নিৰ্বাচনৰ গোট গঠন কৰা
(Select a Sampling Frame)

↓

নমুনায়ন প্ৰক্ৰিয়াৰ সম্ভাব্যতা আৰু সম্ভাৱনাশূন্যতাৰ বিচাৰ
(Determine Probability or Non Probability of Sampling Method)

↓

নমুনায়নৰ গোট নিৰ্বাচনৰ বাবে আঁচনি নিৰ্মাণৰ প্ৰক্ৰিয়া
(Plan Procedure for Selecting Sampling Unit)

↓

নমুনাৰ পৰিসৰ নিৰ্ধাৰণ
(Determine Sample Size)

↓

যথাৰ্থ নমুনায়ন গোট নিৰ্বাচন
(Select Actual Sampling Unit)

↓

ক্ষেত্ৰকৰ্মৰ পৰিচালনা
(Conduct Fieldwork)

**গুণগত গৱেষণাত নমুনায়ন প্ৰক্ৰিয়া ঃ**

গুণগত গৱেষণাত গৱেষকে গৱেষণাৰ কাৰণে গৱেষণাকাৰ্যত অংশগ্ৰহণকাৰী নমুনাৰ প্ৰকৃতি অনুযায়ী নমুনা নিৰ্বাচন কৰিবলগীয়া হয়। গৱেষণা কাৰ্যৰ নমুনাৰ প্ৰকৃতি আনুযায়ী কৰা নমুনাৰ ভাগকেইটি হ'ল—

- নমুনাৰ বৈশিষ্ট্য
- নমুনাৰ জ্ঞান



**গৱেষণাৰ উদ্দেশ্য সাধন অৰ্থে কৰা নমুনায়ন ঃ**

গৱেষকে যেতিয়া গৱেষণাৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে নমুনায়নৰ পৰিকল্পনা কৰে, তেতিয়া বিষয়ৰ জ্ঞান আৰু পৰ্যাপ্ততা অনুসৰি স্থান আৰু ব্যক্তিৰ নিৰ্বাচন কৰে। গৱেষণাৰ উদ্দেশ্য সাধন অৰ্থে কৰা নমুনায়নৰ বিভিন্ন প্ৰকাৰ আছে। তাৰ ভিতৰত কেইটিমান হ'ল—

- সৰ্বোচ্চ তাৰাতম্যৰ নমুনায়ন (Maximal Variation Sampling)
- নিৰ্দিষ্ট নমুনায়ন (Typical Sampling)
- তত্ত্ব অথবা ধাৰণাৰ নমুনায়ন (Theory or Concept Sampling)
- সমশ্ৰেণীভুক্ত নমুনায়ন (Homogeneous Sampling)
- জটিল নমুনায়ন (Critical Sampling) ইত্যাদি।

**নমুনায়ন প্ৰক্ৰিয়া (Sampling Method)**

কোনো গৱেষণাকৰ্ম সম্পাদন কৰাৰ ক্ষেত্ৰত নমুনায়নৰ কোনো বিকল্প নাই। কাৰণ বিস্তৃত ক্ষেত্ৰ অথবা বৃহৎ পৰিসৰৰ পুংখানুপুংখ সামগ্ৰিকতাক সামৰি গৱেষণা কৰা অতি কঠিন। সেয়ে সমগ্ৰৰ বৈশিষ্ট্য বহন কৰা নমুনা সংগ্ৰহ অতি আৱশ্যক। নমুনায়নৰ সুবিধা হ'ল—

- সময় আৰু অৰ্থৰ অপচয় ৰোধ হ'ব।
- তত্ত্বাৱধায়কৰ বাবে গৱেষকক পথ নিৰ্দেশনা দিয়া সহজ হয়।
- গৱেষণা বিষয়ৰ পৰিসৰ ব্যাপক হ'লে নমুনায়নৰ দ্বাৰা বিষয়ক আয়ত্বলৈ অনা সহজ হয়।
- নমুনায়ন পদ্ধতিৰে গৱেষণাৰ বাবে উপযোগী সঠিক আৰু নিৰ্ভৰশীল তথ্য পোৱা যায়।
- বিভিন্ন কৌশল অথবা পদ্ধতি ব্যৱহাৰ কৰি নমুনা সংগ্ৰহ কৰা হয়, এনে কৰোঁতে একোটা বৈজ্ঞানীক ভিত্তি নিৰ্মাণ হয়।
- নমুনায়ন পদ্ধতিৰে গৱেষণা কাৰ্য দ্ৰুত হয় আৰু ফলাফলো সোনকালে পাব পাৰি।

**প্ৰশ্নসূচী জৰীপ পদ্ধতি (Questionary Survey Method)**

সামাজিক বিজ্ঞানৰ গৱেষণা তথা কলা আৰু মানৱিক বিজ্ঞানৰ অনেক গৱেষণাৰ ক্ষেত্ৰত জৰীপ পদ্ধতি ব্যৱহাৰ হয়। জৰীপ বুলি কওঁতে পৰ্যবেক্ষণ আৰু পৰিমাপৰ দ্বাৰা ভূপৃষ্ঠৰ ওপৰত থকা বিভিন্ন স্তৰৰ প্ৰকৃত অৱস্থান, আয়তন, উচ্চতা, দীৰ্ঘতা, দিশ,

সীমা, দূৰত্ব আৰু বিভিন্ন সংখ্যা নিৰ্ণায়ক সমস্যাৱলীৰ প্ৰশ্ন আৰু উত্তৰ সন্ধানৰ প্ৰক্ৰিয়াক বুজায়। সাহিত্য, সমাজ, সংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ হয় প্ৰশ্নসূচীৰ জৰিয়তে চলোৱা জৰীপ পদ্ধতি। গৱেষণাৰ ধৰণ আৰু নমুনায়নৰ ওপৰত প্ৰশ্নপত্ৰৰ প্ৰকৃতি নিৰ্ভৰ কৰিব আৰু সেই অনুযায়ী তাৰ গঠন হয়।

উত্তৰৰ প্ৰত্যাশ্যাত বিষয় সম্পৰ্কে জ্ঞান থকা বিভিন্ন লোকৰ উদ্দেশ্য কিছুমান প্ৰশ্নসমষ্টি অথবা তালিকা তৈয়াৰ কৰা হয়, তেনে প্ৰশ্ন তালিকাকে প্ৰশ্নসূচী বুলি কোৱা হয়। এই পদ্ধতিৰে অনুসন্ধানকাৰীয়ে তথ্য সংগ্ৰহৰ কাৰণে কোনো উত্তৰদাতাৰ পৰা পোনপতীয়াকৈ সাক্ষাৎ কৰি অথবা বিভিন্ন যোগাযোগ মাধ্যমেৰে পঠিয়াই প্ৰশ্নসূচীৰ উত্তৰ বিচৰা হয়। এনেদৰে প্ৰাপ্ত তথ্যৰ ভিত্তিত গৱেষণাৰ পৰৱৰ্তী কাৰ্যক্ৰম আগবঢ়োৱা হয়। এনেদৰে প্ৰশ্নসূচীৰ জৰিয়তে চলোৱা জৰীপক প্ৰশ্নসূচী জৰীপ বুলি কোৱা হয়।

**প্ৰশ্নসূচীৰ প্ৰকাৰ (Types of Questionaries)**

- সংগঠিত প্ৰশ্নসূচী (Structured Questionnaires)
- অসংগঠিত প্ৰশ্নসূচী (Unstructured Questionnaires)
- অৰ্দ্ধ সংগঠিত প্ৰশ্নসূচী (Semi-structured Questionnaires)

**সংগঠিত প্ৰশ্নসূচী ঃ**

গৱেষণা বিষয়ৰ লগত সংগতি ৰাখি পৰিকল্পিতভাৱে প্ৰশ্ন সংগঠিত ৰূপত তৈয়াৰ কৰা হয়। সংগঠিত প্ৰশ্ন সাধাৰণতে গঠিত (Consturcted) আৰু অৰ্দ্ধ গঠিত (Semi Consturcted) প্ৰকৃতিৰ হয়। গঠিত প্ৰশ্নসূচীও আকৌ সীমাৱদ্ধ (Close Ended) আৰু মিশ্ৰ (Mixed) প্ৰকৃতিৰ হয়। এনেধৰণৰ প্ৰশ্নসূচীত দুই বিপৰীতমুখী প্ৰশ্ন (Dichotomous Question) অথবা বহুমুখী পছন্দৰ প্ৰশ্ন (Multiple Choice Question), পৰিমাপক প্ৰশ্ন (Scale Question) ইত্যাদি ধৰণৰ সন্নিৱিষ্ট হয়। এনে প্ৰশ্নসূচীৰ ক্ষেত্ৰত স্বাধীনতা সীমাৱদ্ধ হয়। তথ্যৰ প্ৰকৃতি পৰিমাপক অথবা সংখ্যাগত প্ৰকৃতিৰ হয়। পাৰিসাংখ্যিকভাৱে সাৰ-সংগ্ৰহ (Coding) কৰা সহজ হয়।

**অসংগঠিত প্ৰশ্নসূচী ঃ**


কোনো নিৰ্দিষ্ট প্ৰকাৰ নাথাকে, ইয়াৰ প্ৰকৃতিয়েই সম্পূৰ্ণ অসংগঠিত। গৱেষণাৰ বিষয় সম্পৰ্কীয় উপলব্ধি অনুসন্ধানত গুৰুত্ব দিয়া হয়। অসংগঠিত প্ৰশ্নসূচী সীমামুক্ত (Open Ended) প্ৰকৃতিৰ হয়। সেয়ে ইয়াত প্ৰশ্নৰ সহায়ত বিষয়ৰ অনুসংগ-প্ৰসংগও বিচাৰ কৰিবলৈ প্ৰয়াস কৰা হয়। ইয়াত মতামত প্ৰকাশৰ স্বাধীনতাও থাকে আৰু অধিক তথ্য সংগ্ৰহৰও সুবিধা থাকে। এই প্ৰয়াসেৰে গুণগত প্ৰকৃতিৰ তথ্য সংগ্ৰহ কৰিব পৰা হয়। এনে প্ৰশ্নসূচীৰ সহায়ত পাৰিসাংখ্যিকভাৱে সাৰ-সংগ্ৰহ (Coding) কৰা কঠিন হয়।



**অৰ্দ্ধ সংগঠিত প্ৰশ্নসূচী ঃ**

গৱেষণা কাৰ্যত অৰ্দ্ধ সংগঠিত প্ৰশ্নসূচীৰ ব্যৱহাৰৰ ক্ষেত্ৰত দেখা যায় সংগঠিত প্ৰকৃতিৰ মাজত ক'ৰবাত অসংগঠিত চৰিত্ৰও প্ৰতিফলিত হয়। গুণগত আৰু পৰিমাণগত দুয়ো প্ৰকাৰ তথ্য সংগ্ৰহৰ প্ৰয়োজন থকা গৱেষণাত এনে অৰ্দ্ধ সংগঠিত প্ৰশ্নসূচী ব্যৱহাৰ কৰা হয়। অৰ্দ্ধ সংগঠিত প্ৰশ্নসূচীও মিশ্ৰ প্ৰকৃতিৰ হয়।

প্ৰশ্নসূচীৰ প্ৰকাৰ




**প্ৰশ্নসূচী নিৰ্মাণৰ পটভূমি (Background of Questionary)**

একোটি গৱেষণা কৰ্মৰ কাৰণে প্ৰশ্নসূচী তৈয়াৰ কৰাৰ আগতে গৱেষণাকৰ্ম সম্পৰ্কে স্পষ্ট আৰু স্বচ্ছ ধাৰণা নাথাকিলে গৱেষণাকেন্দ্ৰিক প্ৰশ্নসূচী যথাৰ্থ নহ'বও পাৰে। কাৰণ এনে প্ৰশ্নসূচীত গৱেষণাৰ বিষয় সংক্ৰান্ত সকলো ধৰণৰ সমস্যাৰ প্ৰশ্ন অৱতাৰণা কৰা হয়। একোটি প্ৰশ্নসূচী নিৰ্মাণ কৰোঁতে তিনিটা দিশত গুৰুত্ব দি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়—

ক— **প্ৰশ্নৰ গঠন (Structure of the question)**

- তথ্যৰ প্ৰকৃতি আৰু তথ্য সংগ্ৰহৰ স্বৰূপ নিৰ্ণয় কৰি ল'ব লাগিব।
- তথ্যৰ প্ৰকাৰ নিৰ্ণয় কৰি লৈ সেই অনুযায়ী কেনে প্ৰশ্নসূচী ব্যৱহাৰ হ'ব ঠিক কৰি ল'ব লাগিব।
- তথ্যৰ স্বৰূপ, প্ৰকাৰ, পৰিসৰ, ক্ষেত্ৰ ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰশ্নৰ খচৰা নিৰ্মাণ কৰিব লাগিব।
- গৱেষণা বিষয়ৰ লগত প্ৰশ্নসূচীৰ সামঞ্জস্য বিচাৰ কৰি পুনঃ পুনঃ পৰীক্ষণ আৰু সংশোধন কৰিব লাগিব।

খ— **প্ৰশ্নসূচী সম্পাদনা (Editing of the Questionary)**

- প্ৰশ্নসূচী নিৰ্মাণৰ নিৰ্দেশিকা প্ৰস্তুত কৰা।
- প্ৰশ্নসূচীৰ স্বৰূপ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা।

- উত্তৰৰ প্ৰকৃতি সম্পৰ্কে ধাৰণা গ্ৰহণ কৰা।
- প্ৰশ্নৰ ক্ৰমানুযায়ী উত্তৰ সন্ধানৰ প্ৰয়াস কৰা।

**গ— প্ৰশ্নসূচী ক্ষেত্ৰত লক্ষ্যণীয় দিশ**

- প্ৰশ্নৰ ভাষা সহজবোধ্য, সৰল, সাৱলীল আৰু নম্ৰ হ'ব লাগিব।
- বিষয়ৰ লগত অপ্ৰাসংগিক প্ৰশ্ন পৰিহাৰ কৰিব লাগিব।
- উত্তৰদাতাৰ শ্ৰেণী, ধৰ্ম, বৰ্ণ, আভিজাত্য অথবা মূল্যবোধক আঘাত কৰা ধৰণৰ প্ৰশ্ন পৰিহাৰ কৰিব লাগিব।
- প্ৰশ্নোত্তৰ লিপিৱদ্ধ কৰোঁতে লক্ষ্য ৰাখিব লাগিব যাতে কোনো ধৰণৰ অযুক্তিকৰ দ্বিমত, বিৰোধ আৰু বিতৰ্ক সৃষ্টিকাৰী নহয়।
- প্ৰশ্নসূচীত সংযোজিত প্ৰশ্নৰ ক্ষেত্ৰত যাতে পুনৰাবৃত্তি নঘটে তাৰ্লৈ লক্ষ্য ৰাখিব লাগিব।

**সাক্ষাৎকাৰ প্ৰক্ৰিয়া (Interview Process)**

সামাজিক গৱেষণাদিত বিশেষকৈ জৰীপৰ ক্ষেত্ৰত তথ্য সংগ্ৰহৰ কাৰণে সচৰাচৰ ব্যৱহৃত গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া হৈছে সাক্ষাৎকাৰ প্ৰক্ৰিয়া। মানুহৰ চিন্তা-চেতনা আৰু মনোভাৱ আদান-প্ৰদানৰ অন্যতম মাধ্যম হৈছে মৌখিক ভাষা অথবা কথোপকথন। সাক্ষাৎকাৰ প্ৰক্ৰিয়াক তথ্য সংগ্ৰহৰ এক প্ৰকাৰ মৌখিক কৌশল বুলি গ্ৰহণ কৰা হয়। গৱেষণাৰ তথ্য সংগ্ৰহৰ কাৰণে গৱেষণাকাৰী আৰু তথ্য প্ৰদানকাৰীৰ মাজত যি উদ্দেশ্যমূলক কথোপকথন হয়, তাকেই গৱেষণাকাৰ্যৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া বুলি কোৱা হয়। এনে সাক্ষাৎকাৰ প্ৰক্ৰিয়াত গৱেষকে কেৱল মৌখিক আলাপ-আলোচনাৰ যোগেদি লাভ কৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিয়েই ক্ষান্ত নাথাকে। লগতে সাক্ষাৎ প্ৰদানকাৰীৰ আচাৰ-আচৰণ, কথা-বাৰ্তাৰ ধৰণ-কৰণ, ভাৱ-ভংগী, ব্যক্তিত্ব, দৃষ্টিভংগী ইত্যাদি পৰ্যবেক্ষণ কৰিও অন্যান্য প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰে। যাৰ ফলত অনেক অপ্ৰকাশিত তথ্যই প্ৰকাশ লাভ কৰে আৰু গৱেষকক কিছুমান বাস্তৱ সিদ্ধান্তত উপনীত হ'বলৈ সহায় কৰে।

**সাক্ষাৎকাৰৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য**

- তথ্যদাতাক মৌখিকভাৱে প্ৰশ্ন কৰা হয় আৰু গৱেষকৰ দ্বাৰা উত্তৰ গ্ৰহণ কৰা হয়।
- গৱেষকে হয় লিখিত, নহয় টেপ্ ৰেকৰ্ডাৰ, ভি-ডি-অ' কেমেৰা ইত্যাদিৰ সহায়ত সাক্ষাৎকাৰ বাণীৱদ্ধ অথবা দৃশ্যৱদ্ধ কৰে।
- সাক্ষাৎ প্ৰক্ৰিয়াত নমনীয়তা অতি আৱশ্যক। সাক্ষাৎ গ্ৰহণকাৰী আৰু প্ৰদানকাৰীৰ মাজত সহজ সাৱলীল সম্পৰ্ক নিৰ্মাণ অতি প্ৰয়োজন।



**সাক্ষাৎকাৰৰ প্ৰকাৰ ঃ**

- সংগঠিত আৰু সীমাৱদ্ধ প্ৰশ্নৰ সাক্ষাৎকাৰ।
- অসংগঠিত আৰু সীমামুক্ত প্ৰশ্নৰ সাক্ষাৎকাৰ।
- সংগঠিত আৰু অসংগঠিত দুয়োটাৰে সানমিহলি প্ৰশ্নৰ সাক্ষাৎকাৰ।
- নিদানাত্মক প্ৰশ্নৰ সাক্ষাৎকাৰ।
- মিশ্ৰ প্ৰশ্নৰ সাক্ষাৎকাৰ।

**সাক্ষাৎ গ্ৰহণকাৰীৰ থাকিবলগীয়া বৈশিষ্ট্য ঃ**

সাক্ষাৎকাৰ প্ৰক্ৰিয়াত সাক্ষাৎ গ্ৰহণকাৰীৰ বিশেষ কিছুমান গুণ থকা আৱশ্যক। কাৰণ সঠিকভাৱে গ্ৰহণ কৰা সাক্ষাৎকাৰৰ মাধ্যমতহে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা সম্ভৱ হয়। এজন সাক্ষাৎ গ্ৰহণকাৰীৰ মাজত থাকিবলগীয়া কেইটিমান অতি আৱশ্যকীয় বৈশিষ্ট্য সম্পৰ্কে তলত আলোচনা কৰা হ'ল —

**১) সততা (Honesty) ঃ** এজন গৱেষক সাক্ষাৎ গ্ৰহণকাৰীয়ে নিজৰ গৱেষণা কৰ্মৰ প্ৰতি স্তৰতে সততা ৰক্ষা কৰা উচিত। এফালে যেনেকৈ উত্তৰদাতাৰ আৱেগ আৰু সহযোগীতা আদায় কৰাৰ বাবে সততাৰ প্ৰয়োজন, তেনেকৈয়ে আনফালে গৱেষণাৰ মূল লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰতো সততাৰ আৱশ্যক।

**২) আগ্ৰহ (Interest) ঃ** তথ্য সংগ্ৰহৰ প্ৰতি সাক্ষাৎ গ্ৰহণকাৰীৰ যথেষ্ট আগ্ৰহ আৰু সদিচ্ছা থকা প্ৰয়োজন। আগ্ৰহ অবিহনে কোনো কামতে আকাংক্ষিত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰি।

**৩) সঠিকতা (Accuracy) ঃ** সাক্ষাৎ গ্ৰহণকাৰী অৱশ্যেই যোগ্যতা সম্পন্ন ব্যক্তি হ'বই লাগিব। কিয়নো উত্তৰদাতাৰপৰা প্ৰাপ্ত তথ্যাৱলী যথাযথ, কিন্তু উপযুক্ত ৰূপত উদ্ধাৰ কৰিবলৈ তেওঁ সক্ষম হ'বই লাগিব। তাৰোপৰি প্ৰশ্নও সুন্দৰ আৰু সঠিকভাৱে উপস্থাপনৰ কৌশল জানিব লাগিব।

**৪) সামঞ্জস্য স্থাপনৰ ক্ষমতা (Adaptability) ঃ** সাক্ষাৎ গ্ৰহণকাৰীয়ে পৰিৱেশ-পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাব পাৰিব লাগিব। ব্যক্তিগত আৱেগ দমন কৰি উদ্দেশ্য আৰু লক্ষ্যৰ লগত সামঞ্জস্য স্থাপনৰ যোগতা থাকিব লাগিব। অতিমাত্ৰা ঘনিষ্ঠ অথবা অতিমাত্ৰা আক্ৰমণাত্মক প্ৰশ্ন দুয়োটাই বৰ্জনীয়।

**৫) ব্যক্তিত্ব আৰু মেজাজ (Personality and Temperment) ঃ** সাক্ষাৎ গ্ৰহণকাৰীৰ সুসম ব্যক্তিত্ব আৰু মেজাজৰ অধিকাৰী হ'ব লাগিব যাতে উত্তৰদাতাই প্ৰশ্নৰ উত্তৰ দিবলৈ আকৃষ্ট হয়। প্ৰয়োজনীয় ৰসবোধসম্পন্ন হ'ব লাগিব, কিন্তু অতিৰিক্ত বহুকল্পিতা সাক্ষাৎ গ্ৰহণকাৰীৰ ক্ষেত্ৰত বৰ্জনীয়।

**৬) বুদ্ধিমত্তা আৰু শিক্ষা (Intelligence and Education) ঃ** সাক্ষাৎ গ্ৰহণকাৰী বুদ্ধিমান হ'বই লাগিব আৰু কেৱল আক্ষৰিক অৰ্থতে নহয় প্ৰকৃতাৰ্থত শিক্ষিত হ'ব লাগিব। কাৰণ সাক্ষাৎ গ্ৰহণ প্ৰক্ৰিয়া বাস্তৱিকতে এটি বিশেষ কৌশলৰ বিষয়। গতিকে যি সাক্ষাৎ গ্ৰহণ কৰে তেওঁ অৱশ্যেই পৰ্যাপ্ত জ্ঞান আৰু শিক্ষাৰ অধিকাৰী হ'বই লাগিব।

**৭) বিশেষ দক্ষতা (Special Skill) ঃ** সাক্ষাৎ গ্ৰহণকাৰী ব্যক্তিৰ কিছুমান বিষয়ত বিশেষ দক্ষতাৰ প্ৰয়োজন হয়। যেনে— উত্তৰদাতাৰ লগত এটা বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা আৰু সুন্দৰ ৰূপত প্ৰশ্ন উত্থাপন কৰি উত্তৰ আদায় কৰা।

**৮) উপযুক্ত প্ৰস্তুতি গ্ৰহণ (Appropriate Prepration) ঃ** সাক্ষাৎ গ্ৰহণকাৰীয়ে অৱশ্যেই সৰ্বাত্মক প্ৰস্তুতি গ্ৰহণ কৰিব লাগিব। যেনে— সাক্ষাৎ গ্ৰহণৰ সঠিক সময়, স্থান আৰু নিজস্ব উপস্থাপনৰ দক্ষতাৰে নিৰ্ণয় কৰিব লাগিব। কেতিয়া, কিমান সময়, ক'ত আৰু কি ভাৱে নিজক উপস্থাপন কৰি প্ৰয়োজনীয় তথ্য উত্তৰদাতাৰপৰা সংগ্ৰহ কৰা যাব পাৰে সেই বিষয়ে প্ৰশ্নকাৰীয়ে যথেষ্ট দক্ষতাৰে সৈতে প্ৰস্তুতি চলোৱা প্ৰয়োজন।

**৯) ভাষা (Language) ঃ** সাক্ষাৎ গ্ৰহণকাৰীৰ ভাষা সহজ-সৰল হ'ব লাগিব। ভাষাৰ জটিলতা অথবা দুৰ্বোধ্য ভাষাই যেন উত্তৰদাতাক আঘাত নকৰে। কাৰণ সাক্ষাৎ গ্ৰহণকাৰী আৰু উত্তৰদাতা, এই দুয়ো পক্ষৰ মাজত কথোপকথনৰ ভাষাই হ'ল একমাত্ৰ যোগাযোগৰ মাধ্যম।

**১০) মূল্যবোধ (Values) ঃ** মানুহে নিজৰ আচাৰ-আচৰণৰ মাজেৰে অন্য মানুহক আকৃষ্ট কৰিব পাৰে। সাক্ষাৎ গ্ৰহণকাৰীয়ে কোনো পৰিস্থিতিতে উত্তৰদাতাৰ আৰু নিজৰো মূল্যবোধ বা বিশ্বাসক আহত নকৰাকৈ কাৰ্য সম্পন্ন কৰিব লাগে।

**পৰ্যবেক্ষণ (Observation)**

পৰ্যবেক্ষণ হৈছে তথ্য সংগ্ৰহৰ এটি পদ্ধতি। সমাজবিজ্ঞানীসকলৰ ম'তে কেৱল চকুৰে দেখা তথ্যই পৰ্যাপ্ত নহয়, পৰ্যবেক্ষণো অতি জৰুৰী। পৰ্যবেক্ষণ তথ্য সংগ্ৰহৰ এনে এটি পদ্ধতি, য'ৰপৰা আংশিক তথ্য নহয়, বৰং সমগ্ৰ পৰিৱেশ অথবা ঘটনাক্ৰমৰ চিত্ৰ লাভ কৰিব পাৰি। অৰ্থাৎ বাস্তৱ কোনো ঘটনাত দেখা সমলবোৰ আৰু তাৰ গতি-প্ৰকৃতিক সুশৃংখল আৰু পুংখানুপুংখভাৱে নিৰীক্ষণ কৰাই হ'ল পৰ্যবেক্ষণ। পৰ্যবেক্ষণৰ ক্ষেত্ৰত নিম্নলিখিত বিষয়সমূহ অতি গুৰুত্বপূৰ্ণ —

**১) পৰ্যবেক্ষণ পৰিকল্পনা (Planning of Observation) ঃ** পৰ্যবেক্ষণ কৰিবলৈ হ'লে প্ৰথমেই কি ভাৱে পৰ্যবেক্ষণ কৰা হ'ব তাৰ এটা পৰিকল্পনা কৰি ল'ব লাগিব।



**২) আনুষ্ঠানিকতা (Formality) ঃ** পৰ্যবেক্ষণৰ কিছু আনুষংগিক দিশো থাকে। গৱেষণাকৰ্মত পৰ্যবেক্ষণৰ ক্ষেত্ৰত তেনে আনুষংগিক দিশৰ প্ৰতিও চকু ৰাখিবলগীয়া হয়।

**৩) বস্তুনিষ্ঠতা (Objectivity) ঃ** গৱেষণাকৰ্মৰ পৰ্যবেক্ষণত নিৰপেক্ষতা বজাই ৰখা অতি জৰুৰী। নহ'লে কোনো পৰ্যবেক্ষণেই বিজ্ঞানসন্মত নহ'ব।

**গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নৰ ৰূপৰেখা ঃ**

গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন থাকিলে গৱেষকে বিষয়ৰ প্ৰয়োজন অনুসৰি প্ৰণালীবদ্ধ ৰূপত ক্ষেত্ৰ অধ্যয়নৰ বাবে ৰূপৰেখা নিৰ্মাণ কৰি উলিয়ায়। সকলো ক্ষেত্ৰ অধ্যয়নত সাধাৰণভাৱে পৰিকল্পনা কৰি লোৱা একোটা ৰূপৰেখাৰ মাজেৰে ক্ষেত্ৰ অধ্যয়ন কাৰ্য আগবাঢ়ে। গৱেষণা কাৰ্যত প্ৰয়োজন হোৱা সকলো ধৰণৰ ক্ষেত্ৰ অধ্যয়নতে সাধাৰণতে এজন গৱেষকে তলত দিয়া ধৰণে ৰূপৰেখা নিৰ্মাণ কৰি লবলগীয়া হয়—

- ক্ষেত্ৰ অধ্যয়নৰ পৰিচয়
- গৱেষণা বিষয়ত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীতা চিনাক্তকৰণ
- ক্ষেত্ৰ পৰ্যবেক্ষণৰ বিভিন্ন নীতিৰ সন্ধান
- সাক্ষাৎকাৰৰ প্ৰশ্নপত্ৰ নিৰ্বাচন
- বিষয়ৰ বাবে প্ৰয়োজনীয়-অপ্ৰয়োজানীয় তথ্যৰ আহৰণ
- পৰ্যবেক্ষণক লিপিবদ্ধকৰণ
- ক্ষেত্ৰ পৰ্যবেক্ষণ আৰু আন তথ্যৰ সংযোজন
- ক্ষেত্ৰলব্ধ তথ্যৰ ব্যাখ্যা-বিশ্লেষণ
- ক্ষেত্ৰ অধ্যয়নৰ উপযোগিতা আৰু সীমাবদ্ধতা

অৱশেষত ক'ব পাৰি গৱেষণাকৰ্ম একোটিৰ ক্ষেত্ৰ অধ্যয়নত সদায় দুই ভিন্ন পদ্ধতিৰ ক্ষেত্ৰকৰ্মৰ প্ৰয়োগ হোৱা দেখা যায়— প্ৰত্যক্ষ পৰ্যবেক্ষণ আৰু প্ৰশ্ন অনুসন্ধান। ক্ষেত্ৰ অধ্যয়নে ব্যাপক পৰিপ্ৰেক্ষাত গৱেষণাৰ পৰিসৰ বৃদ্ধি কৰে। পোনে পোনে ক্ষেত্ৰলৈ গৈ যিমানখিনি সম্ভৱ সিমানলৈকে পৰ্যবেক্ষণ কৰা হয়। ক্ষেত্ৰ অধ্যয়নত সফলতা পাবলৈ হ'লে গৱেষকৰ মাজত উদ্যম, নিষ্ঠা, সততা আৰু একাগ্ৰতাৰ একান্ত প্ৰয়োজন। বহু সময়ত ক্ষেত্ৰ অধ্যয়নত অসহিষ্ণুতা আৰু অসহযোগিতাৰ সন্মুখীন হ'বলগীয়াও হ'ব পাৰে। তেনে পৰিস্থিতি নমুনা নিৰ্বাচন আৰু তথ্য সংগ্ৰহৰ দৰে কামত জটিলতা সৃষ্টি হয়। গৱেষকৰ উপস্থিত বুদ্ধি আৰু প্ৰত্যুৎপন্নমতিতা থাকিলে এনে বহু জটিল পৰিস্থিতিৰ প্ৰতিকূলতা সহজ কৰি কাম আদায় কৰিব পাৰে।

### অষ্টম অধ্যায়

# গৱেষণা প্ৰক্ৰিয়া


বিষয় নিৰ্বাচনৰ পৰা প্ৰতিবেদন গৱেষণা প্ৰতিবেদন অথবা গৱেষণা গ্ৰন্থ প্ৰস্তুতকৰণলৈকে বিভিন্ন স্তৰৰ নিৰ্দ্দিষ্ট কিছু কাৰ্যপ্ৰণালীৰ মাজেৰে একোটি গৱেষণা কাৰ্য সম্পন্ন হয়। এনেদৰেই গৱেষণা প্ৰক্ৰিয়া এটিয়ে পূৰ্ণতা পায়। সাম্প্ৰতিক কালত সামাজিক বিজ্ঞান (Social Science)-ৰ বহু বিস্তীৰ্ণ গৱেষণা ক্ষেত্ৰ মুকলি হৈছে। এই প্ৰত্যেক ক্ষেত্ৰৰে ভিন্ন বিশেষত্ব (Specailation) আছে আৰু প্ৰতিটো বিশেষত্বৰে আকৌ নিজা নিজা গৱেষণাৰ পদ্ধতি আৰু প্ৰক্ৰিয়া আছে। তথাপি সাহিত্য আৰু লোকসংস্কৃতিৰ গৱেষণাৰ ক্ষেত্ৰত কিছুমান সাধাৰণ কাৰ্য-প্ৰক্ৰিয়া পৰিলক্ষিত হয়। যেনে—

- গৱেষণাৰ বিষয় নিৰ্বাচন (Selection of Research Problem)
- প্ৰাপ্ত লিখিত তথ্যাদি নিৰীক্ষণ (Literature Survey)
- গৱেষণাৰ ক্ষেত্ৰ চিহ্নিতকৰণ (Identification of Thrust Area)
- গৱেষণা আঁচনি নিৰ্মাণ (research Design)
- তথ্য সংগ্ৰহ (Collection of Data)
- ক্ষেত্ৰ কৰ্ম (Field Work)
- তথ্য বিন্যাস (ClassificicationযTabulation of Data)
- তথ্যৰ ব্যাখ্যা-বিশ্লেষণ (AnalysisযInterpritation of Data)
- সিদ্ধান্ত নিৰ্ণয় (Conclusion)
- প্ৰতিবেদন লিখন (Report Writing)

সাহিত্য-সংস্কৃতিৰ গৱেষণা সম্পন্ন কৰোঁতে সাধাৰণতে এই স্তৰকেইটিৰ মাজেৰে গৱেষণা পৰিক্ৰমা কৰিবলগীয়া হয়। ইয়াৰোপৰি বিষয় সাপেক্ষে অতিৰিক্ত স্তৰো অতিক্ৰম কৰিবলগীয়া হয়। কাৰণ সম্প্ৰতি আন্তৰ্ক্ষেত্ৰৱৰ্তী অধ্যয়নৰ পৰিপ্ৰেক্ষাত বিষয়-বৈচিত্ৰ্যই নতুন নতুন বিষয়ৰ গৱেষণাত পদ্ধতি বিজ্ঞানৰ নতুন নতুন দিশৰ বিষয় সাপেক্ষে সংযুক্তি দাবী কৰে। সেয়ে এই কথা নিশ্চিতভাৱে মনত ৰখা উচিত যে গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ সকলোধৰণৰ গৱেষণাত প্ৰযোজ্য হোৱা সাধাৰণ পদ্ধতিসমূহৰ উপৰিও বিশেষীকৰণ (Specialisation) ক্ষেত্ৰৰ কোনো বিষয়ৰ গৱেষণা কৰিবলৈ হ'লে গৱেষণাৰ এই সাধাৰণ শৃংখলা ৰক্ষা কৰা এই পদ্ধতিসমূহৰ উপৰিও বিষয়ক্ষেত্ৰ উপযোগী পদ্ধতি বিজ্ঞান সংযোজন কৰিব লাগিব। গৱেষণা পদ্ধতি বিজ্ঞানৰ ক্ষেত্ৰত পদ্ধতিৰ এনে স্থিতিস্থাপকতা



(Flexibility) সকলো সময়তে প্ৰযোজ্য হয়। এইক্ষেত্ৰত গৱেষকে পৃথক পৃথক বিষয়ক্ষেত্ৰৰ তাত্ত্বিক ভেঁটিৰ আশ্ৰয় ল'ব লাগিব। যেনে— সাংস্কৃতিক বিষয় ক্ষেত্ৰৰ লগত সম্পৰ্কিত বিষয় হলে সংস্কৃতি অধ্যয়নৰ তাত্ত্বিক আধাৰত বিষয়োপযোগী পদ্ধতি নিৰ্ণয় কৰিব লাগিব। অথবা মনোবিজ্ঞানৰ লগত সম্পৰ্কিত বিষয়ক্ষেত্ৰ হলে মনোবিজ্ঞানৰ তাত্ত্বিক আধাৰত পদ্ধতি নিৰ্মাণ কৰিব লাগিব। অৰ্থাৎ বিষয়ৰ দাবী সাপেক্ষে বিষয়ক্ষেত্ৰৰ সম্পৰ্কিত বিষয়ৰ তাত্ত্বিক আধাৰ গ্ৰহণ কৰি নিৰ্দ্দিষ্ট গৱেষণা কৰ্মৰ বাবে পদ্ধতি নিৰ্মাণ কৰি ল'ব লাগিব।




**গৱেষণাৰ বিভিন্ন স্তৰ ঃ**

সাম্প্ৰতিক সময়ত গৱেষণাৰ প্ৰৱণতা আৰু প্ৰয়োজনীয়তা দুয়োটাই বৃদ্ধি পাইছে। এম. ফিল. অথবা পিএইচ. ডি.-ৰ বাহিৰেও আন আন বহু ক্ষেত্ৰত গৱেষণা গ্ৰন্থ-কণিকা (Dissertation) অথবা প্ৰকল্প-প্ৰতিবেদন (Project Report) জমা দিবলগীয়া হয়। এই সকলো ক্ষেত্ৰতে গৱেষণাৰ শৃংখলা আৰু মান্যতা ৰক্ষা কৰিবলগীয়া হয়। অৱশ্যে এই সকলোধৰণৰ গৱেষণা কৰ্ম একে সাঁচত বহুৱাবই যে লাগিব, সেইটো নহয়। অৱশ্যে তেনে নহ'লেও এই সকলো গৱেষণাই গৱেষণাৰ মৌলিক শৃংখলা ৰক্ষা কৰিবই লাগিব। সাধাৰণতে এই সকলো ধৰণৰ গৱেষণা কাৰ্যত ৰক্ষিত হ'বলগীয়া সাঁতটা সাধাৰণ স্তৰ হ'ল—

স্তৰ ১ - গৱেষণাৰ জিজ্ঞাসা বা সমস্যা চিহ্নিতকৰণ (Identification of Research Question or Problem)
স্তৰ ২ - প্ৰাপ্ত তথ্য- সাহিত্যৰ পুনৰীক্ষণ (Review of Literature)
স্তৰ ৩ - গৱেষণাৰ প্ৰাক্-কল্পনা নিৰ্ধাৰণ (Determine Hypothesis)
স্তৰ ৪ - গৱেষণাৰ উদ্দেশ্য নিৰ্দ্দিষ্টকৰণ (Spacifying the Purpose of Research)
স্তৰ ৫ - গৱেষণাৰ আঁচনি নিৰ্মাণ (Formulating Research Design)
স্তৰ ৬ - তথ্য সংগ্ৰহ আৰু তথ্যৰ বিশ্লেষণ (Data Collection and Analysing of Data)
স্তৰ ৭ - মূল্যায়ন আৰু সিদ্ধান্ত নিৰ্মাণ (Evaluating and Reporting of Research)

এই সাঁতোটা দিশক তলত দিয়া ধৰণে টেবুলত দেখুৱাব পাৰি—






**স্তৰ ১ গৱেষণাৰ জিজ্ঞাসা বা সমস্যা চিহ্নিতকৰণ ঃ**

গৱেষণা প্ৰক্ৰিয়াৰ প্ৰথম পদক্ষেপ হ ল গৱেষণা জিজ্ঞাসা অৰ্থাৎ গৱেষণা প্ৰশ্ন বা সমস্যা চিহ্নিত কৰা। গৱেষণাকৰ্ম যেনেকুৱাই নহওক, প্ৰণালীৱদ্ধ গৱেষণাৰ প্ৰাথমিক কৰ্মই হ'লগৱেষণাৰ বাবে এটি বিষয় সুনিৰ্দ্দিষ্ট আৰু স্পষ্টভাৱে চিহ্নিত কৰা। অৰ্থাৎ নিৰ্দ্দিষ্ট গৱেষণা প্ৰশ্ন অথবা সমস্যা স্পষ্ট কৰা। তাকে নকৰিলে গৱেষণাকৰ্মৰ কোনো স্পষ্ট ৰূপৰেখা নিৰ্মাণ কৰা সম্ভৱ নহ'ব। অৰ্থাৎ যদি কোৱা হয়, অসমীয়া লোকসংস্কৃতিৰ বিষয়ে গৱেষণা কৰিব লাগিব, তেতিয়াও বিষয় স্পষ্ট নহয়। কাৰণ নিৰ্দ্দিষ্ট সময় সীমাৰ ভিতৰত অসমীয়া লোকসংস্কৃতিৰ বিশাল ক্ষেত্ৰৰ পৰিসৰৰ ভিতৰত বিশেষ কোনখিনি কথা স্পষ্ট কৰিব পৰা হ'ব অথবা কোনখিনি বাদ পৰিব সেই ধাৰণা স্পষ্ট হ'ব লাগিব। যদি বিষয়টো কেৱল বৰ্ণনাত্মক তথ্য তালিকাই হ'ব, অথবা তথ্য-তালিকাৰ একত্ৰ সংকলন হ'ব, তেন্তে সি গৱেষণাকৰ্ম বুলি চিহ্নিত হ'বনে? অথবা কেৱল তথ্য-তালিকা হ'লেও সি সম্পূৰ্ণ হ'বনে— গৱেষণা বিষয়ৰ কোনো পৰিসৰ বান্ধি নললে এনেকুৱা এশ এবুৰি সমস্যাৰ জালত মেৰ খাই গৱেষণা কাৰ্য অস্পষ্ট ধুঁৱলি-কুঁৱলি হৈ পৰিব পাৰে। সেয়ে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিব পৰাকৈ কৰ্ম পৰিসৰো নিৰ্দ্দিষ্ট হ'ব লাগিব। গৱেষণা প্ৰশ্ন বা সমস্যাক সংজ্ঞায়িত কৰিবলৈ দুই ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা অতি অপৰিহাৰ্য হ'ব—

- গৱেষণা বিষয় বা ক্ষেত্ৰৰ সমস্যাক পুংখানুপুংখ ৰূপত বুজিব লাগিব
- একে সমস্যা বা প্ৰশ্নকে নতুন দৃষ্টিভংগীৰে পুনৰ উপস্থাপন কৰিব পাৰিব লাগিব।

অৰ্থাৎ কোনো বিশিষ্ট সমস্যা বা প্ৰশ্ন স্পষ্ট আৰু নিৰ্দ্দিষ্ট হ'বই লাগিব। নতুন দৃষ্টিভংগীৰে সমস্যা অথবা প্ৰশ্নক উপস্থাপন কৰিব লাগিব। অৰ্থাৎ গৱেষণাৰ কাৰণে বাছি লোৱা একোটা বিষয়ৰ মাজেৰে নিশ্চিতভাৱে নতুনত্বৰ সন্ধান হ'বই লাগিব। ওপৰত উল্লেখ কৰি অহা অসমৰ লোকসংস্কৃতি বিষয়টোৰ কথাকে আকৌ ধৰা হওক। গৱেষণা কৰিবলৈ হলে সেই বিষয়ৰ মাজত নিৰ্দ্দিষ্ট কোনো অনাৱিষ্কৃত এনে দিশ বা অংশ বাছি উলিয়াব লাগিব, যি বিদ্যায়তনিক ক্ষেত্ৰক সমৃদ্ধ কৰা এক নতুন সংযোজন হ'ব। যেনে— অসমৰ লোক সংস্কৃতিত প্ৰাকৃতিক চিকিৎসাৰ পৰম্পৰা অথবা নৃগোষ্ঠীয় বৰ্ণবৈচিত্ৰ্যৰ প্ৰেক্ষাপটত অসমৰ লোক-আভৰণ ইত্যাদি। বিষয় এনে হ'লেও কেতিয়াবা পৰিসৰ অতি ব্যাপক হ'ব পাৰে আৰু সেই পৰিসৰৰ ভিতৰতো সূক্ষ্ম পৰিসৰ নিৰ্দ্দিষ্ট কৰিব পাৰি। যেনে— অসমৰ কোনো এটা নিৰ্দ্দিষ্ট জনগোষ্ঠীৰ আভৰণৰ বিষয়ে পৰিসৰ বান্ধি ল'ব

পাৰি। সেইদৰে সাহিত্য ক্ষেত্ৰৰ এটি বিষয়ৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য হ'ব। যদি কোৱা হয় লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰ বিষয়ে গৱেষণা কৰিম বুলি, তেতিয়াও বিষয় নিৰ্দ্দিষ্ট আৰু স্পষ্ট নহয়। বিষয় স্পষ্ট আৰু নিৰ্দ্দিষ্ট কৰিবলৈ হ'লে, সেই বিষয়ৰ ভিতৰত কি নিৰ্দিষ্ট দিশ কি দৃষ্টিভংগী বিচাৰি গৱেষণা কৰা হ'ব, সেই গৱেষণা প্ৰশ্ন স্পষ্ট হ'ব লাগিব। ঠিক এই বিষয়টোৰ সম্পৰ্কে কোনো নিৰ্দিষ্ট গৱেষণা প্ৰশ্ন বা সমস্যা হ'লে, এনে হ'ব লাগিব— অসমীয়া ব্যংগ সাহিত্য আৰু লক্ষ্মীনাথ বেজবৰুৱা অথবা ভাৰতীয় ব্যংগ সাহিত্যৰ প্ৰেক্ষাপটত লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগ সাহিত্য ইত্যাদি ধৰণৰ। আনহাতে যি কোনো গৱেষণা প্ৰশ্ন দুই প্ৰকাৰৰ হ'ব পাৰে—

- গৱেষণা প্ৰশ্ন বা সমস্যাৰ প্ৰকৃতিৰ লগত সম্বন্ধযুক্ত।
- গৱেষণা প্ৰশ্ন বা সমস্যাৰ পৰিৱৰ্তনশীলতাৰ লগত সম্পৰ্কযুক্ত।

অৰ্থাৎ এজন গৱেষকে গৱেষণা বিষয় নিৰ্বাচনৰ সময়ত গৱেষণাৰ প্ৰশ্ন অথবা সমস্যাৰ প্ৰকৃতি কেনে হ'ব, সেই দিশ গৱেষকৰ বাবে প্ৰথমতে স্পষ্ট হ'ব লাগিব। আনহাতে গৱেষণা প্ৰশ্ন বা সমস্যাৰ সমসাময়িক প্ৰসংগ, অনুসংগ আৰু পৰিৱৰ্তনশীল প্ৰকৃতিৰ লগত থকা সম্পৰ্কলৈকো চকু ৰাখিব লাগিব। এজন গৱেষকে এনে বিষয় নিৰ্বাচন কৰিব লাগিব, যি বিষয়ৰ বিদ্যায়তনিক গুৰুত্ব আছে, যি বিষয়ৰ আগতে বিশেষ কোনো গৱেষণা হোৱা নাই অৰ্থাৎ যি বিষয়ৰ গৱেষণাৰ দ্বাৰা কোনো পুনৰাবৃত্তি হোৱাৰ সম্ভাৱনা নাই। কাৰণ গৱেষণাই সদায় মৌলিক ক্ষেত্ৰ দাবী কৰে। সাম্প্ৰতিক সময়ত গৱেষণাই বৃহত্তৰ সামাজিক কল্যাণ আৰু বৌদ্ধিক উত্তৰণৰ গুৰু দায়িত্বও দাবী কৰে। ফলশ্ৰুতিত বহু সময়ত কেৱল আৱেগিক প্ৰয়াস কিছুমানেও সাহিত্য-সংস্কৃতিৰ গৱেষণাক ভাৰাক্ৰান্ত কৰা দেখা গৈছে। আজিকালি কেৱল শিপা অনুসন্ধানৰ প্ৰয়াসতে বহুতেই চৰ্বিতচৰ্বন গোষ্ঠী-অনুগোষ্ঠীৰ ৰূপৰেখা ধৰিব নোৱাৰা একেবোৰ নমুনাৰ টনা-আঁজোৰা কৰি কোনো গোষ্ঠী অনুসন্ধানমূলক বিষয়ৰ গৱেষণা প্ৰশ্ন অথবা সমস্যাৰ অনুসন্ধান কৰিবলৈ গৈ অস্পষ্ট ধুঁৱলি-কুঁৱলি ধাৰণাৰ গৱেষণাও সম্পন্ন কৰিবলৈ ধৰিছে। ফলত সামাজিক ক্ষেত্ৰতো কোনো গোষ্ঠীপক্ষ লাভান্বিত হোৱা নাই আৰু বিদ্যায়তনিক ক্ষেত্ৰও কোনো জ্ঞানানুসন্ধানেৰে সমৃদ্ধ হোৱা নাই। গৱেষক এজনে কোন বিষয়ক্ষেত্ৰত কাম কৰিব, সেইটো স্থিৰ কৰাই জৰুৰী নহয়, সেই গৱেষণা কাৰ্যৰ সুনিৰ্দ্দিষ্ট বিষয় কি আৰু তাৰ গুৰুত্ব বা প্ৰয়োজনো নিৰ্ণয় কৰিবলগীয়া হয়। মুঠতে গৱেষণাৰ বিষয়বস্তুক পৰ্যালোচনা কৰি লৈ কেন্দ্ৰীয় সমস্যা, মুখ্য প্ৰশ্ন অথবা মূল প্ৰতিপাদ্য বিষয় স্থিৰ কৰি লৈ গৱেষণা কৰ্মত অগ্ৰসৰ হ'ব লাগে।



## স্তৰ ২ প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণ (Review of Literature)

গৱেষণা প্ৰক্ৰিয়াৰ দ্বিতীয় পদক্ষেপ হ'ল প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণ। এই প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণ অথবা সমীক্ষা হ'ল প্ৰস্তাৱিত গৱেষণা কৰ্মৰ লগত সম্পৰ্ক থকা তথ্য-সাহিত্যৰ এক প্ৰকাৰ মূল্যায়ণাত্মক প্ৰতিবেদন। প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণ অথবা সমীক্ষা বিষয়টো প্ৰসংগ গ্ৰন্থপঞ্জীৰ তালিকাতকৈ গভীৰ আৰু অৰ্থপূৰ্ণ হয়। এনে সমীক্ষা বা পুনৰীক্ষণ সদায় মূল্যায়ন, বৰ্ণনা, ব্যাখ্যা-বিশ্লেষণৰ মাজেৰে স্পষ্ট হোৱা উচিত। প্ৰাপ্ত তথ্য-সাহিত্যৰ সমীক্ষাইহে প্ৰস্তাৱিত নিৰ্দ্দিষ্ট গৱেষণাকৰ্মৰ গৱেষণা প্ৰশ্ন নিৰ্ণয় কৰে। প্ৰশ্ন নিৰ্ণয় কৰাৰ পিছত গৱেষণা বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্য নিৰ্দিষ্ট হয়। আৰু তেতিয়াহে সেই বিষয় আৰু তথ্য বিশ্লেষণৰ বাবে তাত্ত্বিক আধাৰ নিৰ্মাণ কাৰ্য সম্ভৱ হয়। অৰ্থাৎ প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণ নিৰ্দ্দিষ্ট বিষয়ৰ গৱেষণাৰ প্ৰকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত সহায়ক হোৱা উচিত। সেয়ে নিৰ্বাচিত বিষয়ক্ষেত্ৰৰ পৰা গৱেষকে বৃহৎ সংখ্যক তথ্য সাহিত্য নিৰ্বাচন কৰে। পিছত নিৰ্দ্দিষ্ট বিষয়ক কেন্দ্ৰ কৰি সেই তথ্যসাহিত্যৰ সংশ্লেষণ ঘটায়। আচলতে প্ৰাপ্ত পূৰ্ব তথ্য-সাহিত্যৰ সমীক্ষাই তথ্য অনুসন্ধান প্ৰক্ৰিয়াৰ বহু উৰ্দ্ধত অৱস্থান কৰে। কাৰণ এই পৰ্যায়ত কেৱল তথ্য চিনাক্ত কৰাই নহয়, সেই তথ্যৰ লগত প্ৰস্তাৱিত গৱেষণা ক্ষেত্ৰৰ স্পষ্ট গ্ৰন্থনো নিশ্চিত কৰে। সেয়ে গৱেষণা কৰ্ম এটিৰ ভিতৰ চ'ৰাতে আকৌ তথ্য-সাহিত্যৰ পুনৰীক্ষণ স্বয়ং এক বৈচিত্ৰ্যময় আৰু গভীৰ অধ্যয়নক্ষেত্ৰ। অৱশ্যে তথ্য-সাহিত্যৰ পুনৰীক্ষণ নিজে স্বয়ং সম্পূৰ্ণ অধ্যয়ন হ'লেও গৱেষণাকৰ্মৰ লগত মৌলিক উদ্দেশ্যমুখী হৈ ই সংপৃক্ত হৈ থাকে। দেখা যায় পূৰ্ব প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষাই গৱেষকক দিয়ে—

- প্ৰস্তাৱিত গৱেষণা-কৰ্মক প্ৰাসংগিক সূত্ৰৰ যোগান ধৰে।
- প্ৰস্তাৱিত গৱেষণা-কাৰ্যৰ ন্যায্যতা প্ৰতিপন্ন কৰে।
- প্ৰস্তাৱিত গৱেষণা-কাৰ্য আগতে হোৱা নাই বুলি নিশ্চিত কৰে।
- প্ৰাপ্ত জ্ঞানৰ কোনখিনিত কিহৰ অভাৱ আৰু ক'ত সংযোজন প্ৰয়োজন— উদ্ধাৰ কৰে।
- বিষয় সম্পৰ্কে পূৰ্বৰ তত্ত্ব অথবা জ্ঞানৰ পৰা শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰে।
- পূৰ্বতে বিষয় সম্পৰ্কে হোৱা অধ্যয়নৰ বিষয়ে পুনৰ ভিন্ন ব্যাখ্যা আৰু ভিন্ন দৃষ্টিভংগী সন্ধানত সহায় কৰে।
- বিষয় সম্পৰ্কে পূৰ্বৰ গৱেষণাৰ সূত্ৰ অথবা ইতিহাসৰ প্ৰবাহক আলোকিত কৰে।
- পূৰ্বৰ গৱেষণাত বৈ যোৱা অসম্পূৰ্ণ শূন্য স্থানৰ ৰূপৰেখা নিৰ্মাণ কৰে।

- গৱেষণা বিষয়ক্ষেত্ৰক সহজবোধ্য কৰিব পৰাকৈ নতুন জ্ঞানৰ সংযোজন ঘটোৱাৰ পথ প্ৰশস্ত কৰে।
- বিষয়ক নতুন ধৰণে পৰিমাৰ্জন কৰা অথবা পৰিৱৰ্তনৰ সন্ধান কৰিবলৈ সহায় কৰে।

প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণে গৱেষণাৰ বাবে গ্ৰহণ কৰা বিষয় আৰু সেই বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰত সহায়ক হোৱা সকলোধৰণৰ সাহিত্যৰ সমীক্ষা আৰু সমালোচনা কৰে। প্ৰাপ্ত তথ্যৰ সমীক্ষাৰ জৰিয়তে যুক্তি-তৰ্কৰে প্ৰতিষ্ঠিত ধাৰণাৰ সংশ্লেষণ ঘটাই গৱেষণা-কাৰ্যক বহল বৌদ্ধিক ক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰা হয়। প্ৰাপ্ত তথ্যৰ সমীক্ষা সদায়েই গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত সংগতি ৰাখি অগ্ৰসৰ হয়। সেয়ে প্ৰাপ্ত পূৰ্ব তথ্য-সাহিত্যৰ পুনৰীক্ষণ কাৰ্যৰ বাবে কেতিয়াবা দীঘলীয়া সময়ৰ প্ৰয়োজন হ'বও পাৰে।

**প্ৰাপ্ত তথ্য-সাহিত্যৰ পুনৰীক্ষণৰ আনকেইটিমান গুৰুত্বপূৰ্ণ দিশ ঃ**

- পূৰ্ব তথ্যৰ পুনৰীক্ষণৰ উদ্দেশ্য আৰু গুৰুত্বৰ সন্ধান।
- পূৰ্ব তথ্যৰ পুনৰীক্ষণৰ লক্ষ্যবিন্দু প্ৰতিষ্ঠাৰ সুযোগ।
- পূৰ্ব তথ্যৰ পুনৰীক্ষণৰ বৌদ্ধিক বিশ্লেষণৰ অৱকাশ।
- পুনৰীক্ষণকৃত সাহিত্য গৱেষণা বিষয়ৰ লগত প্ৰাসংগিকতা নিৰ্ণয়।
- অস্পষ্ট সংযোগ থকা সাহিত্য পুনৰীক্ষণৰ বাবে গ্ৰহণযোগ্য নহয়।
- গৱেষণাৰ লগত পুনৰীক্ষণকৃত সাহিত্যৰ পাৰ্থক্য চিহ্নিত কৰণ।
- বিষয়ৰ গতি-প্ৰকৃতি, বিতৰ্ক আৰু মূলবিন্দুক স্পৰ্শ কৰা দিশৰ পূৰ্ব তথ্যৰ পুনৰীক্ষণ।
- গৱেষণা বিষয়ৰ মূলবিন্দুস্পৰ্শী গৱেষক পণ্ডিত আৰু লেখকক চিনাক্ত কৰণ।
- গৱেষণা-নিয়ন্ত্ৰক তত্ত্বৰ সাৰমৰ্ম আৰু প্ৰাক্‌কল্পনা স্পৰ্শ কৰা সাহিত্যৰ পুনৰীক্ষণ।
- গৱেষণাৰ পদ্ধতিৰ তাত্ত্বিক মূল্যায়ন সন্ধানৰ পুনৰীক্ষণ।
- অধিকতৰ গৱেষণাৰ বাবে প্ৰশ্ন সৃষ্টি অথবা সমস্যা চিনাক্তকৰণ।
- গৱেষণা প্ৰস্তাৱৰ গৱেষণা সম্পাদনৰ যুক্তি-যুক্ততা প্ৰতিপাদন।
- গৱেষণা প্ৰশ্ন বা সমস্যাৰ দিশ অনুসৰি তথ্য সংগ্ৰহৰ কাৰ্যকৰী উপায় সন্ধান।
- পাঠকৰ বোধগম্য হোৱাকৈ গৱেষণা কৰিবলগীয়া বিষয় স্পষ্ট কৰণ।

পূৰ্ব তথ্যসাহিত্যৰ সমীক্ষণ বা পুনৰীক্ষণ যদিও প্ৰতিষ্ঠিত আৰু প্ৰচলিত সাহিত্যৰ পুনৰীক্ষণেৰে আৰম্ভ হয়, এই কাৰ্যৰ প্ৰাথমিক উদ্দেশ্য কিন্তু প্ৰস্তাৱিত গৱেষণা কৰ্মৰ গুৰুত্ব প্ৰতিষ্ঠা কৰাতহে। তথ্য-সাহিত্যৰ সমীক্ষাই গৱেষকৰ বিষয় ক্ষেত্ৰৰ লগত প্ৰাসংগিক নতুন তথ্য সম্পৰ্কে আগ্ৰহ সৃষ্টি কৰে আৰু জ্ঞানৰ ক্ষেত্ৰত নতুন সত্য প্ৰতিষ্ঠাৰ সচেতন



মানসিকতাক স্পষ্ট কৰিব লাগিব। ওপৰত উল্লেখ কৰি অহা দিশসমূহৰ উপৰিও প্ৰাপ্ত তথ্য সাহিত্যৰ সমীক্ষাই যুক্তি-তৰ্ক, প্ৰতি-তৰ্কৰ মাজেৰে লক্ষ্যত উপনীত হোৱাত সহায়ক হোৱাও উচিত। পূৰ্ব তথ্যৰ সমীক্ষণত উদঘাটনৰ গভীৰতা, প্ৰসাৰতা আৰু ব্যাপক জ্ঞানৰ নিশ্চিতিও থাকিব লাগিব, যি গৱেষক এজনক গৱেষণাৰ প্ৰস্তাৱিত ক্ষেত্ৰত গৱেষণীয় বিষয়ক পৰিণতি প্ৰদান কৰিব পাৰে। প্ৰকৃততে প্ৰাপ্ত তথ্যসাহিত্যৰ পুনৰীক্ষণ সম্পূৰ্ণ গৱেষণা প্ৰক্ৰিয়াৰ প্ৰতিটো কাৰ্যকৰী পদক্ষেপৰে এক অভিন্ন অংগ। প্ৰাপ্ত তথ্যসাহিত্যৰ পুনৰীক্ষণে কঠিন আৰু হতাশাজনক সময় আৰু অৰ্থৰ ব্যয় সংকোচন কৰে। ইয়াৰ কাৰ্যকৰী বৈশিষ্ট্যসমূহ হ'ল—

- গৱেষণা প্ৰশ্ন বা সমস্যাৰ স্পষ্ট কেন্দ্ৰবিন্দু নিৰ্ণয় কৰা।
- পদ্ধতিতত্ত্বৰ উন্নতি সাধন কৰা।
- জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা।
- সিদ্ধান্তৰ প্ৰাসংগিকতা সন্ধান কৰা।

পূৰ্ব তথ্যৰ পুনৰীক্ষণে প্ৰস্তাৱিত গৱেষণা কৰ্মত কেন্দ্ৰীভূত হোৱা এটা ৰূপৰেখা তৈয়াৰ কৰে। প্ৰস্তাৱিত গৱেষণা কৰ্মৰ লগত প্ৰাসংগিকতা থকা কোনো পূৰ্ব গৱেষণাৰ লগত সংযোগ ৰক্ষা কৰাও এক স্বাভাৱিক প্ৰক্ৰিয়া। পূৰ্ব তথ্যৰ সমীক্ষাই প্ৰস্তাৱিত গৱেষণাৰ সৈতে প্ৰাসংগিক পাৰিভাষাৰ সংজ্ঞাৰে সৈতে যোগান ধৰে আৰু প্ৰস্তাৱিত গৱেষণাত তাৰ ব্যৱহাৰ কি হ'ব, সেই ব্যাখ্যাও পূৰ্ব তথ্যৰ সমীক্ষণে দাঙি ধৰিব পাৰে। পূৰ্ব তথ্যসাহিত্যৰ মাজত থকা সাদৃশ্য আৰু প্ৰভেদসমূহ সাৱধানে চিহ্নিত কৰিব লাগে, যাতে পূৰ্ব তথ্যসাহিত্যৰ সমীক্ষাত গৱেষণাৰ অযোগ্য বুলি বিবেচিত সাহিত্যই স্থান নাপায়। পূৰ্ব তথ্যসাহিত্যৰ সমীক্ষা কৰাৰ আগতে এজন গৱেষক নিশ্চিত হ'ব লাগিব যে—

- গৱেষণা বিষয় অথবা প্ৰশ্নই কেনে পূৰ্ব তথ্যক কি গুৰুত্ব দি অগ্ৰসৰ হ'ব লাগিব?
- গৱেষণাৰ কাৰণে কেনে প্ৰকাৰৰ তথ্য নিৰ্বাচন কৰিব লাগিব?
- কেনে নীতি, তত্ত্ব, গুণগত, পৰিমাণগত দিশ কেন্দ্ৰিক পূৰ্ব তথ্যৰ সমীক্ষাৰ কি প্ৰয়োজন?
- গৱেষণাৰ কোনটো ক্ষেত্ৰ প্ৰস্তাৱিত গৱেষণাই সামৰি ল'ব?
- কেনে ধৰণৰ তথ্য উৎস গৱেষণা কৰ্মৰ প্ৰত্যাশিত হ'ব?
- গৱেষণা কৰ্মৰ বাবে নিৰ্ধাৰিত বিষয় আৰু সময়ৰ পৰিসৰ কি হ'ব?

**প্ৰাপ্ত তথ্যসাহিত্যত তথ্য-সূত্ৰক সমালোচনাৰ প্ৰকৃতি ঃ**

তথ্য সংগ্ৰহ, মূল্যায়ণ, সম্পাদনা আৰু পুনৰ বিবেচনাৰ বিভিন্ন স্তৰত এটা অতি গুৰুত্বপূৰ্ণ মন কৰিবলগীয়া কথা হ'ল গৱেষকৰ তথ্য অনুসন্ধানৰ প্ৰতি চিন্তা আৰু দৃষ্টিৰ

ব্যাপ্তি আৰু গভীৰতা। সাহিত্য বিষয়ক গৱেষণাৰ ক্ষেত্ৰত বিবিধ সমালোচনামূলক গ্ৰন্থ, আত্মজীৱনী, বিচিত্ৰ নান্দনিক মূল্যবোধসম্পন্ন মতবাদ আৰু সমালোচনাৰ দিশ এই প্ৰক্ৰিয়াত জড়িত হৈ থাকে। প্ৰাপ্ত তথ্য সাহিত্যৰ সমীক্ষাৰ অন্তৰ্গত তথ্যৰ সমালোচনা অথবা গৱেষণাৰ লক্ষ্য আৰু মূলবিন্দু কেন্দ্ৰিক কেইটিমান ধাৰণা তলত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল—

| ধাৰণা | ব্যাখ্যা | সংশ্লিষ্ট সমালোচনা |
|---|---|---|
| প্ৰকাশিত তথ্য-সাহিত্য | প্ৰকাশিত তথ্য-সাহিত্যই আজিকালি ডিজিটেল্ স্তৰত প্ৰকাশ পোৱা সাহিত্যকো সামৰি বহুল পৰিসৰলৈকে প্ৰসাৰিত হৈছে। | প্ৰকাশিত তথ্য-সাহিত্যৰ এইবহুল পৰিসৰে গৱেষণা-কাৰ্য সৰল কৰিছেহয়, কিন্তু লগে লগে গৱেষণাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ পৰিসৰো বৃদ্ধি কৰিছে। প্ৰকাশিত তথ্য-সাহিত্যৰ সংখ্যা বৃদ্ধি পালেও, সকলো প্ৰকাশিত তথ্যই গুণগত মানসম্পন্ন নহ'বও পাৰে। গতিকে গৱেষকে উপযুক্ত তথ্য সাহিত্য নিৰ্বাচন কৰিবও লাগিব। |
| ব্যাখ্যা | গৱেষকে সক্ৰিয়ভাৱে সামীক্ষা কৰিবলগীয়া তথ্য-সাহিত্যক ব্যাখ্যা কৰা প্ৰয়োজন। কেৱল পূৰ্বকৃত সাহিত্যৰ তালিকা প্ৰস্তুত কৰাতকৈ গভীৰলৈ গৈ গৱেষকে সেইতথ্য-সাহিত্যৰ বিশ্লেষণ সন্নিৱিষ্ট কৰিব লাগিব। | প্ৰত্যেক তথ্য-প্ৰমাণৰ ব্যাখ্যা কেতিয়াবা কেৱল ব্যাখ্যালৈ বিৱৰ্তিত হ'ব পাৰে। সেই ব্যাখ্যা স্বয়ং নিজৰেই সাক্ষ্য হ'ব পাৰে, কিন্তু সি প্ৰস্তাৱিত গৱেষণাৰ সাক্ষ্য নহ'বও পাৰে। গৱেষকে নিজৰ সংগৃহীত তথ্যৰ ব্যাখ্যাকো সমালোচনা কৰা উচিত। |
| সংশ্লেষণ | বিভিন্ন উৎসৰ পৰা সংগৃহীত তথ্যক একত্ৰিত কৰি নিৰ্মাণ কৰা সংযোজিত ধাৰণাক সংশ্লেষণ বুলি কোৱা হয়। এই সংশ্লেষণ কাৰ্য হ'ল এক সমন্বিত সমূহ। এইসামূহিক তথ্য সাহিত্যইসম্পাদনা আৰু সংশ্লেষণে গৱেষকক প্ৰাসংগিক বিতৰ্কৰে সৈতে প্ৰস্তাৱিত গৱেষণাৰ এটি কাঠামো নিৰ্মাণত সহায়তা কৰে। | সংশ্লেষণ সম্পাদন কৰাৰ ক্ষেত্ৰত ব্যাখ্যাৰো ব্যাখ্যাৰ প্ৰয়োজন হয়। প্ৰকাশিত তথ্য-সাহিত্যৰ সংশ্লেষণ সম্পূৰ্ণ আৰু পৰ্যাপ্ত হৈছে নে নাই পৰীক্ষা কৰা অতি আৱশ্যক। |



**সমীক্ষাৰ বাবে গ্ৰহণ কৰা তথ্য-সূত্ৰৰ প্ৰকাৰঃ**

- গৱেষণা গ্ৰন্থ/ চেমিনাৰ/কন্‌ফাৰেন্সৰ গৱষণা পত্ৰ
- প্ৰাসংগিক তথ্যসূত্ৰ থকা গ্ৰন্থ/গ্ৰন্থ সন্নিৱিষ্ট প্ৰৱন্ধ-নিৱন্ধ ইত্যাদি।
- চৰকাৰী/ বেচৰকাৰী নথি-পত্ৰ, পৰিসাংখ্যিক তথ্য, সাক্ষ্য-প্ৰমাণ ইত্যাদি।
- ঐতিহাসিক নথি/বিৱৰণী/দান-পত্ৰ/সম্বৰ্ধনা পত্ৰ/বক্তৃতা/প্ৰচাৰ পত্ৰ ইত্যাদি।
- আইনী নথি-পত্ৰ/সংসদীয় প্ৰতিবেদন ইত্যাদি।
- প্ৰচাৰ মাধ্যমৰ পৰা প্ৰাপ্ত প্ৰাসংগিক তথ্য।
- তাৎক্ষণিক তথ্য, যেনে— চিঠি-পত্ৰ, মানচিত্ৰ, সংগীত, পাণ্ডুলিপি ইত্যাদি।

এই সকলো ধৰণৰ তথ্যই বিষয় সাপেক্ষে কোনো গৱেষণা কাৰ্যৰ বাবে প্ৰাসংগিক হ'ব পাৰে। শৈক্ষিক অথবা বৌদ্ধিক উৎস, যেনে— কোনো গৱেষণা-পত্ৰৰ প্ৰৱন্ধ অথবা কনফাৰেন্স/ চেমিনাৰৰ গৱেষণা পত্ৰৰ অনুসন্ধানৰ বাবে গৱেষকে ডিজিটেল্ তথ্যভাণ্ডাৰ অথবা ডাটাবেচ্ ব্যৱহাৰ কৰিব পাৰে। 'গুগুল স্ক'লাৰ' (Google Scholar) অথবা 'লাইব্ৰেৰী ৱান চাৰ্চ' (Library OneSearch) ৰ দৰে উৎসত গৱেষকে পৰ্যাপ্ত তথ্য পাব পাৰে। আৰু তেনে উৎসৰ পৰা তথ্য সংগ্ৰহ কৰি কম্পিউটাৰত নিজা তথ্য ভাণ্ডাৰ তৈয়াৰ কৰি সংৰক্ষণ কৰিব পাৰে। এনে কৌশলসমূহৰ ব্যৱহাৰে গৱেষণা কৰ্মক বেছি সুকৌশলী কৰি তোলাই নহয়, তাৰ পৰা এজন গৱেষকৰ সময়ৰ সুপ্ৰয়োগ হ'ব, আৰু বেছি প্ৰাসংগিক তথ্যৰ সংগ্ৰহ কৰিবও পাৰিব আৰু তথ্যসমূহৰ মাজত থকা প্ৰভেদ নিৰ্ণয়ৰ বাবে বেছি কাৰ্যক্ষম পদ্ধতি নিৰ্মাণ কৰিবও পাৰিব। একোজন গৱেষকে গৱেষণাৰ বাবে যি বিষয় নিৰ্বাচন কৰে, সেই সম্পৰ্কে ক'ত কি কি তথ্য আছে সেই বিষয়েও গৱেষকে অনুসন্ধান কৰিব লাগিব। সেই বিশেষ বিষয়াৰ লগত সম্পৃক্ত পূৰ্বৱৰ্তী কৰ্ম সম্পৰ্কে গৱেষকৰ ধাৰণা থাকিব লাগিব আৰু সেই বিষয়ে মূল্যায়ন কৰিব লাগিব। প্ৰাপ্ত তথ্যৰ পুনৰীক্ষণৰ জৰিয়তে দুই ধৰণৰ কাম সম্পন্ন হয়।

- পূৰ্বতে হোৱা কোনো গৱেষণাৰ ক্ষেত্ৰ, পদ্ধতি, সিদ্ধান্ত ইত্যাদি সম্পৰ্কে গৱেষকে জানিব পাৰিব।
- পূৰ্বতে ঘটা কৰ্মৰ পুনৰাবৃত্তি বৰ্জন কৰি নিজৰ গৱেষণাকৰ্মক চিহ্নিত কৰিব পাৰিব।

আনহাতে যদি গৱেষকে গৱেষণা কৰিবলৈ আগবঢ়া বিষয় অথবা সেই বিষয়ৰ লগত সম্পৰ্কিত কোনো পূৰ্ব তথ্য পাবলৈ নাই, তেন্তে গৱেষকে তথ্যৰ অভাৱৰ বিষয়ে

গৱেষণা কৰ্মৰ প্ৰাৰম্ভিক পৰ্যায়ত উল্লেখ কৰিব লাগিব। অৱশ্যে আগে-পিছে ক'তো উল্লেখ নথকা নতুন কোনো বিষয় সম্পৰ্কে গৱেষণা কৰিবলৈ যাওঁতে বহু সময়ত পূৰ্ব কোনো তথ্যসূত্ৰ নোপোৱাই স্বাভাৱিক। কিন্তু দেখা যায়, সাহিত্যৰ গৱেষণাৰ ক্ষেত্ৰত গৱেষকৰ বাবে তথ্য ভাণ্ডাৰেই হ'ল বিষয়ৰ প্ৰাসংগিক সংযোগ থকা পূৰ্ব সাহিত্য। গতিকে সাহিত্যৰ গৱেষণাৰ দৰে বিষয়ৰ ক্ষেত্ৰত গৱেষণীয় বিষয়ৰ লগত সম্পৰ্কিত হৈ থকা পূৰ্বকৃত যিকোনো তথ্যৰেই মূল্যায়ন গৱেষকে কৰিবই লাগিব।

**স্তৰ-৩ ঃ গৱেষণাৰ প্ৰাক্‌কল্পনা নিৰ্ধাৰণ (Determine Hypothesis) ঃ**

গৱেষণা প্ৰক্ৰিয়াৰ তৃতীয় পদক্ষেপ হ'ল প্ৰাক্‌কল্পনা নিৰ্ধাৰণ। প্ৰাক্‌কল্পনা নিৰ্ধাৰণ যুক্তিসন্মত আৰু গৱেষণামূলক গুৰুত্ব থকা আনুমাণিক অথবা সম্ভাব্য পূৰ্ব ধাৰণাৰ নিৰ্মাণ। প্ৰাক্‌কল্পনা অতি সুনিৰ্দিষ্ট আৰু পৰিসৰবদ্ধ গৱেষণাংশ, যাৰ গৱেষণাৰ অন্তত পৰীক্ষণ কৰা হয়। প্ৰাক্‌কল্পনাৰ ভূমিকা হ'ল গৱেষকক গৱেষনাকৰ্মৰ পৰিসৰৰ প্ৰকৃত পথৰ ভিতৰত থাকি নিৰ্দিষ্ট লক্ষ্যৰে আগবাঢ়িবলৈ পৰিচালিত কৰে।

- প্ৰাক্‌কল্পনাত দুটাতকৈ বেছি পৰিৱৰ্তনশীল উপাদানৰ পৰীক্ষণ হয়।
- গৱেষণাকাৰ্যৰ প্ৰতি গৱেষকক পক্ষপাতশূন্য হোৱাৰ গুৰুত্ব অনুভৱ ঘটায়।

**স্তৰ-৪ ঃ গৱেষণাৰ উদ্দেশ্য নিৰ্দ্দিষ্টকৰণ (Spacifying the Purpose of Research)ঃ**

গৱেষণা প্ৰক্ৰিয়াৰ চতুৰ্থ পদক্ষেপ হ'ল গৱেষণাৰ উদ্দেশ্য নিৰ্দ্দিষ্টকৰণ। একোজন গৱেষকে গৱেষণাৰ মাজেদি কোনো বিষয়ৰ অন্বেষণ কৰে গতিকে সেই বিষয়ৰ এটি ৰূপৰেখা (Outline) গৱেষকে তৈয়াৰ কৰি ল'ব লাগে। যিহেতু গৱেষণা হ'ল গৱেষকৰ জ্ঞানাৰ্জনৰ উদ্দেশ্য কৰা এক প্ৰকাৰ সমস্যা কেন্দ্ৰিক অনুসন্ধান গতিকে সমস্যা আছে কাৰণেই সেই সমস্যাৰ প্ৰতি সচেতন সমাধান সূত্ৰৰ সন্ধানত গৱেষকৰ উদ্দেশ্য কেন্দ্ৰীভূত হ'ব লাগে।

**স্তৰ-৫ ঃ গৱেষণাৰ আঁচনি নিৰ্মাণ (Formulating Research Design)ঃ**

গৱেষণা আঁচনি অথবা পৰিকল্পনাৰ মূল কথা হ'ল গৱেষণা কাৰ্যত কম প্ৰচেষ্টাতে সীমিত অৰ্থ আৰু কম সময় ব্যয় কৰি তথ্য-প্ৰমাণাদি সংগ্ৰহ কৰা। গৱেষণাৰ অভীষ্ট লক্ষ্যক চাৰিটা ভাগত ভাগ কৰি লৈ প্ৰণালীবদ্ধভাৱে কাম আগবঢ়াই নিয়ে। এই সমগ্ৰ ব্যৱস্থাটোৰ বাবে পৰ্যায় ক্ৰমে আঁচনি কৰা হয়। সেই পৰ্যায়কেইটা হ'ল—

- বৰ্ণনা (Description)
- সমস্যা নিৰ্ণয় (Diagnosis)
- পৰীক্ষণ (Experimentation)



**স্তৰ ৬ তথ্য সংগ্ৰহ আৰু তথ্যৰ বিশ্লেষণ (Data Collection and Analysing of Data)ঃ**

তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ পদক্ষেপকো আকৌ কেইবাটাও স্তৰত ভাগ কৰি লৈ কামত অগ্ৰসৰ হ'ব পাৰি। সেইবোৰ হ'ল— তথ্য সংগ্ৰহ, তথ্যৰ শ্ৰেণীকৰণ, বিশ্লেষণ আৰু ব্যাখ্যা প্ৰদান।

**তথ্য সংগ্ৰহ ঃ** যি ধৰণেই হওক, গৱেষকে গৱেষণা কৰ্মৰ লগত সংগতি থকা তথ্য সংগ্ৰহ কৰিব লাগিব। লিখিত পাঠ (Text) নিৰ্ভৰ তথ্যৰ ক্ষেত্ৰত পাঠ সংগ্ৰহ কৰিব লাগে। আনহাতে লোকসাহিত্য, লোকসংস্কৃতি আদিৰ দৰে কাম হ'লে কৰ্মক্ষেত্ৰ (Field) নিৰ্বাচন কৰিব লাগিব। ক্ষেত্ৰ নিৰ্বাচনৰ পিছত সেই ক্ষেত্ৰৰ পৰা প্ৰাথমিক তথ্য (Primary Data) সংগ্ৰহ কৰা হয়। সামাজিক বিজ্ঞানৰ বিভিন্ন শাখাত তথ্য সংগ্ৰহৰ বিভিন্ন কৌশল আছে। ক্ষেত্ৰকৰ্ম (Field Work), সমীক্ষা (Survey), জনগণনা (Census) ইত্যাদি কৌশলৰ ব্যৱহাৰ হয়। গৱেষণাকৰ্মত ক্ষেত্ৰকৰ্ম অপৰিহাৰ্য হলে তথ্য সংগ্ৰহ কৰোঁতে কেইটিমান ক্ৰিয়া অতি প্ৰয়োজনীয় হয়। সেইকেইটা হ'ল—

- পৰ্যবেক্ষণ
- ব্যক্তিগত সাক্ষাৎকাৰ
- টেলিফন যোগে সাক্ষাৎকাৰ
- মেইলযোগে প্ৰশ্নপত্ৰ সংযোগ
- কৰ্মপৰিকল্পনা

**তথ্যৰ শ্ৰেণীকৰণ, বিশ্লেষণ আৰু ব্যাখ্যা প্ৰদান ঃ** তথ্য বিশ্লেষণ কৰি সুনিৰ্দিষ্ট তাত্ত্বিক আধাৰ গ্ৰহণ কৰি পদ্ধতি নিৰ্মাণ কৰি সেই তথ্যৰ ব্যাখ্যা প্ৰদান কৰা গৱেষণাৰ অতি প্ৰয়োজনীয় কাম। সঠিক অৰ্থত গৱেষকে গৱেষণাৰ মূল প্ৰতিপাদ্য বিষয়ক ব্যাখ্যা-বিশ্লেষণ কৰি গৱেষণা কৰ্মত অগ্ৰসৰ হয়। তথ্যৰ ব্যাখ্যা-বিশ্লেষণ কৰাৰ আগতে তথ্যৰ শ্ৰেণীকৰণ আৰু চূড়ান্ত তালিকাকৰণ কৰি ল'বলগীয়া হয়। তথ্য শ্ৰেণীকৰণ আৰু বিশ্লেষণৰ পৰ্যায়ত কেইবাটিও ওচৰ সম্পৰ্ক থকা কাৰ্য সম্পাদন কৰিবলগীয়া হয়। তেনে অতি গুৰুত্বপূৰ্ণ কৰ্মস্তৰ কেইটি হ'ল সাৰ সংগ্ৰহ (Cooding), সম্পাদনা (Editing), তালিকাভুক্তি (Tabulation)। এই কাৰ্যকেইটিৰ মাজেৰে গৱেষণাৰ বাবে সংগৃহীত অশোধিত তথ্য গৱেষণাকৰ্মত ব্যৱহাৰ উপযোগী হৈ উঠে।

**স্তৰ ৭ মূল্যায়ন আৰু সিদ্ধান্ত নিৰ্মাণ (Evaluating and Reporting of Research)ঃ**

প্ৰত্যেক গৱেষকেই নিজ নিজ গৱেষণাৰ অন্তত উপলব্ধ হোৱা সিদ্ধান্ত আৰু ভৱিষ্যত সম্ভাৱনীয় দিশৰ ইংগিতেৰে সৈতে গৱেষণাৰ প্ৰতিবেদন প্ৰস্তুত কৰিব লাগে। গৱেষণা

প্ৰতিবেদন প্ৰস্তুত কৰোঁতে কেইটিমান দিশ বিশেষভাৱে মনকৰিবলগীয় হয়— প্ৰাৰম্ভিক পৃষ্ঠা, মূল পৃষ্ঠা আৰু শেষৰ সিদ্ধান্ত পৃষ্ঠা।

**গৱেষণা প্ৰক্ৰিয়াত বিষয় বিশ্লেষণৰ তাত্ত্বিক ভিত্তি নিৰ্মাণৰ প্ৰয়াস (Approches to Theorising) ঃ**

প্ৰশ্ন উঠিব, হয়তো এজন গৱেষকে কেনেকৈ নিৰ্দ্দিষ্ট গৱেষণা বিষয় এটাৰ বাবে তাত্ত্বিক ভিত্তি নিৰ্মাণ কৰিব? এই ক্ষেত্ৰত প্ৰথম প্ৰয়াস হ'ব বিষয়ৰ চৰিত্ৰ আৰু বিষয় ক্ষেত্ৰকেন্দ্ৰিক অথবা বিষয়ৰ প্ৰাসংগিক ক্ষেত্ৰৰ গতি-প্ৰকৃতি সম্পৰ্কীয় পূৰ্বতথ্য সমীক্ষাৰ লক্ষ্য কৰি তাৰ আধাৰত তত্ত্বৰ নিৰ্মাণ কৰা। এনে প্ৰয়াসক **পৃষ্ঠভূমি কেন্দ্ৰিক তত্ত্ব নিৰ্মাণ (Grounded Theory Building)** বুলি অভিহিত কৰা হয়। ই এক প্ৰকাৰ পৰীক্ষামূলক পৰ্যবেক্ষণৰ ভিত্তিত তত্ত্ব নিৰ্মাণৰ প্ৰয়াস। এই কৌশল গৱেষকৰ পৰ্যবেক্ষণ দক্ষতা আৰু ব্যাখ্যাযোগ্যতাৰ ওপৰত গভীৰভাৱে নিৰ্ভৰশীল। এনে তাত্ত্বিক আধাৰত অনুসন্ধান কৰা ফলাফল ব্যক্তিনিষ্ঠ আৰু অপ্ৰতিপাদ্যও হ'বও পাৰে। তদুপৰি যেতিয়ালৈ গৱেষকে পৰ্যবেক্ষণৰ পদ্ধতি সম্পৰ্কে কোনো যুক্তিসংগত ব্যাখ্যা আগবঢ়াব নোৱাৰে, তেতিয়ালৈকে কেৱল কিছুমান নিৰ্দ্দিষ্ট ক্ৰিয়া-কলাপ অথবা কিছু নিৰ্দ্দিষ্ট গতি-প্ৰকৃতি লক্ষ্য কৰিয়েই নিৰ্মাণ কৰা তত্ত্ব একোটা সদায়েই গ্ৰহণযোগ্য নহ'বও পাৰে।

**দ্বিতীয় প্ৰয়াস হ'ল,** উলোটা দিশৰ পৰা চিন্তা কৰি গৱেষকৰ আগ্ৰহক্ষেত্ৰৰ প্ৰাসংগিক বিভিন্ন ভৱিষ্য-ধাৰণাক উদঘাটন কৰিবলৈ এক প্ৰকাৰ ধাৰণাভিত্তিক বিশ্লেষণেৰে নিৰ্মাণ কৰা পূৰ্ব নিৰ্ধাৰিত তাত্ত্বিক ভিত্তিৰ কাঠামো। এনে কাঠামো এনে এক সংযোগ প্ৰক্ৰিয়া, যি গৱেষকৰ বাবে ভিন ভিন ধৰণৰ সংযোজনৰ নতুন নতুন পৰিপ্ৰেক্ষা সৃষ্টি কৰিব পাৰে, যেনে— ব্যক্তিগত, সাংগঠনিক কাৰিকৰী দিশ ইত্যাদি অনেক দিশত ভিন্ন চিন্তাৰ পথৰ উন্মোচন ঘটে। আচলতে ই এক সংযোজন প্ৰক্ৰিয়াৰে তাত্ত্বিক দৃষ্টিভংগী।

**তৃতীয় প্ৰয়াস হ'ল,** নতুন কোনো প্ৰসংগৰ ব্যাখ্যা কৰিবলৈ প্ৰতিষ্ঠিত তত্ত্বৰ প্ৰসাৰণ আৰু অভিযোজনৰ তত্ত্ব। যেনে কোনো ব্যক্তিগত জ্ঞানৰ সামূহিক সাংগঠনিক ক্ষেত্ৰলৈ সম্প্ৰসাৰণৰ ব্যাখ্যা। যেতিয়া এনে অভিযোজন অথবা সম্প্ৰসাৰণ ঘটোৱা হয়, পূৰ্ব তত্ত্বৰ কিছুমান নিৰ্দ্দিষ্ট ধাৰণা, উপস্থাপন কৌশল আৰু সীমাবদ্ধতাৰ লগতে গৱেষণাৰ বিষয় ক্ষেত্ৰৰ লগত নতুন অভিযোজনৰ প্ৰাসংগিকতা খাপ খায় নে নাখায় সেইটোও মন কৰিবলগীয়া হয়। এই বিযোজিত প্ৰয়াসে সামাজিক বিজ্ঞানৰ অনুসন্ধানমূলক গৱেষণাৰ কাৰণে শক্তিশালী তাত্ত্বিক ভিত্তি নিৰ্মাণৰ উদ্দেশ্য সাধন কৰে।

**চতুৰ্থ প্ৰয়াস হ'ল,** প্ৰতিষ্ঠিত তত্ত্বক গাঁথনিক সমতা থকা সম্পূৰ্ণ কোনো নতুন প্ৰসংগত প্ৰয়োগৰ প্ৰয়াস। এই তাত্ত্বিক প্ৰয়াস সদৃশতাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়েই



সম্ভৱতঃ বিযোজনৰ প্ৰক্ৰিয়া ব্যৱহাৰ কৰি কৰা আটাইতকৈ সৃষ্টিশীল তাত্ত্বিক ভিত্তি নিৰ্মাণৰ প্ৰয়াস। উদাহৰণ স্বৰূপে মাৰ্কুজে নেটৱৰ্ক ভিত্তিক ব্যৱসায়সমূহৰ ক্ষেত্ৰত এটি সমালোচনামূলক সাধাৰণ তত্ত্বৰ প্ৰস্তাৱ আগবঢ়াবলৈ এই তাত্ত্বিক প্ৰয়াস কৰিছিল।

**গৱেষণা প্ৰক্ৰিয়াত কম্পিউটাৰৰ ব্যৱহাৰ ঃ**

কম্পিউটাৰ আৱিষ্কাৰ হোৱাৰে পৰা ই মানুহক যিকোনো সমস্যাৰ সমাধান বিচৰাত সহায় কৰিছে। সাম্প্ৰতিক সময়ত আন আন গৱেষণা ক্ষেত্ৰৰ দৰে সামাজিক বিজ্ঞানৰ (Social Science)ৰ গৱেষণাৰ ক্ষেত্ৰতো নানা শাখাত নানা ধৰণৰ কামত কম্পিউটাৰৰ ব্যৱহাৰ বিষয়টো একান্ত প্ৰয়োজন হৈ উঠিছে।

**কম্পিউটাৰৰ প্ৰাথমিক পৰিচয় ঃ**

'কম্পিউটাৰ' শব্দটোৱে এই অৰ্থ কৰে যে ই এনে এক সঁজুলি যি নিৰ্ণয় সাধন কৰে অথবা এনেকৈয়ো ক'ব পাৰি যে ই এনে এক যন্ত্ৰ, যি যিকোনো গণনা অথবা হিচাপ নিজে নিজেই প্ৰতিপাদ্য কৰে। কিন্তু আজিকালি কম্পিউটাৰ কেৱল মাত্ৰ 'কেলকুলেটৰ' নহয়। ই অসাধাৰণ দ্ৰুত গতি আৰু দক্ষতাৰে বিশাল পৰিসৰত বিচিত্ৰ কৰ্ম সম্পাদন কৰে। আজিকালি মানুহে জীৱনৰ প্ৰায় প্ৰতিটো খোজতে কম্পিউটাৰ ব্যৱহাৰ কৰে। ক্ৰমশঃ গৱেষণা ক্ষেত্ৰত কম্পিউটাৰ স্বয়ং অধ্যয়নীয় এটি বিষয় হৈ পৰিল। ইলেক্ট্ৰনিক কম্পিউটাৰ লাহে লাহে প্ৰতিটো বৃত্তিৰে অপৰিহাৰ্য অংগ হৈ পৰিছে। গতিকে গৱেষণা প্ৰক্ৰিয়াও কম্পিউটাৰ পৰিধীয় পৰিসৰৰ পৰা দূৰত থকা আজিকালি আৰু সম্ভৱ নহয়। কম্পিউটাৰত তিনি প্ৰকাৰ মূল উপাদান থাকে— **ইনপুট ডিভাইচ্** ঃ কী-বৰ্ড আৰু মাউচ্ (An Input Device: Key board and Mouse), **চেণ্ট্ৰেল প্ৰছেছিং ইউনিট্** ঃ চি-পি-ইউ (Central Processing Unit·. CPU), **আউটপুট ডিভাইচ্** ঃ মনিটৰ আৰু প্ৰিণ্টাৰ (Monitor and Printer)

কম্পিউটাৰৰ কেইটিমান গুৰুত্বপূৰ্ণ সাধাৰণ বৈশিষ্ট্য হ'ল—

- গতি বা বেগ (Speed)
- সংৰক্ষণাগাৰ (Storage)
- খুঁতশূন্যতা (Accuracy)
- স্বয়ংক্ৰিয়তা (Automation)
- শ্ৰমশীলতা (Diligence)

**গতি বা বেগ ঃ** মানুহৰ মগজুৱে এসপ্তাহৰ ভিতৰত সম্পাদন কৰিব পৰা হিচাপ বা গণনা কম্পিউটাৰে কেইচেকেণ্ডমানৰ ভিতৰতে কৰি পেলাব পাৰে।

**সংৰক্ষণাগাৰ ঃ** যিকোনো বিষয়ৰ অন্তিম তথ্যটোলৈকে কম্পিউটাৰত সংৰক্ষণ কৰিব পাৰি আৰু যেতিয়াই প্ৰয়োজন হয় তাক উলিয়াই আনিব পাৰি। একে সময়তে মানুহৰ মগজুক যদি ৰিজোৰা হয়, দেখা যায় যে সীমিত সংখ্যক তথ্য মনত ৰাখিব পাৰে আৰু গুৰুত্বশূন্য তথ্যক সাময়িকভাৱে পাহৰাই ৰাখে।

**খুঁতশূন্যতা ঃ** সাম্প্ৰতিক সময়ত কম্পিউটাৰৰ খুঁতশূন্যতাৰ হাৰ ধাৰাবাহিকভাৱে ওপৰলৈ উঠা দেখা যায়। কম্পিউটাৰত কেতিয়াব কেনেবাকৈ ভুল হ'লে দেখা যায়, সেই ভুল মানুহৰ দ্বাৰাহে ঘটে, প্ৰযুক্তিগত (Technological) প্ৰয়োগ দুৰ্বলতাৰ ভুল নহয়। উদাহৰণস্বৰূপে— কাৰ্যকাৰকৰ চিন্তা নিখুঁট নোহোৱাৰ কাৰণে অথবা অশুদ্ধ তথ্যৰ কাৰণে অথবা দুৰ্বলভাৱে কৰা পদ্ধতিৰ আঁচনিও হ'ব পাৰে।

**স্বয়ংক্ৰিয়তা ঃ** কম্পিউটাৰৰ কাৰ্যক্ৰমণিকা সকলোবোৰেই প্ৰকৃতিত স্বয়ংক্ৰিয়। অৱশ্যে যি কাৰ্যৰ বাবে স্বতন্ত্ৰ নিৰ্দেশৰ প্ৰয়োজন হয়, তাৰ বাবেও কিছুমান ব্যৱস্থা থাকে।

**শ্ৰমশীলতা ঃ** যন্ত্ৰ হোৱাৰ কাৰণে কম্পিউটাৰৰ মানুহে ভোগা ভাগৰ আৰু মনোযোগ হেৰুৱাৰ দৰে লক্ষণ নাথাকে। কম্পিউটাৰে একেৰাহে বহু সময় ধৰি একে বেগত সঠিকভাৱে কাম কৰিব পাৰে।

**গৱেষণা কাৰ্যত কম্পিউটাৰৰ সহায়তা ঃ**

সম্প্ৰতি গৱেষণা প্ৰক্ৰিয়াৰ অতি অপৰিহাৰ্য অংগ কম্পিউটাৰ। ক্ৰমশঃ গৱেষণা কাৰ্যত কম্পিউটাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হৈ আহিছে। কম্পিউটাৰত তথ্য সংৰক্ষণ কৰিব পাৰি, তাৎক্ষণিক ব্যৱহাৰৰ কাৰণে সহায়ক মাধ্যম মেম'ৰি (Memory)। মেম'ৰি সংৰক্ষণ কৰিব পাৰি কেইবাটাও উপায়েৰে। যেনে— ফ্লপি ডিছ্ (floppy discs), কম্পেক্ট ডিছ্ (compact discs), পেন ড্ৰাইভ্ (pen drive), মেম'ৰি কাৰ্ড (memory card) ইত্যাদিত সংৰক্ষণ কৰিব পাৰি, য'ৰ পৰা সেই তথ্যক পুনৰুদ্ধাৰ কৰিবও পাৰি। কম্পিউটাৰৰ আটাইতকৈ কাৰ্যকৰী দিশ হ'ল গৱেষণাকাৰ্যত প্ৰাপ্ত বিভিন্ন বিষয়ৰ সকলো তথ্যকে সংৰক্ষণ কৰিব পাৰি। সংশোধন, সংযোজন আৰু বৰ্জনৰ মাজেৰে তথ্য পৰিশোধিত কৰি শুদ্ধ ৰূপত ব্যৱহাৰ কৰিব পাৰি। এনেদৰে কম্পিউটাৰৰ সহায়ত গৱেষণা কৰ্মত হ'ব পৰা কাৰ্য প্ৰণালী তলত দিয়া ধৰণে ক্ৰমত সজাব পাৰি—

- টাইপিং (Typing)
- গ্ৰাফ/ৰেখাচিত্ৰ/তালিকা নিৰ্মাণ (Graph/Diagram/Chart Creating)
- ছবি/ভি-ডি-অ/ধ্বনি সম্পাদনা (Photo/Video/Sound Editing)
- তথ্য সংৰক্ষণ (Data Preservation)



- পাওৱাৰ পইন্টৰ ব্যৱহাৰ (Power Point)
- পাঠ সম্পাদনা (Text Editing)
- স্কেন্ কৰা/প্ৰিন্টিং কৰা (Scanning/Printing)
- তথ্য সৰবৰাহ (Data Transfering)
- ই-মেইল্‌ৰ ব্যৱহাৰ (Use of E-mail)
- নেট্ চাৰ্চ কৰা/ডাউনলড কৰা (NET Searching/Downloading)

এনেদৰে কম্পিউটাৰৰ ব্যৱহাৰৰ জৰিয়তে সম্প্ৰতি গৱেষণা প্ৰক্ৰিয়া সহজ আৰু সুষম হ'বলৈ ধৰিছে। গৱেষণা কৰ্মৰ বাবে তথ্য সংগ্ৰহৰ পৰা আৰম্ভ কৰি নিৰীক্ষণ, পৰ্যবেক্ষণ, বিশ্লেষণ, পুনৰীক্ষণ আৰু সম্পাদনা কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰালৈকে সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰিব পাৰি কম্পিউটাৰৰ সহায়ত। আচলতে কোনো গৱেষণা প্ৰশ্নৰ সমাধান কৰি গৱেষণা কাৰ্যক সম্পূৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰাত সহায়ক সাধন হ'ল কম্পিউটাৰ। কম্পিউটাৰৰ ব্যৱহাৰে গৱেষণা প্ৰক্ৰিয়াক বিজ্ঞানসন্মতভাৱে আগুৱাই নিয়াত সহায় কৰে।


**কম্পিউটাৰত ডিজিটেল্ তথ্য সংৰক্ষণৰ বিভিন্ন ব্যৱস্থা ঃ**

কম্পিউটাৰত ডিজিটেল্ তথ্য সংৰক্ষণ (Data Preservation) ব্যৱস্থাত কম্পিউটাৰৰ ব্যৱহাৰ বিভিন্ন ধৰণে হয়। এই ব্যৱস্থাবোৰ তলত দিয়া ধৰণে সম্পন্ন কৰিব পাৰি—

- কম্পিউটাৰত টাইপ্ কৰি তথ্য ৱৰ্ড (Word) অথবা পেজ্ মেকাৰ (Page Maker)ৰ দৰে ফাইলত সংৰক্ষণ কৰিব পাৰি।
- ডিজিটেল্ স্থিৰ ছবি (Still Photo), অডিঅ' (audio) আৰু ভিডিঅ' (Video) তথ্য বেলেগ বেলেগ ফল্ডাৰ (Folder) ত সংৰক্ষণ কৰিব পাৰি।
- স্কেন্ (Scan) প্ৰক্ৰিয়াত, 'পি-ডি-এফ্' ফাইল্ (PDF File) ত, জে-পি-ডি-জি ফাইল্ ( JDPG File) ত, 'মেম'ৰি কাৰ্ড' (Memory Card) ত তথ্য সংৰক্ষণ কৰিব পাৰি।
- কম্পিউটাৰৰ সমস্ত তথ্য 'এক্সটাৰ্নেল্ হাৰ্ড ডিস্ক' (External Hard Disc) ত সংৰক্ষণ কৰিব পাৰি।
- কম্পিউটাৰৰ নিজা 'হাৰ্ড ডিস্ক' (Hard Disc) ত তথ্য সংৰক্ষণ কৰিব পাৰি।
- 'পেন ড্ৰাইভ্' (Pen Drive), 'মেম'ৰি কাৰ্ড' (Memory Card), 'ডি-ভি-ডি' (DVD) আৰু 'চি-ডি' (CD)ত সংৰক্ষণ কৰিব পাৰি।

- 'ব্লু-ৰে ডিস্ক' (Blue Ray Disk), 'মেগ্নেটিক্ টেপ্' (Magnitic Tap), 'মেগ্নেটিক্ ডিস্ক' (Magnitic Disc) ত সংৰক্ষণ কৰিব পাৰি।
- 'গুগুল্ ডাটা চাৰ্ভাৰ' (Google Data Server) অথবা 'ই-মেইল' (E-mail) কৰি নিজৰ একাউন্টত সংৰক্ষণ কৰিব পাৰি।

ইবিলাক ব্যৱস্থাৰ উপৰিও আজিকালি নিত্য নতুন ছফটৱেৰ আৰু ফাইলৰ বিকাশ ঘটিবই লাগিছে। সেইবোৰৰ ব্যৱহাৰেৰে কম্পিউটাৰক ক্ৰমশঃ গৱেষণা প্ৰক্ৰিয়াৰ অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ অংগ কৰি তুলিছে।




নৱম অধ্যায়

# গৱেষণাৰ প্ৰতিবেদন লেখন

গৱেষণা প্ৰতিবেদন হ'ল গৱেষকে সম্পাদন কৰা সম্পূৰ্ণ গৱেষণাকাৰ্যৰ সংশ্লেষিত ৰূপ অথবা সংক্ষিপ্ত বিৱৰণ। অক্সফৰ্ড ইংলিছ ডিক্সনেৰীৰ মতে, গৱেষণা প্ৰতিবেদন হ'ল কোনো নিৰ্দিষ্ট বিষয়ৰ তদন্তৰ অন্তত লাভ কৰা নিৰ্দিষ্ট সিদ্ধান্তৰ বিবৃতি লেখন। আচলতে যিকোনো গৱেষণা প্ৰক্ৰিয়াৰ অন্তিম পৰ্যায়ৰ কৰ্ম হ'ল গৱেষণাকৰ্মৰ প্ৰতিবেদন অৰ্থাৎ গৱেষণা গ্ৰন্থৰ লেখন কাৰ্য। বিধিবদ্ধ উপায়েৰে আগবঢ়াই নিয়া কোনো গৱেষণা কৰ্ম এটিৰ অধ্যয়ন, পৰ্যবেক্ষণ, বিশ্লেষণৰ পৰ্যায়ৰ পিছত চূড়ান্ত সিদ্ধান্ত (Final Outcome) থকাটো অতি প্ৰত্যাশিত কথা। বিশ্ববিদ্যালয় অথবা যিকোনো প্ৰাতিষ্ঠানিক গৱেষণাৰ ক্ষেত্ৰত প্ৰতিবেদন লেখন বাধ্যতামূলক হিচাপে দাখিল কৰিবলগীয়া হয়। বিশেষকৈ এম. ফিল্, পিএইচ. ডি. আদিৰ ক্ষেত্ৰত সম্পূৰ্ণ গৱেষণা-গ্ৰন্থ (Final Thesis) বিশ্ববিদ্যালয়ত জমা দিবলগীয়া হয়। ইউ.জি.ছিৰ প্ৰকল্প আদিৰ ক্ষেত্ৰতো চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলগীয়া হয়। এনেদৰে দাখিল কৰিবলগীয়া গৱেষণাৰ চূড়ান্তপ্ৰতিবেদন অথবা গৱেষণা গ্ৰন্থৰ লেখনৰ ক্ষেত্ৰত কিছুমান উদ্দেশ্য আৰু বাধ্যবাধকতা আছে।

- একোটি গৱেষণা কৰ্মৰ সিদ্ধান্ত (Findings) থাকিবই লাগে।
- সেই সিদ্ধান্তৰ যুক্তি, তথ্য আৰু প্ৰামাণিকতাও থাকিব লাগিব।
- পৰৱৰ্তী গৱেষকক নিৰ্দিষ্ট বিষয়ক্ষেত্ৰৰ প্ৰতি উদ্বুদ্ধ কৰাৰ প্ৰৱণতাও থাকিব লাগিব।

**গৱেষণা প্ৰতিবেদন অথবা গৱেষণা গ্ৰন্থ লেখনৰ প্ৰকাৰ আৰু বৈশিষ্ট্য ঃ**

| গৱেষণা প্ৰতিবেদন অথবা গৱেষণা গ্ৰন্থ | |
|---|---|
| প্ৰকাৰ | বৈশিষ্ট্য |
| • প্ৰায়োগিক<br>• প্ৰযুক্তিগত | • অৰ্থবহ সংক্ষিপ্ততা<br>• স্পষ্টতা<br>• সততা<br>• পূৰ্ণতা<br>• অভ্ৰান্ততা |

**গৱেষণা গ্ৰন্থৰ লেখন কৌশল ঃ**

গৱেষণা প্ৰতিবেদন অথবা গ্ৰন্থ এখনত গৱেষণাকৰ্মৰ বিস্তৃত বিৱৰণ, বিশ্লেষণ, মূল্যায়ন আৰু সামগ্ৰিক অধ্যয়নৰ ফলাফল সিদ্ধান্ত আৰু ভৱিষ্যত অধ্যয়নীয় দিশৰ সম্ভাৱনাও সন্নিৱিষ্ট হ'ব লাগে। গৱেষণা কৰিবলগীয়া বিষয়ৰ লগত সংগতি থকা আৰু প্ৰাসংগিক পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাৰ আধাৰত গৱেষণা প্ৰশ্ন আৰু উদ্দেশ্য নিশ্চিত কৰা হয় যেতিয়া, প্ৰতিবেদনত তাৰো উল্লেখ পৰ্যায়ক্ৰমে থাকিব লাগিব। বিষয়ৰ পৰিসৰ অনুযায়ী যথোপযুক্ত পদ্ধতিবিজ্ঞানৰ সহায়ত প্ৰয়োগ কৰা পদ্ধতিকো প্ৰণালীবদ্ধ প্ৰক্ৰিয়াৰে সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা সম্পূৰ্ণ প্ৰতিবেদনক গৱেষণা গ্ৰন্থ বুলিব পাৰি।

**গৱেষণা গ্ৰন্থ লেখন কৌশল সাপেক্ষ স্তৰ ঃ**

- বিষয়ৰ যুক্তিনিষ্ঠ বিশ্লেষণ
- চূড়ান্ত ৰূপৰেখা নিৰ্মাণ
- মোটামুটি খচৰা নিৰ্মাণ
- মসৃণতাৰ বাবে পুনৰলেখন
- চূড়ান্ত গ্ৰন্থপঞ্জীৰ প্ৰস্তুতি
- চূড়ান্ত খচৰা প্ৰস্তুতকৰণ

**গৱেষণা গ্ৰন্থ লেখনৰ লক্ষণীয় দিশ ঃ**

গৱেষণা গ্ৰন্থ লেখন অতি গুৰুত্বপূৰ্ণ কাম। গৱেষণা গ্ৰন্থ লেখনত গৱেষকে সদায় লক্ষ্য পাঠকক আগত ৰাখি লিখা আৰম্ভ কৰা উচিত। গৱেষণা গ্ৰন্থৰ প্ৰকাশ হোৱা মানেই সি পাঠকৰ দৰ্পণলৈ যোৱা। গতিকে লক্ষ্য পাঠকৰ বোধগম্য হোৱাৰ চৰ্ত গৱেষণা গ্ৰন্থ লেখনৰ ক্ষেত্ৰত অতি অনিবাৰ্য। শুদ্ধ ক্ৰমত উপযুক্ত ঠাইত উপযুক্ত শব্দৰ ব্যৱহাৰ কৰাও অতি প্ৰয়োজন। বিষয়ৰ নিৰ্মোহ আৰু সত্য উপস্থাপনৰ প্ৰয়োজনত কাব্যিকতা বৰ্জিত শব্দ, দীঘলীয়া বাক্য আৰু অনুচ্ছেদ বৰ্জন কৰিব লাগিব। কাৰণ দীঘলীয়া বাক্য আৰু অনুচ্ছেদ কেতিয়াবা সহজবোধ্য নহয়। গৱেষণা গ্ৰন্থ লেখনৰ ক্ষেত্ৰত গৱেষণাৰ পদ্ধতিবিজ্ঞানৰ ওপৰত গুৰুত্ব দিয়া হয়। গৱেষণাকৰ্মৰ প্ৰতিবেদন গৱেষণা গ্ৰন্থ বা গ্ৰন্থকণিকাৰ ৰূপত উপস্থাপন কৰোঁতে কেইবাটাও স্তৰৰ মাজেৰে কৰিবলগীয়া হয়। সাধাৰণতে প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থ এখনত প্ৰাথমিকভাৱে সন্নিৱিষ্ট হ'বলগীয়া বিষয়ৰ আৰ্হি ৰূপৰেখা তলত দিয়া ধৰণৰ হয়—

**শিৰোনাম পৃষ্ঠা (Title) ঃ**

শিৰোনাম পৃষ্ঠাত সাধাৰণতে কেইটিমান তথ্য থকা অতি প্ৰয়োজন। যেনে—

- শিৰোনাম থাকিব লাগিব আৰু বহুসময়ত উপ বা শাখা শিৰোনামো যুক্ত হয়।



- গৱেষকৰ নাম আৰু উপাধিৰ শুদ্ধ ৰূপ।
- অতি প্ৰয়োজনীয় উল্লেখ (অনুষ্ঠান/বিভাগৰ নাম) থাকিব লাগিব।
- সম্পূৰ্ণ কৰা স্থান আৰু সময়ৰ উল্লেখ থাকিব লাগিব।

**সংক্ষিপ্ত-সাৰ/ৰূপৰেখা/সাৰ-সংক্ষেপ/সাৰাংশ (Abstract) ঃ**

ইয়াত সম্পূৰ্ণ গৱেষণাগ্ৰন্থ এখনৰ বিষয়ে অতি চমু সাৰ অংশৰ পৰিচয় দিয়া হয়। একোটা সাৰাংশই তলত দিয়া চৰ্তকেইটি পূৰণ কৰিব লাগিব—

- পাঠক-গৱেষকে সম্পূৰ্ণ গৱেষণা গ্ৰন্থখন পাঠৰ আভাস পাব লাগিব।
- তথ্য অথবা সূত্ৰৰ উল্লেখ নিষ্প্ৰয়োজন।
- পৃষ্ঠা দৈৰ্ঘ্য দুই আৰু শব্দ সংখ্যা ২০০-৩০০ তকৈ বেছি হ'ব নালাগিব।

**তত্ত্বাৱধায়কৰ প্ৰমাণ-পত্ৰ (Supervisors Certificate) ঃ**

বিশ্ববিদ্যালয়ত কৰা এম. ফিল., পিএইচ. ডি. অথবা প্ৰজেক্ট ইত্যাদি গৱেষণা কাৰ্যৰ একোজন তত্ত্বাৱধায়ক থাকে। গৱেষণা গ্ৰন্থত তত্ত্বাৱধায়কৰ প্ৰমাণ-পত্ৰ অতি আৱশ্যক। তত্ত্বাৱধায়কৰ প্ৰমাণ-পত্ৰত থাকিব লাগিব—

- গৱেষক আৰু গৱেষণাকৰ্মৰ বৈধতাৰ ঘোষণা।
- গৱেষণা কৰ্মটিৰ গ্ৰহণযোগ্যতাৰ ঘোষণা।

গৱেষণা পত্ৰৰ আৰম্ভণিতে তত্ত্বাৱধায়কৰ প্ৰমাণ-পত্ৰ সংযোজন কৰিব লাগে। সেই প্ৰমাণ-পত্ৰত তলত দিয়া সত্যকেইটি নিশ্চিতভাৱে থাকিব লাগিব—

- গৱেষণা কৰ্ম সেই তত্ত্বাৱধায়কৰ তত্ত্বাৱধানত সম্পন্ন হৈছে।
- গৱেষকৰ নাম, বিভাগ, বিশ্ববিদ্যালয় ইত্যাদিৰ উল্লেখ থাকে।
- গৱেষণাৰ বিষয়ৰ উল্লেখ থাকে।
- গৱেষণা কৰ্মটি পিএইচ. ডি. উপাধি অথবা এম. ফিল ডিগ্ৰীৰ কাৰণে সম্পন্ন হ'ল।
- বিশ্ববিদ্যালয়ৰ গৱেষণা বিধিৰ নিয়মানুসৰি গৱেষণা কাৰ্য সম্পন্ন হ'ল।
- আন ক'তো কোনো উপাধিৰ কাৰণে এই গৱেষণা কৰ্ম দাখিল কৰা হোৱা নাই।

**গৱেষকৰ ঘোষণা-পত্ৰ (Declaration of the Scholar) ঃ**

গৱেষণা গ্ৰন্থত গৱেষকে নিজৰ আহৃত তথ্য আৰু সিদ্ধান্ত মৌলিক চিন্তাৰ প্ৰকাশ বুলি ঘোষণা-পত্ৰ সন্নিৱিষ্ট কৰিবলগীয়া হয়। গৱেষকে গৱেষণা কৰ্ম নিজৰ সৃষ্ট কৰ্ম বুলি প্ৰমাণ কৰিবলগীয়া হয়। সেয়ে সেই সম্পৰ্কে বিশ্বাসযোগ্যতা আৰু মৌলিকতা সম্পৰ্কে

গৱেষকে ঘোষণা-পত্ৰ দিবলগীয়া হয় আৰু ঘোষণা-পত্ৰত নিশ্চিতভাৱে থাকিব লাগিব—

- গৱেষকে উত্থাপন কৰা বিষয় আৰু সিদ্ধান্তসমূহ আগতে প্ৰকাশ হোৱা নহয়।
- আন কোনো গৱেষকে সেই বিষয়ত আগতে গৱেষণা সম্পাদন কৰা নাই।
- ঘোষণাপত্ৰত গৱেষকৰ নাম, বিভাগৰ নাম আৰু বিশ্ববিদ্যালয়ৰ নাম উল্লেখ থাকিব।
- ঘোষণাপত্ৰত গৱেষণা বিষয়ৰ শীৰ্ষকৰ উল্লেখ থাকিব।
- গৱেষণা কৰ্মটি পিএইচ. ডি. উপাধিৰ কাৰণে সম্পন্ন হ'ল বুলি উল্লেখ থাকিব।
- বিশ্ববিদ্যালয়ৰ নিয়মানুসৰি গৱেষণা কাৰ্য সম্পন্ন হ'ল বুলি উল্লেখ থাকিব।

**কৃতজ্ঞতা স্বীকাৰ (Acknowledgement) ঃ**

এই অংশত গৱেষকে গৱেষণাকৰ্মক সমৃদ্ধ কৰা উৎস, সমল ব্যক্তি, নমুনা আৰু আনধৰণে সহায় কৰা সকলৰ প্ৰতি কৃতজ্ঞতা জনায়। গৱেষণা কৰ্মত সহায়ক হোৱা বিভিন্ন ব্যক্তি, প্ৰতিষ্ঠান আদিৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰা হয়। এই অংশতো শৃংখলাৱদ্ধতা ৰক্ষা কৰা অনিবাৰ্য। অসমীয়া, বাংলা, হিন্দী, ইংৰাজী আদি বিভিন্ন ভাষাত যদি মানুহৰ অথবা প্ৰতিষ্ঠানৰ নাম থাকে; তেন্তে তাক বেলেগে বেলেগে উল্লেখ কৰা ভাল। কৃতজ্ঞতা স্বীকাৰ হ'ব লাগিব তলত দিয়া সকলৰ প্ৰতি—

- গৱেষণা গ্ৰন্থখনৰ কাম সম্পূৰ্ণ কৰাত সহায়ক হোৱা সামূহিক গোট অথবা ব্যক্তিৰ প্ৰতি কৃতজ্ঞতা।
- তত্ত্বাৱধায়ক, তথ্যদাতা, পৰিয়াল, বন্ধু, সহকৰ্মী, সহযোগী অৰ্থাৎ গৱেষণা কাৰ্যত যিকোনো প্ৰকাৰে সহায়ক হোৱা সকলোৰে প্ৰতি কৃতজ্ঞতা।

**সূচীপত্ৰ (Content) ঃ**

এই অংশৰ দ্বাৰা গৱেষণা গ্ৰন্থখনত ক'ত, কোন অংশত কি সন্নিৱিষ্ট হৈছে স্পষ্ট হ'ব পাৰি। সূচীপত্ৰৰ জৰিয়তেই সামগ্ৰিক গৱেষণা কৰ্মটোত প্ৰতিফলিত হোৱা গৱেষকৰ চিন্তাৰ সূত্ৰ অনুধাৱন কৰিব পাৰি। বিস্তাৰিত ৰূপত বিভাজন ঘটোৱা সূচীপত্ৰখনে সম্পূৰ্ণ গৱেষণা কৰ্মটোৰ আভাস দিব পাৰিব লাগে। সূচীপত্ৰত তলৰ দিশকেইটি স্পষ্ট হ'ব লাগিব—

- বিষয়ৰ অধ্যায়বিভক্ত স্পষ্ট ৰূপৰেখা।
- নিৰ্বাচিত বিষয় নিৰ্দিষ্ট শীৰ্ষক আৰু উপশীৰ্ষকৰে সৈতে অধ্যায়সমূহ।



**ভূমিকা/প্ৰস্তাৱনা (Introduction) ঃ**

ইয়াত গৱেষণা বিষয়টোৰ পটভূমি, পৰিসৰ, উদ্দেশ্য আৰু দিশ সম্পৰ্কে আভাস দিয়া হয়। ভূমিকা/প্ৰস্তাৱনাত থাকিব লাগিব—

- বিষয়ৰ থূলমূল আভাস।
- পৰিসৰ সম্পৰ্কে ধাৰণা।
- গৱেষণাৰ দৃষ্টিভংগী।

ভূমিকাক অনেক গৱেষকে পৃথক এটি অধ্যায় বুলি গ্ৰহণ কৰে আৰু অনেকে অধ্যায়ৰ বাহিৰত বুলি গণ্য কৰে। আনহাতে ভূমিকাৰ পৰিৱৰ্তে সমব্যঞ্জনাজ্ঞাপক অথবা সমাৰ্থক 'অৱতৰণিকা', 'বিষয়-প্ৰৱেশ' অথবা 'পাতনি' ইত্যাদি শব্দও ব্যৱহাৰ কৰিব পাৰি। ভূমিকাৰ বাবে যি শীৰ্ষকেই ব্যৱহাৰ নহওক লাগে, সেই শীৰ্ষকে একান্তভাৱে তলত দিয়া দিশসমূহক প্ৰতিফলিত কৰিব লাগিব—

- গৱেষণা প্ৰশ্ন বা সমস্যা স্পষ্ট ৰূপত উচ্চাৰিত হ'ব লাগিব।
- গৱেষণাৰ পদ্ধতিবিজ্ঞান স্পষ্ট আৰু নিৰ্দিষ্ট হোৱা প্ৰয়োজন।
- গৱেষণাৰ পৰিসৰৰ স্পষ্ট আৰু পৰিষ্কাৰ উল্লেখ হ'ব লাগিব।
- গৱেষণাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ উল্লেখ থাকিব লাগিব।
- গৱেষণাৰ সীমাৱদ্ধতাৰো স্পষ্টতা থাকিব লাগে।

ভূমিকাত গৱেষণাৰ ইতিবাচক ফলশ্ৰুতি, সম্ভাব্য পৰিণাম, জ্ঞানৰ জগতলৈ সম্ভাব্য অৱদান ইত্যাদি সম্পৰ্কেও ইংগিত থাকিব লাগে।

**অধ্যায় উপস্থাপন (Chapter Presentation) ঃ**

গৱেষণাৰ মূল বিষয়ক বিভিন্ন অধ্যায়ত বিন্যস্ত কৰি পৰিৱেশন কৰাই পিএইচ. ডি. অথবা এম. ফিল. গৱেষণা গ্ৰন্থৰ উল্লেখযোগ্য দিশ। গৱেষণা গ্ৰন্থৰ আকাৰ কিমান ডাঙৰ হ'ব, কিমান সৰু হ'ব, তাৰ কোনো নিৰ্দিষ্টতা নাই। পিএইচ. ডি. গৱেষণা গ্ৰন্থত সাধাৰণতে ছয়ৰ পৰা ন-লৈকে অধ্যায় পৰিলক্ষিত হয়। গৱেষণাৰ অধ্যায় যিমানেই নহওক লাগে, পদ্ধতিগত দিশৰ পৰা শুদ্ধ আৰু বিষয়ৰ প্ৰতি সমুচিত সুবিচাৰ কৰা অধ্যায় উপস্থাপনা হ'ব লাগে। প্ৰয়োজনশূন্য মেদবাহুল্য থাকিব নালাগে।

**অধ্যায় উপস্থাপনৰ আৰ্হি (Model of Chapter Presentation) ঃ**

গৱেষণা গ্ৰন্থখনৰ অধ্যায় উপস্থাপনৰ আৰ্হিয়ে সমগ্ৰ গ্ৰন্থখনৰ বিষয়ে গৱেষক বা পাঠকৰ ধাৰণা স্পষ্ট কৰে। অধ্যায় উপস্থাপনত তলত দিয়া দিশকেইটাই গুৰুত্ব পাব—

- বিষয়ৰ পৰিচয় আৰু পটভূমি
- প্ৰাসংগিক পূৰ্বকৃত অধ্যয়নৰ পুনৰীক্ষণ

- অধ্যয়নৰ পদ্ধতিতত্ত্ব
- তথ্যৰ উপস্থাপন আৰু ব্যাখ্যা
- উপসংহাৰ আৰু প্ৰসংগসূত্ৰ
- গ্ৰন্থপঞ্জী
- পৰিশিষ্ট (Appendix)

**• বিষয়ৰ পৰিচয় আৰু পটভূমি ঃ**

এই অধ্যায়ত গৱেষণা বিষয়ৰ পৰিচয় দাঙি ধৰাৰ লগতে বিষয়ৰ পটভূমি সন্নিৱিষ্ট কৰা হয়। ইয়াতে গৱেষণা বিষয়ৰ প্ৰাসংগিক আৰু আনুষংগিক সকলো ধৰণৰ পটভূমিৰ আভাস দিয়া হয়।

**• প্ৰাসংগিক অধ্যয়নৰ পুনৰীক্ষণ ঃ**

গৱেষণা বিষয় সম্পৰ্কীয় প্ৰাসংগিক সকলো ধৰণৰ গৱেষণা গ্ৰন্থ, আলোচনা সন্নিৱিষ্ট গ্ৰন্থ, ছপা মাধ্যমৰ আলোচনা সূত্ৰ, প্ৰবন্ধ, ডিজিটেল মাধ্যমৰ সূত্ৰ ইত্যাদিৰ পুনৰীক্ষণ কৰি গৱেষণাৰ পৰৱৰ্তী পদক্ষেপলৈ আগবঢ়া হয়।

**• অধ্যয়নৰ পদ্ধতিতত্ত্ব ঃ**

গৱেষণাৰ বাবে নিৰ্বাচিত বিষয়ৰ নিৰ্দিষ্ট দৃষ্টিভংগী অনুসৰি অধ্যয়নৰ উপযোগীকৈ গৱেষণাৰ পদ্ধতিতত্ত্ব নিৰ্বাচন কৰি লোৱা হয়।

**• তথ্যৰ উপস্থাপন আৰু ব্যাখ্যা ঃ**

বিষয়ৰ অধ্যয়নীয় দিশ স্পষ্ট হোৱাৰ পিছত সেই অনুযায়ী তথ্য সংগ্ৰহ কৰা হয় আৰু সংগৃহীত তথ্যৰ পৰীক্ষণ-বিশ্লেষণৰ পিছত গৱেষণাত উপস্থাপন কৰি তাৰ ব্যাখ্যা অগবঢ়োৱা হয়।

**• উপসংহাৰ আৰু প্ৰসংগসূত্ৰ ঃ**

বিভিন্ন অধ্যায় বিভাজন কৰি লৈ সেই অধ্যায়সমূহৰ মাজত সম্পূৰ্ণ গৱেষণা কাৰ্যৰ বিৱৰণ, ব্যাখ্যা-বিশ্লেষণ সম্পন্ন কৰাৰ পিছত উপসংহাৰত সিদ্ধান্তত উপনীত হোৱা যায়। উপসংহাৰৰ পিছতেই পাদটীকা অথবা অন্ত্যটীকাত উল্লেখ কৰা প্ৰসংগসূত্ৰৰ উৎস উল্লেখ কৰা হয়।

**• গ্ৰন্থপঞ্জী ঃ**

গ্ৰন্থপঞ্জীত প্ৰসংগসূত্ৰত উল্লেখ থকা গ্ৰন্থসমূহৰ উপৰিও বিষয়ৰ আনুষংগিক, প্ৰাসংগিক সকলো ধৰণৰ গ্ৰন্থৰ সম্পূৰ্ণ তথ্য সন্নিৱিষ্ট কৰিব লাগে।



**• পৰিশিষ্ট ঃ**

পৰিশিষ্টত গৱেষণা বিষয়ৰ অধ্যয়ন ক্ষেত্ৰত প্ৰাপ্ত প্ৰাসংগিক তথ্যতালিকা, তথ্যদাতাৰ তালিকা, চিত্ৰ, ফটোগ্ৰাফ আৰু অন্যান্য দুষ্প্ৰাপ্য তথ্যাদিক সন্নিৱিষ্ট কৰিব পাৰি।

**গৱেষণা প্ৰতিবেদন লেখনৰ উদ্দেশ্য ঃ**

গৱেষণা গ্ৰন্থ অথবা প্ৰতিবেদন লিখনৰ ক্ষেত্ৰত বহু ধৰণৰ উদ্দেশ্য নিহিত হৈ থকা পৰিলক্ষিত হয়। তলত গৱেষণা গ্ৰন্থ আৰু প্ৰতিবেদন লিখনৰ বিভিন্ন উদ্দেশ্যসমূহ উল্লেখ কৰা হ'ল—

- গৱেষণা সন্মিলনত গৱেষণা-পত্ৰৰ ৰূপত উপস্থাপন কৰা।
- জাৰ্নাল আৰু গৱেষণাধৰ্মী গ্ৰন্থত গৱেষণা-পত্ৰৰ ৰূপত প্ৰকাশ কৰা।
- আৰ্থিক অনুদান প্ৰদান কৰা প্ৰকল্পৰ প্ৰতিবেদনৰ ৰূপত দাখিল কৰা।
- নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বিশ্ববিদ্যালয়ত গৱেষণাগ্ৰন্থ অথবা গ্ৰন্থকণিকাৰ ৰূপত দাখিল কৰা।

**গৱেষণা প্ৰতিবেদন প্ৰস্তুতি পৰ্বত লক্ষণীয় ঃ**

গৱেষণা প্ৰতিবেদন অথবা গ্ৰন্থৰ প্ৰস্তুতিত সদায় পাঠকক লক্ষ্যত ৰাখি সঠিক ক্ৰমত শব্দৰ ব্যৱহাৰ কৰিবলগীয়া হয়। কাৰণ প্ৰকাশৰ পথলৈ যোৱা মানেই সি পাঠকৰ ওচৰলৈ যোৱা। গতিকে গৱেষণা প্ৰতিবেদন অথবা গ্ৰন্থত ব্যৱহৃত শব্দ-বাক্যত বক্তব্যৰ অৰ্থবহতা আৰু যথাৰ্থতা দুয়োটাই ৰক্ষা কৰাৰ দায়বদ্ধতাই নহয়, পাঠকৰ বোধগম্যতাও থাকিব লাগিব। কাব্যিক ভাষা, দীঘল বাক্য আৰু পুনৰাবৃত্তি ইত্যাদি পৰিহাৰ কৰিব লাগিব। গৱেষণা গ্ৰন্থ অথবা প্ৰতিবেদনত শব্দ, বাক্য আৰু অনুচ্ছেদৰ সুষম ব্যৱহাৰ কৰিব পাৰিব লাগিব—

**গৱেষণা গ্ৰন্থ এখনৰ দৈৰ্ঘ্য পৰিসৰ ঃ**

গৱেষণা গ্ৰন্থ এখনৰ লেখনৰ সকলো শৃংখলা ৰক্ষা কৰি একোজন গৱেষকে গৱেষণা কৰ্মৰ অধ্যায় বিভাজন কৰিবলগীয়া হয় আৰু যথাসম্ভৱ মিত শব্দৰ ব্যয়েৰে গৱেষণা গ্ৰন্থ এখন লেখা হয়। সাধাৰণতে একোখন গৱেষণা গ্ৰন্থত ছয়ৰ পৰা আঠটা অধ্যায় অথবা প্ৰয়োজন অনুসৰি কেতিয়াবা দহটালৈকেও অধ্যায় সন্নিৱিষ্ট হোৱা দেখা যায়। সেইদৰে ২০০ ৰ পৰা ৪০০ পৃষ্ঠাৰ ভিতৰত লেখন কাৰ্য সম্পাদন হোৱা পৰিলক্ষিত হয়। এইটোও সত্য যে পৃষ্ঠাৰ সংখ্যাৰে কোনো গৱেষণা কৰ্মৰ মূল্য বিচাৰ নহয় পুনৰ বিচাৰেৰেহে হয়। যিমান সম্ভৱ কম শব্দ, কম বাক্যৰ প্ৰয়োগেৰে পৰিপাটীকৈ গৱেষণাকৃত সত্য আৰু লব্ধ সিদ্ধান্ত স্পষ্ট কৰিব পাৰি সিমানে গৱেষকৰ কৃতিত্ব পৰিলক্ষিত হয়। কেতিয়াবা আঢ়ৈশ

পৃষ্ঠাৰ এখন গৱেষণা গ্ৰন্থৰ মাজতে গৱেষণাৰ উদ্দেশ্য লক্ষ্য, পৰ্যালোচনা-বিশ্লেষণৰ মাজেদি চূড়ান্ত সিদ্ধান্তৰে সৈতে গৱেষকৰ পাণ্ডিত্য পাৰিলক্ষিত হয়। আনহাতে কেতিয়াবা কোনো গৱেষণা গ্ৰন্থত আকৌ নশ পৃষ্ঠা লিখিও বক্তব্যক স্পষ্ট কৰিব নোৱাৰা গৱেষণা কাৰ্যও দৃষ্টিগোচৰ হয়। এইখিনিতে গৱেষকৰ পাণ্ডিত্যৰ লগতে বিষয়ৰ সংশ্লেষণ আৰু সম্পাদনাৰ দূৰদৃষ্টি আৰু কলাদক্ষতাৰো প্ৰয়োজন হয়।

**গৱেষণা গ্ৰন্থ এখনৰ লক্ষ্য সময় সীমা (Target Time of a thesis) ঃ**

নিৰ্দিষ্ট সময়ৰ ভিতৰত গৱেষণা গ্ৰন্থ এখন লিখি গৱেষণা কাৰ্য সম্পন্ন কৰাটো গৱেষণা প্ৰক্ৰিয়াৰ অন্তৰ্গত এটা অতি অনিবাৰ্য কাৰ্য। গৱেষণা কাৰ্যৰ পৰিসীমা অৰ্থাৎ লক্ষ্য সময় সীমাৰ ভিতৰত গৱেষণা কাৰ্য সম্পাদনৰ লক্ষ্যও নিৰ্ধাৰিত কৰা থাকে। সেই অনুসৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত গৱেষণা কাৰ্য সম্পন্ন কৰিব লাগে। উদাহৰণস্বৰূপে ভাৰতৰ বিশ্ববিদ্যালয়সমূহত পিএইচ. ডি. গৱেষণা গ্ৰন্থ দাখিলৰ সময়সীমা ৫ বছৰ।

**গৱেষণা গ্ৰন্থ লেখনত প্ৰয়োগ হোৱা প্ৰায়োগিক কৌশল ঃ**

এম. ফিল. অথবা পিএইচ. ডি.-ৰ গৱেষণা কৰ্মত বিদ্যায়তনিক দিশ যেনেকৈ জড়িত থাকে, তেনেকৈ গৱেষণা প্ৰতিবেদন লিখনত অনেক প্ৰায়োগিক কৌশলৰ দিশলৈ লক্ষ্য ৰাখিবলগীয়া হয়। তলত তেনে কেইটিমান প্ৰায়োগিক কৌশলৰ বিষয়ে উল্লেখ কৰা হ'ল—

- গৱেষণাৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যমুখিতা ৰক্ষিত হ'ব লাগে।
- প্ৰায়োগিক বা প্ৰযুক্তিগত ভাষাৰ যিমান পাৰি কম ব্যৱহাৰ হ'ব লাগে।
- লেখন কাৰ্যত বৰ্তমান কাল আৰু কৰ্তৃবাচ্যৰ ব্যৱহাৰ হোৱা প্ৰয়োজন।
- গৱেষণাত ব্যৱহাৰ হোৱা তথ্যৰ ব্যৱহাৰত গোপনীয়তা ৰক্ষা হ'ব লাগে।
- লিখিত প্ৰতিবেদনৰ পুনৰ পৰীক্ষণ আৰু পুনৰ লেখন হোৱা বাঞ্চনীয়।
- প্ৰতিবেদনত সকলো দৃষ্টিগোচৰ প্ৰাসংগিক অৱলম্বন গ্ৰহণ কৰা ভাল।
- প্ৰতিবেদন লেখনত মৌলিকতা প্ৰকট হ'ব লাগে।
- গৱেষণা প্ৰতিবেদনৰ উদ্দেশ্য অনুসৰি অংগসজ্জা যথাযথ আৰু উপযুক্ত হ'ব লাগে।
- প্ৰতিবেদনৰ লেখনত ব্যাকৰণিক ভ্ৰান্তিমুক্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।
- প্ৰতিবেদনৰ উপস্থাপনত বিষয়ৰ যুক্তিসন্মত বিশ্লেষণ হ'ব লাগিব।
- গৱেষণা প্ৰতিবেদনত বৌদ্ধিক সমস্যাৰ সমাধান থাকিব লাগিব।
- প্ৰতিবেদনৰ অন্তত গৱেষণাত প্ৰয়োজন হোৱা সূচকৰ তালিকা থাকিব লাগিব।



- গৱেষণা প্ৰতিবেদন স্পষ্ট, দ্ব্যৰ্থতাহীন, অলংকাৰশূন্য কিন্তু আকৰ্ষণীয় হ'ব লাগিব।

**গৱেষণা গ্ৰন্থৰ শিৰোনাম ঃ**

গৱেষণা গ্ৰন্থৰ শিৰোনাম বন্ধোৱা বেটুপাটৰ ওপৰত আৰু গৱেষণা গ্ৰন্থৰ প্ৰথম পাতখিলাত লিখা হয়। তাত গৱেষণাৰ শিৰোনাম গৱেষকৰ নাম, বিশ্ববিদ্যালয়ৰ নাম আৰু প্ৰকাশৰ সময়ৰ উল্লেখ থাকে। কোনো কোনো বিশ্ববিদ্যালয়ৰ গৱেষণা গ্ৰন্থত গৱেষণা তত্ত্বাৱধায়কৰ নামো উল্লেখ থাকে। তলত তেনে এটি আৰ্হি দাঙি ধৰা হ'ল—

পিএইচ. ডি গৱেষণা গ্ৰন্থৰ শিৰোনামৰ সম্ভাব্য আৰ্হি

| |
|---|
| অসমীয়া সাহিত্যত সাধুকথাৰ পুনৰ্গঠন<br>গৱেষকৰ নাম<br>বিশ্ববিদ্যালয়ৰ প্ৰতীক চিহ্ন<br>বিশ্ববিদ্যালয়ৰ নাম<br>প্ৰকাশৰ চন |

**গৱেষকৰ ঘোষণা-পত্ৰৰ নমুনা ঃ**

গৱেষণা গ্ৰন্থ অথবা গ্ৰন্থ কণিকাই গৱেষক এজনক গৱেষণাৰ এটি মৌলিক বিষয়ক উপস্থাপনৰ সুযোগ দিয়ে। ইয়াৰ অৰ্থ হ'ল জ্ঞানৰ ক্ষেত্ৰখনলৈ গৱেষকে মূল্যায়ন আৰু পুৰ্ননিৰ্মাণৰ সাধনাৰে নতুন চিন্তাৰ সংযোজন ঘটাব লাগিব। আত্মবিশ্বাসেৰে সৈতে তাক ঘোষণা কৰিবও পাৰিব লাগিব। ঘোষণাৰ তেনে এটি আৰ্হি তলত দাঙি ধৰা হ'ল—

| |
|---|
| মোৰ এই ......... শীৰ্ষক গৱেষণা কৰ্ম.......... বিভাগৰ প্ৰফেছৰ.........ৰ তত্ত্বাৱধানত সম্পন্ন হ'ল।<br><br>এই ঘোষণা-পত্ৰৰ জৰিয়তে মই ঘোষণা কৰিছোঁ যে এই গৱেষণা গ্ৰন্থৰ কোনো অংশ ক'তো কোনো ডিগ্ৰী অথবা ডিপ্লমাৰ বাবে দাখিল কৰা হোৱা নাই। |

এজন গৱেষকে ওপৰত উল্লেখ কৰা শব্দসমূহ ব্যৱহাৰ কৰি হুবহু এখন ঘোষণা-পত্ৰ নিলিখিলেও, গৱেষকৰ তৰফৰ পৰা এইখিনি সত্য সন্নিবিষ্ট হোৱা ঘোষণা হ'বই লাগিব। কাৰণ গৱেষণা কাৰ্যৰ মৌলিকতাৰ সাক্ষ্য গৱেষকে নিজেই দিব লাগিব আৰু গৱেষণা-গ্ৰন্থৰ সৰ্বস্বত্ব গৱেষকৰ নিজৰ দ্বাৰা সংৰক্ষিতও হ'ব।

**সংক্ষিপ্ত-সাৰ/ৰূপৰেখা/সাৰ-সংক্ষেপ (Abstract/Outline/Synopsis)ৰ আৰ্হিঃ**

সম্প্ৰতি গৱেষণা গ্ৰন্থৰ বিভিন্ন পৰ্যায়ৰ লগতে গৱেষণা গ্ৰন্থ বিদ্যায়তনিক ক্ষেত্ৰত জমা কৰাৰো কিছুমান নীতি নিৰ্ধাৰণ হৈছে। এনেদৰে পদ্ধতি অনুযায়ী সম্পন্ন হোৱা যি কোনো গৱেষণা কৰ্মৰ একোটি সংক্ষিপ্ত সাৰ থকাটো অনিবাৰ্য বুলি গণ্য কৰা হয়। এইদৰে গৱেষণা কৰ্ম একোটাক সম্পূৰ্ণতা প্ৰদানৰ লগতে গৱেষণা গ্ৰন্থৰ সাৰমৰ্ম গোটাই লৈ সাৰাংশ-পত্ৰযসংক্ষিপ্ত সাৰ/ৰূপৰেখা/সাৰ-সংক্ষেপ একোটা প্ৰস্তুত কৰাও অনিবাৰ্য এটি কৰ্মত পৰিণত হয়। সংক্ষিপ্ত-সাৰত উল্লেখ থাকিবলগীয়া দিশকেইটিৰ এটি উদাহৰণ দাঙি ধৰা হ'ল—

- শিৰোনাম
- সংক্ষিপ্ত ভূমিকা
- গৱেষণাৰ মূল বিষয়ৰ পৰিচয়
- পদ্ধতিবিজ্ঞান/তাত্ত্বিক ভিত্তি
- সম্ভাব্য লক্ষ্য/সম্ভাব্য ফলশ্ৰুতি

গৱেষণাৰ সংক্ষিপ্ত-সাৰৰ সূত্ৰ ধৰি গৱেষণাৰ ৰূপৰেখা স্পষ্ট হয়। সংক্ষিপ্ত-সাৰত অধ্যায় বিভাজন, গৱেষণা গ্ৰন্থৰ অংসগসজ্জা, বিষয়ৰ বিন্যাস আৰু সামগ্ৰিক পৰিকল্পনা আদিৰ বিষয়ে উল্লেখ কৰা হয়। সংক্ষিপ্ত-সাৰৰ যোগেদি অতি কম পৰিসৰত সামগ্ৰিক গৱেষণা কৰ্মৰ বিষয়ে ধাৰণা কৰিব পাৰি।

**সূচীপত্ৰ (Content) ৰ আৰ্হি ঃ**

সূচীপত্ৰত প্ৰত্যেকটি শীৰ্ষক, উপ-শীৰ্ষক, অধ্যায়, উপ-অধ্যায়, গুৰুত্বপূৰ্ণ বিষয় আদিৰ উল্লেখ থাকিব লাগিব। বিস্তাৰিতভাৱে লেখা সূচীপত্ৰ এখনৰ পৰা গৱেষণাৰ বিষয় আৰু কৰ্মৰ ধাৰা সম্পৰ্কে জানিব পাৰি। তেনে এটি আৰ্হি তলত দাঙি ধৰা হ'ল—

**অসমীয়া মৌখিক সাহিত্যত যাদু-মন্ত্ৰ**

- ➢ মৌখিক সাহিত্য ঃ সংজ্ঞা আৰু পৰিচয়
  - ▫ মৌখিক সাহিত্যৰ প্ৰকাৰ
    - লোককথা
    - প্ৰবাদ-প্ৰবচন
    - লোকগীত
    - ফকৰা-যোজনা
    - কাহিনীগীত



- ➢ যাদু-মন্ত্ৰ ঃ সংজ্ঞা আৰু বৈশিষ্ট্য
  - ▫ যাদুমন্ত্ৰৰ ইতিহাস আৰু ক্ৰমবিকাশ
  - ▫ অসমত জাদুমন্ত্ৰৰ চৰ্চা
  - ▫ অসমীয়া মৌখিক সাহিত্যত যাদু-মন্ত্ৰৰ উল্লেখ
    - লোককথাত
    - প্ৰবাদ-প্ৰবচনত
    - লোকগীতত
    - ফকৰা-যোজনাত
    - কাহিনীগীতত
- ➢ উপসংহাৰ
  - ▫ পৰিশিষ্ট

ওপৰৰ উদাহৰণত দেখুওৱাৰ দৰে একোটা বিষয়ৰ বিস্তাৰিত ৰূপত অধ্যায় আৰু উপ-অধ্যায় বিভাজন কৰি, সেই অনুযায়ী সূচীপত্ৰ নিৰ্মাণ কৰিলে গৱেষণা বিষয় এটাৰ মূল স্বৰূপ সূচীপত্ৰখনৰ পৰাই অনুধাৱন কৰিব পৰা যায়। সূচীপত্ৰৰ মাজত অধ্যায় আৰু উপ-অধ্যায়সূচীৰ উপৰিও পৰিশিষ্টত তলৰ তালিকাসমূহো সন্নিৱিষ্ট হয়। যেনে—

পৰিশিষ্টত সন্নিৱিষ্ট হ'বলগীয়া তালিকাসূচী

- ➢ ৰেখাচিত্ৰৰ তালিকা (List of Diagram)
- ➢ টেবুলৰ তালিকা (List of Table)
- ➢ মানচিত্ৰৰ তালিকা (List of Map)
- ➢ চিত্ৰসূচী (List of Photograph)
- ➢ সংক্ষেপ সূচী (List of Abbriviations)

**গৱেষণাৰ মূল আলোচ্য বিষয় (Core Issues of Research) ঃ**

মূল আলোচ্য বিষয়েই হ'ল গৱেষণাকৰ্ম এটিৰ অতি অপৰিহাৰ্য অংশ। ভূমিকা অংশত গৱেষণাৰ মূল মুখবন্ধ উল্লেখ কৰা হয়। ইয়াৰ পিছত গৱেষকৰ দায়িত্ব হ'ল গৱেষণাৰ বিষয়ক প্ৰয়োজন অনুসৰি পাঁচ-ছটা, অথবা সাত-আঠটা অধ্যায়ত ভাগ কৰি আলোচনা বিস্তাৰ কৰা। এই অংশটোক গৱেষণাৰ মৌলিক অংশ অথবা মূল আলোচ্য বিষয় বুলিব পাৰি। কিন্তু সামগ্ৰিক গৱেষণা কৰ্মৰ মাজত গৱেষণাৰ বিষয়টো ফুটি নুঠিলে, কোনো গৱেষণাৰ মৌলিকতা আৰু সাৰ্থকতাই ৰক্ষিত নহয়। বিভিন্ন অধ্যায়ত গৱেষণাৰ মূল আলোচ্য বিষয় উপস্থাপনাৰ পিছতে থাকিব উপসংহাৰ (Conclusion) অংশ। এই অধ্যায়ক সামৰণি অধ্যায় হিচাপেও দেখুৱাব পাৰি। যিকোনো গৱেষণাকৰ্মৰ যদি বহল বিভাজন আৰু ভিতৰচৰাৰ সূক্ষ্ম বিভাজনো থাকে। ধৰা হওক, যদি কোনো এক গৱেষণা

কৰ্মৰ সাতটা অধ্যায় থাকে, তেন্তে তেনে গৱেষণা কৰ্মৰ বিন্যাস তলত দিয়া ধৰণে কৰিব পাৰি—

| বহল বিভাজন | ভিতৰ চ'ৰাৰ বিভাজন |
|---|---|
| প্ৰাৰম্ভিক উপাদান | প্ৰতিবেদনৰ শিৰোনাম (Title of Report) |
| | সূচীপত্ৰ (Content) |
| | সংক্ষিপ্ত-সাৰ অথবা সাৰ-সংক্ষেপ (Abstract or Synopsis) |
| প্ৰতিবেদনৰ কলেৱৰ | ভূমিকা/প্ৰস্তাৱনা (Introduction) |
| | পূৰ্ব সাহিত্যৰ পুনৰীক্ষণ (Literature Review) |
| | পদ্ধতিতত্ত্ব (Methodology) |
| | আলোচনা আৰু বিশ্লেষণ (Discussion and Analysis) |
| | পৰিণাম (Results) |
| | উপসংহাৰ (Conclusion) |
| | ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনা(Future Recommendation of Study) |
| সম্পূৰক উপাদান | প্ৰসংগসূত্ৰ আৰু গ্ৰন্থপঞ্জী (References and Bibliography) |
| | পৰিশিষ্ট (Appendices) |

**গৱেষণা বিষয়ৰ বিশ্লেষণ ঃ**

গৱেষণা কৰ্মৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্য হ'ল বিশ্লেষণ। বিশ্লেষণ বুলিলে ব্যাখ্যা আৰু পৰ্যালোচনা দুয়োটাই থাকে। এই পৰ্যায়ত গৱেষকে কোনো পূৰ্বৱৰ্তী তথ্য পৰ্যালোচনা কৰে গৱেষকৰ নিজৰ দৃষ্টিভংগীৰে। সংগৃহীত তথ্যৰ ওপৰত নিৰ্ভৰ কৰি কোনো তাত্ত্বিক আধাৰ গ্ৰহণ কৰি, সেই বিশেষ আধাৰত গৱেষকে বিষয়ক নতুন ৰূপত বিশ্লেষণ কৰি নতুন চিন্তা তুলি ধৰে। এই বিশ্লেষণৰ পৰ্যায় আৰু সিদ্ধান্তগ্ৰহণৰ মাজতে আচলতে এজন গৱেষকৰ চিন্তাৰ পৰিসৰ আৰু বুদ্ধিৰ নিৰ্যাস অনুভূত হয়। যিকোনো বিশ্লেষণৰ পৰ্যায়ত গৱেষণাৰ সন্দৰ্ভ নাথাকিলে, সেই গৱেষণা মৌলিক বুলি গণ্যই নহ'ব। এতিয়া কথা হ'ল, গৱেষণাৰ বিশ্লেষণৰ অংশত গৱেষণা সন্দৰ্ভ কেনেদৰে সুমুৱাব পাৰি সেইটো গৱেষকে নিজেই স্থিৰ কৰি ল'ব পাৰে। প্ৰত্যেকটো অধ্যায়ৰ শেষত সংশ্লিষ্ট অধ্যায়টোত সন্নিৱিষ্ট হোৱা আলোচনাৰ বিশ্লেষণ থাকিলে, তাক অধ্যায়ভিত্তিক বিশ্লেষণ আৰু সকলো অধ্যায়ৰ লেখনৰ শেষত সাৰ্বিকভাৱে যদি বিশ্লেষণ কৰা যদি হয়, তাক সামগ্ৰিক বিশ্লেষণ বুলিব পাৰি। গতিকে তেনে ক্ষেত্ৰত গৱেষণাৰ বিশ্লেষণ দুই ধৰণে কৰিব পাৰি—

- অধ্যায়ভিত্তিক বিশ্লেষণ (Chapterwise Analysis)
- সামগ্ৰিক বিশ্লেষণ (Overall Analysis)



উদাহৰণ—

**অধ্যায়ভিত্তিক বিশ্লেষণ**

দ্বিতীয় অধ্যায় ঃ অসমীয়া সাধুকথাত যাদু-মন্ত্ৰৰ উল্লেখ
- প্ৰাপ্ত তথ্য • বিশ্লেষণ

তৃতীয় অধ্যায় ঃ অসমীয়া প্ৰবাদ-প্ৰবচনত যাদু-মন্ত্ৰৰ উল্লেখ
- প্ৰাপ্ত তথ্য • বিশ্লেষণ

চতুৰ্থ অধ্যায় ঃ অসমীয়া লোকগীতত যাদু-মন্ত্ৰৰ উল্লেখ
- প্ৰাপ্ত তথ্য • বিশ্লেষণ

পঞ্চম অধ্যায় ঃ অসমীয়া কাহিনী গীতত যাদু-মন্ত্ৰৰ উল্লেখ
- প্ৰাপ্ত তথ্য • বিশ্লেষণ

ষষ্ঠ অধ্যায় ঃ অসমীয়া ফকৰা-যোজনাত যাদু-মন্ত্ৰৰ উল্লেখ
- প্ৰাপ্ত তথ্য • বিশ্লেষণ

সপ্তম অধ্যায় ঃ সামগ্ৰিক বিশ্লেষণ

অষ্টম অধ্যায় ঃ উপসংহাৰ

- **সামগ্ৰিক বিশ্লেষণ**

দ্বিতীয় অধ্যায় ঃ অসমীয়া সাধুকথাত যাদু-মন্ত্ৰৰ উল্লেখ

তৃতীয় অধ্যায় ঃ অসমীয়া প্ৰবাদ-প্ৰবচনত যাদু-মন্ত্ৰৰ উল্লেখ

চতুৰ্থ অধ্যায় ঃ অসমীয়া লোকগীতত যাদু-মন্ত্ৰৰ উল্লেখ


পঞ্চম অধ্যায় ঃ অসমীয়া কাহিনী গীতত যাদু-মন্ত্ৰৰ উল্লেখ

ষষ্ঠ অধ্যায় ঃ অসমীয়া ফকৰা-যোজনাত যাদু-মন্ত্ৰৰ উল্লেখ

সপ্তম অধ্যায় ঃ সামগ্ৰিক বিশ্লেষণ

অষ্টম অধ্যায় ঃ উপসংহাৰ


এই দুয়োবিধ বিশ্লেষণ ভংগীৰ পাৰ্থক্যক তলত দেখুওৱা ধৰণে দাঙি ধৰিব পাৰি—



**উপসংহাৰ (Conclusion)ঃ**

উপসংহাৰ হল গৱেষণা গ্ৰন্থ এখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ স্তৰ। ইয়াত গৱেষণাৰ প্ৰয়োজনীয় কাৰ্য উদ্দেশ্য, পদ্ধতি, পৰিসৰৰ পৰা প্ৰণালীৰ মাজেদি পৰ্যবেক্ষণ, বিশ্লেষণ, মূল্যায়নৰ প্ৰতিটো স্তৰৰ প্ৰয়োজনীয় পৰ্যায়ৰ অনুপুংখ সংশ্লেষণ ঘটাই প্ৰকাশ কৰা হয়। সৰ্ব শেষত প্ৰাপ্ত সিদ্ধান্তক উপসংহাৰত দাঙি ধৰা হয়। সাধাৰণভাৱে উপসংহাৰ অংশটি এটি পৃথক অধ্যায় হিচাপে প্ৰতিষ্ঠা কৰিব পাৰি। অন্যান্য অধ্যায়ৰ পৰা এই অধ্যায় আকাৰত সৰু হ'ব পাৰে। গৱেষকে গৱেষণা কৰ্মৰ মাজেৰে কোনো কোনো মৌলিক বিষয় আৱিষ্কাৰ কৰিলে, সেই নতুন কথা অথবা আৱিষ্কাৰৰ কথা উপসংহাৰত উল্লেখ কৰা হয়। বিজ্ঞানসন্মত পদ্ধতিৰে প্ৰণালীৱদ্ধ প্ৰক্ৰিয়াৰে উদ্‌ঘাটিত নতুন সত্যৰ উল্লেখৰ লগে লগে সমস্যা থাকিলে সমাধান সূত্ৰও উল্লেখ হোৱা ভাল। এনে সত্যৰ উল্লেখৰ লগে লগে ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনা ক্ষেত্ৰৰ বিষয়েও উল্লেখ কৰা ভাল।

পিএইচ. ডি. গৱেষণাৰ প্ৰস্তাৱিত পৰিকল্পনা একোটিৰ সামগ্ৰিক পৰিকল্পনাক তলত দিয়া ধৰণে দেখুৱাব পাৰি—




**পৰ্যায় অনুসাৰে পিএইচ. ডি.ৰ গৱেষণা গ্ৰন্থ এখনৰ প্ৰস্তুতিৰ পৰ্ব ঃ**

**প্ৰাথমিক পৰ্ব ঃ**

- শিৰোনাম আৰু ঘোষণা অংশ(Title and Declearation Part)
  - শিৰোনাম পৃষ্ঠা



  - তত্ত্বাৱধায়কৰ প্ৰমাণ-পত্ৰ (Supevisor s Certificate)
  - গৱেষকৰ ঘোষণা-পত্ৰ (Scholars Declaration)
  - কৃতজ্ঞতা (Acknowledgement)
  - প্ৰাক্কথন (Preface)
- সূচীপত্ৰত অন্তৰ্ভুক্তি (Content include in)
  - অধ্যায়সূচী (List of Chapters)
  - ৰেখাচিত্ৰসূচী (List of Diagrams)
  - আলোকচিত্ৰসূচী (List of Photograph)
  - টেবুলসূচী (List of Tables)
  - মানচিত্ৰসূচী (List of Maps)
  - গ্ৰাফ-ৰেখাচিত্ৰসূচী (List of Graph, Diagram)
  - স্কেচ্ছৰ তালিকা (List of Sketch)
  - সংক্ষিপ্তসূচীৰ তালিকা (List of Abriviations)
  - অন্যান্য তালিকা (Others)

**গৱেষণা গ্ৰন্থৰ মূল পৰ্ব ঃ**

- গৱেষণা গ্ৰন্থৰ কলেৱৰ (Body of the Report)
  - ভূমিকা/প্ৰস্তাৱনা (Introduction)
  - সমস্যা/বিষয় প্ৰৱেশ (Introducing Problem in General)
  - পূৰ্বকৃত কৰ্মৰ সমীক্ষা (Review of Previous Work)
  - সমস্যাৰ পূৰ্বাপৰ সম্পৰ্ক নিৰ্ণয়(Relation of Problem : Past & Present)
  - নিৰ্দ্দিষ্ট গৱেষণা কৰ্মৰ উল্লেখ (Specific Research Problem)
  - তাত্ত্বিক ভিত্তি (Theoritical Basis)
  - অন্যান্য কৌশল বিন্দু (Other Technical Points)
- গৱেষণা আঁচনি আৰু পদ্ধতিবিজ্ঞান (Research Design and Methodology)
  - গৱেষণা প্ৰক্ৰিয়া (Research Process)
  - গৱেষণাৰ বিভিন্ন পৰ্ব (Phases of Research)
  - তথ্য আৰু তথ্যৰ উৎস (Data and Data Source)
  - তথ্য সংগ্ৰহৰ কৌশল (Technique of Data Collection)

- তথ্যৰ শ্ৰেণীকৰণয চূড়ান্তকৰণ (Classification/Tabulation of Data)
- তথ্যৰ শ্ৰেণীকৰণৰ মানদণ্ড নিৰূপণ (Parameter of Classification)
- তথ্য বিশ্লেষণৰ তাত্ত্বিক ভিত্তি (Theoritical Basis of Analysis)

➢ ব্যাখ্যা-বিশ্লেষণ (Analysis-Interpretation)

- পাঠ বিশ্লেষণ (Text Analysis)
- ঘটনা বিশ্লেষণ (Fact Analysis)
- তথ্য বিশ্লেষণ (Data Analysis)
- প্ৰতিবেদন বিশ্লেষণ (Report Analysis)
- সাক্ষাৎকাৰ বিশ্লেষণ (Interview Analysis)
- ছবি, টেবুল, ৰেখাচিত্ৰ বিশ্লেষণ (Analysis of Photo, Table, Graph)
- ক্ষেত্ৰ/পৰিস্থিতি/অভিজ্ঞতা বিশ্লেষণ (Analysis of Field Situation/ Experience)
- সমাজ-বাস্তৱতা/সমাজ-মানসিকতা বিশ্লেষণ(Analysis of Social Reality/Social Psyche)
- বিশ্লেষণৰ অন্যান্য ক্ষেত্ৰ (Other Aspects of Analysis)

**সামৰণি পৰ্ব (Final Stage) ঃ**

➢ সামৰণি (Conclusion)

- উপসংহাৰ (Decisions)
- মুখ্য অন্বেষণসমূহ (Major Findings)
- গৱেষণাৰ মৌলিকতা (Originality of Research)
- গৱেষণাৰ সীমাৰদ্ধতা (Limitaions of Research)
- গৱেষণাৰ ভৱিষ্যত সম্ভাৱনা (Future Prospect)
- প্ৰস্তাৱ/পৰামৰ্শ (Recommendations/Suggestions)

➢ **টীকা(Notes) ঃ**

- পাদটীকা/অন্ত্যটীকা (Footnote/Endnote)

➢ **প্ৰসংগ-সূচী (References)**

- গ্ৰন্থপঞ্জী (Bibliography)
- পৰিশিষ্ট (Appendices)
- নিৰ্দ্দেশিকা (Index)



বিশ্ববিদ্যালয় অথবা অন্য উচ্চশিক্ষাৰ প্ৰতিষ্ঠানত পিএইচ. ডি., এম. ফিল.-ৰ লগতে ডি. লিট. অথবা পষ্ট ডক্টৰেল্ ডিগ্ৰীৰ গৱেষকে সকলো সময়তে গুৰুত্ব দিবলগীয়া কেইটিমান দিশ—

- গৱেষণা গ্ৰন্থ এখনৰ মৌলিকতা অতি অপৰিহাৰ্য আৰু প্ৰাথমিক চৰ্ত। সেয়ে গৱেষকে সকলো সময়তে সতৰ্কতাৰে সৈতে নিজা বিশ্লেষণ, পৰ্যবেক্ষণ আৰু পৰ্যালোচনাক অগ্ৰাধিকাৰ দিব লাগিব। প্ৰতিষ্ঠিত পূৰ্বসত্যৰ চৰ্বিত-চৰ্বন বৰ্ণনা পৰিহাৰ কৰিব লাগিব।
- গৱেষণা কাৰ্য বিষয়ৰ লগত খাপ খোৱা নিৰ্দ্দিষ্ট আৰু উপযোগী পদ্ধতিবিজ্ঞান নিৰ্ভৰ হ'ব লাগিব। গৱেষণাত ব্যৱহৃত পদ্ধতিবিজ্ঞানৰ লগতে বিষয় বিশ্লেষণৰ তাত্ত্বিক ভিত্তি থাকিব লাগিব। সেই তাত্ত্বিক ভিত্তি বা আধাৰ বিষয়ৰ সৈতে প্ৰাসংগিক আৰু যথোপযুক্ত হ'ব লাগিব।
- গৱেষণাত ব্যৱহৃত তথ্য, তথ্য-প্ৰসংগ, প্ৰসংগ-টোকা আদি প্ৰমাণসিদ্ধ, বিশ্বাসযোগ্য আৰু যুক্তিযুক্ত হ'ব লাগিব।
- কোনো গ্ৰন্থ অথবা উৎসৰ উদ্ধৃতি, প্ৰসংগ আদিৰ ব্যৱহাৰ হ'লে পাদটীকা অথবা অন্ত্যটীকাত তাৰ সম্পূৰ্ণ উল্লেখ থকাৰ লগতে উল্লেখ সূচী অথবা প্ৰসংগসূচীতো সি সন্নিৱিষ্ট হ'বই লাগিব।
- গৱেষক বিষয়ৰ ক্ষেত্ৰত সদায় বস্তুনিষ্ঠ, আৱেগবৰ্জিত আৰু নিৰপেক্ষ হ'ব লাগিব। অতিৰঞ্জিত বিশেষণ আৰু অলংকাৰ-ৰহিত ভাষাৰে স্পষ্ট আৰু প্ৰাঞ্জলভাৱে বিষয়ৰ সত্যক উপস্থাপন কৰিব লাগিব।
- গ্ৰন্থপঞ্জী, প্ৰসংগপঞ্জী অথবা উল্লেখপঞ্জীত নিৰ্দ্দিষ্ট পদ্ধতিৰে সহায়ক সকলো ধৰণৰ গ্ৰন্থ আৰু তথ্য উৎস সন্নিৱিষ্ট হ'বই লাগিব।

আচলতে বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পৰিৱেশত সম্পাদন কৰা এম. ফিল্ অথবা পিএইচ. ডি. আদি ডিগ্ৰীৰ বাবে কৰা গৱেষণা কাৰ্যত সম্পূৰ্ণ পৰীক্ষামুখী দিশ জড়িত হৈ থাকে। সেয়ে গৱেষকৰ পৰীক্ষামুখী লক্ষ্য আৰু প্ৰচেষ্টাইহে গৱেষণা কাৰ্যক নিখুঁট আৰু পূৰ্ণতা প্ৰদান কৰিব। কাৰণ মূল্যায়নৰ পৰ্যায়ত বিশিষ্ট গৱেষণা-বিশেষজ্ঞ পণ্ডিত, গৱেষণা অনুমোদনৰ বাবে থকা উচ্চস্তৰীয় গৱেষণা গোট/পৰিষদ/সমিতি আদিৰ দ্বাৰা পৰীক্ষিত, মূল্যায়িত আৰু অনুমোদিত হোৱা গৱেষণা গ্ৰন্থৰ কাৰণেহে গৱেষক এজনে ডিগ্ৰী লাভ কৰিব আৰু গৱেষণা গ্ৰন্থখনো প্ৰকাশৰ বাবে গৃহীত হ'ব। গৱেষক-পণ্ডিত পৰীক্ষকৰ দৃষ্টিত আদৰ্শ পিএইচ. ডি. অথবা এম. ফিল্. গৱেষণা-গ্ৰন্থৰ সম্ভাব্য গঠন তলত দিয়া

ধৰণৰ হয়—

**পি-এইচ-ডি অথবা এম-ফিল্ গৱেষণা-গ্ৰন্থৰ সম্ভাব্য আদৰ্শ (Model) গঠন**

- ➢ প্ৰাথমিক শাখা (Preliminary Section)
  - শিৰোনাম (Title)
  - সূচীপত্ৰ (Content)
  - অন্যান্য (Others)
- ➢ প্ৰতিবেদনৰ অৱয়ব (Body of the Report)
  - পৰিচয় (Introduction)
  - অধ্যয়নৰ আঁচনি (Design of Study)
  - পদ্ধতিবিজ্ঞান (Methodology)
  - বিভিন্ন অধ্যায় (Different Chapters)
  - ব্যাখ্যা-বিশ্লেষণ (Analysis-Interpretation)
- ➢ সাৰমৰ্ম (Summary)
  - গুৰুত্বপূৰ্ণ সিদ্ধান্ত (Major Findings)
  - পৰামৰ্শ (Recommendation)
  - সামৰণি (Conclusion)
- ➢ প্ৰসংগ টোকা (References)
  - গ্ৰন্থপঞ্জী (Bibliography)
  - সূচকপঞ্জী (Index)
  - পৰিশিষ্ট (Appendices)

দশম অধ্যায়

# গৱেষণাৰ প্ৰাসংগিক সন্দৰ্ভ

গৱেষণা কাৰ্য বিজ্ঞানসন্মভাৱে সম্পন্ন কৰিবলৈকে নহয়, গৱেষণাৰ মান, সত্যতা আৰু আৰু গ্ৰহণযোগ্যতা প্ৰতিষ্ঠা কৰিবলৈ গৱেষণা কৰ্মত অনেক সন্দৰ্ভৰ প্ৰয়োজন আছে। তেনে কেইটিমান সন্দৰ্ভ সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**গৱেষণাত টীকা (Note) ৰ ব্যৱহাৰ ঃ**

টীকা হ'ল একোটা পৃষ্ঠাত উল্লেখ কৰা কোনো তথ্যৰ পৃষ্ঠান্ত অথবা সমগ্ৰ অধ্যায়ৰ অন্তত উল্লেখ কৰা তথ্য সম্পৰ্কীয় প্ৰাসংগিক সকলো ধৰণৰ সূত্ৰৰ বিস্তৃত বিৱৰণ (Notation)। টীকা সদায় পাঠত ব্যৱহৃত তথ্য উৎসৰ লগত অতি নিকটভাৱে সংহত হৈ থাকে। সেয়ে টীকাত ব্যৱহাৰ হোৱা তথ্য বিশেষভাৱে নিৰ্দিষ্ট আৰু অতি গুৰুত্বপূৰ্ণ। টীকাৰ ব্যৱহাৰ তলত উল্লেখ কৰা দুই ধৰণে কৰিব পাৰি—

- পাদটীকা (Foot Note)
- অন্ত্যটীকা (End Note)

পাদটীকা বা অন্ত্যটীকা হ'ল গৱেষণাকৰ্মত আনৰ পৰা গ্ৰহণ কৰা তথ্য বা সমল গ্ৰহণৰ ঋণ স্বীকাৰ কৰাৰ এটি পদ্ধতি। পাদটীকা প্ৰত্যেক পৃষ্ঠাৰ তলত থাকে। অন্ত্যটীকা সমগ্ৰ অধ্যায়ৰ শেষত থাকে। গৱেষকে নিজৰ সুবিধানুযায়ী ইয়াৰ যিকোনো এটি ব্যৱহাৰ কৰিব পাৰে। পাদটীকা অথবা অন্ত্যটীকা ব্যৱহাৰ কৰোঁতে কেইটিমান গুৰুত্বপূৰ্ণ কথালৈ মন কৰিব লাগে—

- পৰাপক্ষত প্ৰতিটো তথ্য উৎসৰ উল্লেখৰ বাবে এটা পাদটীকা অথবা অন্ত্যটীকাত সীমাবদ্ধ থকা ভাল।
- পাদটীকা অথবা অন্ত্যটীকাত উৎস গ্ৰন্থৰ নাম, লেখক বা সম্পাদকৰ নাম, প্ৰকাশকৰ নাম, সংস্কৰণৰ উল্লেখ, প্ৰকাশৰ চন আৰু পৃষ্ঠাৰ উল্লেখ থাকিব লাগিব।
- ক্ষেত্ৰৰ পৰা প্ৰাপ্ত তথ্যৰ ক্ষেত্ৰত তথ্যদাতাৰ নাম, বয়স, স্থানৰ নাম, তাৰিখ, সময় উল্লেখ কৰিব লাগিব।
- ডি-টি-পি ৰ ক্ষেত্ৰত 'প্ৰচেছৰ' (Processor) বা কম্পিউটাৰত পাদটীকা অথবা অন্ত্যটীকা সন্নিৱিষ্ট কৰিব পৰাকৈ সুবিধা কৰি ল'ব লাগে।

- যদি উৎসৰ এবাৰ উল্লেখ হ'ল, তেতিয়া পুনৰ এটা পাদটীকা অথবা অন্ত্যটীকাত সম্পূৰ্ণ বিৱৰণ দিব নালাগে। উল্লিখিত বুলি লিখি পৃষ্ঠা সংখ্যা দিলেই হ'ব।
- কিছুমান একে উৎসৰ তথ্যৰ আকৌ উল্লেখ কৰিবলগীয়া হ'লে পুনৰাবৃত্তি আৰু বিৱৰণৰ অংশ বাদ দি উৎস আৰু পৃষ্ঠা সংখ্যা উল্লেখ কৰিলেই হ'ল।
- একে গ্ৰন্থৰ তথ্য এটাৰ পিছতেই আকৌ এটাৰ উল্লেখ কৰিবলগীয়া হ'লে ইংৰাজী Ibid শব্দটোৰ দৰে অসমীয়াত 'তদীয়' শব্দটোৰ ব্যৱহাৰ কৰি, পৃষ্ঠা সংখ্যা একে হ'লে দিব নালাগে, বেলেগ হ'লে পৃষ্ঠা সংখ্যা উল্লেখ কৰিব লাগে। ইংৰাজী Ibid শব্দটো লেটিন শব্দ Ididem শব্দৰ পৰা অহা, যাৰ অৰ্থ হ'ল একেঠাই (In the same place)।
- লেটিন ভাষাৰ Op.cit (In the work cited) শব্দটোৰ গৱেষণা কৰ্মত পূৰ্বতে উল্লেখ কৰা উৎস পুনৰ ব্যৱহাৰৰ ক্ষেত্ৰত 'পূৰ্বোল্লিখিত' (aforesaid) অথবা 'উপৰোক্ত' (aforementioned) অৰ্থত ব্যৱহাৰ কৰা হয়।

**পাদটীকা বা অন্ত্যটীকা ব্যৱহাৰৰ প্ৰকাৰঃ**

পাদটীকা বা অন্ত্যটীকা হ'ল গৱেষণাকৰ্মত ব্যৱহাৰ কৰাৰ মূলতঃ তিনিটা পদ্ধতি আছে। সেইকেইটা হ'ল—

- আন লেখক বা গৱেষকৰ পৰা উৰ্দ্ধ ক'মা ('') ৰ ভিতৰত ব্যৱহাৰ কৰা প্ৰত্যক্ষ উল্লেখ।
- প্ৰত্যক্ষভাৱে উল্লেখ নকৰাকৈ আনৰ পৰা পৰোক্ষভাৱে দিয়া উদাহৰণ।
- ব্যাখ্যাত্মক প্ৰসংগৰ মাজত ব্যৱহাৰ কৰা আনৰ লেখাৰ তথ্য বা সমল।

গৱেষণা গ্ৰন্থৰ কোনো অধ্যায়ৰ মূল পাঠ(Text)ত আনৰ তথ্য বা সমল ব্যৱহাৰ হ'লে, তাৰ টীকা সংযোজন কৰিবলগীয়া হয়। তেনে ক্ষেত্ৰত ব্যৱহৃত তথ্য, য'ত ব্যৱহাৰ হয়, সেই অংশক সংখ্যাৰে চিহ্নিত কৰিব লাগে আৰু পৃষ্ঠাটোৰ শেষত (পাদটীকা) অথবা অধ্যায়ৰ অন্তত (অন্ত্যটীকা) সন্নিৱিষ্ট কৰিব লাগিব।

**উদাহৰণ ঃ**

ভাৰতীয় সাহিত্য সমালোচনাত Aesthetic ৰ সমাৰ্থক ৰূপত নন্দনতত্ত্ব বা 'সৌন্দৰ্যতত্ত্ব'ৰ ব্যৱহাৰ হৈ আহিছে। ড° সুৰেন্দ্ৰনাথ দাশগুপ্তই ইয়াক বীক্ষাশাস্ত্ৰ বুলিও অভিহিত কৰিছে। ইয়াত তথ্যসূত্ৰৰ সবিশেষ বিৱৰণ পৃষ্ঠা সংখ্যাৰে সৈতে উল্লেখ কৰিব লাগে। অথবা ইয়াক পাদটীকা নিৰ্দেশক সংখ্যাৰে চিহ্নিত কৰাৰ পিছত সেই তথ্য সূত্ৰ সবিশেষ পৃষ্ঠান্তত উল্লেখ কৰা হ'ব। পাদটীকাত প্ৰথমে লেখকৰ নাম, পিছত গ্ৰন্থৰ নাম, প্ৰকাশকৰ নাম-ঠিকনা, প্ৰকাশৰ সময় আৰু পৃষ্ঠা উল্লেখ কৰা হৈছে। এই গ্ৰন্থখন প্ৰথম প্ৰকাশৰ গ্ৰন্থ। গতিকে ইয়াত সংস্কৰণৰ উল্লেখ নাই। থাকিলে দিব লাগে।



**গৱেষণা সন্দৰ্ভত ব্যৱহৃত পৰিশিষ্ট ঃ**

গৱেষণাগ্ৰন্থ অন্য গৱেষণাধৰ্মী গ্ৰন্থসমূহৰ ক্ষেত্ৰত কেতিয়াবা এনে কিছু তথ্য বা উপাদান সংগ্ৰহ হয়, যিসমূহ গ্ৰন্থখনৰ বাবে সম্পূৰক, অথচ গ্ৰন্থখনৰ অন্তৰ্গত পাঠৰ অতি আৱশ্যকীয় অংগও নহয়; আনহাতে তেনে উপাদানবোৰ পাঠ একোটাৰ সামগ্ৰিকতা বুজিবলৈ সহায়ক হয়। গ্ৰন্থ একোখনৰ অন্তত তেনে উপাদানসমূহক সন্নিৱিষ্ট কৰা উপ অধ্যায়ক পৰিশিষ্ট বুলি অভিহিত কৰা হয়। সাধাৰণতে গৱেষণাগ্ৰন্থ অন্য গৱেষণাধৰ্মী গ্ৰন্থত প্ৰয়োজন সাপেক্ষে গৱেষণাৰ লগত সংযোগ অথবা সন্দৰ্ভ থকা বিভিন্ন উপাদনৰ সংযোজন পৰিশিষ্টত কৰা হয়। গৱেষণা অংশ সংযোজন কৰাও দৰকাৰ হয়। গৱেষণা গ্ৰন্থ এখনৰ ক্ষেত্ৰত উপসংহাৰৰ শেষত প্ৰসংগসূত্ৰ, প্ৰসংগসূত্ৰৰ শেষত গ্ৰন্থপঞ্জী আৰু তাৰপিছতহে পৰিশিষ্টৰ সংযোজন হয়। পেৰাগ্ৰাফ পৰিশিষ্টত থাকিবলগীয়া বিষয় সম্পৰ্কে গৱেষকে নিজে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু কি থাকিব বা নাথাকিব স্থিৰ কৰিবও পাৰে। সাধাৰণতে গৱেষণা বিষয়ৰ সৈতে সম্পৰ্ক থকা কোনো মূল্যৱান দুষ্প্ৰাপ্য ফটো, বিষয়ৰ লগত বিস্তৃত স্তৰলৈকে সংযোগ থকা গুৰুত্বপূৰ্ণ তথ্য, তালিকা, পৰিসাংখ্যিক চৰকাৰী নথি-পত্ৰ, যিবোৰে হয়তো মূল অধ্যায়সমূহত সংযোজন কৰিলে আধিক্য সৃষ্টি কৰিব পাৰে। অথচ তেনে তথ্যবোৰ প্ৰাপ্তিৰ দিশৰ পৰা অতি দুষ্প্ৰাপ্য আৰু দুৰ্মূল্যও, তেনে ধৰণৰ তথ্য পালেও পৰিশিষ্টত সংযোজন কৰিব পাৰি। সেই বুলি কিন্তু বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰা অপ্ৰাসংগিক তথ্য অথবা বিষয়ৰ লগত সংগতি থকাই হওক, নথকাই হওক ফটো আদিৰ অকাৰণ আৰু বহুল সংযোজন কৰা গৱেষণা গ্ৰন্থ এখনৰ পৰিশিষ্টৰ উদ্দেশ্য নহয়।

**পৰিশিষ্টৰ প্ৰয়োজনীয়তা ঃ**

- যিসমূহ তথ্য অথবা উপাদান গ্ৰন্থৰ মূল অংশত ব্যৱহাৰ কৰিলে পাঠৰ গঠন আৰু বিৱৰণৰ লক্ষ্যমুখী গতিক ব্যাহত কৰিব পাৰে।
- মূলপাঠত সাৰাংশকৃত অতি দীঘলীয়া আৰু অনুপুংখ বিৱৰণৰ তথ্য থাকিলে, তাক পৰিশিষ্টত স্থান দিয়া হয়।
- গৱেষণাত সহায়ক হোৱা সমল অথবা প্ৰয়োজনীয় সামগ্ৰী আদি গ্ৰন্থৰ মূল অংশত ব্যৱহাৰ কৰিলে পাঠকক গৱেষণাৰ মূল দিশ বা মূল পাঠৰ পৰা বিভ্ৰান্ত কৰিব পাৰে। তেনে ক্ষেত্ৰত তেনেবোৰ সামগ্ৰী পৰিশিষ্টত সন্নিৱিষ্ট কৰা হয়।

- গৱেষণা সন্দৰ্ভক সহজ বোধগম্য কৰা প্ৰাসংগিক অথচ মূলপাঠত মেদবহুলতা সৃষ্টি কৰিব পৰা তথ্য বা উপাদানসমূহ পৰিশিষ্টত উল্লেখ কৰিব পাৰি।
- ভৱিষ্যত গৱেষণাৰ সম্ভাৱনা থকা দিশত অতিৰিক্ত তথ্য বা সামগ্ৰী পালে, তেনে উপাদানসমূহ পৰিশিষ্টত অন্তৰ্ভুক্ত কৰিব পাৰি।

**গৱেষণা সন্দৰ্ভত গ্ৰন্থপঞ্জী ঃ**

ইংৰাজী 'বিব্লিঅ'গ্ৰাফী' (Bibliography) শব্দটোৰ অসমীয়া প্ৰতিশব্দ গ্ৰন্থপঞ্জী গ্ৰীক্ শব্দ 'বিব্লিঅ'গ্ৰাফিয়া' (Bibliographia)ৰ পৰা উৎপত্তি হৈছে। এই শব্দৰ আভিধানিক অৰ্থ গ্ৰন্থৰ গ্ৰন্থনা, ই এক প্ৰকাৰ গ্ৰন্থবিজ্ঞান, যত গ্ৰন্থৰ ইতিবৃত্ত, পৰিৱৰ্তনশীল আংগিক, গঠনশৈলী, মুদ্ৰণ, বান্ধন, চিত্ৰায়ণ, বৰ্ণনা আৰু তালিকাভুক্তিকৰণ ইত্যাদি কাৰ্য সম্পাদন কৰাৰ প্ৰক্ৰিয়াৰ কথাও সন্নিৱিষ্ট। গৱেষণাগ্ৰন্থত ব্যৱহাৰ হোৱা 'বিব্লিঅ'গ্ৰাফী' অধ্যায়ে কিন্তু এই বিস্তীৰ্ণ অৰ্থসমূহৰ মাজৰ পৰা গ্ৰন্থৰ ইতিবৃত্ত অথবা তালিকাভুক্তিকৰণ অংশকহে অৰ্থৰে সৈতে কৰে। অসমীয়াত এই অৰ্থৰ সমাৰ্থক হিচাপে 'গ্ৰন্থপঞ্জী' শব্দটো গ্ৰহণ কৰা হৈছে। গ্ৰন্থপঞ্জী গৱেষণা গ্ৰন্থত মূল গ্ৰন্থৰ পৰা পৃথক পৃষ্ঠাত থাকিব লাগিব। ইয়াত অন্তৰ্ভুক্ত হোৱা গ্ৰন্থ গৱেষণা বিষয়ৰ লগত প্ৰাসংগিক হ'বই লাগিব। গ্ৰন্থপঞ্জী বৰ্ণানুক্ৰমে সজোৱা হ'ব লাগিব।

গৱেষণাগ্ৰন্থ এখনৰ ক্ষেত্ৰত হাতে লিখা, ছপা অথবা অন্য যিকোনোভাৱে আহৃত যিকোনো নথি, যেনে— গ্ৰন্থ, ধাৰাবাহিক ৰচনা, ছবি, মানচিত্ৰ, চলচ্চিত্ৰ, ৰেকৰ্ডিং, সংগ্ৰহালয়ৰ সংগ্ৰহ, পাণ্ডুলিপি আৰু চিন্তা-ভাৱনাৰ আদান-প্ৰদানৰ যিকোনো মাধ্যমেই গ্ৰন্থপঞ্জীৰ অন্তৰ্ভুক্ত হয়। গৱেষণা কৰ্ম সম্পাদন কৰোঁতে যিসমূহ গ্ৰন্থ প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়ক হয় অথবা যিবোৰ পত্ৰ-পত্ৰিকা, প্ৰবন্ধাদিৰ সহায় লোৱা হয় সেই সমূহক ঠাই দিয়া হয়। এনে তথ্যসমূহৰ সবিশেষ সন্নিৱিষ্ট কৰা অংশক গৱেষণাগ্ৰন্থৰ উল্লেখপঞ্জী (References) বুলিও ক'ব পাৰি। গ্ৰন্থ, সমল সমলদাতাৰ তালিকা ছবি, মানচিত্ৰকে ধৰি সকলো তথ্যৰ সবিশেষ উল্লেখপঞ্জী অথবা গ্ৰন্থপঞ্জীত অন্তৰ্ভুক্ত কৰা হয়। সম্প্ৰতি সমগ্ৰ বিশ্বতে লেখকৰ নাম অনুসৰি (Author wise) বৰ্ণানুক্ৰমিকভাৱে (Alphabetic Order) প্ৰস্তুত কৰা হয় গ্ৰন্থপঞ্জী। গ্ৰন্থপঞ্জীৰ সজ্জাত তলত দিয়া দিশসমূহলৈ লক্ষ্য ৰখা বাঞ্ছনীয়—

- গ্ৰন্থপঞ্জীত লেখকৰ নাম (সম্পাদনা গ্ৰন্থৰ ক্ষেত্ৰত সম্পাদকৰ নাম), গ্ৰন্থৰ নাম, প্ৰকাশকৰ নাম, প্ৰকাশৰ স্থান, প্ৰকাশৰ বছৰৰ উল্লেখ কৰিব লাগিব।



- লেখকৰ নাম (পাঠ্য) অনুসাৰে আৰু বৰ্ণানুক্ৰমিকভাৱে গ্ৰন্থতালিকা সজাব লাগিব।
- গৱেষণা কৰ্মত অসমীয়া, বাংলা, হিন্দী, ইংৰাজী ইত্যাদি ভাষাৰ গ্ৰন্থৰ ব্যৱহাৰ হ'লে তথ্যভিত্তিক গুৰুত্বৰে পৃথক বিভাগত গ্ৰন্থ তালিকা প্ৰস্তুত কৰা প্ৰয়োজন।
- য'ত তথ্যৰ উল্লেখ নাথাকে, তাক স্পষ্ট ভাষাৰে উল্লেখ কৰা উচিত। যেনে— কোনো গ্ৰন্থত হয়তো প্ৰকাশকৰ উল্লেখ নাই, অন্যকোনো গ্ৰন্থত প্ৰকাশৰ চন, তাৰিখ নোহোৱা হৈছে; সেই ক্ষেত্ৰত তাক এইদৰে উল্লেখ কৰিব লাগিব প্ৰকাশকঃ উল্লেখ নাই অথবা প্ৰকাশৰ চনঃ উল্লেখ নাই ইত্যাদি।

**গৱেষণা গ্ৰন্থত উদ্ধৃতিৰ ব্যৱহাৰ ঃ**

উদ্ধৃতি হ'ল উৎসৰ বিবৃতি যথাযথ শব্দ-বাক্যৰে প্ৰকাশ কৰা। সেই উদ্ধৃতি সত্যও হ'ব পাৰে অথবা কোনো মতামতো হ'ব পাৰে। উদ্ধৃতিয়ে কোনো বিষয়ক বেছি সজীৱ আৰু বিশ্বাসযোগ্যতা প্ৰদান কৰে। অৱশ্যে কেতিয়াবা প্ৰত্যক্ষ উদ্ধৃতিৰ লগতে উদ্ধৃতিৰ কথাংশ নিজৰ ভাষাত লিখি পাদটীকাত মূল উদ্ধৃতিৰ উল্লেখ কৰাও হয়। এনে ক্ষেত্ৰত উদ্ধৃতিৰ পৰোক্ষ ব্যৱহাৰ হয়। আনহাতে মূল উৎসত বক্তাই ব্যক্ত কৰাৰ দৰেই হুবহু শব্দৰে উৰ্দ্ধকমাৰ ভিতৰত ব্যৱহাৰ কৰা উদ্ধৃতিক প্ৰত্যক্ষ উদ্ধৃতি বুলি কোৱা হয়। সি যি কি নহওক, গৱেষণা কৰ্মত উদ্ধৃতিৰ ব্যৱহাৰ অত্যন্ত জৰুৰী। উদ্ধৃতিৰ ব্যৱহাৰৰ কিছু স্বতন্ত্ৰ ৰীতি আছে। তলত সেই বিষয়ে আলোচনা কৰা হ'ল—

প্ৰত্যক্ষ উদ্ধৃতিৰ ক্ষেত্ৰত উৰ্দ্ধকমা (" ...") ৰ ভিতৰত ব্যৱহাৰ কৰা হয় যদি শাৰীৰ মাজত ব্যৱহাৰ কৰা হয়। যেনে— ৰবীন্দ্ৰনাথ ঠাকুৰে মৃত্যু উপলব্ধিৰ বিষয়ে প্ৰকাশ কৰা এই কথাখিনি— "আমি ক্ৰমে বুঝতে পাৰলাম জীৱনকে মৃত্যুৰ জানলাৰ ভিতৰ থেকে না দেখলে তাকে সত্য ৰূপ দেখা যায় না। মৃত্যুৰ আকাশে জীৱনেৰ যে বিৰাট মুক্তৰূপ প্ৰকাশ পায় প্ৰথমে তা বৰ দুঃসহ। কিন্তু তাৰ পৰে ঔদাৰ্য মনকে আনন্দ দিতে থাকে। তখন ব্যক্তিগত জীৱনেৰ সুখ-দুখ অনন্ত সৃষ্টিৰ ক্ষেত্ৰে হালকা হয়ে দেখা দেয়।" (চিঠিপত্ৰ, ৰবীন্দ্ৰনাথ ঠাকুৰ, ১১শ খণ্ড, পত্ৰসংখ্যা ২, পৃ. ৭)

আৰু যদি এই একে উদ্ধৃতিকে শাৰীৰ সমতাৰ পৰা কিছু ভিতৰলৈ সুমুৱাই ব্যৱহাৰ কৰা হয়, তেতিয়া উৰ্দ্ধকমা নিদিলেও হয়। যেনে—

> আমি ক্ৰমে বুঝতে পাৰলাম জীৱনকে মৃত্যুৰ জানলাৰ ভিতৰ থেকে না দেখলে তাকে সত্য ৰূপ দেখা যায় না। মৃত্যুৰ আকাশে জীৱনেৰ যে বিৰাট মুক্তৰূপ প্ৰকাশ পায় প্ৰথমে তা বৰ দুঃসহ। কিন্তু তাৰ পৰে ঔদাৰ্য মনকে আনন্দ দিতে

থাকে। তখন ব্যক্তিগত জীবনেৰ সুখ-দুখ অনন্ত সৃষ্টিৰ ক্ষেত্রে হালকা হয়ে দেখা দেয়। (চিঠিপত্র, ৰবীন্দ্রনাথ ঠাকুৰ, ১১শ খণ্ড, পত্রসংখ্যা ২, পৃ.৭)

আকৌ ইয়াত দেখুওৱাৰ দৰে লগতে প্রসংগ উল্লেখ নকৰি, উল্লেখ সংখ্যাৰে চিহ্নিত কৰি প্রসংগ সূত্র পাদটীকা বা অন্ত্যটীকাত উল্লেখ কৰিলেও হয়। যেনে—

আমি ক্রমে বুঝতে পাৰলাম জীবনকে মৃত্যুৰ জানলাৰ ভিতৰ থেকে না দেখলে তাকে সত্য ৰূপ দেখা যায় না। মৃত্যুৰ আকাশে জীবনেৰ যে বিৰাট মুক্তৰূপ প্রকাশ পায় প্রথমে তা বৰ দুঃসহ। কিন্তু তাৰ পৰে ঔদার্য মনকে আনন্দ দিতে থাকে। তখন ব্যক্তিগত জীবনেৰ সুখ-দুখ অনন্ত সৃষ্টিৰ ক্ষেত্রে হালকা হয়ে দেখা দেয়।[১]

প্রত্যক্ষ উদ্ধৃতিৰ ব্যৱহাৰৰ ক্ষেত্রত বহুকেইটি দিশলৈ লক্ষ্য ৰাখিবলগীয়া হয়। সেইবোৰ হ'ল—

- মূল গ্রন্থৰ পৰা মূল তথ্য চাই লৈহে উদ্ধৃতি দিয়া উচিত।
- উদ্ধৃতিৰ প্রত্যক্ষ ব্যৱহাৰত সম্পাদনা কৰিব নালাগে। যথাযথ ব্যৱহাৰ কৰিব লাগে।
- উদ্ধৃতিত সদায় উৎসৰ উল্লেখ থাকিব লাগে।
- অনাৱশ্যক অথবা অতি উদ্ধৃতিৰ প্রৱণতা বৰ্জনীয়।
- নিতান্ত প্রয়োজনতহে উদ্ধৃতিৰ ব্যৱহাৰ কৰা ভাল।

আনহাতে, পৰোক্ষ উদ্ধৃতি ব্যৱহাৰ কৰিলে, উদ্ধৃতি যোগ্য কথাংশৰ সাৰমৰ্ম লেখকে নিজৰ ভাষাত লিখি পাদটীকা অথবা অন্ত্যটীকাত তাৰ সম্পূৰ্ণ উৎস-সূত্র উল্লেখ কৰিব লাগিব। যেনে— শংকৰদেৱৰ প্রৱৰ্তিত দৰ্শনৰ মূল কথা 'এক দেৱ, এক সেৱ, এক বিনে নাহি কেৱ' সাৰোগত কৰি বৈষ্ণৱ সাহিত্যৰ বিকাশ হৈছিল।

এই কথাংশৰ শেষত সংখ্যাৰে ওপৰত দিয়াৰ দৰে প্রসংগ চিহ্ন দিব লাগিব আৰু প্রসংগ চিহ্ন অনুসৰি পাদটীকাত শংকৰদেৱৰ মূল ভাষ্যৰে ইয়াৰ প্রমাণস্বৰূপ মূল উৎসৰ উল্লেখ কৰিব লাগিব। সেই প্রসংগ উল্লেখত গ্রন্থকাৰৰ নাম, প্রবন্ধ বা নিৱন্ধৰ নাম, গ্রন্থৰ নাম, প্রকাশকৰ নাম-ঠিকনা, প্রকাশৰ চন, পৃষ্ঠা সংখ্যাৰে সৈতে থাকিব লাগিব।

পৰোক্ষভাৱে দিয়া উদ্ধৃতিৰ বৈশিষ্ট্য হ'ল, এনে উদ্ধৃতি উৎসৰ বক্তা অথবা মূল লেখকৰ ভাষ্য হুবহু একে ভাষাৰে উৰ্দ্ধকমাৰ ভিতৰত উপস্থাপন কৰা নহয়। পৰোক্ষভাৱে উল্লেখ কৰা এনে উদ্ধৃতিয়ে সম্ভৱতঃ মূল বক্তব্যৰ অৰ্থ ৰক্ষা কৰা সাৰাংশ হ'ব পাৰে।

[১] *চিঠিপত্র*, ৰবীন্দ্রনাথ ঠাকুৰ, ১১শ খণ্ড, পত্রসংখ্যা ২, পৃ.৭



এনে অপ্রত্যক্ষ উদ্ধৃতিৰ উদ্দেশ্য হ'ল—


- উৎসৰ পৰা সংগৃহীত সত্যৰ বিবৃতি।
- সুদীৰ্ঘ অথবা বিভ্রান্তিকৰ উদ্ধৃতিৰ স্পষ্টতা।
- বহু প্রত্যক্ষ উদ্ধৃতিৰ পৰা ধাৰণা ঘণীভূত কৰা।
- গৱেষণা কাৰ্যত প্রসংগসূচীৰ ব্যৱহাৰৰ মান্য নীতি।

গৱেষণাত প্রসংগৰ ব্যৱহাৰ অতি প্রয়োজনীয় বিষয়। সম্প্রতি পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন সংস্থা আদিয়ে প্রসংগ ব্যৱহাৰৰ মান্য নীতি তৈয়াৰ কৰিছে। তেনে মান্যতাসম্পন্ন নীতিৰ ভিতৰৰা কিছুমান সাধাৰণ নীতি হ'ল—

- ভাৰতীয় মান্যতা IS (Indian Standard)
- আমেৰিকান ছাইক'লজিকেল এছছিয়েছনৰ মান্যতা APA (American Psychological Association Standard)
- আমেৰিকান এন্থ্ৰপলজিকেল ষ্টাইল্ গাইড AA (American Anthropological Style Guide)
- আমেৰিকান ছ'ছিয়ল'জিকেল এছ'ছিয়েছন্ ষ্টাইল্ গাইড্ ASA (American Sociological Association Style Guide)
- হাৰ্ভাৰ্ড ষ্টাইল্ গাইড্ (Harverd Style Guide)
- চিকাগো ষ্টাইল্ মেন্যুৱেল্ (Chikago Style Guide)
- মডাৰ্ণ লেংগুৱেজ্ এছছিয়েছন্ MLA (Modern Language Association)

ইয়াৰ বাহিৰেও আন বহু সংস্থাও আছে। তথাপি সমাজ বিজ্ঞানৰ বিষয়ৰ ক্ষেত্রত নিৰ্দ্দিষ্ট এটি গাইড-লাইন অনুসৰণ কৰাই উচিত। এনেকুৱা হ ব নালাগে যে ক'ৰবাত ভাৰতীয় মান্যতা ব্যৱহাৰ কৰি, ক'ৰবাত এম.এল.এ. মান্যতা ব্যৱহাৰ কৰা হ'ব। ভাৰতীয় গৱেষণা ক্ষেত্রত ভাৰতীয় মান্যতাৰেই ব্যৱহাৰ হোৱা উচিত। ভাৰতীয় মান্যতাত তলত দিয়া ধৰণে প্রসংগ সূত্রক ভাগ কৰিব পাৰি—

ভাৰতীয় মান্যতা IS (Indian Standard)



**গ্ৰন্থৰ প্ৰসংগ সূত্ৰ লিখাৰ নিয়ম ঃ**

লেখকৰ নাম (উপাধি, নাম), গ্ৰন্থৰ শিৰোনাম, প্ৰকাশৰ সময়, প্ৰকাশকৰ নাম, প্ৰকাশৰ স্থান, পৃষ্ঠা সংখ্যা, ISBN No.।

উদাহৰণ—

ডেকা বুজৰবৰুৱা, (ড°) পল্লৱী, *তুলনামূলক সাহিত্য আৰু পৰিধীয় ক্ষেত্ৰ,* ২০২১, সদৌ ধেমাজি জিলা ছাত্ৰসন্থা, ধেমাজি, পৃ. ৫০, (ISBN 978-81-947995-6-6)

**জাৰ্নালৰ প্ৰসংগ সূত্ৰ লিখাৰ নিয়ম ঃ**

লেখকৰ নাম (উপাধি, নাম), প্ৰবন্ধৰ শিৰোনাম, জাৰ্নালৰ শিৰোনাম, খণ্ড, সংখ্যা, মাহ বছৰ, পৃষ্ঠা সংখ্যা, ISSN No, On line Issu ইত্যাদি।

উদাহৰণ—

Deka Buzarboruah, (Dr.) Pallavi, Comparative Indian Literature: an approach to a School, International Journal of Humanities and Social Science Invention, Volume III, Issue X, October, 2014, P- 34-46, ISSN (Online): 2319 7722, ISSN (Print): 2319 7714 www.ijhssi.org

**কনফাৰেন্স প্ৰছিডিংৰ প্ৰসংগ সূত্ৰ লিখাৰ নিয়ম ঃ**

কন্‌ফাৰেন্স প্ৰছিডিং ৰ প্ৰসংগ সূত্ৰ লিখা প্ৰক্ৰিয়া কিছু জটিল। সেই ক্ষেত্ৰত অনেক তথ্যৰ যোগান ধৰিবলগীয়া হয়। যেনে— লেখক (উপাধি, নাম), প্ৰবন্ধৰ নাম, কনফাৰেন্সৰ নাম, প্ৰবন্ধৰ শিৰোনাম, কনফাৰেন্সৰ স্থান, দেশ, তাৰিখ, বছৰ, কনফাৰেন্স প্ৰছিডিঙৰ সম্পাদকৰ নাম, প্ৰকাশৰ বছৰ, পৃষ্ঠা সংখ্যা।

এনেবিলাক প্ৰসংগ সূত্ৰৰ উপৰিও সাহিত্য-সংস্কৃতিকে ধৰি সামাজিক বিজ্ঞান ক্ষেত্ৰৰ বহুবোৰ বিষয়ৰ ক্ষেত্ৰত সংশ্লিষ্ট প্ৰসংগ সূত্ৰ পোৱা যায় পষেকীয়া/মাহেকীয়া/ বছেৰেকীয়া/ পত্ৰিকা/ আলোচনী, ব্যক্তিগত ডায়েৰী, চিঠি-পত্ৰ, চৰকাৰী নথি-পত্ৰ, অন্যান্য তথ্য তালিকা ইত্যাদিত। সেয়ে এনে অনেক তথ্যৰ প্ৰসংগও উল্লেখ কৰিবলগীয়া হয়। সিবিলাকৰ ক্ষেত্ৰত ক্ৰম অনুযায়ী তাৰিখ অথবা সময়লৈকে, অথবা তথ্যদাতাৰ নাম, বয়সলৈকে উল্লেখ কৰিব লাগে।

**গৱেষণা প্ৰতিবেদনৰ বিভিন্ন প্ৰকাৰ ঃ**

**১) গৱেষণা গ্ৰন্থ বা থেচিছ্ (Thesis)/গৱেষণা গ্ৰন্থকণিকা (Dissertation)ঃ**

এম.ফিল্ বা পিএইচ.ডি. ডিগ্ৰী লাভৰ কাৰণে বিশ্ববিদ্যালয়ত গৱেষণা-প্ৰতিবেদন গৱেষণা কৰ্মৰ বাবে নিৰ্দিষ্ট কৰা সময়ৰ ভিতৰত দাখিল কৰা হয়। পিএইচ.ডি. ডিগ্ৰীৰ বাবে কিছু বিস্তৃত সময় আৰু পৰিসৰ সামৰি গৱেষণা কাৰ্য সমাপন কৰি দাখিল কৰা প্ৰতিবেদনক গৱেষণা গ্ৰন্থ বা থেচিছ্ বুলি কোৱা হয়। সেইদৰে এম. ফিল. অথবা প্ৰজেক্টৰ বাবে দাখিল কৰা প্ৰতিবেদনক 'গ্ৰন্থকণিকা' বা 'ডিছাৰটেচন' বুলি কোৱা হয়। পিএইচ. ডি. গৱেষণা গ্ৰন্থৰ বিষয় আৰু তাৰবাবে নিৰ্ধাৰিত সময়ৰ পৰিসৰ ব্যাপক আৰু বিস্তৃত হয়। পিএইচ. ডি. বা এম.ফিলৰ গৱেষণা কৰ্মত প্ৰাৰম্ভিক স্তৰৰপৰা বিভিন্ন পৰ্যায় অতিক্ৰম কৰিহে গৱেষণা গ্ৰন্থ এখন লিখা হয়। একোখন আদৰ্শ থেচিছৰ আকৃতি সম্পৰ্কে কোনো নিৰ্দিষ্ট ঐক্যমত পোৱা নাযায়। তথাপি বিশ্ববিদ্যালয়সমূহত নিৰ্দিষ্ট কৰা নিজা নিজা ভিন্ ভিন্ নীতি অনুসৰণ কৰা দেখা যায়। তথাপি সাধাৰণতে ১০০-৩০০ পৃষ্ঠাৰ ভিতৰত একোখন থেচিছৰ পৰিধি নিৰ্দিষ্ট হোৱা পৰিলক্ষিত হয়। আনহাতে দেখা যায় সীমিত সময়ৰ ভিতৰত কম পৰিসৰত ৬০-১০০ পৃষ্ঠাৰ ভিতৰত সামৰি এম. ফিল. ডিগ্ৰীৰ বাবে দাখিল কৰা প্ৰতিবেদনক 'গ্ৰন্থকণিকা' বুলি অভিহিত কৰা হয়।


**২) গৱেষণা-পত্ৰ (Research Paper)ঃ**

সাধাৰণতে মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয় অন্য গৱেষণা ক্ষেত্ৰ যেনে— আলোচনাচক্ৰ (Seminer), কৰ্মশলা (Workshop), সন্মিলন (Conference), একত্ৰিত সভা (Congress) ইত্যাদিত পাঠ কৰিবৰ বাবে অথবা গৱেষণা পত্ৰিকাত প্ৰকাশৰ বাবে সংক্ষিপ্ত সময়ৰ ভিতৰত ৮-১০ পৃষ্ঠাৰ ভিতৰত একোটি বিষয়ৰ নিৰ্দিষ্ট একোটি দিশৰ বিষয়ে নিৰ্দিষ্ট পদ্ধতি অৱলম্বন কৰি নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত নাতিদীৰ্ঘ আৰু নীতিগূঢ় গৱেষণা প্ৰবন্ধ লিখি দাখিল কৰিবলগীয়া হয়। এনে গৱেষণা প্ৰবন্ধক গৱেষণা-পত্ৰ বুলি কোৱা হয়।

**৩) গৱেষণা প্ৰকল্প প্ৰতিবেদন ঃ**

সাধাৰণ অৰ্থত যি কোনো কৰ্ম পৰিচালনাক প্ৰকল্প বুলি কোৱা হয়। কিন্তু যেতিয়া কোনো নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট সঁজুলি আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি গৱেষণাৰ বিশেষ উদ্দেশ্য সাধনৰ কাৰণে বিভিন্ন উপাদান আৰু তথ্য নিৰ্দিষ্ট পদ্ধতি ব্যৱহাৰ কৰি নিৰ্দিষ্ট গৱেষণা প্ৰক্ৰিয়া আৰু পদ্ধতিৰ মাজেৰে সিদ্ধান্তত উপনীত হৈ গৱেষণা প্ৰতিবেদন প্ৰস্তুত কৰা হয়, এই গোটেই কৰ্ম প্ৰক্ৰিয়াক গৱেষণা প্ৰকল্প বুলিব পাৰি।

**গৱেষণা প্ৰকল্প প্ৰতিবেদন**



আনহাতে বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰ্যায়ত বিজ্ঞানসন্মত পদ্ধতি অনুসৰণ কৰি প্ৰণালীৱদ্ধভাৱে ব্যাখ্যা-বিশ্লেষণসহ কম সময়ৰ ভিতৰত কোনো নিৰ্দিষ্ট বিষয়ৰ গৱেষণামূলক প্ৰতিবেদন দাখিল কৰিবলগীয়া হয়। এনে প্ৰতিবেদন গৱেষণা-পত্ৰতকৈ কিছু দীৰ্ঘ সময় আৰু পৰিসৰত সমাপন কৰিবলগীয়া হয়। এনে প্ৰতিবেদনক প্ৰকল্প প্ৰতিবেদন বুলি কোৱা হয়। গৱেষণা প্ৰকল্প এটি সমাপন কৰি প্ৰকল্প প্ৰতিবেদন দাখিল কৰাৰ অভিজ্ঞতাৰ জৰিয়তে শিক্ষাৰ্থীৰ ভৱিষ্যতৰ গৱেষণা গ্ৰন্থ লেখনৰ অনুশীলন সম্পন্ন হয়। অৰ্থাৎ গৱেষণা গ্ৰন্থ, গ্ৰন্থকণিকা, গৱেষণা-পত্ৰ আৰু গৱেষণা-প্ৰকল্প প্ৰতিবেদন সকলোৰে মাজত প্ৰকৃতিৰ পাৰ্থক্য নাথাকিলেও পৰিসৰ আৰু আকৃতিৰ পাৰ্থক্য আছে।

আচলতে বিশ্ববিদ্যালয়ত কৰা এম.ফিল, পিএইচ. ডি. আদি ডিগ্ৰীৰ গৱেষণা কাৰ্যত সম্পূৰ্ণ পৰীক্ষামুখী দিশ জড়িত হৈ থাকে। সেয়ে গৱেষকৰ পৰীক্ষামুখী লক্ষ্য আৰু প্ৰচেষ্টাইহে গৱেষণা কাৰ্যক নিখুঁট আৰু পূৰ্ণতা প্ৰদান কৰিব। কাৰণ বিশিষ্ট গৱেষণা-বিশেষজ্ঞ পণ্ডিতৰ দ্বাৰা পৰীক্ষিত, মূল্যায়িত আৰু অনুমোদিত গৱেষণা গ্ৰন্থৰ কাৰণেহে গৱেষকে ডিগ্ৰী লাভ কৰিব আৰু গৱেষণা গ্ৰন্থখনো প্ৰকাশৰ বাবে গৃহীত হ'ব।

আলোচনাৰ পৰা দেখা গ'ল সমগ্ৰ গৱেষণা-কৰ্মই প্ৰকৃততে এটি সম্পূৰ্ণ শৈক্ষিক কাৰ্যক্ৰম। যিকোনো বিষয়ৰ প্ৰশ্ন বা সমস্যাৰ বিষয়ে প্ৰকৃত সত্যত উপনীত হ'বৰ উদ্দেশ্যে তথ্য, ধাৰণা, সংকেত আদিৰ সংগ্ৰহ আৰু পৰীক্ষণ কৌশল আদিৰ সংযোগত নিৰ্মাণ হোৱা সিদ্ধান্তত উপনীত হ'ব পৰা একপ্ৰকাৰ বৌদ্ধিক অনুশীলন কলা বা তত্ত্বই হ'ল গৱেষণা। গৱেষণাৰ সংজ্ঞা সম্পৰ্কে এতিয়ালৈকে প্ৰাপ্ত সূত্ৰসমূহৰ আধাৰত গৱেষণাৰ কেইটিমান সাধাৰণ বৈশিষ্ট্য প্ৰতীয়মান হ'ল। সেইকেইটা হ'ল—

- গৱেষণা এটি পদ্ধতিগত অনুসন্ধান।
- জ্ঞানৰ কোনো বিশেষ বিষয় বা ক্ষেত্ৰৰ ভিতৰলৈ কৰা অনুসন্ধান।
- কোনো নীতি বা সত্য প্ৰতিষ্ঠা কৰিবলৈ কৰা কাৰ্য।
- পূৰ্ব প্ৰতিষ্ঠিত জ্ঞানৰ বিকাশ সাধন অথবা তাৰ আধাৰত কৰা নতুন সত্য উদঘাটনৰ মৌলিক প্ৰয়াস।

গৱেষণা সম্পৰ্কীয় সামগ্ৰিক আলোচনাই গৱেষণাৰ পদ্ধতি সম্পৰ্কে বহুকেইটি তথ্যক সত্য সাব্যস্ত কৰিলে। সেইবোৰ হ'ল গৱেষণাৰ মৌলিক পদ্ধতি দুই প্ৰকাৰৰ— সাংখ্যিক বা পৰিমাণগত আৰু গুণগত প্ৰয়াস। পৰিমাণগত প্ৰয়াসক সহজ কৰিবলৈ আকৌ তিনিটা উপভাগত ভাগ কৰি লোৱা হ'ল—

- যুক্তিৰ সহায়ত
- পৰীক্ষামূলকভাৱে
- অনুকৰণধৰ্মীতাৰে



এই তিনি ধৰণে কোনো গৱেষণা কাৰ্যৰ সিদ্ধান্তত উপনীত হ'ব পৰাৰ প্ৰয়াস কৰা হয়। গুণগত প্ৰয়াসত অধ্যয়নৰ দৃঢ়তা, দৃষ্টিভংগী, কাৰ্যকাৰিতাৰ সহায়ত বস্তুনিষ্ঠ মূল্যায়নত গুৰুত্ব দিয়া হয়। এনে ক্ষেত্ৰত গৱেষকৰ অন্তৰ্দৃষ্টি আৰু ধাৰণাৰ স্পষ্টতা গুৰুত্বপূৰ্ণ হয়। গতিকে সহজ ভাষাত গৱেষণা হ'ল কোনো নজনা সত্যৰ বিজ্ঞানসন্মত অনুসন্ধানৰ একপ্ৰকাৰ পৰিপূৰ্ণ কলা; কোনো পূৰ্বজ্ঞানৰ অভিজ্ঞতাৰ আধাৰত অধিক উন্নত ৰূপত নতুন জ্ঞানৰ অনুসন্ধান কৰা। তথ্যৰ সংগ্ৰহণ, পৰ্যবেক্ষণ, তুলনা, পৰীক্ষণ আৰু মূল্যায়নৰ সহায়ত কৰা সত্যানুসন্ধান সম্পন্ন হয়। আচলতে নজনাক জনাৰ প্ৰতি দুৰ্বাৰ আকাংক্ষাই গৱেষণা। গৱেষণা উদ্যম হ'ল তাৰবাবে প্ৰয়োজন হোৱা পদ্ধতিৰ মূল চালিকা শক্তি; যি শক্তিৰ প্ৰয়োগত গৱেষক এজনে অজ্ঞাত সত্যৰ অনুসন্ধানত গৱেষণা কৰে।

পৰিশিষ্ট (১)

# গৱেষণাকৰ্মত নৈতিকতা

ৱেবষ্টাৰ ডিক্সনেৰীত 'এথিক্‌চ' (Ethics) ৰ অৰ্থ— কোনো দলীয় অথবা বৃত্তি পৰিচালন ব্যৱস্থাত শৃংখলা ৰক্ষাৰ বাবে নিৰ্ধাৰণ কৰি লোৱা মান্যতাৰ অনুৰূপ বুলি কোৱা হৈছে। গৱেষণাৰ ক্ষেত্ৰত এনে মান্যতাক প্ৰায়ে কোনো নিয়মানুৱৰ্তী শৃংখলাক পৰিচালনাৰ সুবিধাৰ কাৰণে পৰিচালন নীতিভুক্ত কৰা হয়। কেতিয়াবা বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিচালন সমিতিবোৰে (যাক আনুষ্ঠানিক পুনৰীক্ষণ বৰ্ড বুলিও কোৱা) এনে নীতি-নিৰ্দেশনা জাৰী কৰে। আনকি যদি নীতি স্পষ্টভাৱে নিৰ্দিষ্ট কৰা নহয়ো, তথাপি বিজ্ঞানমনস্ক গৱেষকসকলে অন্যান্য বিজ্ঞানসন্মত গোটে মানি চলা নিৰ্দিষ্ট চুক্তি মানি চলিব বিচাৰে। গৱেষণা কাৰ্যৰ গ্ৰহণযোগ্যতা আৰু অগ্ৰহণযোগ্যতাৰ প্ৰকৃতিলৈ সতৰ্কতাৰে লক্ষ্য ৰাখি এনে ব্যৱহাৰিক বিজ্ঞান নিৰ্মাণ কৰা হয়। নিৰ্ধাৰিত গৱেষণা নীতিয়ে গৱেষণা কৰ্মৰ নৈতিক গুণ-মান বজায় ৰখাৰ নিৰ্দ্দেশিকা তথা দিক্ দৰ্শনৰ ভূমিকা পালন কৰে। গৱেষণাত যুক্তিবোধৰ উপৰিও নৈতিকতাবোধ ৰক্ষা কৰা অন্যতম গুৰুত্বপূৰ্ণ কথা। গৱেষণা ক্ষেত্ৰত গৱেষণাৰ কৰণীয় আৰু অকৰণীয় বিভিন্ন দিশক ঔচিত্যৰ দিশৰ পৰা বিচাৰ নীতিয়েই হ'ল গৱেষণাৰ নৈতিকতা।

**গৱেষণাত নৈতিকতাৰ প্ৰয়োজনীয়তা**

সহজ অৰ্থত নীতি হ'ল— শুদ্ধতা আৰু অশুদ্ধতাৰ মাজৰ পাৰ্থক্য। গৱেষণা ক্ষেত্ৰত নীতি হ'ল— ব্যৱহাৰিক প্ৰয়োজনত ব্যৱহৃত নৈতিকতা আৰু আইনৰ মধ্যবিন্দুৰ এটি বিশেষ মান্যতা। গৱেষণা কৰ্মত গৱেষণা নৈতিকতাৰ দিশটো বিশেষ গুৰুত্বপূৰ্ণ। গৱেষণাকৰ্মত স্বচ্ছতা আৰু সত্যতা বাঞ্চনীয়। ভিন্ন বিদ্যায়তনিক ক্ষেত্ৰৰ ভিন্ন নৈতিক দিশ থাকিব পাৰে। যিকোনো গৱেষণা ক্ষেত্ৰৰ গৱেষকে নিজৰ গৱেষণা বিষয়ৰ লগত সংশ্লিষ্ট ক্ষেত্ৰৰ নৈতিক গুৰুত্বৰ প্ৰতি সচেতন হোৱা বাঞ্চনীয়। তেনে ক্ষেত্ৰত গৱেষকে মনত ৰাখিবলগীয়া দিশ হ'ল—

- গৱেষণা-নীতিয়ে গৱেষণাৰ লক্ষ্যৰ নৈতিকতা নিৰ্ধাৰণ কৰে।
- জ্ঞানৰ চৰ্চা, সত্য প্ৰতিষ্ঠা, ভ্ৰান্তি নিৰসন ইত্যাদিৰ প্ৰতি গৱেষকক সচেতন কৰি ৰাখে।

- গৱেষণাকৰ্মত বিশ্বস্ততা, দায়ৱদ্ধতা আৰু স্বচ্ছতা ৰক্ষা কৰাত সহায় কৰে।
- দলীয় গৱেষণাকৰ্মত সহকৰ্মীৰ মাজত পাৰস্পৰিক মৰ্যাদা ৰক্ষা কৰাৰ প্ৰতি সচেতনতা প্ৰদান কৰে।
- সমাজবিজ্ঞানৰ আন্তঃক্ষেত্ৰৱৰ্তী অধ্যয়নত সামাজিক দায়ৱদ্ধতাৰ কথা গৱেষকে মনত ৰখাত সহায়তা কৰে।
- গৱেষাণাৰ দ্বাৰা মানুহৰ অনিষ্টৰ বিপৰীতে সামূহিক কল্যাণৰ দিশটোৱে গুৰুত্ব পাবই লাগিব।
- মানুহৰ মংগল সাধন, সত্যনিষ্ঠা, নৈতিকতাৰ জাগৰণ ঘটোৱা গৱেষণাৰ লক্ষ্যও নীতিনিষ্ঠতাই নিৰ্ধাৰণ কৰে।
- গৱেষণা কৰ্মই মানুহৰ অধিকাৰ, মূল্যবোধৰ সংৰক্ষণ, সামাজিক ঐক্য সংহতিক ৰক্ষা কৰিব লাগিব ।
- গৱেষণাকৃত বিষয়ৰ জৰিয়তে মানুহ, সমাজ আৰু জগতৰ মংগল সাধন হ'ব লাগিব।

**গৱেষণাত নৈতিকতাৰ প্ৰতিফলনৰ সাধাৰণ দিশ**

- গৱেষণা গৱেষকৰ স্বতঃপ্ৰণোদিত হ'ব লাগিব।
- গৱেষণা কৰ্মৰ সুচিন্তিত, সুস্পষ্ট আৰু সুদৃঢ় তত্ত্বগত ভিত্তি থাকিব লাগিব।
- গৱেষণাৰ দ্বাৰা কোনো নহয় কোনো ভাৱে সমাজৰ মংগল সাধন হোৱাটো বাঞ্চনীয়।
- সমাজলৈ নেতিবাচক বিপৰ্যয় মাতিব পৰা গৱেষণা কাম্য নহয়।
- গৱেষণা কৰ্মত আনৰ সৈতে মতান্তৰ স্বাভাৱিক। কিন্তু নিন্দা, কটূক্তি ইত্যাদি কাম্য নহয়।
- তথ্য সংগ্ৰহৰ ক্ষেত্ৰত তথ্যদাতাক যোগ্য স্বীকৃতি নিদিয়াটো অনৈতিক কাৰ্য বুলি বিবেচিত হয়।
- গৱেষণাৰ ক্ষেত্ৰত সহায়ক হোৱা সকলোৰে স্বীকৃতি দিয়াটো গৱেষণাৰ নৈতিকতাৰ দিশ।
- পূৰ্বৱৰ্তী গৱেষক/ লেখকৰ উদ্ভাৱিত তত্ত্ব/ভাৱনা/উদ্ধৃতিৰ ব্যৱহাৰ কৰিলে স্বীকৃতি দিয়া উচিত।
- আনৰ লেখা/ আন গৱেষকৰ তথ্য নিজৰ নামত চলোৱাৰ প্ৰৱণতা অনৈতিক।
- তথ্য-বিকৃতি/ মনে গঢ়া তথ্য প্ৰদানযপ্ৰকৃত তথ্য গোপন কৰা ইত্যাদি নৈতিকতাৰ পৰিপন্থী।



**গৱেষকৰ মাজত থাকিবলগীয়া কিছুমান অনিবাৰ্য গুণ**

গৱেষক পণ্ডিতসকলে এজন গৱেষকৰ মাজত কিছুমান গুণ অনিবাৰ্য বুলি মত পোষণ কৰিছে। সেইবোৰ হ'ল—

- ন্যায়পৰায়ণতা (Honesty)
- নৈৰ্ব্যক্তিকতা (Objectivity)
- অখণ্ডতা (Integrity)
- কৰ্মদক্ষতা (Competence)
- সতৰ্কতা (Carefulness)
- অকপটতা (Openness)
- বৌদ্ধিক সম্পদৰ প্ৰতি সন্মান (Respect for Intellectual Property)
- গোপনীয়তা (Confidentiality)
- দায়ৱদ্ধ প্ৰকাশন (Responsible Publication)
- দায়ৱদ্ধ পৰ্যবেক্ষণ (Responsible Monitoring)
- সহকৰ্মীসকলৰ প্ৰতি সন্মান (Respect for Colleagues)
- সামাজিক দায়ৱদ্ধতা (Social Responsibility)
- বৈষম্যশূন্যতা (Non-Discriminination)

যিকোনো গৱেষণা কাৰ্যত সততা স্বচ্ছতা, নৈৰ্ব্যক্তিকতা, যৌক্তিকতা, সংহতি, দক্ষতা, থাকিবই লাগিব। মননশীলতাৰ প্ৰতি গৱেষকৰ শ্ৰদ্ধা, প্ৰয়োজনীয় গোপনীয়তা, দায়িত্বশীল গৱেষণা কৰ্ম, সমাজৰ প্ৰতি দায়ৱদ্ধতাৰ মনোভাৱ থাকিব লাগিব আৰু কাৰো প্ৰতি কোনো বৈষম্যমূলক আচৰণ হ'ব নালাগিব।